# স্মৃতিৰ সুৰভি

ৰমণীকান্ত ডেকা

নতুন অসম
বাণীপ্ৰকাশ মুদ্ৰণী প্ৰাইভেট লিমিটেড্
*ভাষা-সাহিত্য-সংস্কৃতিৰ বিশিষ্ট প্ৰকাশক*
উদ্যোগ পাম ঃ বামুণীমৈদাম
গুৱাহাটী-২১

**Smritir Surabhi:** A few best selected collection of articles written by Sri Ramani Kanta Deka, Hill View coloney, New Guwahati, Guwahati-20, written in Assamese language and published by Jyotipada Dev Choudhury, Natun Asam, Bani Prokash Mudranee pvt. Ltd., Industrial Estate, By Lane No. 4, Bamunimaidam, Guwahati-21

***First Edition : July 2009*** ***Rs. 250.00***

---

প্ৰকাশক : শ্ৰীজ্যোতিপদ দেৱ চৌধুৰী
নতুন অসম
বাণীপ্ৰকাশ মুদ্ৰণী প্ৰাইভেট লিমিটেড্
উদ্যোগ পাম, (বাইলেন নং ৪)
বামুণীমৈদাম, গুৱাহাটী-২১

প্ৰথম প্ৰকাশ জুলাই /২০০৯

বেটুপাত : বেণু মিশ্ৰ

বেচ : পেপাৰ বেক : ১০০.০০ টকা (সাধাৰণ সংস্কৰণ)
পকা বন্ধা : ২৫০.০০ টকা (লাইব্ৰেৰী সংস্কৰণ)

ছপা : বাণীপ্ৰকাশ মুদ্ৰণী প্ৰাঃ লিঃ
উদ্যোগপাম ,বামুণীমৈদাম
গুৱাহাটী -২১
ফোন নং : ৯৭০৬০-৪৬১০ ৮

# উছৰ্গা

যিজন স্বনামধন্য ব্যক্তিৰ চেষ্টা-যত্ন আৰু অধ্যৱসায়ৰ গুণত আজি স্থিতি লাভ কৰিলো যাৰ প্ৰেৰণা আছিল মোৰ জীৱনৰ পাথেয় সেইজন মোৰ চিৰ নমস্য জ্যেষ্ঠ ভাতৃ শ্ৰীগোবিন্দৰাম ডেকাৰ নামত 'স্মৃতিৰ সুৰভি'খন উছৰ্গা কৰিলো।

ৰমণীকান্ত ডেকা

# মুখবন্ধ

অসমৰ বহুতো চিন্তাশীল লেখকৰ মূল্যৱান লেখাবোৰ প্ৰথমে প্ৰকাশ পায় বাতৰি কাকত বা আলোচনীত। এনেকুৱা বহুতো লেখাতেই কিছু স্থায়ী মূল্য থাকে। কিন্তু কিতাপ আকাৰে সংকলিত নোহোৱাৰ ফলত প্ৰবন্ধবোৰ চিৰকাললৈ হেৰাই যায়। 'আৱাহন'ত বহুতো জ্ঞানগৰ্ভ আৰু মৌলিক চিন্তাপ্ৰসূত প্ৰবন্ধ প্ৰকাশ হৈছিল। গ্ৰন্থবদ্ধ হৈ সংৰক্ষিত হোৱা হ'লে তেনেকুৱা কেইবাখনো কিতাপ অসমীয়া সাহিত্যৰ অমূল্য সম্পদ বুলি বিবেচিত হ'লহেঁতেন। কিন্তু সেইটো নহ'ল। 'আৱাহন' আজি দুষ্প্ৰাপ্য। প্ৰবন্ধবোৰো হেৰাই গ'ল চিৰকাললৈ।

ৰমণীকান্ত ডেকা এজন সু-পৰিচিত চিন্তাশীল লেখক। বিভিন্ন ইংৰাজী আৰু অসমীয়া বাতৰি কাকতত তেওঁ নিয়মিতভাৱে লিখি থাকে। বিভিন্ন বাতৰি কাকতত (বা আলোচনীত) সিঁচৰতি হৈ থকা প্ৰবন্ধবোৰ সকলো পাঠকৰ পক্ষে পঢ়া সম্ভৱ নহয়, কাৰণ বেছিভাগ পাঠকেই গোটেইবোৰ বাতৰি কাকত নপঢ়ে। প্ৰত্যেকৰ নিজৰ পছন্দৰ বাতৰি কাকত থাকে। সেই কাৰণে ৰমণীকান্ত ডেকাই বিভিন্ন বাতৰি কাকতত সিঁচৰতি হৈ থকা তেওঁৰ মূল্যৱান প্ৰবন্ধবোৰৰ কিছুসংখ্যক একেঠাইতে থুপ খুৱাই কিতাপ আকাৰে প্ৰকাশ কৰি এটা অতি প্ৰশংসনীয় কাম কৰিছে। এই প্ৰবন্ধবোৰ সুখপাঠ্য হোৱাৰ উপৰিও তাত সন্নিবিষ্ট হৈ থকা বহুতো মূল্যৱান তথ্য সময়ত গৱেষক লেখক আৰু জীৱনী লেখকসকলৰ কামত লাগিব।

ডেকাৰ বেছিভাগ লেখাই স্মৃতিচাৰণমূলক। উদাহৰণ স্বৰূপে 'স্মৃতিৰ সুৰভি'ত সংকলিত ৪৩ টা প্ৰবন্ধমালাৰ ভিতৰত ২৪টা প্ৰবন্ধই ২৪ জন বিখ্যাত আৰু বৰেণ্য ব্যক্তিৰ প্ৰশস্তি। কিন্তু সুচিন্তিত আৰু সুলিখিত সেই প্ৰশস্তিবোৰে উন্মোচিত কৰিছে বৰেণ্য ব্যক্তিকেইজনৰ জীৱন আৰু কৰ্মৰ, তেওঁলোকৰ সাধনাৰ তেওঁলোকৰ অবদানৰ বিভিন্ন দিশ আৰু বৈশিষ্ট্য বা স্মৃতিচাৰণ মূলক প্ৰবন্ধবোৰৰো সিঁচৰতি হৈ আছে, বুটলি সাঁচি থ'ব লগা অনেক মণি মুকুতা হেন তথ্য, সকলো মিলি এখন অতি মূল্যৱান কিতাপ।

# সুধীসকলৰ মতামত

কটন কলেজৰ ফাৰ্ষ্ট মেছৰ শতবাৰ্ষিকী উপলক্ষে ৰমণীকান্ত ডেকাই লিখা শুৱলা সোঁৱৰণিটো আগষ্টৰ আমাৰ অসমত পঢ়ি ফাৰ্ষ্ট মেছৰ স্বনাম ধন্য বাসিন্দাসকলৰ নামবোৰ শুনি পুনৰ পুলকিত হৈ উঠিলো। ডেকাই যথেষ্ট পৰিশ্ৰম কৰি সমলখিনি গোটাই ন-পুৰণি সকলো কটনীয়ানকে আনন্দ প্ৰদান কৰা বাবে ধন্যবাদ জনাইছো। তেখেতৰ অসংখ্য লিখনিৰ পৰা অতীত আৰু বৰ্তমানৰ বহু নজনা কথা জনাৰ বাবে তেখেতৰ ওচৰত আমি কৃতজ্ঞ।

**মুক্তানন্দ শৰ্মা।**

কটন কলেজৰ থাৰ্ড মেছৰ অনুষ্ঠানটোৰ বিষয়ে ৰমণীকান্ত ডেকাই খৰচি মাৰি লেখা দীৰ্ঘ প্ৰতিবেদন বাতৰি কাকত যোগে পঢ়িবলৈ সুযোগ দিয়া বাবে আৰু তাৰদ্বাৰা মোক অনুপ্ৰাণিত হোৱাৰ সুযোগ উলিয়াই দিয়া বাবে তেওঁক ধন্যবাদ জনালো ।

**নিৰুপমা বৰগোহাঞি**

যোৱা এপ্ৰিল মাহৰ ১১ তাৰিখ ২০০৫ চন অৰণ্য শিতানত প্ৰকাশ পোৱা ৰমনীকান্ত ডেকাৰ 'মানাহলৈ অতীতৰ মধুৰ ৰেঙণি' প্ৰবন্ধটো পঢ়ি পুলকিত হ'লো, ডেকাৰ প্ৰবন্ধটো মানাহ সম্বন্ধে এক তথ্যবহুল সুন্দৰ দস্তাবেছ হোৱা বাবে তেখেতক আমাৰ অভিনন্দন জনালো।

**কৰুণা দত্ত চৌধুৰী**

# আগকথা ঃ এজন পাঠকৰ উপলব্ধি

মই সাহিত্যিক নহও অথবা সাহিত্যিকৰ কাষেদি যাব পৰা ব্যক্তিও নহও। সেয়েহে যি কোনো গ্রন্থৰ আগকথা লিখাৰ যোগ্যতা মোৰ নিশ্চয় নাই। তথাপি ৰমণীকান্ত ডেকাই ইতিমধ্যে বিভিন্ন খবৰ কাকতত প্ৰকাশ পোৱা অথবা সাহিত্যৰ বিভিন্ন অনুষ্ঠানত পাঠ কৰা তেখেতৰ কিছু সংখ্যক প্ৰবন্ধৰ এক সংকলন উলিয়াব খোজাত তেখেতৰ সেই সংকলনটিত আগকথা হিচাপেই হওক বা আন কিবা হিচাপেই হওক মই দুআষাৰ লিখাৰ এক মানসিক তাড়না অনুভৱ কৰিছো।

সাহিত্যকৰ্মত ব্ৰতী ৰমনীকান্ত ডেকাক অসম চৰকাৰী পেন্সনাৰ সন্থাৰ সাহিত্য চৰা'ৰ মাহেকীয়া বৈঠকবোৰত আৰু চান্দমাৰী সাহিত্য সভাৰ মাহেকীয়া আলোচনা চক্ৰবোৰতো তেখেতে লিখা আৰু পাঠ কৰা বহু প্ৰবন্ধ-পাতি শুনাৰ মোৰ সৌভাগ্য বহু বছৰৰ পৰাই ঘটি আহিছে। কেৱল সেয়াই নহয়, অসমীয়া আৰু ইংৰাজী ভাষাৰ বিভিন্ন বাতৰি কাকতত তেখেতে লিখি অহা প্ৰবন্ধবোৰো মই আগ্ৰহ আৰু মনযোগেৰে পঢ়ি আহিছো। তেখেতৰ অসমীয়া আৰু ইংৰাজী উভয় ভাষাতে সমানে দখল আছে। সেয়েহে তেখেতৰ লিখনিসমূহৰ লগত মোৰ এক বিশেষ আৰু দীঘলীয়া পৰিচিতে আছে। তেখেতে লিখি অহা সেই প্ৰবন্ধপাতিবোৰৰ ভিতৰৰ কিছু সংখ্যক প্ৰবন্ধই তেখেতে প্ৰকাশ কৰিব খোজা পুথিখনত স্থান লাভ কৰা হেতুকে ৰমণীকান্ত ডেকাৰ সেই লেখাসমূহৰ বিষয়ে মোৰ এক স্পষ্ট ধাৰণা আছে।

এই কথা পোনতেই ক'ব খুজিছো যে ৰমনী কান্ত ডেকাৰ বহুবোৰ লেখা দেখাত একোগৰাকী ব্যক্তিৰ সচৰাচৰ আৰু গতানুগতিক জীৱনী যেন লাগিলেও, দৰাচলতে সেই লিখাবোৰৰ মাজত, জনসাধাৰণলৈ, সামগ্ৰিকভাৱে বহুতো বাৰ্তা আছে, চিন্তাৰ খোৰাক যোগাব পৰা বহুবোৰ তথ্য আৰু সম্বল আছে। এই একেখিনি কথা, প্ৰধানতঃ স্মৃতি ৰোমন্থন কৰা যেন লগা তেখেতৰ লেখাবোৰৰ ক্ষেত্ৰতো সমানেই প্ৰযোজ্য। সেয়েহে ৰমণীকান্ত ডেকাই লেখা প্ৰবন্ধ-পাতিবোৰৰ একোটা সুকীয়া মান আছে, একোটা সুকীয়া মূল্য আছে। তেখেতৰ লেখাবোৰ পঢ়াৰ আৰু সেই লেখা- বোৰত থকা তেখেতৰ মূল বক্তব্য উপলব্ধি কৰিব পৰাৰ একোটা সুকীয়া দৃষ্টিকোণ আছে। লিখা বা লিখিব পৰা একেখিনি কথাকে বা একেধৰণৰ কথাকে ৰমণীকান্ত ডেকাই একোটা বিশেষ কৌশল আৰু শৈলীৰে লিখা

হেতুকে তেখেতৰ লেখাবোৰে একোটা বেলেগ ৰূপ ধাৰণ কৰি আহিছে। এক বিশেষ দৃষ্টিকোণৰ পৰা বিবেচনা কৰি চালে, তেখেতৰ লেখাবোৰৰ এই নতুন ৰূপবোৰে অসমীয়া সাহিত্যত তেখেতে চিন্তা-চৰ্চা কৰি অহা দিশত এক নতুন ধাৰা সৃষ্টি কৰি আহিছে বুলিও ক'ব পৰা যায়। ৰমণী কান্ত ডেকাৰ স্মৃতি শক্তি অত্যন্ত প্ৰখৰ জীৱনী মূলকেই হওক অথবা আন প্ৰকাৰে স্মৃতি ৰোমন্থন জাতীয় লেখাই হওক, ৰমণীকান্ত ডেকাৰ প্ৰত্যেকটো লেখাই তেখেতৰ অসাধাৰণ আৰু অতুলনীয় স্মৃতি-শক্তিৰ পৰিচয় বহন কৰি আহিছে। তেখেতৰ লেখাবোৰ এনে বহু সংখ্যক ব্যক্তিৰ কথাৰে সমৃদ্ধ যি সকলে অতীতত অসমৰ শিক্ষা, সাহিত্য-সংস্কৃতি ৰাজনীতিকে ধৰি জাতীয় জীৱনৰ বিভিন্ন দিশত অসম আকাশত একোটা উজ্জ্বল নক্ষত্ৰ হিচাপে জিলিকি আছিল। অথবা যি সকল এতিয়াও জিলিকি আছে। সেই সকল ব্যক্তিৰ চিন্তা-আদৰ্শ জীৱন দানি ব্যক্তিত্ব আদিৰ কথা নকৰেই, আনকি ৰমণীকান্ত ডেকাৰ লেখাবোৰত সেই স্বানামধন্য ব্যক্তিসকলৰ নামোল্লেখেও পাঠকৰ মনলৈ এক নতুন সঞ্জীৱতা মানে তাৰ লগতে সেই সকল ব্যক্তিৰ প্ৰতি শ্ৰদ্ধাত মূৰ নত কৰি তোলে।

ৰমণীকান্ত ডেকাৰ লেখাবোৰত বহু সংখ্যক অত্যন্ত গুণী জ্ঞানী, গতিকে আদৰ্শবান আৰু প্ৰাতঃস্মৰণীয় ব্যক্তিৰ কথা উল্লেখ আছে, যি সকলৰ নামটো বহু লোকৰ মনৰ পৰা ইতিমধ্যে মচ খাই গৈছে। ডেকাই তেখেতৰ লেখাবোৰৰ যোগেদি সেই মহান ব্যক্তিসকলক মনত পেলোৱাৰ এক বিৰল সুযোগ প্ৰদান কৰি এক সামাজিক দায়িত্বও অতি নিষ্ঠাৰে পালন কৰিছে। ৰমণীকান্ত ডেকাৰ প্ৰবন্ধবোৰে বহুতো পাঠকক নতুন কথাৰো সম্ভেদ দিব। তেখেতৰ প্ৰত্যেকটো লেখাই হৈছে একোটা বিশেষ উদ্দেশ্য প্ৰধান তেখেতৰ প্ৰত্যেকটো লেখাতেই আছে মহৎ আদৰ্শৰ একোটা বাণী।

ৰমণীকান্ত ডেকাৰ লেখাবোৰে সকলো শ্ৰেণী লোকৰ বাবেই চিন্তাৰ এক বিশেষ ধাৰাৰ সৃষ্টি কৰি আহিছে। মই এই কথাত নিশ্চিত যে এই লেখাবোৰ নতুন প্ৰজন্মৰ বাবে, পিছৰ প্ৰজন্মৰ বাবে, এক অসাধাৰণ আৰু অমূল্য সম্পদ হিচাপে চিহ্নিত হৈ ৰ'ব। মই আশাবাদী যে ৰমণীকান্ত ডেকাৰ এই পুথিখনে পাঠক সমাজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হ'ব।

তবিউল হুছেইন<br>
নামঘৰ পথ, পাঞ্জাবাৰী<br>
গুৱাহাটী -৩৭

# মোৰ নিজৰ কথা

বিভিন্ন স্বাদৰ অসমীয়া আৰু বঙালী কিতাপ-আলোচনী আদি অধ্যয়নৰ অনুৰাগ মোৰ বাল্যকালৰে পৰা আছিল। আমাৰ ঘৰখনতো এটা সুন্দৰ অধ্যয়নৰ পৰিৱেশ নথকা নহয়। মোৰ মনগহনত সুপ্ত হৈ থকা এটা সুন্দৰ অধ্যয়নৰ স্পৃহা আমাৰ পৰিয়ালবৰ্গৰ পৰা আৰু বিশেষকৈ মোৰ দাদা গোবিন্দৰাম ডেকাৰ পৰা আৰু প্ৰয়াত বাইদেউ এসময়ৰ সুলেখিকা লক্ষেশ্বৰী ডেকাৰ পৰা পাইছিলো। তদুপৰি বিগত শতিকাৰ ৫০ ৰ দশকৰ আৰম্ভনিতে মোৰ প্ৰয়াত বাইদেউ আৰু দাদা গোবিন্দৰাম ডেকাৰ যুটীয়া সম্পাদনাত প্ৰকাশ পোৱা উচ্চমানৰ জাগৃতি নামৰ দুমহীয়া আলোচনীখনৰ জৰিয়তে মোৰ ছাত্ৰ জীৱনতে অসমৰ বহুতো বিখ্যাত সাহিত্যসেৱীৰ সান্নিধ্যলৈ অহাৰ বিৰল সুযোগ আৰু সুবিধা লাভ কৰিছিলো। বুৰঞ্জীবিদ আৰু ভাষাৰ যাদুকৰ প্ৰয়াত বেণুধৰ শৰ্মা আৰু শিক্ষাবিদ শ্ৰীৰামচন্দ্ৰ দাসে ছাত্ৰ কালতে মোক লিখা-মেলা কৰিবলৈ উৎসাহ দিছিল।

মই প্ৰায় ধাৰাবাহিকভাবে লিখিবলৈ আৰম্ভ কৰো বিগত শতিকাৰ ৯০ দশকৰ পৰাহে যেতিয়া মই অসম চৰকাৰৰ জ্যেষ্ঠ প্ৰশাসনিক বিষয়া হিচাপে অৱসৰ গ্ৰহণ কৰো। মই ইংৰাজী আৰু অসমীয়াত লিখা প্ৰবন্ধ আৰু চিঠিবোৰ অসমৰ আগশাৰীৰ ইংৰাজী অসমীয়া বাতৰি কাকত আৰু আলোচনী কিছুমানত ধাৰাবাহিকভাবে প্ৰকাশ পাই আছে। মোৰ এই লিখাবোৰ কিতাপ আকাৰে প্ৰকাশ কৰিবলৈ মোৰ বহুতো শুভাকাংক্ষী বন্ধু-বান্ধৱে তাগিদা দিছিল। মোৰ অসমীয়া লিখনিবোৰৰ এটি ক্ষুদ্ৰ অংশ হ'লেও কিতাপ আকাৰে প্ৰকাশ কৰাৰ অন্তৰালত আছে সুলেখক বন্ধুবৰ প্ৰসন্ন শৰ্মা (অসৰৰ প্ৰাপ্ত আই. এ. এছ বিষয়া) আৰু ৰবীন্দ্ৰনাথ কলিতা (অৱসৰ-প্ৰাপ্ত জ্যেষ্ঠ এ. চি. এছ বিষয়া)ৰ সঘন উদগনি আৰু মৰমৰ ধমক' মোৰ দুয়োজনী দুহিতা ৰিমজিম আৰু জিলমিল, ভতিজা দিগন্ত ডেকা (বাবাটু) আৰু মোৰ কনিষ্ঠা ভগ্নী হেমলতা ডেকাৰ উৎসাহ লেখত ল'ব লগা। অসমী আইৰ সুসন্তান প্ৰসিদ্ধ লিখিকা শ্ৰীমতী মামনি ৰয়ছম গোস্বামী আৰু অধ্যয়ন পুষ্ট অৱসৰপ্ৰাপ্ত অভিযন্তা মন্টু গোস্বামীৰো এই কিতাপখন প্ৰকাশৰ ক্ষেত্ৰত অৰিহণা কম নহয়। তেখেতসকলৰ ওচৰতো মই ঋণী।

মোৰ এই কিতাপখনৰ 'আগকথা ঃ এজন পাঠকৰ উপলব্ধি' লিখি দিয়া বাবে ৰসোত্তীৰ্ণ ৰচনাসম্ভাৰেৰে অসমৰ পঢ়ুৱৈ সমাজৰ মাজত ভাবৰ খলকনি তোলা বিশিষ্ট প্ৰবন্ধকাৰ বন্ধুবৰ তবিউল হুচেইন চাহাবলৈ হিয়াভৰা চেনেহ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

অসমৰ সাহিত্য গগনৰ অন্যতম সুবিমল শশধৰ হোমেন বৰগোহাঞি ডাঙৰীয়াই তেখেতৰ ব্যস্ততাৰ মাজতে মোৰ সংকলনটিৰ মুখবন্ধ লিখি দিয়া বাবে তেখেতৰ ওচৰত মই ঋণী থাকিলো।

এইখিনিতে মই দ্বিধাহীনভাৱে উল্লেখ কৰিব খোজো যে মোৰ পত্নী মামনি ডেকাই নিজৰ ঘৰুৱা কৰ্ম ব্যস্ততাৰ মাজতো মোক লিখা-পঢ়াত সকলো সময়তে উৎসাহ উদ্‌গনি নিদিয়া হ'লে মোৰ এই কিতাপখন প্ৰকাশ কৰাতো হয়তো সম্ভৱ নহ'লহেঁতেন। তেখেতৰ ওচৰত মই কৃতজ্ঞতা পাশত আবদ্ধ থাকিলো। এই সংকলনটি প্ৰকাশ কৰাৰ দায়িত্ব লৈ মোৰ প্ৰতি অনুগ্ৰহ প্ৰকাশ কৰাৰ বাবে বাণীপ্ৰকাশ মুদ্ৰণী প্ৰাইভেট লিমিটেডৰ স্বত্বাধিকাৰী শ্ৰদ্ধাস্পদ জ্যোতিপদ দেৱ চৌধুৰীদেৱৰ প্ৰতি মই কৃতজ্ঞ হৈ ৰ'লো।

সদৌ শেষত এই গ্ৰন্থখনে পঢ়ুৱৈ সমাজৰ পৰা সমাদৰ পালে মোৰ পৰিশ্ৰম সাৰ্থক হোৱা বুলি ভাবিম। ইতি—


ৰমণীকান্ত ডেকা

হিলভিউ কলনী, নিউ গুৱাহাটী

গুৱাহাটী -২০

দূৰভাষ -২১৩৩৫৫৩

# সূচীপত্ৰ


স্বৰাজোত্তৰ কালৰ অসমৰ সাহিত্য জগতৰ 'জাগৃতি' ১

ড° বাণীকান্ত কাকতিৰ স্মৃতিত ৫

তাৰাপ্ৰসাদ বৰঠাকুৰ আৰু কটন কলেজৰ এটি ঐতিহাসিক দিন ৮

১৯৭২ চনৰ মিউনিখ অলিম্পিক ১৫

এক বিৰল ব্যক্তিত্ব পদ্মশ্ৰী সতীশচন্দ্ৰ কাকতী ২৩

বিহাৰ ঃ অতীত-বৰ্তমানৰ প্ৰতিচ্ছবি ২৭

মেধা সমুজ্জ্বল এগৰাকী ব্যক্তি ৩১

এখন অসামান্য আত্মকথাৰ সন্দৰ্ভত ৩৪

কলাইগাঁও চহৰৰ অতীত আৰু বৰ্তমান ৩৭

সংস্কৃত আচাৰ্য মহাত্মা আনন্দৰাম বৰুৱা ৪৩

তেজোদ্দীপক প্ৰতিবাদী পুৰুষ শ্ৰীমান প্ৰফুল্ল গোস্বামী ৪৮

এটি বিৰল অভিজ্ঞতা ৫২

গোপীনাথ বৰদলৈ ৫৪

মেধা সমুজ্জ্বল তাৰিণীকান্ত ভট্টাচাৰ্য ছাৰৰ সোঁৱৰণত ৫৭

কটন কলেজৰ ছেকেণ্ড মেছ ঃ এটি সোঁৱৰণ ৫৯

পণ্ডিত দীনেশ্বৰ শৰ্মাৰ কৰ্মময় জীৱন সোঁৱৰণ ৬৪

ড° ভূপেন হাজৰিকাৰ জীৱনী প্ৰসংগত বিক্ষিপ্ত চিন্তা ৬৯

কালিৰাম মেধি ঃ এটি স্মৰণীয় অধ্যায় ৭২

মোৰ প্ৰথম জৱাহৰলাল দৰ্শন ৭৭

ডাঙৰীয়া স্বৰ্গীয় নন্দেশ্বৰ চক্ৰৱৰ্তী ৮০

এগৰাকী স্নেহময়ী মাতৃ ৮৪

এটি অলিখিত কাহিনী ৮৭

কটন কলেজৰ তৃতীয় ছাত্ৰাবাসৰ শতবাৰ্ষিকী ৯২
কটন কলেজৰ ফাৰ্ষ্ট মেছৰ শতবাৰ্ষিকী আৰু মোৰ সোঁৱৰণ ৯৬
তন্ত্ৰ-মন্ত্ৰ ঃ বিশ্বাস-অবিশ্বাস ১০০
স্মৃতি তৰ্পণ ঃ বিষ্ণুপ্ৰসাদ চক্ৰবৰ্ত্তী ১০৪
কালীনাথ শৰ্মা ১০৭
সৎ বন বিষয়া ললিত হাজৰিকা ১১০
অসমীয়া সাহিত্যৰ নীৰৱ সাধক অতুলচন্দ্ৰ বৰুৱা ১১৩
পণ্ডিত হেমচন্দ্ৰ গোস্বামী ১১৬
প্ৰবাদপুৰুষৰ সান্নিধ্যত ১১৯
শিক্ষা প্ৰদীপ দীননাথ চহৰীয়া ঃব্যক্তি আৰু ব্যক্তিত্ব ১২২
ডঃ হিৰণ্য চন্দ্ৰ ভূঞাৰ বিষয়ে আধাৰচেৰেক ১৩২
ঈশান বৰুৱাৰ সান্নিধ্যত ঃ এটি অনুভৱ ১৩৫
নৱ কুমাৰ চেতিয়াৰ সোঁৱৰণত ১৩৯
দৃষ্টিকোণ- গীতিকবি ধনাই বৰাৰ বিষয়ে যৎকিঞ্চিৎ ১৪২
ধীৰেন শৰ্মাৰ সোঁৱৰণত ১৪৪
খনীন্দ্ৰচন্দ্ৰ বৰুৱাৰ জন্ম-শতবাৰ্ষিকী ১৪৭
মানাহলৈ অতীতৰ মধুৰ ৰেঙণি ১৫০
১৯৭৯ চনৰ লোকসভা নিৰ্বাচন উপলক্ষে
সন্মুখীন হোৱা সেই ভয়ঙ্কৰ দিনবোৰ ১৫৫
শতবৰ্ষত মঙলদৈ উচ্চতৰ মাধ্যমিক বিদ্যালয় ১৬০
মোৰ তিনি দশকৰ আগৰ নেপাল ভ্ৰমণ ১৬৩

স্বৰাজ্যোত্তৰ কালৰ

# অসমৰ সাহিত্য জগতৰ 'জাগৃতি'

১৯৪৯ চনৰ কথা। তাৰ এবছৰ আগেয়ে মঙলদৈৰ গোবিন্দৰাম ডেকাই গুৱাহাটীৰ বি. বৰুৱা কলেজৰ পৰা শিক্ষা সমাপ্ত কৰি চৰকাৰী চাকৰিৰ প্ৰতি পিঠি দি স্বাধীনভাৱে জীৱিকা চলোৱাৰ মানসেৰে মঙলদৈত থিতাপি লৈ প্ৰথমতে কলিকতা আৰু অসমৰ বাতৰি কাকতবোৰৰ এজেন্সি লৈ ব্যৱসায় আৰম্ভ কৰে। এইদৰে এটি সৰু পুঁজি সংগ্ৰহ হোৱাত মঙলদৈ চহৰত এটি সৰু ছপাখানা আৰম্ভ কৰিলে। তেওঁ অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ পৰা এটি হাত মেচিন (London 1860) কিনিলে। তেতিয়া তেওঁ তেইশ-চৌবিশ বছৰীয়া চফল ডেকা। অলপ দিন প্ৰেছ চলোৱাৰ পিছতে তেওঁক এটি চিন্তাই বৰকৈ পীড়া কৰিবলৈ ধৰিলে। সেয়া হ'ল এখন অসমীয়া আলোচনী প্ৰকাশৰ প্ৰবল ইচ্ছা। এই কাৰ্যত তেওঁক উৎসাহ আৰু অনুপ্ৰেৰণা যোগাইছিল তেওঁৰ অবিবাহিতা কনিষ্ঠা ভগ্নী প্ৰয়াত লক্ষেশ্বৰী ডেকাই। উভয়ৰে অন্তৰত সাহিত্যৰ ফল্গুধাৰা সৰুৰে পৰা প্ৰবাহিত আছিল। এই বিষয়ে গোবিন্দ ৰাম ডেকাৰ হাইস্কুলৰ শিক্ষক প্ৰয়াত শ্ৰদ্ধাভাজন ধৰ্মনাথ শাস্ত্ৰী কাব্য ব্যাকৰণ তীৰ্থৰ ভাষাত "জাগৃতিৰ সম্পাদক শ্ৰীমান গোবিন্দ ৰাম ডেকাৰ ছাত্ৰ অৱস্থাৰে পৰা মাতৃভাষা সেৱাৰ জৰিয়তে বাণী মন্দিৰত এপাহ গন্ধ পুষ্প অৰ্পণ কৰাৰ প্ৰবল আকাংক্ষা বৰ্তমান আছিল, আজি সেয়ে মূৰ্ত হৈ উঠিছে জাগৃতিৰ আকাৰত'জাগৃতিৰ প্ৰথম বছৰ, ১ম সংখ্যা ১৯৪৯ চন । ইতিমধ্যে বিগত কেইবা বছৰো লক্ষেশ্বৰী ডেকাৰ কোমল বয়সতে লিখা প্ৰবন্ধপাতি অসমৰ আলোচনী আৰু বাতৰি কাকতত প্ৰকাশ পাইছিল। হাতত ক্ষুদ্ৰ ছপাশালটোক আশ্ৰয় কৰি তেওঁলোকে এখন দুমহীয়া অসমীয়া আলোচনী উলিয়াবলৈ যোৱাটো ভীমৰ গদা ঘূৰোৱাৰ দৰে মহসাহৰ বাহিৰে আন একো নাছিল। তেতিয়াৰ দিনত মঙলদৈৰ পৰা মটৰ-গাড়ীৰে আহি ফেৰীৰে পাৰ হৈ গুৱাহাটী পাবলৈ প্ৰায় এবেলা লাগিছিল। তাতে আকৌ পৰ্যাপ্ত পুঁজিৰ অভাৱ, এজেন্টৰ নাটনি, অনুষ্টুপীয়া

অসমীয়া পঢ়ুৱৈ সমাজৰ কথা আছেই। ভাৰত স্বাধীন হোৱা দুবছৰেই পূৰ হোৱা নাই। কিন্তু সদিচ্ছাৰ অভাৱ নহ'ল। এইহাল উগ্ৰ সাহসী ককায়েক-ভনীয়েকৰ আলোচনীখনৰ নাম জাগৃতি নামকৰণ কৰিলে অসমৰ বিখ্যাত অতীন্দ্ৰিয়বাদী কবি নলিনীবালা দেৱীয়ে আৰু আন এগৰাকী বিখ্যাত কবি ধৰ্মেশ্বৰী দেৱী বৰুৱানীয়ে, যাৰ কবিতাবোৰ আছিল তেওঁৰ জীৱনৰ তলিভেদা হুমুনিয়াহ, এই নামটো পূৰ্ণ সমৰ্থন কৰিলে। লগতে গুৱাহাটী আৰু তেজপুৰৰ কেইবাজনো স্বনামধন্য সাহিত্যিকে ককায়েক-ভনীয়েকৰ সদিচ্ছাক স্বাগতম জনালে। জাগৃতিখনৰ যুটীয়া সম্পাদনাত থাকিল গোবিন্দৰাম ডেকা আৰু লক্ষেশ্বৰী ডেকা। তেওঁলোকে জাগৃতিৰ প্ৰথম সংখ্যাৰ নিবেদন শিতানত এইদৰে মন্তব্য কৰিছিল — " এইখিনিতে আমি ৰাইজক জনাই থওঁ যে আলোচনী উলিয়াবলৈ যথেষ্ট উদগনি পালো। স্বনামধন্য সাহিত্যিক শ্ৰীযুতা নলিনীবালা দেৱী আৰু শ্ৰীযুতা ধৰ্মেশ্বৰী বৰুৱানীৰ পৰা। ডিব্ৰুগড়ৰ সমীপৰ লাহোৱালৰ তামোলবাৰী চাহ বাগিছাৰপৰা জ্যোতিপ্ৰসাদ আগৰৱালাই লিখিছিল। এইদৰে— আপোনালোকে জাগৃতি নাম দি এখন কাকত উলিয়াবলৈ যো-জা কৰা সুখৰ কথা। বৰ্তমান জাতিৰ সাংস্কৃতিক জীৱন গঢ়ি তুলিবলৈ যিমানখিনি কাকতপত্ৰৰ আৱশ্যক তাৰ অভাৱ। এনে সময়ত আপোনাৰ এই প্ৰচেষ্টা সঁচাকৈয়ে শলাগিবলগীয়া। আপোনাৰ ভনীয়েক শ্ৰীযুতা লক্ষেশ্বৰী আইদেউকো এনে প্ৰচেষ্টাৰে ভাষা- সংস্কৃতিৰ সেৱা কৰিবলৈ ওলোৱাত ওলগ জনালো।" জাগৃতি ১ম বছৰ, প্ৰথম সংখ্যা। তেজপুৰৰ পৰা অসমীয়া ভাষাত প্ৰথম ডিটেক্টিভ উপন্যাস (গোলাই ছিৰিজ) লিখা শিক্ষাবিদ আৰু একালত গোবিন্দ ডেকাৰ শিক্ষাগুৰু কুমুদেশ্বৰ বৰঠাকুৰে আন্তৰিক শুভ ইচ্ছা জনালে জাগৃতিৰ শাৰদীয় সংখ্যা, ১ম বছৰত। যথাসময়ত বৰেণ্য সাহিত্যিকসকলৰ শুভ ইচ্ছা শিৰত লৈ জাগৃতিৰ ১ম বছৰ শাৰদীয় সংখ্যাই (১৯৪৯চন) বাছকবনীয়া সাহিত্য সম্ভাৰেৰে ৰাইজৰ আগত ভুমুকি মাৰিলে।

১ম সংখ্যাত প্ৰকাশ পালে ধৰ্মেশ্বৰী দেৱী বৰুৱানীৰ 'আৰ্তঅতিথি' নামৰ বিখ্যাত কবিতাটো। তেতিয়া তেওঁ শাৰীৰিকভাৱে পংগু আৰু চলনশক্তি ৰহিত হৈ শয্যাশায়ী হৈ তেওঁৰ গুৱাহাটীৰ উজানবজাৰৰ ঘৰত মৃত্যুৰ ক্ষণ গণি আছিল পদ্মশ্ৰী নলিনীবালা দেৱী, কবিতা চন্দ্ৰিকাৰ প্ৰণেতা আৰু সূৰ্যকুমাৰ ভূঞাৰ বাল্যকালৰ শিক্ষাগুৰু ধনাই বৰাৰ, ( তেতিয়া তেওঁৰ বয়স ৭৬ বছৰ) কবিতা অৱসৰপ্ৰাপ্ত উপাযুক্ত কবি দুৰ্গেশ্বৰ শৰ্মাৰ কবিতা, বিখ্যাত সমালোচক সাহিত্যিক ডিম্বেশ্বৰ নেওগৰ কবিতা, সু-কবি ভবানন্দ ৰাজখোৱাৰ কবিতা, হৰকান্ত দাস, এম এ, বি এল, মঙলদৈৰ বয়োবৃদ্ধ সাহিত্যিক তপেশ্বৰ শৰ্মা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, গোলাই চিৰিজৰ লিখক কুমুদেশ্বৰ বৰঠাকুৰৰ লিখনি মঙলদৈৰ কৃতী শিক্ষক দীননাথ চহৰীয়া আৰু ধৰ্মনাথ শাস্ত্ৰীৰ লিখনি প্ৰকাশ পালে। জাগৃতিৰ প্ৰথম সংখ্যাৰ প্ৰথমটো লিখনিয়েই আছিল নলিনীবালা দেৱীৰ জাগৃতি নামৰ মনোৰম কবিতা। এই সংখ্যাত আছে জাগৃতিৰ যুটীয়া সম্পাদিকা লক্ষেশ্বৰী ডেকাৰ তুৰস্ক ৰাজ্যৰ উৎপত্তি নামৰ এটি অনুবাদ প্ৰবন্ধ। জাগৃতিৰ প্ৰকাশে মঙলদৈত চাঞ্চল্যৰ সৃষ্টি কৰিলে।

জাগৃতিখনৰ ২য় সংখ্যাটোত অসমৰ আগশাৰীৰ সাহিত্যিকসকলৰ উচ্চ প্ৰবন্ধ আৰু কবিতাৰ সমাবেশ ঘটিছিল। তেওঁলোকৰ ভিতৰত মুখ্যতঃ আছিল হৰকান্ত দাস এম এ, বি এল, দুৰ্গেশ্বৰ শৰ্মা, দৰং কলেজৰ অধ্যক্ষ কামাখ্যা প্ৰসাদ ত্ৰিপাঠী, মহেশ্বৰ নেওগ, ঔপন্যাসিক দণ্ডিনাথ কলিতা, কবি ধনাই বৰা আৰু ভৱানন্দ ৰাজখোৱা, অকনীন্দ্ৰ বৰা আদি। তাত গোবিন্দৰাম ডেকা, লক্ষেশ্বৰী ডেকাৰ লিখনিও আছিল। জাগৃতিৰ ৩ য় আৰু ৪ ৰ্থ সংখ্যা একেলগে প্ৰকাশ পোৱা দেখা যায়। এই সংখ্যাৰ প্ৰথম প্ৰবন্ধটো আছিল অসমৰ অদ্বিতীয় পণ্ডিত আৰু গৱেষক ডঃ বাণীকান্ত কাকতিৰ 'মোৰ পছন্দ' নামৰ এটি গভীৰ সমালোচনামূলক প্ৰবন্ধ। ইয়াত কবি যতীন্দ্ৰনাথ দুৱৰাৰ কবিতাত এটি দাৰ্শনিক ব্যাখ্যা আগবঢ়াইছে। কাকতিৰ কাপৰ পৰা নিগৰি ওলোৱা এই সমালোচনাটো পঢ়িলে কবি দুৱৰাৰ কবিতা সম্বন্ধে ইচ্ছুক পাঠকে এটি থূমমূল ভাব আহৰণ কৰিব পাৰিব। কবি দুৱৰাৰ কবিতাৰ এনে দাৰ্শনিক ব্যাখ্যা আন কোনো আলোচনীতে প্ৰকাশ পোৱা নাছিল। এই সংখ্যা জাগৃতিতো অসমৰ বৰেণ্য সাহিত্যিকসকলৰ মুকুতাসদৃশ প্ৰবন্ধ আৰু কবিতা প্ৰকাশ পাইছিল। উদাহৰণ স্বৰূপে অধ্যক্ষ হেম বৰুৱা, নলিনীবালা দেৱী, ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা, দুৰ্গেশ্বৰ শৰ্মা, অধ্যাপক মহেশ্বৰ নেওগ, ধৰ্মেশ্বৰী দেৱী বৰুৱানী, ঔপন্যাসিক দণ্ডিনাথ কলিতা, হৰকান্ত দাস (তেজপুৰ), ভৱানন্দ ৰাজখোৱা, দীননাথ চহৰীয়া। ন লিখকসকলৰ ৰচনাও ইয়াত প্ৰকাশ পাইছিল।

৫ম গ্ৰীষ্ম সংখ্যাটিত আমি অসমৰ বহুতো স্বনামধন্য সাহিত্যিকৰ অৱদান দেখা পাওঁ। তেওঁলোক হ'ল অধ্যক্ষ হেম বৰুৱা, অধ্যাপক অতুল চন্দ্ৰ হাজৰিকা, কবি দুৰ্গেশ্বৰ শৰ্মা আদি। হেম বৰুৱাই 'মোৰ পছন্দ' নামৰ বিখ্যাত প্ৰবন্ধটিত অসমৰ কেইবাজনো বিখ্যাত কবিৰ কবিতাৰ এটি থূলমূল সমালোচনা আগবঢ়াইছিল।

জাগৃতিৰ ৬ ষ্ঠ সংখ্যাটোত অসমৰ আগশাৰীৰ কবি সাহিত্যিকসকলৰ কবিতা আৰু প্ৰবন্ধ প্ৰকাশ পাইছিল। এই সংখ্যাতো ন-লিখক লেখিকাৰ ৰচনা প্ৰকাশ পাইছিল। জাগৃতিৰ ২য় বছৰৰ শাৰদীয় সংখ্যাটিও বেছ আকৰ্ষণীয় হৈ প্ৰকাশ পাইছিল। এই সংখ্যাত ডঃ বাণীকান্ত কাকতিয়ে 'অসমীয়া ভাষাৰ গঠনত পৰ্বতীয়া দোৱানসমূহৰ প্ৰভাৱ' নামৰ ভাষাতত্ত্বৰ ফালৰ পৰা এটি গুৰুত্বপূৰ্ণ প্ৰবন্ধ আগবঢ়াইছিল। প্ৰচাৰবিমুখ, ভাষা-সাহিত্যৰ প্ৰকৃত নীৰৱ সাধক বাণীকান্ত কাকতিৰ পৰা প্ৰবন্ধ যোগাৰ কৰি জাগৃতিত উলিয়াব পৰাটো জাগৃতিৰ সম্পাদক গোবিন্দৰাম ডেকাৰ একক প্ৰচেষ্টা সঁচাকৈয়ে অতুলনীয় আছিল। যুটীয়া সম্পাদকদ্বয়ৰ চেষ্টা-যত্ন আৰু অধ্যৱসায়ৰ ফলতেই হ'ল জাগৃতি।

অনুষ্টুপীয়া ধন, ক্ষুদ্ৰাকৃতিৰ ছপাশাল, কৰ্মীৰ অভাৱ, যাতায়াতৰ শোচনীয় অৱস্থা, শিক্ষা-দীক্ষাত পাছপৰা সমাজ, কাকতৰ দাম দিবলৈ কুণ্ঠাবোধ কৰা পঢ়ুৱৈ সমাজ, অন্তৰত প্ৰকৃত জাতীয় ভাবৰ অভাৱ আদি নানা আলে-আহকালৰ মাজতো কঠোৰ পৰিশ্ৰমৰ দ্বাৰা খন্তেকীয়া সময়ৰ বাবে হ'লেও এখন উচ্চমান বিশিষ্ট আলোচনী পঢ়ুৱৈ সমাজৰ হাতত দিব পৰাটো জাগৃতিৰ যুটীয়া সম্পাদকদ্বয়ৰ বাবে পৰম গৌৰৱৰ বিষয়।

জাগৃতিৰ সম্পাদকীয়বোৰতো স্থানীয় অভাৱ-অভিযোগৰ উপৰি অসমৰ সমূহীয়া সমস্যাবোৰৰ ওপৰতো আলোকপাত কৰা হৈছিল। যেনে, কেন্দ্ৰীয় চৰকাৰৰ ভগনীয়া সাহায্য খিলঞ্জীয়া অসমীয়াৰ মাটিৰ অভাৱ, বিশ্ববিদ্যালয়ৰ কাৰ্যকৰী শিক্ষা ভগনীয়া সমস্যা ইত্যাদি। এটা সময়ত এশ এবুৰি সমসাৰে ভাৰাক্ৰান্ত হৈ অসমৰ আনবোৰ আলোচনীৰ দৰে জাগৃতিও অসমত বিলীন হ'ল। কিন্তু জাগৃতিয়ে আজিৰ পৰা দুকুৰি দহ বছৰ আগেয়ে মণ্ডলদৈ তথা অসমৰ সাহিত্য জগতত এটি উজ্জ্বল নক্ষত্ৰ যি নীল গগনত খন্তেকৰ বাবে পোহৰ বিচ্ছুৰিত কৰি চিৰদিনৰ বাবে অন্তৰ্হিত হ'ল। মূলতঃ জাগৃতিৰ স্থিতি ৰামধেনুৰ দৰেই বিতোপন কিন্তু ৰামধেনুৰ দৰেই খন্তেকীয়া আছিল। জাগৃতিৰ যুটীয়া সম্পাদিকা লক্ষেশ্বৰী ডেকা ( পিছত হাজৰিকা) আজি প্ৰায় এবছৰ আগেয়ে স্বৰ্গগামী হ'ল। তেওঁ কেইবাখনো কিতাপ লিখি প্ৰকাশ কৰি গৈছে। ৭৮ বছৰীয়া গোবিন্দৰাম ডেকাই মণ্ডলদৈত থাকি সাহিত্য সাধনাত ব্ৰতী হৈ আছে। তেওঁ কেইবাখনো মূল্যবান কিতাপ লিখি প্ৰকাশ কৰিছে। ●

*( ফেব্ৰুৱাৰী মাহৰ ২০০২ চনৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত)*

# ড° বাণীকান্ত কাকতিৰ স্মৃতিত

১৯৩৫ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা পিএইচডি লাভ কৰা প্ৰথমজন অসমীয়া কটন কলেজৰ মেধা সম্পন্ন খ্যাতিমান অধ্যাপক ডক্টৰ বাণীকান্ত কাকতি আছিল ছাত্ৰ অৱস্থাৰে পৰাই অসাধাৰণ প্ৰতিভাসম্পন্ন। ১৯১১চনত তেওঁ বৰপেটা চৰকাৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত কেইবাটাও বিষয়ত লেটাৰ, ষ্টাৰ আৰু প্ৰতিযোগিতামূলক বৃত্তিসহ অসম ভেলীত প্ৰথম হৈ মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈছিল। ১৯১৩ চনত বাণীকান্ত কাকতি ছাৰে আই.এ. পৰীক্ষাত কলিকতা বিশ্ববিদ্যালয়ত প্ৰথম হৈ অসমৰ মুখ উজ্জ্বল কৰিছিল। পিছৰ কালত কাকতি ছাৰ প্ৰথম হোৱা কথাটো বেৰিষ্টাৰ জ্ঞানদাভিৰাম বৰুৱাই কাকতি ছাৰে লিখা 'পখিলা' নামৰ কিতাপখনৰ মুখবন্ধ লিখোতে অসমত নোহোৱা-নোপজা কথা বুলি আখ্যা দিছিল। বৰুৱাৰ কাকতি ছাৰৰ প্ৰতি অসীম শ্ৰদ্ধা আছিল আৰু সেয়েহে কাকতি ছাৰৰ মৃতদেহ লৈ সমদল যাত্ৰা ৰাজপথত বাহিৰ কৰোতে জ্ঞানদাভিৰাম বৰুৱাই অসুস্থ দেহেৰে নিজৰ ঘৰৰ পৰা বাহিৰলৈ আহি তেওঁৰ নিজৰ টুপীটো খুলি মৃতদেহৰ প্ৰতি নমস্কাৰ জনাই কৈছিল -'I salute this great scholar.' কলিকতাত বি. এ. আৰু এম. এ. পঢ়োতে তেওঁ আৰ্থিক অনাটনৰ মাজত পঢ়িব লগা হৈছিল। তেওঁ কলিকতাত এম এ পঢ়ি থকা অৱস্থাত ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱাই তেওঁৰ প্ৰয়াত পৰিবাৰ বিষ্ণুপ্ৰিয়া দেৱীৰ স্মৃতিত উছৰ্গা কৰা বৃত্তিটোও লাভ কৰিছিল। এই বৃত্তিটো অসমৰ পৰা বি. এ. পৰীক্ষাত প্ৰথম হোৱা ছাত্ৰজনক দিয়া হৈছিল। ১৮৯২ চনৰ পৰা এই বৃত্তিটো প্ৰৱৰ্তন কৰা হৈছিল আৰু বৃত্তিৰ সমুদায় টকা ৰায়বাহাদুৰে কলিকতা বিশ্ববিদ্যালয়ৰ তহবিলত জমা থৈছিল। এই বৃত্তিটো লাভ কৰা কেইজনমান কৃতী ছাত্ৰ আছিল আতাউৰ ৰহমান, পদ্মধৰ চলিহা, সূৰ্য কুমাৰ ভূঞা আৰু বিৰিঞ্চিকুমাৰ বৰুৱা।

১৯৫২ চনত পুৱাৰ ভাগত কাকতি ছাৰৰ আকস্মিকভাৱে মৃত্যু হ'ল। বাতৰিটো মুহূৰ্তৰ ভিতৰতে চৌদিশে বিয়পি পৰিল। আমি কটন হোষ্টেলবোৰৰ ছাত্ৰবোৰ যেয়ে য'তে আছিলো মন্ত্ৰমুগ্ধৰ দৰে কাকতি ছাৰৰ বিহাবাৰীত থকা বাসভৱনলৈ ঢাপলি মেলিলো। তেওঁৰ বাসভৱনত ভিৰ হৈছিল তেওঁৰ ন-পুৰণি অসংখ্য ছাত্ৰ-ছাত্ৰীৰ। গোটেই গুৱাহাটী চহৰখনকে কাকতি ছাৰৰ মৃত্যুয়ে জোকাৰি গ'ল। খন্তেক পিছতে গাড়ী এখন তেওঁৰ পদূলিমুখত ৰ'ল। গাড়ীৰ ভিতৰৰ পৰা ওলাই আহিল সূৰ্যকুমাৰ ভূঞা আৰু কৃষ্ণকান্ত সন্দিকৈ। সন্দিকৈ দেৱক সেয়ে আছিল মোৰ প্ৰথম দেখা।

কাকতি ছাৰৰ মৃত্যুৰ কেইদিনমান পিছতে সন্ধিয়া পৰত কাৰ্জন লাইব্ৰেৰী হল অৰ্থাৎ এতিয়াৰ নবীন বৰদলৈ লাইব্ৰেৰীৰ উত্তৰমুখৰ ঘাঁহনিডৰাত এখন ৰাজহুৱা শোকসভা পতা হৈছিল কাকতি ছাৰৰ মৃত্যু উপলক্ষ্যে। আমাৰ কটন কলেজ হোষ্টেলবোৰৰ আবাসীও মোৰ দৰে সেই সভাখনত উপস্থিত আছিল। সভাপতি আছিল বিখ্যাত বুৰঞ্জীবিদ সূৰ্যকুমাৰ ভূঞা। সভাত কাকতি ছাৰৰ প্ৰথম খেপৰ ছাত্ৰ ন্যায়ধীশ হৰিৰাম ডেকা আৰু নীল হাজৰিকাই (ভূপেন হাজৰিকাৰ দেউতাক) বক্তৃতা দিছিল। এডভোকেট জগদীশ মেধী আৰু প্ৰিন্সিপাল হেম বৰুৱায়ো ভাষণ দিয়া মনত পৰে। বোধকৰো তেতিয়াৰ কটন কলেজৰ ছাত্ৰ একতা সভাত সম্পাদক কমলেশ্বৰ শৰ্মায়ো ভাষণ দিছিল। হৰিৰাম ডেকাই বক্তৃতা প্ৰসঙ্গত কৈছিল যে তেওঁ কটন কলেজত পঢ়োতে কাকতি ছাৰে (১৯১৮ চন) ব্যৱহাৰ কৰা ব্লেক কাৰ্ড পেনটোৰে মৃত্যুৰ আগলৈকে ঘঁহি থকা দেখিছিল। প্ৰিন্সিপাল হেম বৰুৱাই তেওঁৰ স্বভাবসুলভ লাজকুৰীয়া স্বভাৱৰ বাবে এই মনীষীজনৰ ওচৰ চপাৰ পৰা বিৰত আছিল বুলি কৈছিল।

সভাপতি ভূঞাই কৈছিল যে কাকতিয়ে ১৯১৩ চনত আই.এ.পৰীক্ষাত কলিকতা বিশ্ববিদ্যালয়ত প্ৰথম হৈ প্ৰেছিডেন্সি কলেজলৈ বি.এ. পঢ়িবলৈ কলিকতালৈ যাওঁতে কলিকতাত পঢ়ি থকা অসমীয়া ছাত্ৰবোৰে কাকতিক চাবলৈ গৈছিল। সূৰ্যকুমাৰ ভূঞা আৰু বাণীকান্ত কাকতি উভয়ে কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ বিখ্যাত ইডেন্ হিন্দু হোষ্টেলৰ আবাসী আছিল। হোষ্টেলৰ ছুপাৰ আছিল সেই কলেজৰে পদাৰ্থবিজ্ঞানৰ প্ৰফেছাৰ হৃদয়ানন্দ বন্দোপাধ্যায়। ভূঞা ছাৰে তেওঁৰ মৰ্মস্পৰ্শী চুটি বক্তৃতাটোৰ সামৰণি মাৰিছিল এই আষাৰ বাক্যৰে–'Book were his dukedom

কাকতি ছাৰৰ বিখ্যাত গৱেষণা-পত্ৰখন আছিল–'Assamese Its Formation and Development অৰ্থাৎ অসমীয়া ভাষা –ইয়াৰ গঠন আৰু ক্ৰমোন্নতি।' এইখন আছিল তেওঁৰ ৭ বছৰ ধৰি কৰা অক্লান্ত পৰিশ্ৰমৰ ফলশ্ৰুতি। ঘন ঘনকৈ টাইপ কৰা ফুলস্কেপ আকাৰৰ পাঁচশ পৃষ্ঠাত তেওঁ গৱেষণা–পত্ৰখন প্ৰস্তুত কৰি উলিয়াইছিল। সেই দিনত অসমত Reference bookৰ বাবে ভাল লাইব্ৰেৰীৰো সুবিধা নাছিল। এই গৱেষণা-পত্ৰখনৰ তিনিজন পৰীক্ষকেই আছিল বিদগ্ধ পণ্ডিত। তেওঁলোক আছিল যথাক্ৰমে পেৰিছ বিশ্ববিদ্যালয়ৰ ভাৰতীয় ভাষাবিদ ডক্টৰ ব্লক ডি. লিট.। পঞ্জাব বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, সংস্কৃত আৰু পালি ভাষাবিদ ডক্টৰ লেনাৰ ডি. লিট. আৰু কলিকতা বিশ্ববিদ্যালৰ ভাষাতত্ত্বৰ কিম্বদন্তী সদৃশ অধ্যাপক ডক্টৰ সুনীতি কুমাৰ চেটাৰ্জী ডি. লিট.। তিনিওগৰাকী পণ্ডিতে কাকতি দেৱৰ সিদ্ধান্তবিলাকত সন্মতি প্ৰকাশ কৰি তেওঁক ডক্টৰেট উপাধিৰ বাবে যোগ্য বুলি ঘোষণা কৰে। ডঃ কাকতি ছাৰে প্ৰমাণ সহকাৰে মত প্ৰকাশ কৰে যে অসমীয়া ভাষাটো বঙালী বা অন্যান্য ভাষাৰ পৰা সুকীয়া আৰু বেলেগ এটা ভাষা। এই গৱেষণা-পত্ৰখনৰ দ্বাৰাই অসমীয়া ভাষাক সুকীয়া মৰ্যাদা প্ৰদান কৰি জগতসভাত প্ৰতিষ্ঠা কৰিলে।

১৯৩৫ চনত ৬ষ্ঠ বছৰ ১০ম সংখ্যা 'আবাহন'ত সম্পাদকীয় স্তম্ভত বাণীকান্ত কাকতিৰ পি এইচ ডি লাভ প্ৰসঙ্গত এইদৰে মন্তব্য কৰিছিল — 'তেওঁৰ কৃতকাৰ্যতা গোটেই অসমীয়া জাতিলৈ আনন্দৰ কাৰণ হৈছে। ডঃ কাকতিদেৱৰ উপাধি পৰীক্ষাৰ বাবে লোৱা বিষয় নিৰ্বাচনত অসমীয়া ভাষাৰ প্ৰতি তেখেতৰ প্ৰকৃষ্ট প্ৰমাণ পোৱা গৈছে। আজিও অসমীয়াৰ প্ৰতি অসমীয়া কিছুমানৰ আগ্ৰহ আৰু আস্থাৰ যি অভাৱ পৰিলক্ষিত হয়, কাকতিদেৱৰ এই গৱেষণামূলক ৰচনাই সেইসকলৰ কথাই নাই, গোটেই জগতৰ আগত অসমীয়া ভাষাৰ বিশেষ বৈশিষ্ট্যলৈ আঙুলিয়াই দি তাক এটি অধ্যয়নৰ বস্তুৰূপে সন্মানৰ আসনত বহুৱাব পাৰিছে। কাকতিদেৱৰ কৃতকাৰ্যতাত গোটেই অসমীয়া শিক্ষিত সমাজে আত্মপ্ৰসাদ লাভ কৰাৰ সিও এটি প্ৰধান কাৰণ। আমি তেওঁলৈ সম্বৰ্ধনা জনোৱাৰ লগে লগে আমাৰ ভাষা আৰু সাহিত্য সম্বন্ধে তেওঁৰ পৰা আৰু বহুখিনি পাবলৈ আশা কৰিলো।' এইখিনিতে আন এটি কথালৈ আহো। ১৯৩৫ চনত বাণীকান্ত কাকতিয়ে ডক্টৰেট উপাধি পোৱা খবৰটো কলিকতাৰ পৰা টেলিগ্ৰাম কৰি কটন কলেজৰ তেতিয়াৰ অধ্যক্ষ, প্ৰফেছাৰ ৰবাৰ্টচ চাহাবক জনালে। সময় আবেলি। চাহাবে লাখটকীয়া নিবাসী অধ্যাপক মহিবুল্লাক মাতি আনি টেলিগ্ৰামখন হাতত দি কাকতিক জনাবলৈ ক'লে। মহিবুল্লা চাহাবে লগত কেইজনমান সহকৰ্মীক লৈ ততা-তৈয়াকৈ ৰিহাবাৰীত থকা কাকতি ছাৰৰ বাসভৱনত উপস্থিত হ'ল। কাকতি ছাৰ ঘৰত নাই আৰু ক'লৈ গৈছে সঠিক সম্বেদ দিব নোৱাৰিলে। সম্ভাব্য কেইখনমান ঠাইতো তেওঁক বিচাৰি নেপালে। ইতিমধ্যে সাজ লাগিল। শেষত তেওঁলোকে কাৰ্জন হল লাইব্ৰেৰীলৈ গ'ল। দেখে যে ৰিডিং ৰুমটোৰ এটা কোণত লেমৰ পোহৰত এই জ্ঞান তপস্বীজন কিতাপ পঢ়াত মগ্ন হৈ আছে। এই কথাটো মহিবুল্লা চাহাবে প্ৰিন্সিপাল হিচাপে তেওঁৰ বিদায় সভাখনত উল্লেখ কৰি সেই সভাতে উপস্থিত থকা ডঃ বাণীকান্ত কাকতিলৈ আঙুলিয়াই ৰগৰ কৰি কৈছিল—'আমি টেলিগ্ৰামখন হাতত লৈ তলৌ তলৌকে ঘূৰি ফুৰিছো আৰু সি লেমৰ পোহৰত কিতাপ পঢ়াত ব্যস্ত।'এই কথাটো মোক প্ৰফেছাৰ ৰায়হান ছাৰে এদিন কৈছিল। সেইখন সভাত ৰায়হান ছাৰো উপস্থিত আছিল। ●

*(ইং ১৫-১১-২০০৮ তাৰিখৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত)*

# তাৰাপ্ৰসাদ বৰঠাকুৰ

# আৰু

# কটন কলেজৰ এটি ঐতিহাসিক দিন

শিৱসাগৰ চহৰৰ উপকণ্ঠত থকা হাঁহচ'ৰা-কুঁজিবালি গাঁৱৰ একালৰ স্বনামধন্য মৌজাদাৰ পৰিয়ালৰ দুৰ্গাপ্ৰসাদ বৰঠাকুৰ আছিল এজন প্ৰখ্যাত দেৱানী উকীল। তেওঁ কটন কলেজৰ পৰা স্নাতক ডিগ্ৰী লৈ ১৯১৬ চনত কলিকতাৰ ৰিপণ কলেজৰ পৰা বি.এল. উপাধি লৈ শিৱসাগৰ চহৰত স্থায়ীভাৱে থাকি ওকালতি আৰম্ভ কৰিছিল। শিৱসাগৰ জিলা কংগ্ৰেছখন তেৱেঁই প্ৰতিষ্ঠা কৰিছিল আৰু ১৯২১ চনত অসহযোগ আন্দোলনত যোগ দি এবছৰ সশ্ৰম কাৰাদণ্ড খাটিছিল। তেওঁৰ বৰপুত্ৰ আৰু আজিৰ এই প্ৰবন্ধৰ নায়ক তাৰাপ্ৰসাদ বৰঠাকুৰৰ জন্ম হৈছিল ১৯১৭ চনত। বৰঠাকুৰ আদিভাগত শিৱসাগৰ গৱৰ্ণমেন্ট হাইস্কুলৰ ছাত্ৰ আছিল যদিও ১৯৩০ চনৰ কুখ্যাত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদকল্পে তেওঁ স্কুলৰ পৰা বহিষ্কাৰ হ'ব লগা হৈছিল আৰু নতুনকৈ খোলা জাতীয় বিদ্যাপীঠ হাইস্কুলত ভৰ্তি হৈছিল,যদিও বিদ্যাপীঠখন নচলাত তেওঁ বেজবৰুৱাৰ হাইস্কুলত ভৰ্তি হৈছিল। ১৯৩৭ চনৰ ডিচেম্বৰ মাহত পণ্ডিত জৱাহৰলাল নেহৰুৱে অসমত ভ্ৰমণ কালত শিৱসাগৰলৈকো অহাত বৰঠাকুৰে ছাত্ৰসকলৰ পৰা এপইচাকৈ চান্দা তুলি দেশৰ কামত খৰচ কৰিবলৈ নেহৰুৰ হাতত তুলি দিছিল। এই কথা গম পাই কংগ্ৰেছবিৰোধী ব্ৰিটিছ চৰকাৰে বৰঠাকুৰক কোনো চৰকাৰী সাহায্যপ্ৰাপ্ত স্কুলত পঢ়া নিষেধ কৰিলে। বৰঠাকুৰে ১৯৩৬ আৰু ৩৭ চনত শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰাইভেটকৈ মেট্ৰিক-টেষ্ট পৰীক্ষা দিছিল যদিও তেতিয়াৰ শিৱসাগৰৰ চৰকাৰী হাইস্কুলৰ নিয়ম-নীতিত আঁকোৰগোজ হৈ লাগি থকা লিজেণ্ডাৰী হেডমাষ্টৰ ভৃগুত চন্দ্ৰ চলিহাই বৰঠাকুৰক টেষ্ট পৰীক্ষাত উত্তীৰ্ণ নকৰালে। পিছৰ বছৰত বৰঠাকুৰে যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা মেট্ৰিক-টেষ্ট পৰীক্ষা দিলে। তেতিয়া সেই স্কুলৰ কিংবদন্তি সদৃশ কৃতী হেডমাষ্টৰ আছিল জেহিৰুল হক আহমেদ চাহাব। টেষ্ট পৰীক্ষাত উত্তীৰ্ণ হৈ শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰা বৰঠাকুৰে মেট্ৰিক ফাইনেল দিলে। হেডমাষ্টৰ একেজনেই—ভৃগুত চন্দ্ৰ চলিহা। কিন্তু বুৰঞ্জী পেপাৰখন অসমীয়াত লিখা বাবে বৰঠাকুৰ আৰু চলিহা ছাৰৰ ভালকৈ এখুন্দা লাগিছিল। কিন্তু সেইখন পেপাৰত বৰঠাকুৰে এশৰ ভিতৰত ৮০ নম্বৰ পাইছিল। মূঠৰ ওপৰত স্কুলীয়া দিনৰ পৰাই বৰঠাকুৰ জাতীয় ভাবাপন্ন আছিল।

[redacted]

১৯৩৯ চনত বৰঠাকুৰে মেট্ৰিক পৰীক্ষাত সুকলমে উত্তীৰ্ণ হৈ কলিকতাৰ ৰিপণ কলেজত বিজ্ঞান শাখাত ইণ্টাৰমেডিয়েটত নাম লগাইছিল যদিও হোষ্টেল ছুপাৰৰ লগত হোৱা বাক্-বিতণ্ডাৰ ফলত ৰিপণ কলেজ এৰি চিটী কলেজত পঢ়ি থাকোঁতে কলিকতা বিশ্ববিদ্যালয়ৰ আন্তঃকলেজ খেল প্ৰতিযোগিতাত যোগ দি তেওঁ বেগাই খোজ কঢ়া প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰিছিল। সেই বছৰৰ প্ৰতিযোগিতাত এসময়ৰ ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী নৃপেন চক্ৰৱৰ্তীয়ে জেভেলিন-থ্ৰ'ত প্ৰথম স্থান লাভ কৰিছিল। বৰঠাকুৰ ভাল ভলীবল খেলুৱৈ আছিল। বৰঠাকুৰৰ ছাত্ৰ জীৱনো বহুতো ঘাত-প্ৰতিঘাতেৰে ভাৰাক্ৰান্ত।

বৰঠাকুৰে কলিকতাত পঢ়া কালছোৱাত ছাত্ৰবোৰে সাধাৰণতে বিভিন্ন দলৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিছিল। বৰঠাকুৰ আছিল বাওঁপন্থী দলৰ এছ্ এফ আইত। এবাৰ এটা ইছ্যু লৈ প্ৰছেছন কৰি অহা এছ্ এফ আই আৰু এছ্ ইউ আইৰ দলৰ সদস্য ছাত্ৰসকলৰ ৰাজপথত ভেটা-ভেটি হৈ, তৰ্ক-যুদ্ধৰ পিছত মাৰপিট আৰম্ভ হ'ল। প্ৰথমটো দলৰ লীড লৈছিল পিছৰ কালত বিখ্যাত হোৱা পি চি যোশী আৰু দ্বিতীয়টো দলত আছিল স্বৰাজোত্তৰ কালত কংগ্ৰেছ আমোলত চেণ্ট্ৰেল মিনিষ্টাৰ হোৱা প্ৰফেছৰ হুমায়ুন কবীৰ। ওখ-পাখ সু-স্বাস্থ্যৰ অধিকাৰী বৰঠাকুৰে হুমায়ুন কবীৰে পিন্ধা ধুতীখন টান মাৰি খুলি দিলে। কবীৰে আণ্ডাৰপেণ্ট পিন্ধিয়েই ইউনিভাৰচিটি হোষ্টেললৈ দৌৰ মাৰিলে। পুলিচ আহিল, লাঠি-চাৰ্জ হ'ল। বৰঠাকুৰ কেইজনমান ছাত্ৰসহ কেইনিশামান লালবজাৰ পুলিচ থানাত থাকিব লগা হৈছিল।

কলিকতাত ছাত্ৰ অৱস্থাত ১৯৩৯ চনত এবাৰ শান্তি নিকেতনলৈ গৈ কবিগুৰু ৰবীন্দ্ৰনাথক 'আম্ৰকুঞ্জ' নামৰ ঘৰটোত দেখা কৰিলে। কবিগুৰুৱে নাম সোধাত বৰঠাকুৰ বুলি ক'লত বৰঠাকুৰ উপাধিটো শুনিয়েই কবিগুৰুৱে তেখেতৰ মাফলাৰখন তেখেতৰ মূৰলৈ তুলি ল'লে। সাহসী বৰঠাকুৰে তেনে কৰাৰ কাৰণ সোধাত ক'লে- 'তুমি যে বৰঠাকুৰ আৰু মই ঠাকুৰহে উভয়ে বৰ ৰং পালে। তাত দুদিনমান থাকি ওচৰতে থকা শ্ৰীনিকেতনলৈ গৈ কবিগুৰুৰ তেতিয়াৰ প্ৰাইভেট ছেক্ৰেটাৰী বিখ্যাত দীনবন্ধু চি এফ এন্দ্ৰুজক দেখা কৰিলে। এটা সৰু কোঠালিত তেওঁ অকলে থাকে। চকী, মেজ নাই। দুটা পেকিং বক্স জোৰা দি বিছনা কৰি লৈ মাটিত বহি লিখা-পঢ়া কৰে। অতি সুন্দৰ চেহেৰাৰ দীঘল পকা ডাঢ়ি-গোঁফেৰে অতি ধুনীয়া মানুহ। কথা প্ৰসংগত দীনবন্ধুৱে তেওঁৰ নিজৰ জীৱনৰ কথা ক'লে। তেওঁ লণ্ডনত থকা তেওঁৰ ভাগৰ মাটি-সম্পত্তি বিক্ৰী কৰি পোৱা ধন ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ বাবে খৰচ কৰিবলৈ মহাত্মা গান্ধীৰ হাতত তুলি দিছিল। অত্যন্ত মেধাৱী দীনবন্ধু অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ হিষ্ট্ৰী ট্ৰিপোজত ফাৰ্ষ্ট ক্লাছ ফাৰ্ষ্ট হৈছিল। তেওঁৰ লগত হোৱা কথা-বতৰাৰ পৰা বৰঠাকুৰে দুখীয়াৰ কাৰণে কৰা ত্যাগ আৰু কষ্ট কৰাৰ অনুপ্ৰেৰণা লাভ কৰিছিল। বৰঠাকুৰে চিটী কলেজৰ পৰা আই এছ্ চি পাছ কৰি বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ এখন কলেজত ভৰ্তি হ'ল। কিন্তু আৰম্ভণিতে বিশ্ববিদ্যালয়ৰ

ইনচাৰ্জ প্ৰসিদ্ধ দে' বাবাৰ লগত এটা কথাৰ বাবে কথা কটা-কটি হ'ল। কিন্তু দে' বাবাই অযুক্তিকৰ কথা কোৱাত বৰঠাকুৰে দে' বাবাক মুখৰ আগতে গৰম কথা শুনাই গুচি আহিল আৰু এখন আবেদন-পত্ৰ লৈ সেই বিশ্ববিদ্যালয়খনৰে ভি চি আন্তৰ্জাতিক খ্যাতিসম্পন্ন পণ্ডিত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণক লগ ধৰিবলৈ তেখেতৰ বাসভৱনলৈ গ'ল। বৰঠাকুৰে দেখিলে যে ভি চি বাস কৰা বাসভৱনটোৰ সন্মুখৰ বাৰাণ্ডাত এজন তপা মানুহে আঁঠুৰ ঠিক তলত পৰা ধুতী এখন পিন্ধি পকীৰ ওপৰত লেপেটা কাঢ়ি বহি শুদা গাৰে গাত মিঠাতেল ঘঁহি আছে। লনত থিয় দিয়াৰ লগে লগে মানুহজনে কি লাগে বুলি মূৰ দুপিয়াই সোধাত ভি চিক লগ পাবলৈ অহা বুলি ক'লে। বৰঠাকুৰে সপোনতো ভবা নাছিল যে শুদা গাত তেল ঘঁহি থকা মানুজনেই বিশ্ববিশ্ৰুত পণ্ডিত ৰাধাকৃষ্ণণ। তেখেতৰ সহজ-সৰল জীৱন যাপনৰ গতি দেখি বৰঠাকুৰ স্তম্ভিত হ'ল।

বৰঠাকুৰে কলিকতাত পঢ়া কালত ডিব্ৰুগড়ৰ বিখ্যাত উদ্যোগপতি নন্দেশ্বৰ চক্ৰৱৰ্তীয়ে তেওঁৰ সদাশিৱ প্ৰেছৰ পৰা উলিওৱা 'তৰুণ অসম' নামৰ সাপ্তাহিক বাতৰিকাকতখনৰ সম্পাদক বেণুধৰ শৰ্মাই বৰঠাকুৰক কলিকতাৰ সংবাদদাতা পাতিছিল।

বেনাৰসত ডেৰমাহ থাকি বৰঠাকুৰ গুৱাহাটীলৈ উভতি আহি ১৯৪১ চনত কটন কলেজৰ বি এ ক্লাছত নামভৰ্তি কৰিলে আৰু কটন কলেজৰ ২নং ছাত্ৰাবাসত থাকিবলৈ ল'লে। হোষ্টেলৰ ছুপাৰ আছিল বিশিষ্ট অৰ্থনীতিবিদ প্ৰবল মেধা-সমুজ্জ্বল প্ৰফেছৰ উমাকান্ত গোস্বামী আৰু কটন কলেজৰ প্ৰিন্সিপাল আছিল ইণ্ডিয়ান এডুকেশ্যন ছাৰ্ভিচৰ এছ.চি.ৰায়। কলিকতাত পঢ়া কালত তেওঁ অসমৰ ভূতপূৰ্ব মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিৰ সহপাঠী আছিল বুলি ১৯৫৭ চনত কলিকতাৰ এ এছ এল ক্লাবৰ এখন সভাত কথা প্ৰসংগত তেওঁ মোক কৈছিল।

২নং ছাত্ৰাবাসত বৰঠাকুৰ মেছ মেনেজাৰ হৈ থাকোঁতে এবাৰ এটা ঘটনা ঘটিছিল। ফাঁচীবজাৰৰ মিৰ্জামল আগৰৱালা নামৰ এজন ব্যৱসায়ীৰ গেলামালৰ দোকানৰ পৰা মিঠাতেলৰ টিন এটা কিনিছিল। কিন্তু ব্যৱহাৰ কৰোঁতে মিঠাতেলত মবিল মিহলাই ভেজাল কৰা দেখা গ'ল। বৰঠাকুৰে মেছৰ ছাত্ৰ কিছুমান লগত লৈ মিৰ্জামলৰ গুদামত তলা লগাই থৈ আহি হোষ্টেল ছুপাৰক অৱগত কৰালে আৰু লগে লগে বাৰ লাইব্ৰেৰীলৈ গৈ উকিলসকলক লগ ধৰি মিৰ্জামলৰ হৈ ওকালতি নকৰিবলৈ অনুৰোধ কৰিলে। মিৰ্জামলে কথা বিষম দেখি গোপনে পলাই গৈ গুৱাহাটী ৰে'ল ষ্টেচন পালে। ল'ৰাবোৰে গম পাই তেওঁক ঘেৰি ধৰাত উপায়ান্তৰ হৈ ল'ৰাবোৰৰ ভৰিত ধৰি ক্ষমা খুজিলে। সেই ঘটনাৰ পিছৰ পৰা বৰঠাকুৰ কলেজত থকালৈকে কোনো দোকানীয়ে ভেজাল বস্তু হোষ্টেলত যোগান নধৰা হ'ল।

১৯৪১ চনত বৰঠাকুৰ কটন কলেজৰ তৃতীয় বাৰ্ষিকৰ ছাত্ৰ থাকোঁতে ৬ ডিচেম্বৰৰ দিনটো এটা শ্বাসৰুদ্ধকাৰী দিন আছিল। তেতিয়া দ্বিতীয় মহাসমৰৰ পূৰ্ণ পয়োভৰ। গুৱাহাটী

চহৰখন ব্ৰিটিছ আৰু আমেৰিকান মিলিটেৰীৰে ভৰি পৰিল। তেতিয়া অসমৰ গৰ্ভৰ্ণৰ আছিল ছাৰ নীল ৰিড্ আৰু কামৰূপ জিলাৰ ডি চি আছিল চি এছ হামফ্ৰে আই.চি.এছ.। হামফ্ৰে চাহেবে জজফিল্ডত আৰু কটন কলেজৰ তেতিয়াৰ ফিজিক্স লেবৰেটৰীত যুদ্ধৰ এখন প্ৰদৰ্শনীৰ আয়োজন কৰিলে। যুদ্ধৰ প্ৰদৰ্শনী মানে মিলিটেৰীৰ দলদোপ-হেন্দোলদোপ। পঢ়াত ব্যাঘাত হ'ব বুলি ছাত্ৰসকলে প্ৰতিবাদ কৰিলে। কিন্তু হামফ্ৰে চাহেবে নামানে। ছাত্ৰসকলৰ ভিতৰত আগৰণুৱা আছিল তেতিয়াৰ ছাত্ৰ একতা সভাৰ সম্পাদক নাৰায়ণ দাস, ভূতপূৰ্ব প্ৰধান সম্পাদক তেজস্বী উমা শৰ্মা, হৰিদাস ডেকা, কামিনী শৰ্মা আৰু আজিৰ প্ৰবন্ধৰ নায়ক তাৰাপ্ৰসাদ বৰঠাকুৰ। প্ৰথম তিনিজন আছিল ৰেডিকেল পাৰ্টিৰ মেম্বাৰ। তেওঁলোক গুৰুগোসাঁই নমনা বিধৰ। ৫ ডিচেম্বৰৰ দিনা পাণবজাৰ ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী ৰাজবালা দাসে ছাত্ৰী কিছুমান লৈ প্ৰদৰ্শনী চাবলৈ আহিল। ছাত্ৰনেতাসকলে প্ৰবেশদ্বাৰত বাধা দিয়াত উভতি গ'ল। এই ঘটনাটো ৰাজবালা দাসৰ স্বামী ডাঃ জ্যোতিষ-দাসে জানিব পাৰি ডি চিক অভিযোগ দিলে। পিছদিনা হামফ্ৰে চাহাবে প্ৰদৰ্শনীস্থলীত উপস্থিত হৈ তদন্ত কৰিব ধৰিলে, কিয়নো যুদ্ধ বিষয়ক প্ৰদৰ্শনী চাবলৈ বাধা দিয়াটো গুৰুতৰ অপৰাধ। ছাত্ৰ নেতাসকলৰ লগত হামফ্ৰে চাহাবৰ তৰ্কাতৰ্কি হ'ল আৰু ভুল বুজাবুজিৰ ফলত ডি চিয়ে এজন কটনিয়ানক তেওঁৰ হাতত থকা লাঠীডালেৰে কোবাবলৈ ধৰাত উগ্ৰ সাহসী তাঁৰাপ্ৰসাদ বৰঠাকুৰৰ সহ্য নহ'ল। তেওঁ নিজৰ ভৰিৰ চেণ্ডেল এপাট খুলি লৈ হামফ্ৰে চাহাবৰ গালত চৰ শোধালে। চাহাব আছিল ওখ-পাখ হৃষ্ট-পুষ্ট আৰু থূলন্তৰ চেহেৰাৰ। চাহাবে খণ্ডত উগ্ৰমূৰ্তি ধাৰণ কৰি বৰঠাকুৰৰ কোটত খামোচ মাৰি ধৰোঁতেই বৰঠাকুৰে কৌশলেৰে পলায়ন কৰিলে। ইতিমধ্যে ছাত্ৰ কিছুমানে ডি চি চাহাবৰ কাৰখনৰ আইনা ভাঙিলে। ছাত্ৰ আৰু হামফ্ৰে চাহাবৰ মাজত খেদাখেদি আৰু হতাহতি হোৱাৰ উপক্ৰম হোৱাত হামফ্ৰে চাহেবে নিজৰ গাড়ীত উঠি পলায়ন কৰিলে। ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণী বৰ্জন কৰি শোভাযাত্ৰা কৰি চৰকাৰবিৰোধী ধ্বনি দি দি পল্টন বজাৰৰ ফালে আগবাঢ়ি গ'ল। বাটত পাণবজাৰৰ ছোৱালী হাইস্কুলৰ ছাত্ৰীসকলেও যোগ দিলে। হামফ্ৰে চাহাবে ছাত্ৰৰ হাতত শাৰীৰিকভাৱে অপদস্থ হৈ খঙৰ ভমকত খোলা বয়নেটধাৰী এদল সশস্ত্ৰ পুলিচ বাহিনী লৈ শোভাযাত্ৰাকাৰীসকলৰ লগে লগে গ'ল। শোভাযাত্ৰাকাৰী ছাত্ৰ-ছাত্ৰীসকলে পল্টনবজাৰ কুলি ডিপো পোৱাৰ লগে লগে এটা ঠেক ৰাস্তাত আগচি ধৰি লাঠী-চাৰ্জ কৰিবলৈ হামফ্ৰে চাহেবে হুকুম দিলে আৰু নিজে উদ্যত পিষ্টল লৈ গুলী কৰিবলৈ বৰঠাকুৰক বিচাৰিবলৈ ধৰিলে। ছাত্ৰসকলৰ কেইজনমানে বৰঠাকুৰক কৌশলেৰে ছাত্ৰীৰ মাজত লুকুৱাই ৰাখিলে। সৰহভাগ ছাত্ৰীকে ছাত্ৰসকলে বেহুৰ দৰে মাজত সুমুৱাই ৰখাত গোৰ্খা পুলিচৰ ধাবাসাৰ লাঠীৰ কোৱ ছাত্ৰ কিছুমানে যেনে— নাৰায়ণ দাস, উমা শৰ্মা, হৰিদাস ডেকা, বিশ্বদেৱ শৰ্মা, অশ্বিনী বৰুৱা গুৰুতৰভাৱে আঘাত পালে। হোষ্টেলৰ ছাত্ৰসকলৰ মাজত তাৰাপ্ৰসাদ বৰঠাকুৰ লুকাই থাকিল। ছাত্ৰ-ছাত্ৰীসকলে লাঠী-চালনাৰ

প্ৰতিবাদ কৰি অনিৰ্দিষ্ট কাললৈ শ্ৰেণী বৰ্জন আৰু ধৰ্মঘট কৰিলে। পুলিচ-চি.আই. ডি য়ে পিয়াপি দিও বৰঠাকুৰৰ সন্ধেদ উলিয়াব নোৱাৰিলে। সেই সময়ৰ প্ৰিমিয়াৰ ছাদুল্লা চাহাবে শ্বিলঙত থকা গোপীনাথ বৰদলৈকে অতি গোপনে বৰঠাকুৰৰ ওপৰত থকা Shoot at Sight হুকুমৰ কথা জনোৱাত বৰদলৈয়ে দেৱেশ্বৰ শৰ্মাক লগত লৈ গাড়ীৰে ঢলপুৰাতে গুৱাহাটী পাই বৰঠাকুৰক বিচাৰি উলিয়াই নিজৰ গাড়ীত উঠাই সংগোপনে শ্বিলঙলৈ গুচি আহিল। বৰঠাকুৰে এই দুঃসাহসিক কাৰ্য কৰি কলেজ ত্যাগ কৰি পলাই গৈ লামডিং হৈ বৰাক উপত্যকাত সোমাল। তাৰ পৰা বংগদেশৰ গৌৰাং জিলাৰ নিজ গাঁৱত তেওঁৰ একালৰ প্ৰিয় বন্ধু নিৰোদবৰণ চৌধুৰীৰ ঘৰত লুকাই থাকিল। তাৰাপ্ৰসাদ বৰঠাকুৰৰ অত্যন্ত বিপদজনক কিন্তু উগ্ৰ সাহসৰ কথা গোটেই ভাৰততে ৰাষ্ট্ৰ হ'ল। লগে লগে কটন কলেজো ভাৰতৰ স্বাধীনতা সংগ্ৰামত অংশ লোৱাৰ বাবে বিখ্যাত হৈ পৰিল। এমাহৰ ভিতৰতে চৰকাৰে তাৰাপ্ৰসাদ বৰঠাকুৰৰ ওপৰত থকা এৰেষ্ট অথবা ছুট এট ছাইট হুকুম উঠাই লোৱাত ছাত্ৰ-ছাত্ৰীসকলে কটন কলেজত অবিৰতভাৱে কৰি থকা ধৰ্মঘট উঠাই ল'লে। বৰঠাকুৰেও তেওঁৰ অজ্ঞাতবাসৰ পৰা ওলাই আহি কটন কলেজত পঢ়া আৰম্ভ কৰি ১৯৪৩ চনত স্নাতক হ'ল ।

৬ ডিচেম্বৰৰ ঐতিহাসিক ঘটনাৰ পিছত জাতীয় ভাবত আপ্লুত প্ৰিন্সিপাল এছ চি ৰয়ে শিৱসাগৰলৈ আহি তেওঁৰ একালৰ ছাত্ৰ দুৰ্গাপ্ৰসাদ বৰঠাকুৰক তেওঁৰ সাহসী পুত্ৰৰ বিৰোচিত কাৰ্যৰ বাবে ওলগ জনালে। তাৰাপ্ৰসাদ বৰঠাকুৰৰ সাহসিক কাৰ্যৰ কথা তেওঁৰ কটন কলেজৰ সহপাঠী শিক্ষাবিদ মুক্তিযোদ্ধা আমগুৰি নিবাসী চন্দ্ৰকান্ত ভূঞাই ২০০২ চনত এটি লেখাত সুন্দৰভাৱে বৰ্ণনা কৰিছে । হামফ্ৰে চাহেবে লাঠী-চাৰ্জ কৰোঁতে গুৰুতৰভাৱে মূৰত বেণ্ডেজ মৰা অৱস্থাত তোলা কিছুমান ফটো যোৰপুখুৰীৰ পাৰত থকা নাৰায়ণ দাসৰ ঘৰলৈ ১৯৬৬ চনত মই এবাৰ যাওঁতে বেৰত আঁৰি থোৱা দেখা পাইছিলো। এই দুষ্প্ৰাপ্য ফটোবোৰ দেখা মোৰ মনত পৰে। দাসে এতিয়াও সুস্থ শৰীৰে জীৱন নিৰ্বাহ কৰি আছে।

মুক্তি সংগ্ৰামী তাৰাপ্ৰসাদ বৰঠাকুৰে ১৯৪২ চনত ভাৰত ত্যাগ আন্দোলনতো অংশ লৈ কাৰাবাস খাতিছিল। ৬ ডিচেম্বৰৰ কটন কলেজত হোৱা ঘটনাৰ পিছতে হামফ্ৰে চাহাবক শিৱসাগৰ জিলালৈ ডি চি হিচাপে চৰকাৰে বদলি কৰে। তেওঁ কিন্তু তাৰাপ্ৰসাদ বৰঠাকুৰৰ ওপৰত প্ৰতিশোধ ল'বলৈ ছোং চাই আছিল। হামেফ্ৰে চাহাবে বৰঠাকুৰক মুখ্য কৰি পৰাগ চলিহা, অশ্বিনী বৰুৱাকে ধৰি শিৱসাগৰৰ জে'লত থকা ছজন কাৰাবন্দীক প্ৰত্যেককে হাতকেৰেয়া লগাইএকেলেডাল ৰছীৰে আটাইকেইজনকে কঁকালত সাঙুৰি বান্ধি তেজপুৰ জে'ললৈ তৃতীয় শ্ৰেণীৰ ৰাজনৈতিক কাৰাবন্দী হিচাপে চালান দিলে। জে'লত ম্যাদ শেষ হোৱাত হামফ্ৰে চাহাবে বৰঠাকুৰক শিৱসাগৰ জিলাৰ পৰা এবছৰৰ বাবে বহিষ্কাৰ কৰিলে।

৭ মাহত অন্তত বৰঠাকুৰে ঘৰলৈ আহি আকৌ বিপদৰ সন্মুখীন হ'ল। বোধকোৰোঁ ডি চি হামফ্ৰে চাহাবৰ ইংগিতত পুলিচে তেওঁৰ ওপৰত ৪২০ ধাৰাৰ গোচৰ তৰিলে।

তেতিয়া শিৱসাগৰৰ মহকুমাধিপতি আছিল যোৰহাটৰ মঃ চুলতান চাহাব। তেওঁ এজন ভদ্ৰলোক আৰু সৎ বিষয়া আছিল। ৪২০ ধাৰাৰ মেৰপাকৰ পৰা উদ্ধাৰ পাবলৈ দেউতাকে চুলতান চাহাবক অনুৰোধ কৰি পুতেক বৰঠাকুৰৰ নামত এখন ৰেচনৰ দোকান মঞ্জুৰ কৰিলে। কিন্তু ডি চি হামফ্ৰে চাহাবে বৰঠাকুৰ ব্ৰিটিছবিৰোধী কাৰ্যত লিপ্ত থকা বাবে তেওঁৰ পিছে পিছে এজন ব্ৰিটিছ চি আই ডি নিয়োগ কৰিছিল।

ৰেচনৰ দোকান ভালদৰে নচলাত বৰঠাকুৰে কিছুদিন বিনা বেতনে ফুলেশ্বৰী ছোৱালী হাইস্কুলত শিক্ষকতাৰ কাম কৰিছিল। তাত পিছত ভজোৰ দিপনীং হাইস্কুলতে মাষ্টৰৰ চাকৰিত সোমাল আৰু সেই স্কুলতে ১৯৪৭ চনত পৰা ১৯৫০ চনলৈ হেডমাষ্টৰ হ'ল। কিন্তু কৰ্তৃপক্ষৰ লগত মনোমালিন্য হোৱাত শিক্ষকৰ চাকৰি ইস্তাফা দি তেওঁৰ সহপাঠী বন্ধু অলকানন্দ ভৰালীৰ লগত সৰু-সুৰা ব্যৱসায় কৰিছিল যদিও সফল নহল। এবাৰ বিষ্ণুৰাম মেধিয়ে দেউতাকৰ বেমাৰৰ খবৰ ল'বলৈ শিৱসাগৰলৈ অহাত দেউতাকে মেধিক পুতেকক এটা চাকৰি দিবলৈ অনুৰোধ কৰাত পাঁচ বছৰ বয়স কমাই সমবায় বিভাগৰ এ.চি.অ'. চাকৰি দিলে। বৰঠাকুৰে পদোন্নতিসহ ১৯৭৫ চনত অৱসৰ পায়। সমবায় বিভাগতো বৰঠাকুৰে অযথা ৰাজনৈতিক হস্তক্ষেপ বিৰুদ্ধে বিক্ষোভ কৰি ৰাজৰোষত পৰিব লগা হৈছিল।

বৰঠাকুৰে সাংস্কৃতিক জগতৰ লগতো ওতঃপ্ৰোতভাৱে জড়িত আছিল আৰু প্ৰায় ৩০ বছৰ ধৰি বহু নাটকত বিভিন্ন ভাৱত অভিনয় কৰি দৰ্শকৰ প্ৰভূত সমাদৰ লাভ কৰিছিল। প্ৰবীণ মুক্তিযুঁজাৰু বৰঠাকুৰে অৱসৰৰ পিছত ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ . সক্ৰিয় সদস্য হোৱাৰ উপৰি সৰ্বভাৰতীয় মুক্তি যুঁজাৰু সন্মিলনৰো সদস্য নিৰ্বাচিত হৈছিল। ১৯৯৮ চনত দিল্লীত বহা সৰ্বভাৰতীয় মুক্তিযুঁজাৰু সন্মিলনত সৰ্বসন্মতিক্ৰমে উপ-সভাপতি হিচাপে নিৰ্বাচিত হৈছিল। সেই পদত তেওঁ এতিয়াও কাৰ্যনিৰ্বাহ কৰি আছে। এগৰাকী সাহসী, স্পষ্টবাদী, নিঃস্বাৰ্থ মুক্তিসংগ্ৰামী হিচাপে বৰঠাকুৰক ২০০৪ চনত কেন্দ্ৰীয় মুক্তিযোদ্ধা সন্মিলনে ৰাষ্ট্ৰধৰ উপাধিৰে বিভূষিত কৰে। তেওঁ ৰাষ্ট্ৰধৰ সন্মান লাভ কৰাটো অসমবাসীৰ পক্ষে গৌৰৱৰ কথা। ৰাষ্ট্ৰপতিয়ে নিজ হাতে এই সন্মান তেখেতক প্ৰদান কৰে।

১৯৭৯ চনত আৰম্ভ হোৱা বিদেশী বহিষ্কাৰ আন্দোলনতো বৰঠাকুৰে অংশগ্ৰহণ কৰিছিল। ১৯৮৪ চনত আছুৰে মুক্তিযোদ্ধাৰ তৰফৰ পৰা এটি প্ৰতিনিধি দল প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ ওচৰলৈ পঠিয়াইছিল। দলটোৰ দলপতি আছিল প্ৰবীণ মুক্তিযোদ্ধা এম পি প্ৰফুল্ল বৰুৱা। আন কেইজনমান সদস্য আছিল তাৰাপ্ৰসাদ বৰঠাকুৰ, কামাখ্যা দাস, সুৰেন দাস আৰু প্ৰভাত শৰ্মা। আলোচনাৰ অন্তত তেওঁলোক অসমলৈ উভতি আহি গুৱাহাটীৰ গৌৰী সদনত আছুৰ সভাত সদস্যসকলে দিল্লীৰ আলোচনাৰ বিৱৰণ দাঙি ধৰোঁতে আছুৰ অন্যতম নেতা জয়নাথ শৰ্মাই তাচ্ছিল্য কৰি ক'লে-'ষাঠি বছৰীয়া বুঢ়া জাকৰ কথা শুনি কি লাভ? এওঁলোকৰ মগজুত এতিয়া বিশেষ একো নাই'। তেনেকুৱা পৰিস্থিতিত

মুক্তিযুঁজাৰুসকলে সভা ত্যাগ কৰে। এইখিনি কথা বৰঠাকুৰে লিখা 'হেৰোৱা দিনৰ সুবাস'ত উল্লেখ কৰিছে।

বৰঠাকুৰ জীৱনৰ বিয়লিপৰতো অখিল ভাৰত মুক্তিযুঁজাৰু সন্মিলনৰ উপ-সভাপতি পদত অধিষ্ঠিত। তেওঁ মুক্তি যুঁজাৰু হিচাপে ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ পৰা মুক্তিযুঁজাৰু তাম্ৰপত্ৰ লাভ কৰাৰ উপৰি স্থানীয় বহু অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা অলেখ মানপত্ৰ পাইছে আৰু এইবোৰৰ ভিতৰত শিৱসাগৰত নাট্য সমাজো আছে। জীৱন কালতে কিংবদন্তিৰ নায়ক হোৱা বৰঠাকুৰ এতিয়াও, ৯২ বছৰ বয়সতো সু-স্বাস্থ্যৰ অধিকাৰী আৰু সমাজৰ বিভিন্ন কামত আগৰণুৱা।

অসমৰ অন্যতম বৰ্ষীয়ান স্বাধীনতা যুঁজাৰু, অদম্য সাহসী, একনিষ্ঠ সমাজসেৱক, প্ৰাক্তন কটনিয়ান তাৰাপ্ৰসাদ বৰঠাকুৰৰ দীৰ্ঘ জীৱন কামনা কৰিলো। ●

*(ইং ২৯-০৫-২০০৭ তাৰিখৰ 'আমাৰ অসম' কাকতত প্ৰকাশিত)*

১৯৭২ চনৰ

# মিউনিখ অলিম্পিক

এয়া হ'ল আজিৰ পৰা ৩৫ বছৰৰ আগৰ কথা। ১৯৭২ চনত তেতিয়াৰ পশ্চিম জাৰ্মানীৰ মিউনিখ চহৰত অলিম্পিক মহোৎসৱ অনুষ্ঠিত হৈছিল। সেই সময়ত প্ৰখ্যাত ট্ৰেভেল এজেন্সী মাৰ্কৰী ট্ৰেভেলছৰ ফালৰ পৰা এটা পেকেজ টুৰ আগবঢ়াইছিল। ইউৰোপৰ ৬খন দেশকে ধৰি অলিম্পিক মহোৎসৱৰ উদ্বোধনী উৎসৱ আৰু অন্য ৩ দিনৰ খেলবোৰ দেখুওৱাৰ এটা পেকেজ টুৰৰ অফাৰ পাইছিলোঁ। ২৫ দিনৰ প্ৰগ্ৰেম। জমা দিব লগা টকাৰ পৰিমাণ হ'ল ৯ হাজাৰ টকা। এই টকাৰ ভিতৰতে কলিকতাৰ পৰা অহা-যোৱা বিমান ভাৰা, হোটেল ভাঁৰা, বিভিন্ন ঠাইবোৰ দেখুওৱা, ব্ৰেকফাষ্ট আৰু ডিনাৰো অন্তৰ্ভুক্ত আছিল। এই টুৰ প্ৰগ্ৰেমত আমাৰ লগত ভাৰতৰ বিভিন্ন ঠাইৰ পৰা মুঠ ৪৪জন যাত্ৰী আছিলোঁ। অসমৰ পৰা যোৱা টুৰিষ্ট আছিল মুঠ ৬ জন। ইয়াৰ ভিতৰত নাগালেণ্ডৰ মন্ত্ৰী জেচুকি আংগামী আৰু মুখ্য সচিব ৰেদ চাহাবো আছিল।

আমি যাত্ৰা কৰাৰ সময় আছিল আগষ্ট মাহৰ আৰম্ভণিৰ সময়। বোম্বাইৰ বিখ্যাত ছান্টাক্ৰুজ বিমানবন্দৰ নিশা ১০.৩০ বজাত পালোঁহি। বোম্বেৰ পৰা আমি যোৱা বিমানখন আছিল অশোক নামৰ বিখ্যাত জাম্বু জেটখন। ভাৰত সেই সময়ত দুখন জাম্বু জেটৰ অধিকাৰী হৈছিল। আনখন আছিল ছাহজাহান। এই অশোক নামৰ জাম্বু জেটখনকে পিছত কানাডাৰ পৰা ভাৰত অভিমুখে আহোঁতে উগ্ৰপন্থীৰ কুটাঘাতমূলক কাৰ্যৰ বলি হৈ আকাশমাৰ্গত ধ্বংস হৈ ৩৫০ জন যাত্ৰী নিহত হৈছিল। আমি যাবলৈ ওলোৱা বিমানখন আমেৰিকাৰ পৰা আহি নিশা ১ বজাত ছান্টাক্ৰুজ বিমান বন্দৰত অৱতৰণ কৰিলে। প্ৰায় ৪০০জন যাত্ৰী কঢ়িওৱা বিমানখনত ভিতৰত ৰাজ অট্টালিকাৰ দৰে সু-সজ্জিত আছিল। তেতিয়াৰ দিনত এই বিমানখনৰ মূল্য আছিল এশ কোটি টকা। নিশা ২ বজাত বিমানখনে উৰা মাৰিলে। লগত গ'ল কোম্পানীৰ পৰা দিয়া এজন ভাৰতীয় গাইড। বিমানখনে কুৱেইট আৰু বেইৰুট বিমানবন্দৰত অলপ অলপ সময় বৈ গ্ৰীচ দেশৰ ওপৰেদি ৰোম বিমানবন্দৰ অভিমুখে উৰা মাৰিলে। তলত দেখিবলৈ পালোঁ গ্ৰীচ দেশৰ অপূৰ্ব শিলাময় সৰু সৰু দ্বীপবোৰ সাগৰৰ মাজত জিলিকি আছে। আবেলি ৫ বজাত আমি ৰোম বিমানবন্দৰত

নামিলো। তাত এগৰাকী জাৰ্মান ছোৱালীয়ে আমাক হাঁহি হাঁহি সম্বৰ্ধনা জনালে, এখেত আছিল মাৰ্কাৰী ট্ৰেভেল্‌ছে নিযুক্তি দিয়া এগৰাকী অস্থায়ী গাইড। আমি ইউৰোপত থকা কালছোৱাত এই গাইডগৰাকীয়ে আমাক চোৱা-মেলা কৰিব। পিছত খবৰ কৰি জানিলো তেখেত মিউনিখ বিশ্ববিদ্যালয়ৰ ছাত্ৰী। নিজৰ মাতৃভাষাৰ উপৰি ইটালী, ফৰাচী আৰু ইংৰাজী ভাষা জানে আৰু সলসলীয়াকৈ ক'ব পাৰে।

আমি ৰোমৰ পৰা ছুইজাৰলেণ্ডৰ জুৰিখ চহৰলৈ তীব্ৰবেগী ইন্টাৰ কন্টিনেন্টাল বৈদ্যুতিক ৰে'লেৰে গৈছিলোঁ। যাত্ৰাৰ আগে আগে এখন ৰেষ্টোৰাঁত নিশাৰ আহাৰ খালোঁ। আমি আহাৰ খাই থাকোঁতে জাৰ্মানৰ গাইডগৰাকীয়ে তেখেতৰ স্বামীৰ লগত আমাক পৰিচয় কৰাই দিলে। ডেকাজন মিউনিখ বিশ্ববিদ্যালয়ৰ ছাত্ৰ আৰু বিয়া হোৱা এবছৰহে হৈছে। আমি দেখি তবধ মানিছিলো যে এই যুৱকজনেই হোটেল বয়ৰ পোছাক পিন্ধি আমাক খাদ্য পৰিৱেশন কৰিছে। সঁচাকৈয়ে ইয়াকে কোৱা হয় শ্ৰমৰ মৰ্যাদা অৰ্থাৎ dignity of labour।

জুৰিখ চহৰত আমি তিনিদিন থাকি চকু আৰু মনৰ তৃপ্তি লাভ কৰি ৮বজাত আমি অলিম্পিক মহোৎসৱৰ চাবলৈ এখন প্ৰকাণ্ড টুৰিষ্ট বাছত উঠি মিউনিখ চহৰলৈ যাত্ৰা কৰিলোঁ। আমি থকা আগষ্ট মাহটোত ইউৰোপত বৰষুণ খুব কম দেখিলোঁ। সেই সময়ত আমি মাত্ৰ পেৰিছতহে এদিন বৰষুণ পাইছিলোঁ। দুপৰীয়া ১২বজাত আমি জাৰ্মান দেশৰ সীমা পালোঁহি। আমাৰ পাৰ-পত্ৰ পৰীক্ষা কৰি যাবলৈ দিয়াত সন্ধিয়া ৬ বজাত মিউনিখ চহৰত সোমালোঁ। এই মিউনিখ চহৰতেই লাখ লাখ জনতাৰ প্ৰাণ শিহৰণকাৰী অলিম্পিক উৎসৱ আৰম্ভ হ'ব। এঠাইত বহুতো মানুহৰ সমাৱেশ হোৱা দেখি গম পালোঁ যে সেই ফালেদিয়েই অলিম্পিক শিখা যাব। মিউনিখ চহৰৰ কোনো হোটেলতে আমাৰ থকাৰ ব্যৱস্থা কৰিব নোৱাৰি ৬০মাইল দূৰৈত থকা সাধাৰণ হোটেল আৰু কিছুমান মানুহৰ ঘৰত আমাসবৰ থকাৰ ব্যৱস্থা কৰা হ'ল। আমি পশ্চিম জামনীৰ সৰহভাগ ঠায়েই বাছেৰে আৰু কিছু অংশ ৰাইন নদীত জাহাজেৰে ভ্ৰমণ কৰাৰ সুবিধা পাইছিলোঁ। সকলোতে নতুনত্ব বিৰাজমান। যোৱা দ্বিতীয় মহাযুদ্ধই জাৰ্মান দেশখনৰ ঘৰ-বাৰী, কল-কাৰখানা,ৰাস্তা-ঘাট ধবংসস্তূপত পৰিণত কৰিছিল। মিত্ৰপক্ষৰ এহাজাৰখন যুদ্ধ বিমানে অবিৰামভাৱে জামনীত বোমাবৰ্ষণ কৰিছিল। যুদ্ধবিধবস্ত জাৰ্মান জাতিয়ে নতুন উদ্যমেৰে যোৱা ২৫ বছৰৰ ভিতৰত (১৯৭২ চনলৈ) পুনৰ ঠন ধৰি উঠিছে। জাৰ্মান জাতি বৰ পৰিশ্ৰমী জাতি। কেউদিশে তেওঁলোকৰ কৰ্মব্যস্ততা চকুত লগা। দেশখনো শুৱনি আৰু মানুহবোৰ বৰ স্বাস্থ্যবান। ভাব হ'ল যে নতুন পুৰুষে যোৱা মহাযুদ্ধৰ কথা একেবাৰে পাহৰি পেলাইছে। জাৰ্মান ছোৱালীবোৰ কামত বৰ পটু আৰু সু-গৃহিণী। সেয়েহে যোৱা মহাযুদ্ধৰ পিছত পশ্চিম জামনীত শিবিৰত থকা লক্ষাধিক আমেৰিকান সৈন্যৰ বহুতে জাৰ্মান গাভৰুৰ লগত বিবাহপাশত আবদ্ধ হোৱা বুলি শুনিছিলোঁ।

মই মিউনিখ চহৰত এখন সৰু দোকানত বস্তু এটাৰ দৰ-দাম কৰোঁতে প্ৰৌঢ় দোকানীজনক সুধিছিলোঁ যোবা মহাযুদ্ধত তেখেত ক'ত আছিল। উত্তৰত তেখেতে কৈছিল যে তেখেত ৰাছিয়ান সীমান্তত যুদ্ধ কৰিছিল। মোৰ লগে লগে William L. Shirer বিখ্যাত কিতাপখনলৈ (The Rise and Fall of The third Reich) মনত পৰিল, য'ত জাৰ্মান বাহিনী বিপৰ্যস্ত হৈ মৃত্যুমুখত পৰিছিল। মই মন্তব্য কৰিলোঁ—'আপোনালোকৰতো বহুত সৈন্যই ৰাছিয়া অভিযানত প্ৰাণ হেৰুৱাইছিল?' তেখেতৰ অন্তৰৰ কোনোবাখিনিত আঘাত পৰিল। তেখেতে টপৰাই উত্তৰ দিলে—'এৰা, বহুতো ৰাছিয়ান সৈন্যইও আমাৰ সৈন্যৰ হাতত প্ৰাণ হেৰুৱাইছিল।' লগতে ক'লে — তেওঁলোকে এতিয়া দ্বিতীয় মহাযুদ্ধৰ কথা পাহৰি পেলাবলৈ যত্ন কৰিছে। মই এই বিষয়ৰ অধিক আলোচনাৰ পৰা বিৰত থাকিলোঁ। জাৰ্মানীত দেখিলোঁ খেতিয়কসকলে ঘৰৰ পৰা পথাৰলৈ নিজা মটৰ-গাড়ীৰে অহা-যোৱা কৰে। পথাৰৰ ওচৰত ধুনীয়া ধুনীয়া জাৰ্মান গাড়ীবোৰ বৈ থকা দেখা যায়। জাৰ্মান দেশখন যন্ত্ৰৰ দেশ। গৃহস্থবোৰে নিজে ট্ৰেক্টৰ চলাই হাল বায়, ঘেঁহুৰ খেতি কৰে, মেচিনেৰে ঘেঁহু কাটে, মেচিনেৰে মৰণা মাৰে। চৌদিশে নতুন নতুন ঘৰ। ইয়াৰ জনসংখ্যা বৰ তাকৰ। এটা বা দুটা সন্তানসহ মাক-বাপেকৰ একোখন বৰ সুখৰ সংসাৰ। জীৱন ধাৰণৰ মান উচ্চ । নিবনুৱা সমস্যা (১৯৭২ চন)তেওঁলোকৰ নাই বুলিলেই হয়। হাত দুখন ঠিক থাকিলে যিকোনো উপায়েৰে হ'লেও তেওঁলোকে নিজৰ সংস্থা ঠিক কৰি ল'ব পাৰে। গতিকেই অনিশ্চিত ভৱিষ্যৎ বুলি তেওঁলোকৰ চিন্তা এটা নাই। ৰাজপথত ডেকা-গাভৰুৰ অবাধ মিলা-মিছা দেখা যায়। বহুতো ডেকা-গাভৰুৱে আলিংগনাবদ্ধভাৱে ৰাজপথতো অহা-যোৱা কৰা দেখিলো। পাৰ্কত বহি ইটিয়ে সিটিক নিঃসংকোচে চুমা যাচিছে । আমাৰ চকুত খোকোজা লাগিলেও সিবিলাকৰ সমাজত এইবোৰ ঘটনা ৰুচি-বহিৰ্ভূত বুলি নাভাবে। তেওঁলোকৰ মাজত অবাধ ব্যক্তি-স্বাধীনতা আছে যদিও সমাজত ঘুণে ধৰা নাই।

ইউৰোপত বিশেষকৈ জাৰ্মানীত মানুহে পৰাপক্ষত পানী নাখায়। তেওঁলোকে পানীৰ সলনি উৎকৃষ্ট মানবিশিষ্ট বীয়েৰ প্ৰচুৰ পৰিমাণে পান কৰে। বীয়েৰ পান কৰাত ডেকা-গাভৰু, বুঢ়া-বুঢ়ীৰ কোনো প্ৰভেদ নাই। এই দেশৰ বীয়েৰ জগৎ-বিখ্যাত। অৱশ্যে বীয়েৰত প্ৰচুৰ পৰিমাণে খাদ্যপ্ৰাণ সংযুক্ত কৰা বাবে ই আহাৰৰো পৰিপূৰক। প্ৰত্যেক চহৰতে বীয়েৰৰ নিজা ব্ৰেণ্ড আছে। পশ্চিম জাৰ্মানীৰ বেভেৰিয়া প্ৰদেশখন অন্য প্ৰদেশতকৈ কিছু সুকীয়া। তেওঁলোকে নিজকে বেভেৰিয়ান বুলি কৈ গৌৰৱ কৰে। বেভেৰিয়াৰ ডিউকসকল এসময়ত প্ৰসিদ্ধ আছিল। ইয়াৰ বীয়েৰ হাউছবোৰ পৃথিৱীবিখ্যাত। এই বেভেৰিয়াৰে ৰাজধানী মিউনিখ চহৰ।

মিউনিখ অলিম্পিক খেলৰ উদ্বোধন দুদিন আগতে নিশা ৯বজাত ইয়াৰ প্ৰস্তুতি চাবলৈ গ'লো। গোটেই মিউনিখ চহৰখনতেই যেন আনন্দৰ মেলা বহিছে। দেশৰ বিভিন্ন প্ৰান্তৰৰ পৰা অহা ছাত্ৰ-ছাত্ৰী, ডেকা-গাভৰুৱে ভৰি পৰিছে। সীমা-সংখ্যা নাই। লগতে

অগণন ভ্ৰমণকাৰীৰ দলদোপ-হেন্দোলদোপ। বীয়েৰ হাউছ এখনত আমি কেইজনঃ ভিৰ ঠেলি ভিতৰ সোমালোঁ। ঘৰটোত ডেকা-গাভৰুবোৰৰ উখল-মাখলো। তেওঁবে চকী-বেঞ্চবোৰত বহি প্ৰকাণ্ড জগবোৰত বীয়েৰ লৈ গলাধকৰণ কৰি আছে। ( পৰিচালিকাসকলে খালী জগবোৰ পূৰ্ণ কৰি বীয়েৰ বিলাই ফুৰিছে। কিছুমান ডেকা-গাভ নিজস্ব ভংগীত গান গাই আপোনপাহৰা হৈ আছে। এটা দল গুচি গ'লে আন এটা দল খালী ঠাই পূৰণ কৰে। আকৌ বীয়েৰ, সংগীত বা হাতত ধৰাধৰি কৰি নৃত্যত মচগুল পৰে। এই দৃশ্যবোৰে মোক বৰপেটাৰ ব'হাগ মাহত হোৱা কীৰ্তন ঘৰৰ সম্মুখত অবি গতিত হোৱা থিয়নামবোৰলৈ মনত পেলাই দিছিল। আমি চাৰিজন ভাৰতীয় ভ্ৰমণকাৰ্ এখন বীয়েৰ টেবুলত চৌদিশে বহি এই দৃশ্যবোৰ উপভোগ কৰি আছিলোঁ। ঠিক তেবে এজন জাৰ্মান ডেকা ল'ৰাই চিঞৰি চিঞৰি আমাক উদ্দেশ্য কৰি ক'লে—'আপোনাবে ভুল নকৰিব বেভেৰিয়াই জাৰ্মানী নহয়। উত্তৰ অঞ্চললৈ ফুৰিবলৈ আহক। তাতহে ত জাৰ্মান দেশৰ প্ৰতিচ্ছবি দেখা পাব। সেই ধুনীয়া অঞ্চলতে মোৰ ঘৰ।' আমি বুজিলোঁ ল'ৰাজন বেভেৰিয়ান নহয় বাবেই তেনেকৈ ক'লে। বুজিলোঁ যে সেইবোৰ দেশ আঞ্চলিকতাবাদ নথকা নহয়।

পিছদিনা আবেলি তিনি বজাৰ পৰা আৰম্ভ হ'ব লগা অলিম্পিক উৎ উদ্বোধনীৰ স্থান মূল ষ্টেডিয়ামখনলৈ আমাৰ ভ্ৰমণকাৰী দলটোক গাইডে লৈ গ'ল। অ বাবে টিকটৰ ব্যৱস্থা ৬ মাহৰ আগতে মাৰ্কাৰী ট্ৰেভেল এজেন্সীটোৱে ব্যৱস্থা কৰি থৈ সেই বাবেই অলিম্পিকৰ প্ৰধান আকৰ্ষণ উদ্বোধনী উৎসৱ চোৱাৰ বিৰল সৌভাগ্য হৈছিল। ষ্টেডিয়ামখনৰ পৰা নাতিদূৰত অৱস্থিত সৰু পাহাৰ এখন দেখি আমি গাইডগৰা সোধাত ক'লে যে সেইখন প্ৰাকৃতিক পাহাৰ নহয়। যোৱা মহাযুদ্ধত ধ্বংসস্তূপত পৰি হোৱা মিউনিখ চহৰৰ ঘৰ-বাৰীবোৰৰ ধ্বংসস্তূপবোৰ আঁতৰাই এঠাইত জমা কৰে কৰোঁতে সেইখন পাহাৰৰ সৃষ্টি হৈছিল। নকল পাহাৰখন দীঘলে প্ৰায় চাৰি কিলোমি আৰু ওখই প্ৰায় ৮০০ফুটমান হ'ব। ইয়াৰ পৰা বিগত মহাযুদ্ধৰ ভয়াবহতাৰ কথা উ কৰিব পাৰি। দূৰৈত কুটুবমিনাৰ দৰে ওখ অলিম্পক টাৱাৰ এটা দেখিলো। প্ৰকাণ্ড ওখ টাৱাৰটো মিউনিখ চহৰখনৰ সকলো প্ৰান্তৰ পৰাই দৃষ্টি গোচৰ হৈছিল। ইয়াৰ নিঃ বাবে কোটি টকা খৰচ হৈছিল। মিউনিখ অলিম্পক সমাৰোহৰ প্ৰস্তুতিৰ বাবে বহুশ ( টকা বিশ্ব বেংকৰ পৰা সামান্য সুদত ধাৰ লোৱা হৈছিল। অৱশ্যে এই উপল ভ্ৰমণকাৰীসকলৰ পৰাও বুজন পৰিমাণৰ বিদেশী মুদ্ৰা উপাৰ্জন কৰিছিল। টকাৰ উ কথা মই থূলমূলভাবেহে উল্লেখ কৰিলোঁ।

প্ৰধান ষ্টেডিয়ামখনত আমি ঠিক দুই বজাত সোমাই পৰিলোঁ। প্ৰায় ৮০ হাজাৰ দৰ্শক মূল ষ্টেডিয়ামখনত ঠাহ খাই পৰিছিল। জাপানৰ পৰা অহা ভ্ৰমণকাৰী দলবোৰ চ লগা আছিল। প্ৰত্যেকজনেই হাতত একোটা দামী কেমেৰা আৰু বেছ দীঘলীয়া বাইন'বু

এটা ডিঙিত ওলোমাই লৈ আহিছিল। এনে এজন জাপানী দৰ্শক নেদেখিলো, যাৰ লগত এই দুপদ সামগ্ৰী নাছিল। মেক্সিকো দেশৰ ভ্ৰমণকাৰীসকলেও সহজে দৃষ্টি আকৰ্ষণ কৰিছিল। তেওঁলোকে মূৰত আমাৰ অসমীয়া ফুলাম জাপিৰ দৰে বাৰেবৰণীয়া বিয়াগোম দেশীয় টুপীবোৰ পিন্ধি আহিছিল। টিকট সংগ্ৰহ কৰিব নোৱৰা ১০ হাজাৰমান দৰ্শকে নকল পাহাৰখনত বহি লৈ বাইন'- কুলাৰৰ সহায়ত মূল ষ্টেডিয়ামখনলৈ চাই থকা দেখিলোঁ। খেলুৱৈ,প্ৰশিক্ষক আৰু অন্যান্য কৰ্মচাৰীয়েই প্ৰায় চাৰি হাজাৰমান মূল ষ্টেডিয়ামখনত আছিল। কিন্তু আমি দেখি তবধ মানিছিলো যে মাত্ৰ ৪০০ মান জাৰ্মান পুলিচেহে মূল ষ্টেডিয়ামখনত পহৰা দি আছিল। তেওঁলোকৰ হাতত আগ্নেয়াস্ত্ৰ বাদেই, এনেকি লাঠী এডালো দেখা নাছিলোঁ। অৱশ্যে বেতাঁৰ সংযোগ তেওঁলোকে সততে ৰক্ষা কৰি থকা দেখিছিলো। সেইখন দেশত শৃংখলা সঁচাকৈয়ে প্ৰশংসা কৰিব লগা। আমাৰ দেশত এইবোৰ নাভূত-নাশ্ৰুত কথা।

মূল ষ্টেডিয়ামৰ ভিতৰৰ সেউজীয়া ঘাঁহেৰে আবৃত ফিল্ডখন দেখি আমি এখন বৃহৎ দলিচা পাৰি থোৱা বুলি ভুলেই কৰিছিলোঁ। ইমানেই গাঢ় সেউজীয়া আৰু মসৃণ আছিল ফিল্ডখন। বিভিন্ন দেশৰ পৰা উদ্বোধনী উৎসৱ চাবলৈ অহা বৰমূৰীয়াসকলকো ফিল্ডত দেখা পালোঁ। তেখেতসকলৰ বাবে আটকধুনীয়া প্লাষ্টিকৰ সুসজ্জিত একোটা বাকচ আকৃতিৰ পুতলা ঘৰবোৰ দৰ্শকৰ গেলাৰীবোৰৰ কাষে কাষে থকা দেখিলো। ব্ৰিটেইনৰ ৰাজ পৰিয়ালৰ সদস্য কিছুমানো সেইবোৰত বহিছিল। ব্ৰিটেইনৰ ৰাণী এলিজাবেথো উদ্বোধনী উৎসৱ চাবলৈ আহিছিল। তেখেতসকলে বহা বাকচবোৰ আমি বহা দৰ্শকৰ গেলাৰীবোৰৰ নিচেই কাষতে আছিল। দৰ্শক বহা গেলাৰীবোৰ য'ত শেষ হৈছিল, তাৰ চৌদিশে ৬ ফুট দ আৰু ৫ ফুটমান বহল গড়-খাৰৈসদৃশ ঘূৰণীয়া আৰু দীঘল গাঁত দেখিলোঁ। তাতে বহি পৃথিৱীৰ বিভিন্ন দেশৰ পৰা অহা কেমেৰামেনসকলে ভিডিঅ' কেমেৰা ব্যৱহাৰ কৰাৰ ব্যৱস্থা কৰা হৈছিল দৰ্শকৰ প্ৰতিবন্ধক নোহোৱাকৈ। একে ব্যৱস্থা হেনো ১৯৬০ চনত হোৱা ৰোম অলিম্পিকতো কৰা হৈছিল। দৰ্শকৰ মাজে মাজে ওখ চাং কৰি টেলিভিছন ৰখাৰ ব্যৱস্থা কৰা হৈছিল। এইদৰে ৭০খন দেশৰ টেলিভিছনত ফটো লৈ নিজ নিজ দেশলৈ ফটো আৰু বাৰ্তা পঠিওৱাৰ ব্যৱস্থা কৰা হৈছিল। খেলপথাৰখনৰ দুয়ো দিশত মুকলি ঠাইত শান্তিৰ প্ৰতীক হিচাপে দহ হাজাৰ বগা ৰঙৰ পাৰ চৰাই তিনি খলপীয়া বৃহৎ আকৃতিৰ কাঠৰ বাকচবোৰত ৰখা হৈছিল। ষ্টেডিয়ামখনত দুয়ো দিশে দুখন বৃহৎ ব'ৰ্ডত কাৰ্যবিৱৰণীবোৰ যান্ত্ৰিক কলা-কৌশলেৰে ইংৰাজী আৰু জাৰ্মান ভাষাত ওলাই আছিল। মূল ষ্টেডিয়ামখনৰ এটা বৃহৎ অংশত গ্লাছ ফাইবাৰৰ এখন প্ৰকাণ্ড চন্দ্ৰতাপ। ই ৰ'দ-বৰষুণ আৰু জুই পৰা মুক্ত। শ শ টন ওজনৰ এই ফাইবাৰৰ চন্দ্ৰতাপখন দেখাত মকৰাৰ জালৰ দৰে লাগিছিল। মিউনিখ অলিম্পিকৰ ই এটা প্ৰধান আকৰ্ষণৰ বস্তু আছিল। দৰ্শকৰ গেলাৰীৰ ওচৰত এশজনীয়া বেণ্ডপাৰ্টি এটা বহি আছিল। ৪.৩০ বজাত পশ্চিম জাৰ্মানীৰ প্ৰেছিডেণ্টজনক অলিম্পিক সন্থাৰ সভাপতিয়ে মঞ্চলৈ আদৰি লৈ গ'ল আৰু এটি চমু ভাষণেৰে মিউনিখ অলিম্পিক উদ্বোধন কৰিলে।

ইয়াৰ পিছতে আৰম্ভ হ'ল১২০খন দেশৰ খেলুৱৈসকলৰ অপূৰ্ব শোভাযাত্ৰা বা March past। বৃহৎ ফিল্ডখনৰ এটা মূৰৰ পৰা প্ৰত্যেকখন দেশৰ খেলুৱৈসকল ওলোৱাৰ লগে লগে সেই দেশৰ নাম মাইকেৰে ঘোষণা কৰা হয়। লগে লগে দৰ্শকে জাউৰিয়ে জাউৰিয়ে হাতচাপৰি বজাই ওলগ জনায়। প্ৰত্যেক দেশৰ দলটোৰ আগে আগে একোজনী ষোড়শী শুভ্ৰ বসন পৰিহিতা সুন্দৰী জাৰ্মান ছোৱালীয়ে হাতত সেই দেশৰ জাতীয় পতাকা লৈ হাঁহিমুখে খোজত খোজ মিলাই আগবাঢ়ি যায়। ভাব হৈছিল যেন একোজনী পৰীহে মৰ্ত্যলৈ নামি আহিছে। খন্তেক পিছতে মেক্সিকো অলিম্পিকত সোণৰ পদকপ্ৰাপ্ত আঠজন জাৰ্মান খেলুৱৈ অলিম্পিকৰ পতাকা লৈ ষ্টেডিয়ামৰ ভিতৰ সোমাল আৰু সেই পতাকাখন ফ্লেগপোষ্টত উৰুৱাই দিলে। লগে লগে জাৰ্মান বেণ্ডপাৰ্টি বাজি উঠিল। একে সময়তে ৰং-বিৰঙৰ সাজ পিন্ধা সৰু সৰু ল'ৰা-ছোৱালীবোৰে এফালৰ পৰা নাচি নাচি আহি আকৌ বহি পৰিল। আকৌ আৰম্ভ মাৰ্চপাষ্টলৈ। এই অলৌকিক সদৃশ মাৰ্চপাষ্টত অংশ লোৱা সংখ্যা কিছুমান দেশৰ বাবে তেনেই তাকৰ আছিল। মূৰত পাগুৰি পৰিহিত ভাৰতীয় দলটোৰ সাজ-পোছাক বৰ অনাকৰ্ষণীয় আছিল আৰু ভাৰতীয় দলটোৰ আগভাগত শাৰী পিন্ধা যুৱতী খেলুৱৈজনীৰ চেলেং-পেটেংকৈ খোজ কাঢ়ি যোৱা দৃশ্য আমাৰ ভাল লগা নাছিল। ভাৰতীয় দলটোতকৈ ইয়াত পাকিস্তানী দলটোৱেহে দৰ্শকৰ পৰা অধিক সমাদৰ পোৱা দেখা গ'ল। নেপালে মাত্ৰ ৪ জনীয়া দল এটাহে পঠিয়াইছিল। চোমালীয়া দেশৰ মাত্ৰ দুজন খেলুৱৈ,শ্ৰীলংকাৰ ৫জন। কুৱেইট, ছৌদি আৰব, মনাকো, ইণ্ডোনেছিয়া, আফগানিস্তান আদি দেশৰ খেলুৱৈৰ সংখ্যা তেনেই নগণ্য আছিল। মেক্সিকোৰ পৰা মাৰ্চপাষ্টত অংশ লোৱা দলৰ সাজ-পোছাক বিচিত্ৰ আৰু চালে চকুৰোৱা বিধৰ আছিল। কেনিয়াৰ দলটোত ১২জন পাগুৰি মৰা শিখ যুৱক দেখা পোৱা গ'ল। বুলগেৰিয়াৰ দলটোৰ আছিল হাতে হাতে ফুলৰ থোপা। ছুইডেন, ছুইজাৰলেণ্ড, কানাডা, পূৰ্ব জাৰ্মানী, পোলেণ্ড, জাপান আদি দেশৰ দলবোৰৰ সংখ্যা সৰহীয়া আছিল। ফ্ৰান্সৰ বৃহৎ দলটোৰ প্ৰত্যেকৰ হাতত‌ে ৰঙা গোলাপ ফুলৰ সুন্দৰ একোটি থোপা আছিল আৰু দৰ্শকৰ মন-প্ৰাণ হৰণ কৰিছিল। শোভাযাত্ৰাৰ একেবাৰে শেষত আছিল ছোভিয়েট ৰাছিয়া আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰ। ৰাছিয়া দলটোত অংশগ্ৰহণকাৰী ২৫০জন মান আছিল আৰু তেওঁলোকৰ সৰহভাগেই আছিল মহিলা। আমেৰিকাৰ শোভাযাত্ৰাকাৰী দলটোত ৩৫০ জনমান পুৰুষ-মহিলা খেলুৱৈ আছিল। তেওঁলোকৰ মহিলাৰ সংখ্যাই হ'ব প্ৰায় ৮০ গৰাকীমান। মনত ভাব হৈছিল জান-জুৰি, নদীবোৰৰ পিছত এখন মহাসাগৰেহে গতি কৰিছে। দলটোৱে গতি কৰোঁতে দৰ্শকৰ ফালৰ পৰা বিপুল হৰ্ষোধ্বনি আৰু হাত চাপৰি উজান উঠিছিল। মাৰ্চপাষ্টত অংশ লোৱা সমূহ খেলুৱৈয়ে ষ্টেডিয়ামৰ ভিতৰৰে এডৰা নিৰ্দিষ্ট খালী ঠাইত সমবেত হ'ল।

খন্তেক পিছতে প্ৰত্যেক দেশৰে একোজনকৈ খেলুৱৈ আহি বৃহৎ দেইজখনত থিয় হ'ল আৰু অলিম্পিক খেলৰ সততাৰ প্ৰতিজ্ঞা ল'লে। লগে লগে খেলৰ প্ৰাচীন দেৱতা

এপ'লোৰ গুণানুকীৰ্তনৰ সংগীত বাজি উঠিল। সংগীতৰ শেষত ২০ জনমান বেভেৰিয়ান যুৱকে আহি খেলপথাৰখনত এভাগত সৰু মাৰি একোডালত সংযুক্ত দীঘল দীঘল বছীবোৰ মাটিত কোবাবলৈ ধৰিলে আৰু বন্দুকৰ গুলীৰ শব্দৰ দৰে প্ৰচণ্ড শব্দৰ দ্বাৰা আকাশ নিনাদিত হ'ল। তাৰ পিছতে আৰম্ভ হ'ল প্ৰাচীন বেভেৰিয়ান নৃত্য। কেইবাশ জাৰ্মান স্কুলীয়া ল'ৰা-ছোৱালীয়ে আমাৰ সত্ৰীয়া নৃত্যৰ দৰে পোছাক পিন্ধি বাঁহৰ বঙচুৰা জাপিৰ দৰে টুপী পিন্ধি হাতত থকা ফুলৰ থোপাবোৰ ঘূৰাই ঘূৰাই নাচিছিল। এই দৃশ্য সঁচাকৈয়ে অপূৰ্ব আছিল। দৰ্শকসকলে জাউৰিয়ে জাউৰিয়ে হাত চাপৰি বজাইছিল। ইয়াৰ পিছতেই বাকচবোৰত আবদ্ধ কৰি ৰখা দহ হাজাৰ পাৰ চৰাই একে সময়তে উৰুৱাই দিয়া হ'ল। শান্তিৰ প্ৰতীক পাৰ চৰাইবোৰে আকাশ ধূঁৱলি-কুঁৱলী কৰি পেলালে । ইয়াৰ পিছতেই চাৰিজন জাৰ্মান দেশীয় খেলুৱৈ অলিম্পিক শিখা লৈ দৰ্শকৰ কাষেদি দৌৰি গ'ল। লগে লগে ড্ৰাম বাজিবলৈ ধৰিলে। ষ্টেডিয়ামখনত এমূৰে থকা উচ্চ স্থানত অৱস্থিত গেছৰ বিশাল চাকি গছাত অলিম্পক শিখা জ্বলাই দিয়া হ'ল। চৌদিশে উজ্জ্বল কৰি অলিম্পিক শিখা জ্বলি উঠিল। দৰ্শকৰ হাত চাপৰিৰে ষ্টেডিয়ামখন ৰজনজনাই উঠিল। সদৌ শেষত অলিম্পিক সংস্থাৰ সভাপতিয়ে সকলোকে ধন্যবাদ জনাই উদ্বোধনী অনুষ্ঠানৰ কাৰ্যসূচীৰ সামৰণি ঘোষণা কৰিলে। মূল ষ্টেডিয়ামখনৰ উপৰি কেইবাখনো আটকধুনীয়া ষ্টেডিয়াম ওচৰা-উচৰিকৈ আছিল। একেলগে চাৰিখন ষ্টেডিয়ামত হকী খেল চলি আছিল। এখন ষ্টেডিয়াম ওপৰ খলপত থিয় হ'লেই গোটেইকেইখন ষ্টেডিয়ামৰে খেল উপভোগ কৰিব পাৰি। দৰ্শকসকলৰো পুৰুষ-মহিলা উভয়ে হেঁচা বা হাই-উৰুমি নকৰাকৈ খেলবোৰ উপভোগ কৰা দেখিলোঁ। সময়ে সময়ে হাতচাপৰি বজাই তেওঁলোকৰ মনঃপূত খেলুৱৈসকলক উৎসাহিত কৰে। উদ্বোধনী উৎসৱৰ শেষত ৮০ হাজাৰ দৰ্শক একেলগে ষ্টেডিয়ামখনৰ পৰা ওলাই গৈছিল। অকণো ঠেলা-হেঁচা নকৰাকৈ। তেওঁলোকৰ ৰুচিবোধ অত্যন্ত সংগত আৰু প্ৰশংসনীয়।

আমি এখন ষ্টেডিয়ামত পাকিস্তান আৰু ফৰাচী দলৰ মাজত হোৱা হকী খেল চাবলৈ গৈছিলোঁ। আমাৰ কাষতে বহা কেইগৰাকীমান ফৰাচী গাভৰুৱে তেওঁলোকৰ দেশৰ হকী খেলুৱৈসকলক অলি অলি বুলি চিঞৰি উৎসাহিত কৰি আছিল। পাকিস্তানে ইতিমধ্যে দুগল দিলেই। ফৰাচী ছোৱালী কেইজনীয়ে হতাশ নহৈ তেওঁলোকৰ ভাষাত গান এটি গাবলৈ আৰম্ভ কৰি দিলে। এইটো আছিল এটি সাধাৰণ উদাহৰণহে । কিন্তু আনহাতে পাকিস্তানী ভ্ৰমণকাৰীসকলৰ আচৰণ অতি অভদ্ৰ আৰু নিৰ্লজ্জ আছিল। এই কথা আমি আৰম্ভণিৰে পৰাই লক্ষ্য কৰিলোঁ। আন এদিন আমি হলেণ্ড আৰু ভাৰতীয় দলৰ মাজত হোৱা হকী খেল চাই আছিলোঁ। দুয়ো দল সমানে শক্তিশালী আছিল। আমাৰ ওচৰতে কিছুমান পাকিস্তানী আৰু হলেণ্ডৰ দৰ্শক বহিছিল। এই পাকিস্তানী দৰ্শকসকলে হলেণ্ডৰ খেলুৱৈসকলক টেঁটুফালি চিঞৰি উৎসাহিত কৰাই নহয়, সঘনে ভাৰতীয় খেলুৱৈ দলক

অশ্লীল মাতেৰে ইতিকিং আৰু ঠাট্টা-বিদ্ৰূপেৰে তেওঁলোকৰ নিজৰ বিকৃত ৰুচিবোধৰ পৰিচয় দিছিল।

অলিম্পিক প্ৰতিযোগিতাবোৰত ভাগ ল'বলৈ অহা প্ৰতিযোগীসকলৰ বাহিৰৰ মুক্ত প্ৰাংগণত কৰা অনুশীলনবোৰ চায়েই ক'ব পৰা যায় তেওঁলোক কিমান উচ্চ পৰ্যায়ৰ খেলুৱৈ। পৃথিবীৰ বিভিন্ন দেশৰ পুৰুষ-মহিলা শ্বেতাংগ, কৃষ্ণাংগ সকলোৱে মিলিত হৈ মিউনিখ চহৰখনত প্ৰতিযোগিতাৰ মাজেৰে সাম্য আৰু ভ্ৰাতৃ ভাৱৰ সোঁত বোৱাই দিছিল। আজি ৩৬ বছৰৰ পিছতো সেই দৃশ্যবোৰ মোৰ মানসপটত সজীৱ হৈ আছে। এদিন আমি হলেণ্ডৰ আমষ্টাৰডাম চহৰৰ পৰা লণ্ডন অভিমুখে টুৰিষ্ট বাছেৰে আহি থাকোঁতে আমাৰ জাৰ্মান গাইডগৰাকীয়ে উত্তেজিত ভাষাত আমাক উগ্ৰপন্থীয়ে মিউনিখত ইজৰাইলী খেলুৱৈৰ ওপৰত কৰা আক্ৰমণৰ ঘটনা আৰু হতাহতৰ খবৰ দিছিল। এই দুখজনক বাতৰি পাই আমাৰো মন সেমেকি গৈছিল।

এইদৰে আমি প্ৰায় মাহজোৰা ইউৰোপ ভ্ৰমণৰ অন্ত পেলাই বিমানেৰে ফ্ৰেংফুৰ্ট বিমানবন্দৰৰ পৰা কাইৰো হৈ নতুন দিল্লী পালোঁহি। ●

*('আমাৰ অসম' ৮ আৰু ৯ আগষ্ট, ২০০৮ চন)*

এক বিৰল ব্যক্তিত্ব

# পদ্মশ্ৰী সতীশচন্দ্ৰ কাকতী

যোৱা ২০০৬ চনৰ ১৯ জুনৰ নিশা অসমৰ সংবাদ জগতৰ এজন অগ্ৰণী আৰু পুৰোধা ব্যক্তি সতীশচন্দ্ৰ কাকতীৰ ৯৪ বছৰ বয়সত দেহাৱসান হয়। তেওঁৰ জন্ম হৈছিল নলবাৰী চহৰৰ পৰা নাতিদূৰৈত অৱস্থিত উলাবৰী গাঁৱৰ এটি নিম্ন মধ্যবৃত্ত পৰিয়ালত। দেউতাক বাৰুনুৰাম কাকতী আছিল প্ৰাইমাৰী স্কুলৰ শিক্ষক আৰু তেওঁ বৰ বিদ্যোৎসাহী আছিল। ছাত্ৰ হিচাপে মেধা সমুজ্জ্বল সতীশচন্দ্ৰ কাকতীয়ে ১৯২৬ চনত বৰখলা এম.ই. স্কুলৰ পৰা এম.ভি. পৰীক্ষাত অসমৰ ভিতৰতে প্ৰথম হৈ সুখ্যাতি লভিছিল। ১৯৩২ চনত গুৱাহাটীৰ কামৰূপ একাডেমী হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত অসমীয়া বিষয়ত লেটাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ কটন কলেজত নামভৰ্তি কৰিছিল। কটন কলেজত পঢ়োতে তেওঁ অৰ্থৰ অভাৱত ছাত্ৰাবাসত নাথাকি প্ৰাইভেট মেছত থকাৰ কথা মোক কৈছিল। এইদৰে কঠোৰ জীৱন সংগ্ৰামৰ কষটি শিলত তেওঁৰ জীৱনে গঢ় লৈছিল।

কটন কলেজত ভৰ্তি হোৱা বছৰতে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন অৰ্থনীতিবিদ আৰ্থাৰ এডৱাৰ্ড ব্ৰাউন চাহাবে '১৯১৪ চনৰ পৰা কটন কলেজত থকা সতীশচন্দ্ৰ কাকতীৰ বাবে এইটো এটা দুখৰ কথা আছিল। কটন কলেজত পঢ়োতে তেওঁৰ কেইজনমান প্ৰবল মেধা সমুজ্জ্বল সহপাঠী আছিল - কৰুণানন্দ দত্তকে প্ৰমুখ্য কৰি দণ্ডেশ্বৰ গগৈ, ৰজনীকান্ত দেৱ শৰ্মা, ভূমিদেৱ গোস্বামী, সাংসদ হেম বৰুৱা, সাৰদা চৰণ শৰ্মা আৰু গোপাল চন্দ্ৰ শৰ্মা বৰুৱা। তেওঁ কটন কলেজত পঢ়া কালছোৱাত মণিপুৰৰ বিখ্যাত টিকেন্দ্ৰজিৎ সিংহৰ নাতি ৰাজকুমাৰ মাধুৰ্য জিৎ সিংহ আছিল বিখ্যাত ফুটবল আৰু টেনিচ খেলুৱৈ। কাকতী কলেজত ভৰ্তি হোৱা বছৰতে মাধৱ চন্দ্ৰ বেজবৰুৱা ইউনিয়ন চেক্ৰেটাৰী (১৯৩২-৩৩) আছিল আৰু সেই বছৰতে মহেন্দ্ৰ নাথ ডেকা ফুকনে অংকন কৰা কটন কলেজৰ বিখ্যাত এমব্লেমটো গ্ৰহণ কৰে। কটনত পঢ়োতে কাকতী ছাত্ৰ হিচাপে প্ৰথম বাৰ্ষিকৰ প্ৰতিনিধি হিচাপে ইউনিয়ন বডীত সোমাইছিল আৰু ৩য় বাৰ্ষিকৰ কটনিয়ান নামৰ কলেজ আলোচনীখনৰ পোন প্ৰথমবাৰৰ বাবে নিৰ্বাচিত সম্পাদক হৈছিল।

কামৰূপ একাডেমীত পঢ়োতে ছাত্ৰ অৱস্থাৰ পৰা তেওঁ স্বাধীনতা সংগ্ৰামত ওতপ্ৰোতভাৱে জড়িত হৈ পৰিছিল। দেশভক্ত তৰুণৰাম ফুকনৰ ওজস্বিনী বক্তৃতা শুনি ১৯৩০ চনত পিকেটিং কৰি ৩ মাহ সশ্ৰম কাৰাদণ্ড ভুগিছিল। মহেন্দ্ৰ মোহন চৌধুৰীয়ে (প্ৰাক্তন মুখ্যমন্ত্ৰী) মোক এবাৰ কোৱা মতে চৌধুৰী আৰু তেওঁৰ সতীৰ্থসকল গুৱাহাটী জেলত স্বাধীনতা আন্দোলনত কাৰাবৰণ কৰোতে সতীশ কাকতী হাইস্কুলীয়া ছাত্ৰ আছিল আৰু কাকতীয়ে সঙ্গোপনে বাহিৰৰ বা বাতৰিৰ যোগান ধৰিছিল।

সতীশ কাকতী দ্বিতীয় বাৰ্ষিকত পঢ়োতে পোন প্ৰথমবাৰৰ বাবে ১৯৩৩ চনত দুগৰাকী অসমীয়া ছাত্ৰীক কটন কলেজত নামভৰ্তি কৰিবলৈ সন্মতি দিছিল আৰু তেওঁলোক আছিল স্বনামধন্যা লীলা দেৱী আৰু উষা লতা ভট্টাচাৰ্য।

কটন কলেজত পঢ়োতে কাকতী এজন মেধাবী হিচাপে পৰিচিত হৈছিল। তেওঁ তেতিয়াৰ দিনৰ আই.এ.পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। আৰু প্ৰথম বিভাগ পাইছিল। সেই বছৰেই প্ৰৱন মেধা সমুজ্জ্বল কৰুণানন্দ দত্তই কটন কলেজৰ পৰা আই.এ. পৰীক্ষাত কলিকতা বিশ্ববিদ্যালয়ত দ্বিতীয় স্থান অধিকাৰ কৰি কাললৈ সুখ্যাতি লভিছিল। কাকতীয়ে কটনত পঢ়া কালছোৱাৰ আন এজন প্ৰতিভাৱান ছাত্ৰ আছিল ছৈয়দ মকিবৰ ৰহমান যিয়ে বি. এ. পৰীক্ষাত দৰ্শনত অনাৰ্চ বিভাগত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰিছিল কলিকতা বিশ্ববিদ্যালয়ত।

মই ১৯৫৬ চনত প্ৰেছিডেন্সি কলেজত স্নাতকোত্তৰৰ ছাত্ৰ থাকোতে পোন প্ৰথমবাৰৰ বাবে সতীশ কাকতীৰ সান্নিধ্য লাভ কৰাৰ বিৰল সুযোগ পাইছিলো কলিকতা প্ৰবাসী যোগেশ্বৰ হাজৰিকাৰ (Esplanade East) থকা বাসভৱনত। প্ৰথম পৰিচয়তে চুম্বকে লোক আকৰ্ষণ কৰাৰ দৰে কাকতীৰ বিৰল ব্যক্তিত্বৰ প্ৰতি মই আকৰ্ষিত হৈছিলো। কথা প্ৰসঙ্গত স্নাতকোত্তৰ পৰীক্ষাত মই পাব লগা প্ৰতিযোগিতামূলক বৃত্তিটো পোৱাৰ পৰা মই বঞ্চিত হোৱাৰ কথা উল্লেখ কৰিছিলো। কাকতীয়ে মই পূজাৰ বন্ধত অসমলৈ আহিলে তেওঁক লগ ধৰিবলৈ কৈছিল। মই লগ ধৰাত কাকতীয়ে এখন চিঠি লিখি মোৰ হাতত দিলে আৰু সেই চিঠিখন শ্বিলঙলৈ গৈ তেতিয়াৰ শিক্ষা বিভাগৰ মন্ত্ৰী পূৰ্ণানন্দ চেতিয়াক দিবলৈ দিলে আৰু লগতে মোৰ বিষয়ে টেলিফোন যোগে চেতিয়াৰ লগত কথা পাতিলে। মই তেওঁৰ কথা মতে চেতিয়াক লগ ধৰি চিঠিখন দি আহিলো। এমাহৰ পিছতে অসম চৰকাৰৰ শিক্ষা বিভাগে মই পাব লগা স্নাতকোত্তৰ বৃত্তিটো মোৰ নামত মঞ্জুৰ কৰি গেজেটত প্ৰকাশ কৰিলে। এয়াই আছিল কাকতীৰ এজন ছাত্ৰৰ প্ৰতি পৰোপকাৰৰ নিদৰ্শন। ইয়াৰ পিছৰ পৰা সুদীৰ্ঘ ৫০ বছৰ কাল কাকতী আৰু তেওঁৰ পৰিয়ালবৰ্গৰ প্ৰতি মোৰ সৌহাৰ্দ্য ভাব অটুট আছে।

কাকতীয়ে ৩য় বাৰ্ষিকৰ ছাত্ৰ থাকোতে গণতন্ত্ৰৰ ভৱিষ্যৎ নামৰ এখন তথ্যপূৰ্ণ তত্ত্বগধুৰ ৰচনা কলেজত পাঠ কৰি প্ৰশংসা লভিছিল আৰু অৰ্থনীতিৰ অধ্যাপক উমাকান্ত গোস্বামীয়ে ভূয়সী প্ৰশংসা কৰিছিল। কাকতীয়ে ১৯৩৬ চনত অৰ্থনীতিৰ অনাৰ্ছত দ্বিতীয় শ্ৰেণীৰ উচ্চ স্থান লাভ কৰিছিল যদিও অৰ্থৰ অভাৱত এম এ পঢ়া বাদ দি চাকৰি জীৱন বাছি ল'লে। ১৯৪৮ চনৰ পৰা সতীশচন্দ্ৰ কাকতীয়ে অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ সহকাৰী সঞ্চালক ৰূপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰি তেতিয়াৰ ৰাজ্যপাল ছাৰ আকবৰ হাইদৰী, শ্ৰী প্ৰকাশ আৰু জয়ৰাম দৌলতৰাম আৰু মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈ আৰু বিষ্ণুৰাম মেধিৰ জনসংযোগ বিষয়াৰূপেও কাৰ্যনিৰ্বাহ কৰিছিল। মোক কাকাতীয়ে কোৱা মতে লোকপ্ৰিয় বৰদলৈৰ পৰা

বহুতো মূল্যবান কথা শিকাৰ সুযোগ তেওঁ পাইছিল আৰু বিশেষকৈ সময় জ্ঞান সম্পৰ্কে। ১৯৩৮ চনৰ এটা আমোদজনক কথা তেওঁ মোক কৈছিল। তেতিয়া তেওঁ কামৰূপ একাডেমী হাইস্কুলত সহকাৰী হেডমাষ্টৰ ৰূপে কাম কৰিছিল। সেই বছৰেই গোপীনাথ বৰদলৈয়ে শ্বিলঙত প্ৰিমিয়াৰ ৰূপে শপত গ্ৰহণ কৰি তেওঁৰ উজান বজাৰত থকা বাসগৃহলৈ আহে। পুৱাৰ ভাগত কাকতীয়ে প্ৰধানমন্ত্ৰী বৰদলৈক লগ পাবলৈ গৈ তেওঁৰ ড্ৰয়িং ৰুমত অপেক্ষা কৰি আছিল। এনেতে কটন কলেজৰ বুৰঞ্জী বিভাগৰ কিম্বদন্তী সদৃশ প্ৰফেচাৰ প্ৰবল ব্যক্তিত্বসম্পন্ন ভুবনমোহন সেন। প্ৰফেচাৰ সেন অহাৰ বাতৰি পাই বৰদলৈ ভিতৰৰ পৰা ওলাই আহি আথে-বেথে ভুবনমোহন সেনক সাবটমাৰি ধৰি আলিঙ্গন কৰিলে। সেনে গলগলীয়া মাতেৰে সম্বোধন কৰি ক'লে— Mr Bordoloi I have not come to congratulate you. It is rather you who is to congratulate me. ইয়াৰ অৰ্থ হ'ল কটন কলেজৰ বুৰঞ্জী বিভাগৰ অধ্যাপকৰ পদ এটাৰ বাবে উভয়ে প্ৰাৰ্থী আছিল কিন্তু সেন ছাৰে বুৰঞ্জীত প্ৰথম শ্ৰেণী পোৱাত তেওঁ পদটো পালে। নহ'লে বৰদলৈয়ে পালেহেঁতেন আৰু হয়তো তেওঁ ৰাজনীতিৰ পথাৰত ভৰি নিদিলেহেঁতেন। এয়ে আছিল কালস্য কুটীলা গতি।

এজন নিষ্ঠাবান সত্যনিষ্ঠা আৰু সফল সাংবাদিক হিচাপে কাকতীৰ স্থান বিখ্যাত সাংবাদিক লক্ষ্মীনাথ ফুকনৰ পিছতে হ'ব। কাকতীয়ে জনপ্ৰিয় আৰু নিৰ্ভীক দৈনিক কাকত আসাম ট্ৰিবিউনৰ লগত ১৯৫২ চনৰ পৰা ১৯৭৬ চনলৈ জড়িত আছিল। পোনতে সহকাৰী সম্পাদক আৰু পিছত সম্পাদক ৰূপে। লক্ষীনাথ ফুকনে অৱসৰ লোৱাত তেওঁ সম্পাদক হওঁতে কাকতখনৰ এটা শক্তিশালী গ্ৰুপে আন এজনক সম্পাদক পাতিবলৈ ট্ৰিবিউন গ্ৰুপৰ স্বত্বাধিকাৰী প্ৰয়াত ৰাধা গোবিন্দ বৰুৱাক জোৰ দিছিল। কিন্তু দৃঢ়মনা বৰুৱাই কৈছিল যে তেওঁ থকালৈকে কাকতীকহে সম্পাদক পাতিব। কাকতী এজন নিৰপেক্ষ সাংবাদিক আছিল আৰু অসম আৰু অসমীয়া জনগণৰ চিৰজাগ্ৰত প্ৰহৰী হিচাপে কাম কৰিছিল। বৰুৱা ডাঙৰীয়াৰ লগতো তেখেতৰ সদ্ভাৱ আছিল আৰু বৰুৱা ডাঙৰীয়াই সম্পাদকৰ কামত কেতিয়াও হেতাওপৰা নকৰিছিল। পঞ্চাশৰ দশকৰ পণ্ডিত নেহৰু অসমলৈ আহোতে আসাম ট্ৰিবিউন কৰ্তৃপক্ষৰ পৰা দিয়া অভ্যৰ্থনাত কাকতীয়ে ট্ৰিবিউন কৰ্তৃপক্ষৰ ফালৰ পৰা ইংৰাজীত লিখা এখন গুৰুত্বপূৰ্ণ ভাষণ পাঠ কৰিছিল।

১৯৬০ চনত কাকতীয়ে দুমাহৰ বাবে মাৰ্কিন যুক্তৰাজ্যৰ নিমন্ত্ৰিত অতিথি হিচাপে আমেৰিকা ভ্ৰমণ কৰিছিল। সেই দিনত এইটো এটা বিৰল সন্মান হিচাপে গণ্য হৈছিল। ১৯৬০ চনত অসমৰ ভাষা আন্দোলনৰ সূত্ৰপাত হৈ ভয়াবহৰূপ ধাৰণ কৰিছিল। কাকতীয়ে পৰিস্থিতিৰ গুৰুত্ব উপলব্ধি কৰি আহোঁতে তেওঁৰ ভ্ৰমণ সমাপ্ত কৰি ১৯৬০ৰ ২৬ জুলাইৰ মাজনিশা দমদম বিমান বন্দৰত উপস্থিত হ'লহি। বাছৰ কণ্ডাক্টৰৰ সাৱধানবাণী উপেক্ষা কৰি ৭ নং এচপ্লেনেডত থকা কাকতীৰ বন্ধু যোগেশ্বৰ হাজৰিকাৰ বাসস্থান পালেগৈ। পিছদিনা হাজৰিকাই

তেওঁক এয়াৰপোৰ্টলৈ নিৰ্বিঘ্নে নি অসমলৈ যোৱা উৰাজাহাজত তুলি দিলে। এয়ে আছিল কাকতীৰে অসম প্ৰীতিৰ নমুনা।

কাকতীয়ে ৰাজনীতিৰ লগত সাঙোৰ খোৱা নাছিল যদিও তেওঁ আছিল এজন মুক্তিযোদ্ধা আৰু হাড়ে-হিমজুৰে কংগ্ৰেছ দলৰ সেৱক। তেওঁ ইচ্ছা কৰা হ'লে সহজে ৰাজ্যসভাৰ মনোনীত প্ৰাৰ্থী হ'ব পাৰিলেহেঁতেন। স্বৰ্ধৰ্মে নিধনং শ্ৰেয় পৰধৰ্ম ভয়াবহ, নীতিকে সাৰোগত কৰি সাংবাদিকতাকে জীৱনৰ লক্ষ্য হিচাপে লৈ স্বদেশৰ উন্নতিৰ বাবে জীৱনৰ শেষ মুহূৰ্তলৈকে দেহে কেহে খাটিছিল আৰু জাগ্ৰত প্ৰহৰীৰ দৰে অসম আৰু অসমীয়াৰ হিত চিন্তা কৰিছিল।

বিদেশভ্ৰমণ তেওঁৰ জীৱনত কেইবাৰো ঘটিছিল। এবাৰ বৃটেইন ভ্ৰমণ সমাপ্ত কৰি আহিবৰ সময়ত লণ্ডনৰ পৰা তেওঁৰ ৰবপুত্ৰ দিলীপ কাকতীলৈ এখন টেনিছ ৰেকেট কিনি আনি উপহাৰ দিছিল।

কাকতী অল আছাম জাৰ্ণেলিষ্ট এছচিয়েছনৰ প্ৰতিষ্ঠাপক সভাপতি আছিল। ১৯৭৫ চনত তেওঁ নিউজপেপাৰ এডিটৰছ গীল্ডৰ উপ-সভাপতি ৰূপে নিৰ্বাচিত হৈছিল। তেওঁ ইংৰাজী আৰু অসমীয়া ভাষাৰ সুলেখক আছিল আৰু উভয় ভাষাতে কেইবাখনো মূল্যবান পুথি ৰচনা কৰিছিল আৰু তাৰ স্বীকৃতি স্বৰূপে অসম চৰকাৰৰ পৰা সাহিত্যিক পেন্সন পাইছিল। মুক্তি যোদ্ধাৰ তাঁম্ৰপত্ৰকে ধৰি বাৰিষাৰ ঢল বাগৰাৰ দৰে চৰকাৰ আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা অলেখ সন্মান তেওঁলৈ আহিছিল। গুৱাহাটীৰ গীতা মন্দিৰ, কোচবিহাৰৰ মধুপুৰসত্ৰৰ কীৰ্তন ঘৰ নিৰ্মাণ কাৰ্যত অক্লান্ত কৰ্মী মহেন্দ্ৰ মোহন চৌধুৰীৰ সৌঁহাত স্বৰূপে তেওঁ কাম কৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কোৰ্টৰ তেওঁ সন্মানীয় সদস্য আছিল। গুৱাহাটী মিউনিচিপালটিৰ অলপ দিনৰ বাবে সদস্য হৈ চেয়াৰমেনো হৈছিল। কিন্তু কদৰ্য ৰাজনীতি তেওঁৰ বাবে অসহ্য হোৱাত এই পদ স্বেচ্ছাই ত্যাগ কৰিছিল। গুৱাহাটী মেডিকেল কলেজ, গোপীনাথ বৰদলৈ যক্ষ্মা হাস্পতাল, ভুবনেশ্বৰ বৰুৱা কৰ্কট প্ৰতিষ্ঠান, মহেন্দ্ৰ মোহন চৌধুৰী হাস্পতাল আদি প্ৰতিষ্ঠানৰ পৰিচালনা সমিতিৰ সদস্যৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁৰ কামৰ স্বীকৃতি স্বৰূপে ভাৰত চৰকাৰে পদ্মশ্ৰী উপাধি প্ৰদান কৰিছিল।

জীৱনকালত কাকতীয়ে দুটা চৰম আঘাতৰ সন্মুখীন হোৱা দেখা গৈছিল। এটা হ'ল সত্তৰ দশকত তেওঁৰ পৰম সুহৃদ গুৱাহাটীৰ উজানবজাৰৰ তিলক দাসৰ মৃত্যু আৰু আনটো হ'ল ২০০৪ চনত তেওঁৰ সাৰ্থক অৰ্থত অৰ্দ্ধাঙ্গিনী প্ৰিয়লতা কাকতীৰ মৃত্যু। সতীশ কাকতীয়ে নিজৰ জন্মস্থান উলাবৰী গাঁৱৰ সৰ্বাঙ্গীণ উন্নতিৰ বাবে দেহে-কেহে খাটিছিল আৰু মই জনাত শাৰীৰিকভাৱে শয্যাগত নোহোৱালৈকে সপ্তাহত এদিন হ'লেও উলাবৰী গাঁৱলৈ গৈ ৰাইজক বিভিন্ন কামৰ দিহা-পৰামৰ্শ দিছিল। সতীশচন্দ্ৰ কাকতীৰ পৰলোকগত মহান আত্মাৰ প্ৰতি সশ্ৰদ্ধ প্ৰণিপাত জনালো। ●

*(ইং ২৭-০৬-২০০৬ তাৰিখৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত)*

# অতীত-বৰ্তমানৰ প্ৰতিচ্ছবি

সম্প্ৰতিক কালৰ বিহাৰৰ ঘটনাৱলীয়ে সমগ্ৰ ভাৰতবাসীকে দুঃচিন্তাগ্ৰস্ত আৰু ভীতিবিহ্বল কৰি তুলিছে। কিন্তু এই বিহাৰেই আছিল এসময়ত সমগ্ৰ উত্তৰ ভাৰত তথা ভাৰতবৰ্ষৰে উৎকৰ্ষতাৰ স্নায়ুকেন্দ্ৰ। প্ৰাচীন ভাৰতবৰ্ষৰ ইতিহাসৰ পাত লুটিয়ালেই দেখা যায় যে বিহাৰতেই ৰাষ্ট্ৰ গঠনৰ নতুন সূৰ্য্য উদয় হৈছিল।

খ্ৰীঃপূৰ্ব সপ্তম শতিকাতেই বিহাৰক কেন্দ্ৰ কৰি ভাৰত গৌৰৱ মগধ সাম্ৰাজ্যৰ পাতনি মেলিছিল ৰজা বৃহদৰথে। বৰ্তমান কালৰ বিহাৰৰ পাটনা জিলাৰ ৰাজগিৰেই আছিল পৰৱৰ্তী কালৰ মগধ সাম্ৰাজ্যৰ ৰাজধানী (ৰাজগৃহ)। ৰাজগৃহ আছিল মগধ সাম্ৰাজ্যৰ প্ৰাচীন ৰাজধানী। মহাৰাজ বিম্বিসাৰ আৰু অজাতশত্ৰুই ইয়াতেই বাস কৰিছিল। এই চহৰ পাটনা জিলাত অৱস্থিত। ৰাজগৃহৰ পৰা আঢ়ৈ মাইল উত্তৰ-পূবে বৌদ্ধধৰ্মৰ জাতকত উল্লিখিত প্ৰসিদ্ধ গৃধকূট নামৰ জনবসতি। ইয়াৰ বৰ্তমান নাম শৈলগিৰি। ৰাজগৃহৰ পৰা ১২ মাইল পূবে অৱস্থিত বেণুবন নামৰ এখন প্ৰখ্যাত উদ্যান। জাতকমালাত উল্লেখ কৰা আছে যে বুদ্ধদেৱৰ পৰম অনুগত বিম্বিসাৰে প্ৰকৃতিৰ ৰম্যভূমি সুশোভিত এই ৰাজ উদ্যানখন বুদ্ধ সংঘক দান কৰে আৰু বুদ্ধদেৱক যষ্টিবনৰ পৰা বেণুবনলৈ নিমন্ত্ৰণ কৰি আনে। বুদ্ধদেৱে এই দান গ্ৰহণ কৰি তেতিয়াৰ পৰা মগধ ৰাজ্যৰ অৰ্থাৎ বৰ্তমান বিহাৰৰ বেণুবনকেই তেওঁৰ প্ৰধান বাসস্থানলৈ পৰিবৰ্তন কৰিছিল।

গৌতম বুদ্ধই বিহাৰৰ ৰাজগৃহতেই দুজন প্ৰখ্যাত গুৰুৰ ওচৰত জ্ঞান চৰ্চা কৰিছিল বুলি জনা যায়। বৰ্তমান বিহাৰৰ গয়া চহৰৰ ওচৰৰ উৰুভিলা গাঁৱত ছয় বছৰ কঠোৰ সাধনা কৰি পূৰ্ণজ্ঞান অৰ্থাৎ বুদ্ধত্ব লাভ কৰিছিল। এই বিহাৰতেই ভগৱান গৌতম বুদ্ধৰ জীৱনৰ গুৰুত্বপূৰ্ণ কালছোৱা অতিবাহিত হৈছিল।

বুদ্ধদেৱৰ সময়ত বৰ্তমান বিহাৰৰ অন্তৰ্গত বৈশালী ৰাজ্য অতি সমৃদ্ধিশালী আছিল। বৈশালী ৰাজ্য বুলিলে সাধাৰণভাৱে বিহাৰ প্ৰদেশৰ বৰ্তমান মতিহাৰী, ত্ৰিহুত, দ্বাৰভাঙ্গা আৰু পূৰ্ণিয়া জিলাকে বুজায়। আমি জাতকবোৰ পঢ়িলে প্ৰাচীন ভাৰতবৰ্ষৰ বহুতো ঠাইৰ নাম জানিব পাৰো। Vincent Smith প্ৰভৃতি বুৰঞ্জীবিদসকলে জাতকবোৰক ভাৰতবৰ্ষৰ প্ৰাচীন ইতিহাসৰ অন্যতম ভাণ্ডাৰ বুলি অভিহিত কৰিছে। বৈশালী ৰাজ্যতেই বুদ্ধদেৱৰ আৱিৰ্ভাৱৰ বহুতো আগতেই প্ৰতিষ্ঠা হৈছিল শক্তিশালী লিচ্ছিবিসকলৰ গণতান্ত্ৰিক ৰাষ্ট্ৰ। গতিকে আজিৰ পৰা প্ৰায় তিনি হেজাৰ বছৰৰ পূৰ্বেই ভাৰতৰ মাটিত গণতন্ত্ৰৰ পদুম ফুল প্ৰস্ফুটিত হৈছিল। এই লিচ্ছিবি ৰাজ্য ইমান সংঘবদ্ধ আৰু শক্তিশালী আছিল যে বুদ্ধদেৱৰ পৰম ভক্ত মগধ সম্ৰাট অজাতশত্ৰুৱে লিচ্ছিবিসকলৰ হাতত বাৰে বাৰে পৰাজিত হৈ লিচ্ছিবি ৰাজ্য জয়ৰ উপায় সুধিছিল। উত্তৰত বুদ্ধদেৱে কৈছিল যে যেতিয়ালৈকে লিচ্ছিবিসকলৰ মাজত অনৈক্যৰ বীজ অঙ্কুৰিত নহ'ব, তেতিয়ালৈকে তেওঁলোক অপৰাজিত হৈ থাকিব। অজাতশত্ৰুই তেওঁৰ সুনিধ আৰু ভাস্কৰ নামৰ দুজন অতি বিশ্বাসী সেনাপতিক নিৰ্বাসন দিয়াৰ ভাও দি লিচ্ছিবি ৰাজ্যলৈ গোপনে পঠাই দিলে। উপযুক্ত সময়ত এওঁলোকৰ পৰা সেউজ সংকেত পাই অজাতশত্ৰুই বিশাল সৈন্য বাহিনী লৈ হঠাতে লিচ্ছিবি ৰাজ্য আক্ৰমণ কৰি পৰাজিত কৰে আৰু লিচ্ছিবি ৰাজ্যখনক মগধ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিলে।

অজাতশত্ৰুৰ মৃত্যুৰ পিছত পুত্ৰ উদয়নে মগধৰ সিংহাসনত উঠে আৰু ৰাজধানী ৰাজগৃহতেই সমাৰোহ উৎসৱ সমাধা কৰে। উদয়নে তেওঁৰ সুবিধাৰ বাবে সোণ আৰু গঙ্গানদীৰ সংগমস্থলীৰ ওচৰত পাটলি নামৰ এখন অখ্যাত গাঁৱত ৰাজধানী প্ৰতিষ্ঠা কৰে। এয়াই হ'ল পৰৱৰ্তী কালৰ প্ৰখ্যাত পাটলিপুত্ৰ চহৰ। জাতকত উল্লেখ কৰা আছে যে ভগৱান বুদ্ধই ধৰ্মপ্ৰচাৰৰ বাবে নালন্দাৰ পৰা বৈশালীলৈ পদব্ৰজে যাত্ৰা কৰোতে এই অখ্যাত গাঁওখনত অলপ সময়ৰ বাবে বিশ্ৰাম কৰিছিল। তেওঁ তেতিয়া শিষ্যবৰ্গৰ আগত ভৱিষ্যৎবাণী কৰি কৈছিল যে সেই গাঁওখনেই এসময়ত মহানগৰত পৰিণত হ'ব। নন্দবংশৰ মহাপৰাক্ৰমী সম্ৰাট মহাপদ্মনন্দই ৰাজধানী পাটলিপুত্ৰৰ পৰাই (বৰ্তমান বিহাৰৰ ৰাজধানী পাটনা) তেওঁৰ বিশাল সাম্ৰাজ্য শাসন কৰিছিল। আলেকজেণ্ডাৰৰ ভাৰত আক্ৰমণৰ সময়ত মহাপদ্মনন্দৰ অষ্টম সন্তান ধননন্দ মগধ সাম্ৰাজ্যৰ অধিপতি আছিল। তেওঁৰ বিশাল সৈন্যবাহিনীত আছিল দুই লাখ পদাতিক সৈন্য, বিশ হেজাৰ অশ্বাৰোহী, দুই হেজাৰ ৰথ আৰু চাৰি হেজাৰ যুদ্ধত নিপুণ হাতী। কথিত আছে যে যুদ্ধত ক্লান্ত আলেকজেণ্ডাৰৰ বীৰ সৈন্যসকলে মহাপৰাক্ৰমী নন্দ বংশৰ ৰজা ধননন্দৰ বিপুল সৈন্য বাহিনীৰ সন্মুখীন হৈ হ'ব

লগা বিপৰ্যয়ৰ কথা ভাবি অগ্রসৰ হ'বলৈ অমান্তি হৈছিল। তেতিয়াৰ বিহাৰ আছিল ভাৰতবাসীৰ শৌৰ্য-বীৰ্যৰ প্ৰতীক।

বিহাৰৰ মিথিলা ৰাজ্যৰ কথা কোনে নেজানে? এই মিথিলাই হ'ল আজিকালিৰ দ্বাৰভাঙ্গা জিলা। প্রাচীন কালৰে পৰা মিথিলা ৰাজ্য বিদ্যা আৰু জ্ঞান গৌৰবৰ কেন্দ্ৰভূমি। উপনিষদ যুগৰ মিথিলাত ৰজা জনক আৰু ঋষি যাজ্ঞবল্ক্য বিখ্যাত আছিল। ৰামায়ণত উল্লিখিত শ্রীৰামচন্দ্ৰৰ ভাৰ্যা আছিল জনক ৰজাৰ কন্যা। বিখ্যাত পণ্ডিত পক্ষধৰ, বাচস্পতি আৰু উদয়ন মিথিলাৰ আছিল। মিথিলাৰ কবি বিদ্যাৰতীয়ে মাতৃভাষা মৈথিলীত সুমধুৰ গ্ৰন্থ ৰচনা কৰি বিখ্যাত হৈছিল। মিথিলা প্রাচীন কালৰে পৰা সংস্কৃত সাহিত্য ন্যায়, কাব্য, ব্যাকৰণ আদি শিক্ষাৰ কেন্দ্ৰভূমি আছিল। ভাৰতৰ বিভিন্ন ঠাইৰ পৰা মানুহে মিথিলাত পঢ়িবলৈ আহিছিল।

মৌৰ্যবংশৰ সম্রাটসকলৰো ৰাজধানী আছিল বিহাৰৰ পাটলিপুত্ৰ, অৰ্থাৎ বৰ্তমানৰ পাটনা চহৰ। এই বংশৰ সৰ্বশ্ৰেষ্ঠ সম্রাট আছিল মহান অশোক। শেষ মৌৰ্য ৰজা বৃহদৰথক খ্ৰীঃ পূঃ ১৮৪ চনত ব্ৰাহ্মণ সেনাপতি পুষ্যমিত্ৰই বধ কৰি শুঙ্গবংশ প্ৰতিষ্ঠা কৰি পাটলিপুত্ৰকে ৰাজধানী হিচাপে ৰাখি মহাপ্ৰতাপেৰে ৰাজত্ব কৰিছিল।

প্ৰখ্যাত গুপ্ত সম্রাটসকলে আৰম্ভণি কালত দক্ষিণ বিহাৰ আৰু পাটলিপুত্ৰকে কেন্দ্ৰ কৰি সাম্ৰাজ্য বিস্তাৰ কৰিছিল। চতুৰ্থ শতিকাৰ পৰা ষষ্ঠ শতাব্দীলৈ কেইবাজনো গুপ্ত সম্রাটে মহাপ্ৰতাপেৰে ৰাজত্ব কৰি সমগ্ৰ উত্তৰ ভাৰতকে ৰাজনৈতিকভাৱে একত্ৰিত কৰিছিল। গুপ্ত সম্রাটসকলৰ দিনত প্ৰস্ফুটিত হোৱা গুপ্ত সভ্যতাই মানৱ ইতিহাসত বিস্ময়ৰ সৃষ্টি কৰিছিল।

ভাৰতীয় আৰ্যসভ্যতাৰ পীঠস্থান সদৃশ বিখ্যাত নালন্দা বিশ্ববিদ্যালয় গঢ় লৈ উঠিছিল এই বিহাৰতে। এই নালন্দাক The crest jewel of educational institutions in the whole of Asia বুলি কোৱা হৈছিল। সমগ্ৰ এছিয়া মহাদেশৰে উন্নত দেশবোৰৰ পৰা বিদ্যানুৰাগী ছাত্ৰসকলে উচ্চশিক্ষাৰ বাবে নালন্দা বিশ্ববিদ্যালয়লৈ ঢাপলি মেলিছিল। বিশ্বৰ শিক্ষা জগতত নালন্দাৰ উপাধিক বিশেষ প্ৰাধান্য দিছিল। সপ্তম শতিকাত ভাৰত ভ্ৰমণ কৰা চীনা পৰিব্ৰাজক মহাপণ্ডিত হিউৱেন চাঙে নালন্দাত কেইবাবছৰো একাদিক্ৰমে থাকি জ্ঞান আহৰণ কৰিছিল। এই নালন্দা বিশ্ববিদ্যালয়ে কেইবা শতিকা জুৰি পৃথিৱীত জ্ঞানৰ পোহৰ বিলাইছিল। নালন্দা বিশ্ববিদ্যালয়ৰ বহুতো স্মৃতিচিহ্ন এতিয়াও অক্ষত অৱস্থাত আছে।

মহামানৱ মহাত্মা গান্ধীয়ে বিহাৰক ইমান বেছি ভাল পাইছিল যে মানুহৰ আগত তেওঁ বিহাৰক 'মাই বিহাৰ' বুলিহে অভিহিত কৰিছিল। বিহাৰ বাসীৰ আবাল বৃদ্ধ বনিতা সকলোৱে মহাত্মাক প্ৰাণভৰি ভাল পাইছিল আৰু ভক্তি কৰিছিল। লোকনায়ক আৰু সততাৰ প্ৰতিমূৰ্তি জয়প্ৰকাশ নাৰায়ণৰ জন্মভূমি আৰু কৰ্মভূমি হ'ল বিহাৰ। জয়প্ৰকাশ নাৰায়ণে

প্ৰয়াত ইন্দিৰা গান্ধীৰ একনায়কত্ব আৰু স্বেচ্ছাচাৰিতাৰ বিৰুদ্ধে বিহাৰতেই প্ৰথমে প্ৰবল আন্দোলনৰ জোঁৱাৰ তুলিছিল আৰু বিহাৰবাসীয়ে লোকনায়কৰ নেতৃত্ব কায়মনোবাক্যে মানি লৈছিল।

এয়াই হ'ল সংক্ষেপে বিহাৰ গৌৰৱময় ইতিহাস। কিন্তু, 'একালৰ বৃন্দাবন একালত পৰে চন।' ঘৃণনীয় ৰাজনীতিয়ে দুৰ্নীতিৰ অবাধ্য পোহাৰ মেলিছে বিহাৰত। সৰু বৰ হত্যাকাণ্ডবোৰ হৈছে তাত নিত্য-নৈমিত্তিক ঘটনা। আৰক্ষী বিভাগ হৈছে কুখ্যাত ৰাজনৈতিক নেতাবোৰৰ হাতৰ পুতলা। চোৰ-ডকাইতৰ লগত আৰক্ষী বিভাগেও হাত মিলোৱাত সাধাৰণ মানুহৰ জীৱন আৰু ধন-সম্পত্তিৰ মূল্য নাইকিয়া হৈ পৰিছে। মানুহৰ নৈতিক চৰিত্ৰৰ অধঃপতন ঘটিছে বিহাৰত। বিহাৰৰ মাজেৰে অসমলৈ যাতায়াত কৰা দ্ৰুতগামী ৰেলবোৰলৈ চাওক। পাটনা ষ্টেচনৰ পৰা বাৰাউনী হৈ কিষাণগঞ্জলৈ এই ১৪ ঘণ্টীয়া বাটছোৱা মগৰ মুলুক হৈ পৰিছে। শীত তাপ নিয়ন্ত্ৰিত দবাবোৰৰ বাহিৰে সকলো যাত্ৰীবাহী দবাতে বিহাৰী যাত্ৰীয়ে জোৰ যাৰ মুলুক তাৰ নীতি অৱলম্বন কৰি দূৰগামী যাত্ৰীসকলক জীয়াতু ভোগোৱা এটা নিত্য-নৈমিত্তিক ঘটনাত পৰিণত হৈছে। এই ১৪ ঘণ্টীয়া যাত্ৰাৰ বাবে সকলো যাত্ৰীয়ে আতঙ্কিত।

বিহাৰৰ মুখ্যমন্ত্ৰী লালু প্ৰসাদ যাদৱ ৯৫০ কোটি টকীয়া দুৰ্নীতিত পোত গৈ বিচাৰৰ কাঠগড়াত থিয় দিব লগা হৈছে। এইজন দুখীয়া আৰু জাতপাতৰ ৰাজনীতি কৰা ব্যক্তিয়ে সকলো আদৰ্শকে ভৰিৰে মোহাৰি পেলাই দ্বিতীয় জৰাসন্ধৰ ভাও দি আছে। এতিয়া মাত্ৰ কৃষ্ণৰ আৰ্বিভাৱ হ'বলৈ বাকী কেতিয়া এই ঘোৰ অমানিশা আঁতৰাই নতুন সূৰুযৰ উদয় হ'ব। কিন্তু মানুহ আশাবাদী। বুৰঞ্জীৰ পুনৰাবৃত্তি হ'বই হ'ব। ●

*(ইং ১০-৮-১৯৯৭ তাৰিখৰ 'অগ্ৰদূত' কাকতত প্ৰকাশিত)*

# মেধা সমুজ্জ্বল এগৰাকী ব্যক্তি

ৰাম গোস্বামী এজন মেধা সমুজ্জ্বল ব্যক্তি যোৱা ৩১ মাৰ্চ তাৰিখে গুৱাহাটীৰ তীৰ্থনাথ শৰ্মা ভৱনত অসমৰ এজন অগ্ৰণী সাহিত্যিক ৰাম গোস্বামীদেৱৰ ৭৫ তম জন্ম জয়ন্তী ৰাজহুৱাভাৱে নাট্য প্ৰভাকৰ সত্যৰঞ্জন বৰুৱাৰ পৌৰোহিত্যত সম্পন্ন হৈ গ'ল। এই উপলক্ষে অভিনন্দন গ্ৰন্থ উদ্‌যাপন সমিতিয়ে প্ৰস্তুত কৰি উলিওৱা 'জীৱন আৰু কৰ্মকীৰ্ত্তি বিভিন্নজনৰ চৰ্চাত 'ৰাম গোস্বামী' এখন আটক ধুনীয়া বেটুপাতৰ মূল্যবান গ্ৰন্থ উন্মোচন কৰে কবি নৱকান্ত বৰুৱাদেৱে।

মই নিজে কাহানিও ৰাম গোস্বামীদেৱৰ সান্নিধ্যলৈ আহিবলৈ সুযোগ আৰু সুবিধা পোৱা নাছিলো যদিও স্বৰূপাৰ্থত ৰাম গোস্বামীদেৱৰ নাম আৰু যশস্যা যোৱা তিনি দশক জুৰি শুনি আছিলো। লোক মুখে শুনিব পাইছিলো যে তেখেত এজন জ্ঞানপিপাসু আৰু জ্ঞানৰ সাধক আৰু এজন বিস্তৰ অধ্যয়নপুষ্ট ব্যক্তি। এজন হাড়ে-হিমজুৰে অসমক ভাল পোৱা ব্যক্তি। শুনিছিলো যে মেঘালয় সৃষ্টিৰ সময়ত যেতিয়া মুখ্যমন্ত্ৰী শৰৎচন্দ্ৰ সিংহই গুৱাহাটীলৈ ৰাজধানী স্থানান্তৰ কৰিবলৈ থৰকাচুটি হৈ লাগিছিল আৰু অসম মেঘালয়ৰ উমৈহতীয়া সম্পত্তি শ্বিলঙৰ চেণ্ট্ৰেল লাইব্ৰেৰীৰ আপুৰুগীয়া কিতাপৰ বিৰাট ভাণ্ডাৰটোৰ কথা ভাবিবলৈ অৱকাশ নাছিল। তেতিয়া শ্বিলঙৰ চেণ্ট্ৰেল লাইব্ৰেৰীৰ গ্ৰন্থাগাৰিক ৰাম গোস্বামী ডাঙৰীয়াই প্ৰতিকূল অৱস্থাৰ মাজতো অসমৰ ভাগত পৰা এটা বৃজন অংশ অতি কৌশলেৰে পৰ্যায়ক্ৰমে গুৱাহাটীলৈ স্থানান্তৰিত কৰিছিল আৰু শুনিব পাইছিলো যে তেখেতে এনেকি ৰাজ্যিক পৰিবহণ বাছতো আনৰ চকুত নপৰাকৈ চেণ্ট্ৰেল লাইব্ৰেৰীৰ আপুৰুগীয়া কিতাপৰ টোপোলা কিছুমান গুৱাহাটীত থকা জিলা পুথিভঁৰাললৈ পঠাইছিল।

১৯২৬ চনত গোলাঘাটৰ প্ৰসিদ্ধ গৌৰাং সত্ৰত জন্ম লাভ কৰা ৰাম গোস্বামীদেৱৰ পিতৃ আছিল পণ্ডিত হেম গোসাঁইৰ সহোদৰ ভাতৃ ৰায় চাহাব জগৎ চন্দ্ৰ গোস্বামী। তেখেতে নানান ঘাত-প্ৰতিঘাতৰ মাজেৰে কটন কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছত কলিকতা বিশ্ববিদ্যালয়ৰ লাইব্ৰেৰী ছাইন্সত নামভৰ্তি কৰি স্নাতকোত্তৰ ডিপ্লোমা ডিগ্ৰী লাভ কৰা প্ৰথমজন অসমীয়া ব্যক্তি। তেখেত কলিকতাত থাকি পঢ়োতে একেটা মেচত আছিল কবি নৱকান্ত বৰুৱা আৰু বৰপেটা সত্ৰৰ প্ৰসিদ্ধ সংস্কৃত ভাষাৰ পণ্ডিত, ভাগৱতৰ ওপৰত অসাধাৰণ ব্যুৎপত্তি থকা পণ্ডিত নাৰায়ণ মিশ্ৰদেৱৰ পুত্ৰ আৰু সংস্কৃত ভাষাৰ মেধাবী ছাত্ৰ ভৱ কৃষ্ণ মিশ্ৰ। ১৯৫১ চনত তেখেতে ৰাজ্যিক গ্ৰন্থাগাৰিক হিচাপে অসম চৰকাৰৰ চাকৰিত যোগদান কৰে আৰু চাকৰি সূত্ৰে শ্বিলঙত থাকিবলৈ লয়। এই চাকৰিতে তেখেতে ঢাপে ঢাপে উন্নতি কৰি কেন্দ্ৰীয় গ্ৰন্থাগাৰৰ গ্ৰন্থাগাৰিক হিচাপে ১৯৮৪ চনত গুৱাহাটীৰ পৰা অৱসৰ লয়।

এইখিনিতে মই উনুকিয়াব খুজিছো অসমৰ গ্ৰাম্য অঞ্চলত ব্যাপক পুথিভঁৰাল আন্দোলনৰ গুৰি ধৰা এজন বয়োবৃদ্ধ ব্যক্তি স্বৰ্গীয় কুমুদেশ্বৰ বৰঠাকুৰৰ কথা। মই ১৯৫৬ চনত কটন কলেজৰ পৰা বি এ পৰীক্ষা দি তেজপুৰলৈ ঘূৰিব গৈছিলো। তেতিয়া তেখেতে পলো ফিল্ডত থাকি অৱসৰ জীৱন যাপন কৰি আছিল। মই তেখেতক লগ পাবলৈ গৈছিলো। যিহেতু তেখেতে অসমীয়া ভাষাত গোলাই চিৰিজ নামৰ প্ৰথম ডিটেক্টিভ উপন্যাস লিখি বিখ্যাত হৈছিল। আমি সৰুতে এই কিতাপবোৰ পঢ়ি বিমল আনন্দ লাভ কৰিছিলো। পিছৰ পৰ্যায়ত বঙালী লিখক পাঁচ কড়ি দেৰ ডিটেক্টিভ উপন্যাস পঢ়িছিলো। বৰঠাকুৰ ছাৰ এসময়ত মঙলদৈ চৰকাৰী হাইস্কুলৰো শিক্ষক আছিল। মোৰ দাদা মঙ্গলদৈৰ সু-সাহিত্যিক গোবিন্দৰাম ডেকাৰ মুখে তেখেতৰ কথা শুনিছিলো। পোলো ফিল্ডৰ ঘৰত তেখেতে মোক কৈছিল যে তেখেত কটন কলেজত পঢ়োতে ডঃ বাণীকান্ত কাকতীৰ সহপাঠী আছিল। ১৯১৩ চনত বাণীকান্ত কাকতীয়ে আই এ পৰীক্ষাত কলিকতা বিশ্ববিদ্যালয়ত শীৰ্ষস্থান অধিকাৰ কৰি খ্যাতিমন্ত হৈছিল আৰু বৰঠাকুৰে দশম স্থান অধিকাৰ কৰিবলৈ সমৰ্থ হৈছিল। বৰঠাকুৰে হেনো কাকতীদেৱক ৰগৰ কৰি কৈছিল Ycu are one and I am Zero মোক বৰঠাকুৰ ছাৰে আন এটা আমোদজনক কথা কৈছিল। সেয়া বোধকৰো ১৯৫০ চন মানৰ কথা। পুথিভঁৰাল আন্দোলন সংক্ৰান্তত তেখেতে এবাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য পণ্ডিত কৃষ্ণকান্ত সন্দিকৈক তেখেতৰ গুৱাহাটীত থকা চৰকাৰী বাসভৱনত (বৰ্তমান কটন কলেজৰ অধ্যক্ষৰ বাসভৱন) সন্দিকৈয়ে নিৰ্ধাৰিত কৰি দিয়া সময়মতে সাক্ষাৎ কৰিবলৈ গ'ল। কিন্তু সন্দিকৈয়ে ভিতৰৰ পৰা খবৰ পঠালে যে বিশেষ ব্যস্ততাৰ বাবে সেইদিনা তেখেতক দেখা কৰিব নোৱাৰিব গতিকে পিছদিনাহে কথা পাতিব পাৰিব। পিছদিনাখন সন্দিকৈয়ে দিয়া সময়সূচীমতে লগ ধৰিবলৈ গ'ল। কিন্তু সময় নিষ্ঠা নিখুঁতভাৱে পালন কৰা সন্দিকৈয়ে দুঘণ্টাৰো ওপৰকাল ভিতৰৰ পৰা ওলাই নাহিল। বৰঠাকুৰে পেটে পেটে মনত বৰ বেজাৰ পালে। কিয়নো সন্দিকৈ পঢ়াকালত তেখেততকৈ দুই বছৰে জুনিয়ৰ আছিল। তেতিয়াৰ দিনত জুনিয়ৰ ছাত্ৰই ছিনিয়ৰ ছাত্ৰক ঐকান্তিকভাৱে সন্মান কৰিছিল। বৰঠাকুৰে এইদৰে ভাবি থাকোতে সন্দিকৈয়ে ভিতৰৰ পৰা ওলাই আহি পোনছাটে বৰঠাকুৰক সাবটি ধৰি পলম হোৱা বাবে ক্ষমা প্ৰাৰ্থনা খুজিলে। পলম হোৱাৰ কাৰণ ক'লে যে মহাকবি ভৱভূতিৰ এটা শ্লোকৰ এটা কঠিন শব্দৰ গূঢ়াৰ্থ উলিয়াবলৈ যোৱা দুনিশা তেখেতে কিতাপৰ মাজত ডুব গৈ থাকিব লগা হৈছিল। সন্দিকৈৰ মুখে এই কথা শুনি বৰঠাকুৰ চাৰে বিস্ময় মানিলে আৰু নিজৰ মনত সন্দিকৈৰ বিষয়ে বিৰূপ ভাব উদয় হোৱা বাবে ভিতৰে ভিতৰে অনুতপ্ত হ'ল। তেখেতে ভাবিলে কত সন্দিকৈৰ দৰে সংস্কৃত ভাষাৰ এজন মহাপণ্ডিত যিয়ে ভাষাৰ অমৃত সাগৰ মন্থনত ব্যস্ত আৰু কত গোস্পদত ভূমণ্ডল দেখা ক্ষুদ্ৰ লাইব্ৰেৰী মুভমেন্টত ব্যস্ত বৰঠাকুৰ। এইখিনি মই বৰঠাকুৰ ছাৰৰ পৰা নিজ মুখে শুনা কথা। গোলাই চিৰিজৰ লিখক, শিক্ষাবিদ কুমুদেশ্বৰ বৰঠাকুৰৰ এখন পূৰ্ণাংগ জীৱনী অতি প্ৰয়োজন। আমি আশা ৰাখিছো এই বিষয়ে তেখেতৰ পুত্ৰসকলে এবাৰ বিবেচনা কৰি চাব।

গোস্বামীদেৱৰ গভীৰ ভাবৰ প্ৰবন্ধসমূহ মাজে-সময়ে অসমৰ বিভিন্ন আলোচনী আৰু সংবাদ মাধ্যমত প্ৰকাশ পাই আছে। মাজতে ডিম্বেশ্বৰ নেওগ ডাঙৰীয়াৰ শতবৰ্ষ উপলক্ষে তেখেতৰ কৰ্মৰাজিৰ ওপৰত ৰেখাপাত কৰি লিখা এটা ভাবগধুৰ সুন্দৰ প্ৰবন্ধ এখন দৈনিক পত্ৰিকাত প্ৰকাশ পাইছে। গোস্বামীদেৱৰ লিখনিবোৰত পোৱা যায় শাৰীয়ে প্ৰতি ভাবৰ মেলা আৰু বৰদেউতাক হেম গোসাঁইৰ ভাষাত ক'বলৈ গ'লে, গহীন হাবিত ঝিলিৰ ঝি ঝি মাত।

গোস্বামী ডাঙৰীয়াৰ ধাৰ নিছিগা লিখনিয়ে অসমীয়া ভাষা সমৃদ্ধ কৰিব যে পাৰিছে ই খাটাং কথা। এতিয়ালৈকে তেখেতে পঁচিশখনতকৈয়ো অধিক গ্ৰন্থ ৰচনা কৰিছে। ইয়াৰ ভিতৰত আছে বিভিন্ন নাটক, চিন্তাশীল প্ৰবন্ধৰাজি আৰু লোকসাহিত্যৰ কিতাপ। কিছুমানে তেখেতৰ অংগৰাগ গ্ৰন্থখন শ্ৰেষ্ঠ বুলি ক'ব খোজে আৰু আন কিছুমানে অসমৰ লোকনৃত্য গ্ৰন্থখনক শ্ৰেষ্ঠ বুলি অভিহিত কৰে। অসম চৰকাৰে তেখেতক সাহিত্যিক পেঞ্চন দি সন্মানিত কৰিছে। কিন্তু এয়ে যথেষ্ট নহয় বুলি ভাবো। অৱশ্যে লো প্ৰফাইলত থাকি ভাল পোৱা গোস্বামীদেৱ আকলুৱা নহয়, তেখেত মৰম আকলুৱাহে।

গোস্বামীদেৱৰ ৭৫বছৰীয়া জন্ম দিবসত মোৰ মনলৈ আহিছে আন এটি কথা। এসময়ত ষাঠিৰ দশকৰ আদি ভাগত যোৰহাটবাসীয়ে অসমৰ সাহিত্য জগতৰ কাণ্ডাৰী কেইজনমানক লৈ গৌৰৱ কৰিছিল। যি সকলে আশী বছৰৰ ডেওনা পাৰ হৈ ৯০ বছৰীয়া হ'বলৈ ওলাইছিল। তেওঁলোক আছিল সাহিত্য-ৰত্ন চন্দ্ৰধৰ বৰুৱা, ৰাধানাথ ফুকন আৰু মিত্ৰদেৱ মহন্ত। আমিও গুৱাহাটী বাসীয়ে একৈশ শতিকাৰ আদি ভাগত গুৱাহাটীত নিগাজিকৈ থকা বহুকেইজন বৰেণ্য ব্যক্তিক লৈ গৌৰৱ কৰিব পাৰো। বহুকেইজনে আশী বছৰৰ ডেওনা পাৰ হৈ নবৈ বছৰত ভৰি দিছে। তেওঁলোক হ'ল সুৰবালা বৰদলৈ, ইন্দিৰা মিৰি, শ্ৰীমান প্ৰফুল্ল গোস্বামী (১৯২৯ চনৰ মেট্ৰিক), হেৰম্ব বৰপূজাৰী ছাৰ (১৯৩১ চনৰ মেট্ৰিক), সুৰেশ চন্দ্ৰ ৰাজখোৱা ছাৰ (১৯৩১ চনৰ মেট্ৰিক)। এখেতসকলে এতিয়াও সুস্থ শৰীৰে চলা ফিৰা কৰি আছে। সাংবাদিক সতীশ চন্দ্ৰ কাকতী (১৯৩২ চনৰ মেট্ৰিক) কটন কলেজৰ ভূতপূৰ্ব প্ৰবক্তা কৰুণা দত্ত ছাৰ (১৯৩২ চনৰ মেট্ৰিক) সমাজকৰ্মী পুষ্পলতা দাসে ৯০ বছৰৰ ডেওনা চুবৰ উপক্ৰম হৈ আছে। নাট্যপ্ৰভাকৰ সত্য প্ৰসাদ বৰুৱা ৮০ বছৰ বয়সতো তজবজীয়া আৰু তেখেতৰ লিখনি স্তব্ধ হোৱা নাই। ১৯৩৯ চনতে মেট্ৰিক পাছ কৰা পঞ্চানন চহৰীয়াই ৮০ বছৰৰ ডেওনা পাৰ হৈ ৰোগাক্ৰান্ত শৰীৰৰে শয্যাশায়ী হৈ অনৰ্গল কলম চলাই আছে। আৰু তেখেতৰ ৰসাল লিখনিবোৰে অগণন পাঠকক মুগ্ধ কৰি ৰাখিছে। গতিকে বয়সৰ জোখত ওপৰত উল্লেখ কৰা তাৰকামণ্ডলীৰ মাজত ৰাম গোস্বামী ডাঙৰীয়াক যুৱা আখ্যা দিব পাৰি।

এনে এজন গুণী-জ্ঞানী প্ৰচাৰবিমুখ আৰু ভাষা জননীৰ নীৰৱ সাধক গোস্বামীদেৱৰ দীৰ্ঘ আৰু নিৰোগী জীৱন কামনা কৰিলো। ●

*(ইং ০২-০৯-২০০০ তাৰিখৰ 'আজিৰ অসম' কাকতত প্ৰকাশিত)*

# এখন অসামান্য আত্মকথাৰ সন্দৰ্ভত

শ্ৰদ্ধেয়া ইন্দিৰা মিৰি 'অতীতৰ অস্ফুট প্ৰতিধ্বনি', 'মই আৰু নেফা নামৰ' ধাৰাবাহিক আত্মকাহিনী 'আজিৰ অসম'ৰ দেওবাৰৰ বিশেষ সংখ্যাবোৰত ক্ৰমাগতভাৱে প্ৰকাশ হৈ আছে। ৯০বছৰৰ ডেওনা গৰকা এই মহীয়সী আইতাৰ কলমৰ পৰা নিগৰি ওলোৱা ৰোমাঞ্চকৰ কাহিনীবোৰ পঢ়ি আমি পুলকিত হোৱাই নহয়, বহুতো নজনা কথা জানিব পাৰি নিজকে ধন্য মানিছোঁ। অতীতৰ অস্ফুট প্ৰতিধ্বনিয়ে আজিৰ চাম অসমীয়া সমাজক অসমৰ প্ৰান্তদেশ অতীতৰ বুকুৰ কলিজা আৰু এতিয়াৰ অৰুণাচল প্ৰদেশৰ স্বৰাজোত্তৰ কালৰ চালুকীয়া কালডাখৰৰ বহুতো ধ্বনি-প্ৰতিধ্বনিয়ে আমাৰ মনতো থৌকি বাথৌ টৌৰ সৃষ্টি নকৰাকৈ নেথাকে। শ্ৰদ্ধেয়া ইন্দিৰা মিৰিৰ শিক্ষা লাভৰ কালডোখৰত অসমীয়া ভাষা-সাহিত্যৰ লগত পৰিচয় নোহোৱাকৈয়ে অতিবাহিত হ'ল যদিও বৰ্তমান তেখেতৰ বৃদ্ধ বয়সৰ চমৎকাৰ অসমীয়া লিখনিয়ে পঢ়ুৱৈ সমাজৰ অন্তৰ স্পৰ্শ নকৰাকৈ থকা নাই। তেখেতৰ লিখনিত আছে শাৰীয়ে প্ৰতি ভাবৰ মেলা, শাৰীয়ে প্ৰতি সৌন্দৰ্যৰ বিকাশ। এইখিনিতে মোৰ এটা কথা মনলৈ আহিছে। অসম গৌৰৱ আনন্দৰাম বৰুৱাৰ পূৰ্ববৰ্তী চিভিলিয়ান আৰু প্ৰবল প্ৰতিভাৰ অধিকাৰী ৰমেশ চন্দ্ৰ দত্তই তেখেতৰ চাকৰি জীৱনৰ অৱসৰৰ পিছতে বংগৰ প্ৰসিদ্ধ বাংলা ঔপন্যাসিক বংকিমচন্দ্ৰ চেটাৰ্জীক দেখা কৰিবলৈ যাওঁতে ৰমেশচন্দ্ৰ দত্তক বাংলা ভাষাত লিখনি আৰম্ভ কৰিবলৈ উপদেশ দিয়াত তেখেতে ওৰে জীৱনটো ইংৰাজী ভাষাতে লিখা-মেলা কৰি জীৱনৰ বিয়লি বেলা বাংলা ভাষাত লিখা-মেলা কৰাটো জানো সম্ভৱ? তেতিয়া বংকিম চেটাৰ্জীয়ে প্ৰসিদ্ধ দাৰ্শনিক এমাৰছনৰ বচন এফাকি মাতি ক'লে যে প্ৰতিভা এনে এটা বস্তু ই যিহকে স্পৰ্শ কৰে তাকেই সজীৱ কৰি তোলে। গতিকে প্ৰতিভাৱান ৰমেশচন্দ্ৰই যি লিখে সেয়ে সাহিত্যৰ মৰ্যাদা লাভ কৰিব। তেখেতৰ উপদেশ সাৰোগত কৰি ৰমেশ চন্দ্ৰ দত্তই বাংলা ভাষাত লিখা আৰম্ভ

কৰি কেবাখনো কালজয়ী নাটক আৰু উপন্যাস ৰচনা কৰি গ'ল। আমাৰ আইতা ইন্দিৰা মিৰিৰ ক্ষেত্ৰতো উপৰি উক্ত উপমা ৰজিতা খোৱা দেখা যায় তেখেতৰ মনোমোহা আৰু সাৱলীল অসমীয়া লিখনি পঢ়ি।

ইন্দিৰা মিৰিয়ে ১৯৫০ চনৰ প্ৰলয়ংকৰী ভুঁইকঁপৰ বৰ্ণনা দিছে। শদিয়া ভূখণ্ডৰ মনোমুগ্ধকৰ বিৱৰণ লগতে ভুঁইকঁপৰ কালান্তক জোকাৰণিৰ চাক্ষুষ বৰ্ণনাবোৰ পঢ়ি অতীতৰ নজনা বহু কথা জানিব পাৰি। ভুঁইকঁপৰ ভয়াবহ বৰ্ণনা আৰু ব্ৰহ্মপুত্ৰৰ সেই অঞ্চলত হোৱা কৰাল ৰূপ আন কোনো লিখকৰ বৰ্ণনাত পোৱা নাযায়। প্ৰকৃতিৰ বিনন্দীয়া সৃষ্টি অপৰূপ প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ শদিয়াৰ দৰে এখন আটকধুনীয়া ভূখণ্ড মহাবাহু ব্ৰহ্মপুত্ৰই সমূলঞ্চে গ্ৰাস কৰিলে ই যেন বিশ্বম্ভৰ বিভুৰ এক কুটিল ভ্ৰূকুটি। মনলৈ আহে অম্বিকাগিৰী ৰায়চৌধুৰীৰ তুমি কাব্যৰ গুটিদিয়েক পংক্তি।

"তোমাৰ অনন্ত এই ক্ষেত্ৰ অভিনয়
খেলিছা কিমান খেলা প্ৰেম পুণ্যময়।"

এতিয়ালৈকে ভাৰতবৰ্ষত ৮টা বিয়াগোম ভুঁইকঁপৰ ৰেকৰ্ড হৈছে, যিবোৰৰ প্ৰাবল্য ৰিখটাৰ স্কেলত ৮ বা তাতোকৈ বেছি। অসমত হোৱা ১৮৯৭ চনৰ বৰভুঁইকঁপৰ প্ৰাবল্য আছিল ৮.৭ আৰু ১৯৫০ চনৰ ভুঁইকঁপৰ প্ৰাবল্য হ'ল ৮.৫। এজনী অবলা নাৰী হৈয়ো তেখেতে যিদৰে পাইলটৰ লগত ভয়াবহ দুৰ্গম যাত্ৰা কৰি আৰ্ত মানৱৰ সেৱা আগবঢ়ালে ভাবিলে শৰীৰ ৰোমাঞ্চিত নোহোৱাকৈ নাথাকে। ডিব্ৰুগড়ৰ উপাযুক্ত জাৰ্মান চাহাবে কৰা উদ্ধাৰ কাৰ্য ইতিহাসৰ পাতত জিলিকি থাকিব। আইতাই এইবোৰ কথা নিলিখাহেঁতেন জাৰ্মান চাহাবে আগবঢ়োৱা নিজামঘাটৰ সেৱা কাৰ্য পাহৰণিৰ গভীৰ পাটনাদত পোত খাই থাকিলেহেঁতেন। অৱশ্যে মই তাহানি মঙ্গলদৈ হাইস্কুলত পঢ়ি থাকোতে মোৰ শিক্ষক স্বৰ্গীয় বকদুল আলি চাহাবৰ মুখে সংগীত সাধক ভূপেন হাজৰিকাৰ দেউতাক মাটিৰ হাকিম নীল হাজৰিকাৰ লগত জাৰ্মান চাহাবৰ দৰৰাদৰৰি লগাৰ কথা শুনিছিলোঁ। উদাৰ হৃদয়ৰ জাৰ্মান চাহাবে এই ঘটনাৰ পিছতো হাজৰিকাৰ বিৰুদ্ধে কলম ধৰা নাছিল। আইতাই অসমীয়া বিষয়া স্বৰ্গীয় বিমান বৰাৰ কৰ্মশক্তি আৰু অতুলনীয় সাহসৰ কথাও উনুকিয়াইছে। তেখেত এজন স্বাধীনতা সংগ্ৰামীও আছিল আৰু বিয়াল্লিছৰ গণ বিপ্লৱত জেল খাটিছিল। তেজপুৰ জেলত কাৰাবাস খটাৰ কালত এইজন উগ্ৰ সাহসী বিমান বৰাই চিলেটি জেইলাৰৰ ব্যৱহাৰত অসন্তুষ্ট হৈ মৰিবলৈ কেইবাবাৰো চোঁচা লোৱাৰ কথা তেতিয়াৰ অন্যতম স্বাধীনতা সংগ্ৰামী একে জেলতে কাৰাবাস খটা মঙ্গলদৈৰ পানীৰাম দাসৰ মুখে পিছত শুনিবলৈ পাইছিলোঁ। পৰৱৰ্তী জীৱনত বিমান বৰাই আই এ এছ বিষয়া হিচাপে পদোন্নতি লাভ কৰি গুৱাহাটীবাসী হৈ স্বৰ্গগামী হয়। স্বৰ্গীয় বৰাৰ গুণাৱলীৰ কথা আমি এতিয়াহে আইতাৰ লিখনিৰ পৰা জানিব পাৰিলো। তেখেতৰ দুঃসাহসিক কাৰ্যৰ কোনো স্বীকৃতি নোপোৱাকৈয়ে তেখেত অনন্তধামলৈ গতি কৰিলে। ইন্দিৰা মিৰিয়ে গান্ধীজীৰ অস্থি বিসৰ্জন দিবলৈ দুৰ্গম পৰশুৰাম কুণ্ডলৈ যাওঁতে তেখেতসকলৰ

লগত সংগী হোৱা ডিব্ৰুগড়ৰ উপাযুক্ত ৰুস্তমজীৰ কথাও লিখিছে। ৰুস্তমজীয়ে (Enchanting NEFA) নামৰ এখন মূল্যবান কিতাপ লিখি থৈ গৈছে। এই কিতাপখন পঢ়াৰ মোৰ সৌভাগ্য হৈছিল। তেখেত বিত্তশালী পৰিয়ালৰ সন্তান আছিল। দেউতাকে তেখেতক আৰু লগতে ভায়েক আৰু ভনীয়েকৰ বাল্যকালতে পঢ়াৰ বাবে লণ্ডন চহৰত ঘৰ এটা ভাৰা কৰি মাকৰ তত্ত্বাৱধানত থৈ দিছিল। ৰুস্তমজীয়ে আই.চি.এছ.পৰীক্ষাৰ প্ৰতিযোগিতাত উত্তীৰ্ণ হৈ চাকৰিৰ বাবে অসমত নিযুক্তি পোৱাত ভাৰতত কোন ঠাইত অৱস্থিত তাকে জানিবলৈ এটলাছ্ এখন কিনি চাইছিল।

প্ৰাথমিক পৰ্যায়ত নেফাত শিক্ষা আগবঢ়োৱা দুজন 'পুণ্যাত্মা' শিক্ষক বিপিন ভাগৱতী আৰু কুমুদ শৰ্মাৰ নাম বিশেষকৈ উল্লেখ কৰাত তেখেত সকলৰ পিছৰ কালছোৱাৰ বিষয়ে জানিবলৈ আমাৰ মন তেখেতসকলৰ দৰে শিক্ষক আজিৰ দিনত সঁচাকৈয়ে বিৰল। পৰম শ্ৰদ্ধেয়া ইন্দিৰা মিৰিৰ ৯০ বছৰীয়া বিচিত্ৰ জীৱন কালৰ বৰ্ণনা, অতীতৰ অস্ফুট প্ৰতিধ্বনি তেনেই সংক্ষিপ্ত আকাৰত প্ৰকাশ পাবলৈ ধৰিছে বুলি ভাবিবৰ থল আছে। ই যেন হাতী মাৰি ভুৰুকাত ভৰোৱা কাৰ্য। আমি আশা কৰিছো তেখেতৰ জীৱন কালৰ এখন বিস্তৃত আত্মজীৱনী।

সুখৰ বিষয় যে বৰ্তমান গুৱাহাটী মহানগৰীত তিনি গৰাকী ৯০ বছৰৰ ডেওনা গৰকা আৰু বিভিন্ন সভা-সমিতিত এতিয়াও অংশ গ্ৰহণ কৰি থকা স্বনামধন্য আইতা বিৰাজমান। তেওঁলোক হ'ল, সুবালা দেৱী, পুষ্পলতা দাস আৰু ইন্দিৰা মিৰি।

সদৌ শেষত জনপ্ৰিয় ' আজিৰ অসম'এ ইন্দিৰা মিৰিৰ আত্মজীৱনী ছোৱাকৈ প্ৰকাশ কৰাত আমাৰ হিয়াভৰা কৃতজ্ঞতা জনালোঁ। ●

*(ইং ০২-০৯-২০০০ তাৰিখৰ 'আজিৰ অসম' কাকতত প্ৰকাশিত)*

## কলাইগাঁও চহৰৰ

# অতীত আৰু বৰ্তমান

কলাইগাঁও ৰাজহ চহৰখন দৰং জিলাৰ সদৰ ঠাই মঙ্গলদৈ চহৰৰ পৰা ১১ মাইল উত্তৰত অৱস্থিত। ৪০ৰ দশকত আমি প্ৰাইমাৰী স্কুলত পঢ়োতে ভূগোলত অন্যান্য ঠাইবোৰৰ লগতে কলাইগাঁৱৰ বিৱৰণ এইদৰে পাইছিলো- ইয়াৰ চাৰিওফালে ধানখেতি প্ৰচুৰ পৰিমাণে হয়। এই কলাইগাঁও হ'ল এই লেখকৰ জন্মস্থান ।

সমগ্ৰ দৰং জিলাখনেই অতীত সভ্যতা আৰু কলাকৃষ্টিৰ বিৰাট বুৰঞ্জী বুলি কবি নলিনীবালা দেৱীয়ে কৈ গৈছে। মঙলদৈ অঞ্চলত নানা আকৃতিৰ সৰু-বৰ পুখুৰী আৰু বিশালাকৃতিৰ গড়বোৰৰ অৱশিষ্ট অংশবোৰেই সুদূৰ অতীতৰ অলেখ ৰাজবংশৰ অলেখ কীৰ্ত্তি কাহিনী সোঁৱৰাই আছে। মোৰ এই প্ৰবন্ধত কলাইগাঁৱৰ অতীত আৰু বৰ্তমানৰ এটি থূলমূল বিৱৰণ দিব ওলাইছো। কলাইগাঁৱত হেনো কামাখ্যাধামৰ বিখ্যাত পূজাৰী ব্ৰাহ্মণ কেন্দুকলাইৰ জন্মস্থান আছিল বাবেই কলাইগাঁও নাম হৈছিল। কেন্দুকলায়ে দেৱী পূজাত সিদ্ধি লাভ কৰিছিল আৰু সংগীত আৰু নৃত্যত অতি দক্ষ আছিল। কিম্বদন্তী মতে কেন্দুলকলাই যেতিয়া পূজাত বহে, তেতিয়া কামাখ্যা দেৱীয়ে তুষ্ট হৈ নিজ ৰূপ ধাৰণ কৰি আনন্দত নৃত্য কৰিছিল। এই কথা কিন্তু আনক জনাবলৈ দেৱীৰ পৰা বাধা আছিল। দুৰ্ভাগ্যবশতঃ দেৱীৰ পৰম ভক্ত মহাৰাজ নৰনাৰায়ণে এই কথা গম পাই কেন্দুকলাইক এই নৃত্য দেখুৱাবলৈ বৰকৈ খাটনি ধৰাত উপায়ান্তৰ হৈ কেন্দুকলায়ে ৰজাক মন্দিৰৰ এঠাইত লুকুৱাই থৈ বেৰৰ জলঙাইদি চাবলৈ ক'লে। যথাসময়ত পূজা চলি থাকোতে দেৱীয়ে দৰ্শন দি নৃত্য কৰিবলৈ ধৰিলে। অন্তৰ্যামী দেৱীয়ে কথাটো গম পালে যে ৰজাই দেৱীৰ নৃত্য উপভোগ কৰি আছে ,দেৱীৰ আজ্ঞা নামানিলত দেৱীৰ খং উঠিল আৰু কলাইক চৰ শোধালে। কেন্দুকলাইৰ মূৰটো ছিগি গৈ তেওঁৰ জন্মস্থানৰ ওচৰত এতিয়া য'ত মূৰা দেওৰ দেৱালয় আছে তাত পৰিল। মহাৰাজ নৰনাৰায়ণে ৰাজপুৰোহিত কেন্দুকলাইৰ নাম চিৰস্মৰণীয় কৰিবৰ বাবে মূৰটো পৰা ঠাইডোখৰত এটা মন্দিৰ সাজি বহুতো দেৱোত্তৰ মাটি দান কৰিলে। কেন্দুকলাইৰ মূৰ পৰা বাবে সেই দেৱালয়খনৰ নাম 'মূৰাদেও'ৰ হ'ল। এই দেৱালয়খন কলাইগাঁৱৰ পৰা মাত্ৰ ৪ মাইল দূৰৈত উত্তৰ পিনে অৱস্থিত। দেৱালয়খনত শাক্ত ধৰ্মৰ পৰম্পৰা মতে এতিয়াও দেৱীপূজা হয় আৰু বলি প্ৰথা চলি আছে। প্ৰাচীন মন্দিৰটো ভগাত নতুন মন্দিৰ নিৰ্মাণ হ'ল আৰু বলি কটা প্ৰকাণ্ড দা-খন এতিয়াও অক্ষত অৱস্থাতে আছে। মন্দিৰৰ সন্মুখভাগত এটা বিশুদ্ধ পানীৰ মজলীয়া

আকৃতিৰ প্ৰাচীন পুখুৰী আছে। ওচৰৰ ৰাভা কছাৰী আৰু কোঁচ সম্প্ৰদায়ৰ লোকসকলে ভক্তিভাৱে দেৱালয়খনৰ ৰক্ষণাবেক্ষণ কৰি আছে। মন্দিৰৰ পূজাৰীসকলো ৰাভা সম্প্ৰদায়ৰ মানুহ।

কলাইগাঁৱৰ উত্তৰদিশে ২-৩ মাইলমান আঁতৰত দলা গাঁও। এই ঠাইখন হ'ল অগাধ পণ্ডিত পৰম বৈষ্ণৱ গোবিন্দ মিশ্ৰৰ জন্মস্থান। তেওঁ শ্ৰীমদ্ভাগৱত গীতাৰ ভাঙনি কৰি প্ৰাঞ্জল অসমীয়া ভাষাত পদ্যত ৰচনা কৰি অশেষ খ্যাতি লভিছিল। গোবিন্দ মিশ্ৰৰ আৱিৰ্ভাৱ যোল্প শতিকাৰ শেষ ভাগত বুলি ঠাৱৰ কৰা হৈছে। কলাইগাঁৱৰ পৰা ডেৰ মাইলমান আঁতৰত ৰণথলী নামৰ এখন চাহ বাগিচা আছিল। সেই চাহ বাগিচাখন উনবিংশ শতিকাৰ ষাঠিৰ দশকত ইংৰাজ কোম্পানীয়ে খুলিছিল। কিয়নো ১৯৬০ চনত সেই বাগিচাৰ মাটিবোৰ ভাগ ভাগ কৰি মানুহক বিক্ৰী কৰোঁতে পুৰণি চাহগছবোৰ উঠাই পেলাইছিল আৰু প্ৰকাণ্ড প্ৰকাণ্ড চাহগছবোৰ শিপাৰ সৈতে একোখন গৰুৰ গাড়ীত মাত্ৰ দুজোপাহে অনা দেখিছিলো। এই অতি বুঢ়া চাহগছবোৰৰ বয়স তেতিয়া এশ বছৰমান হোৱা বুলি অনুমান কৰিব পাৰি। ৰণথলী নামৰ পৰা বুজা যায় যে এই ঠাই যুদ্ধক্ষেত্ৰ আছিল। বাগিচাখনৰ মাজত দুবিঘামান মাটি শিলেৰে বন্ধোৱা পুখুৰীৰ নিচিনা এডোখৰ দ ঠাই আছিল। এই শিল থকা ঠাইডোখৰ একালত দুৰ্গ আছিল বুলি পুৰণিচাম মানুহে অনুমান কৰিছিল। পঞ্চাশৰ দশকত মই কটন কলেজৰ ছাত্ৰ থাকোতে এবাৰ ৰণথলী চাহ বাগিচাৰ বঙালী মেনেজাৰ এজনৰ তালৈ যাওঁতে তেওঁৰ চাং বঙলাটোৰ তলডোখৰত শিলৰ কটা কিছুমান প্ৰাচীন দেৱ-দেৱীৰ মূৰ্তি অনাদৃতভাৱে মাটিত পৰি থকা দেখিছিলো। ৰণথলী বাগানৰ শেষ ইংৰাজ মেনেজাৰ চাহাবজন আছিল উলকক চাহাব। সহকাৰী পৰিচালক আছিল ছিপাঝাৰৰ স্বৰ্গীয় অৰবিন্দ চহৰীয়া। চহৰীয়া আছিল ১৯০৫ চনৰ এণ্ট্ৰেঞ্চ। উলকক চাহাব ১৯২৪ চনলৈ জীৱিত আছিল বুলি মোৰ স্বৰ্গীয় পিতা অন্নদাৰাম ডেকাৰ মুখে শুনিছিলো। ১৯২০ চনত তেওঁ আগতীয়া অৱসৰ লৈ দেশলৈ ঘূৰি নগ'ল আৰু কলাইগাঁৱৰ সমীপত বহুতো মাটি লৈ খেতি-বাতি কৰিছিল। তেওঁ এগৰাকী কুলীয়নী মেম ৰাখিছিল। ৰণথলী বাগানৰ অৱস্থা বেয়া হোৱাত মৈমনসিংহ জিলাৰ বিত্তশালী আৰু প্ৰতাপী জমিদাৰ সূৰ্যকান্ত মহাৰাজক বিক্ৰী কৰিছিল। তেতিয়া বাগানখনৰ সৰহভাগ মাটি গভীৰ অৰণ্যৰে ভৰা আছিল আৰু বাঘ, ভালুক, হাতী, হৰিণা, পহু, আৰু বনগাহৰিৰ অবাধ বিচৰণভূমিলৈ ৰূপান্তৰিত হৈছিল। চিকাৰপ্ৰিয় জমিদাৰে বাগানখন চিকাৰৰ বাবেহে কিনিছিল বুলি অনুমান হয়। জমিদাৰৰ ল'ৰাহঁতে প্ৰতি বছৰে শীতকালত এমাহমান থকাকৈ সবান্ধৱে চিকাৰ কৰিবলৈ আহিছিল। টংলা ৰেল ষ্টেচন পৰ্যন্ত ৰেলেৰে ১৫-১৬ টা চিকাৰী হাতী আনিছিল। মাউতসকলে হাতীবোৰ টংলাৰ পৰা ৰণথলী বাগানলৈ ১০-১১মাইল খোজ কঢ়াই আমাৰ ঘৰৰ আগেৰে কলাইগাঁৱৰ পৰা দুমাইল আঁতৰত থকা উদমাৰী গাঁৱলৈ আনিছিল। আলিবাটৰ কাষতে হাবিৰ মাজত চিকাৰলৈ অহা জমিদাৰসকল থকাকৈ লোহাৰ খুঁটাৰ এটি ওলোমা প্ৰকাণ্ড দুমহলীয়া অস্থায়ী ঘৰ নিৰ্মাণ কৰিছিল। ১৯৫০ চনমানলৈ এই ঘৰটো অক্ষত অৱস্থাত থকা মই দেখিছিলো।

জমিদাৰসকলে ওখ ওখ কৰৈগছৰ ফেৰেঙণিত অৰণ্যৰ মাজত লোহাৰ পিঞ্জৰাবোৰ স্থাপন কৰি গছৰ গুৰিত জীয়া ছাগলী বান্ধি থৈছিল। নিশা বাঘ আহিলে ওপৰৰ পৰা গুলী কৰি বধ কৰিছিল। মই সৰু কালত কলাইগাঁও আৰু উদমাৰী গাঁৱৰ আলিবাটৰ কাষত গছৰ ওপৰত কেবাটাও লোৰ পিঞ্জৰা দেখা মোৰ মনত পৰে। জমিদাৰসকল ১৯৩৮ চনমানলৈ চিকাৰ কৰিবলৈ অহা বুলি মোৰ পিতাৰ মুখে শুনিছিলো। এবাৰ হেনো জমিদাৰৰ ডাঙৰ ল'ৰাজন প্ৰকাণ্ড কাঠ ভালুকৰ আক্ৰমণত আহত হোৱাত বাপেকে হেনো চিকাৰলৈ অহাটো বন্ধ কৰি দিছিল।

কলাইগাঁও চহৰৰ উত্তৰফালে এমাইল দূৰৈত তিনি বিঘামান মাটিৰ এটা প্ৰাচীন পুখুৰী দলনিৰে ভৰপূৰ হৈ থকা মই সৰু কালৰ পৰা দেখি অহা মনত পৰে। পুখুৰীটোক কেন্দ্ৰ কৰি বহুতো জনশ্ৰুতি চলি আছিল। এতিয়া এজন ধনী পমুৱা মুছলমান সম্প্ৰদায়ৰ খেতিয়কে পট্টন লৈ সংস্কাৰ সাধন কৰি তাত ব্যৱসায়িক ভিত্তিত মাছ পোহা কৰিছে।

কলাইগাঁৱৰ পৰা পূব দিশে পাঁচ মাইলমান আঁতৰত ৰজাপুখুৰী আৰু ৰাণীপুখুৰী নামৰ দুটা বিয়াগোম পুখুৰী আছে। ৰজাপুখুৰীটো ১৬০ বিঘামান মাটি আগুৰি আছে। কোন ৰজাৰ দিনত এই দুটা পুখুৰী খন্দোৱা হৈছিল জনা নাযায়। ইতিহাস নীৰৱ। দৰঙী ৰজাসকলৰ পূৰ্ব্ববৰ্তী প্ৰতাপী ভূএগ্ৰ ৰজাসকলৰ দিনত এইবোৰ পুখুৰী খন্দোৱা হৈছিল বুলি বুৰঞ্জীবিদসকলে অনুমান কৰিছে। পুখুৰী দুটাৰ ওচৰে-পাঁজৰে কোনো অসমীয়া জনবসতি নাই। কেৱল ন অসমীয়াসকলৰ জনবসতি যদিও একালত যে এইবোৰ ঠাইত মানুহৰ ঘন বসতি আছিল, তাক থিৰাং কৰিব পাৰি। নহ'লে এনেকুৱা বৃহৎ পুখুৰী খন্দোৱা সম্ভৱ নহ'লহেঁতেন। কলাইগাঁৱৰ দক্ষিণ প্ৰান্তত ৪ মাইল দূৰৈত প্ৰাচীন পুখুৰীটোৰো ইতিহাস জনা নাযায়। কলাইগাঁও মৌজাৰ ভিতৰত প্ৰাচীন বুঢ়ীনগৰ পুখুৰী অৱস্থিত। কিম্বদন্তী মতে, ৰজা আৰিমত্তই এই পুখুৰী খন্দাইছিল। কলাইগাওঁ মৌজাৰ বাঘৰবৰী নামৰ ঠাই এটুকুৰাত সমলেশ্বৰ নামৰ অতীজৰ এটা বিয়াগোম পুখুৰী আছে। কিন্তু কোন ৰজাৰ দিনত সেই পুখুৰীটো খন্দোৱা হৈছিল তাৰ কোনো ইতিহাস নাই। বাঘৰবৰী প্ৰাক-শঙ্কৰী যুগৰ কবি হৰিহৰ আৰু হৰিবৰ বিপ্ৰৰ জন্মস্থান আছিল বুলি জনশ্ৰুতিয়ে কয়। কলাইগাঁও মৌজাৰ কলাইগাঁৱৰ উত্তৰে চৰণধৰা নামৰ গাঁৱত প্ৰায় ৪০ বিঘা মাটি জুৰি ২০-২৫ ফুটমান ওখ ভূৱাৰগড় নামে এটা বৃহৎ মাটিৰ গড় দেখা যায়। বুৰঞ্জীবিদসকলে অনুমান কৰে যে প্ৰাক-দৰঙী ৰজাসকলৰ যুগত ভূএগ্ৰাসকলে মঙলদৈ মহকুমাত ৰাজত্ব কৰিছিল আৰু তেওঁলোকেই উত্তৰে থকা আবৰী ভোটসকলৰ আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ এই গড় নিৰ্মাণ কৰিছিল।

কলাইগাঁও চহৰৰ পৰা ৪ মাইলমান উত্তৰে পুঠিমাৰী গাঁৱৰ ওচৰত বৰুৱা হাউলী আছিল। বৰুৱাসকল দৰঙী ৰজাসকলৰ বৰ প্ৰতাপী বিষয়া আছিল আৰু ৰজাৰ পিছতে তেওঁলোকৰ স্থান আছিল। দৰংৰাজ মহীন্দ্ৰ নাৰায়ণে (১৬৩৪-৫০) বৰুৱাসকলক বহু মাটিবাৰী, খাটিপাম দি সংস্থাপন কৰিছিল। বৰুৱাসকলৰ প্ৰধান কাম আছিল উত্তৰৰ প্ৰতাপী ভোটসকলৰ

পৰা ৰক্ষা কৰা ভূটীয়াৰপৰা হাব ৰক্ষক স্বৰূপে গড় সাজি তোপ স্থাপন কৰিবলৈ ৰাজ আজ্ঞা পাইছিল। এটা বিশাল এলেকা জুৰি বৰুৱা হাউলী জাতিস্কাৰ হৈ আছিল আৰু প্ৰায় এশ বছৰ আগলৈকে বৰুৱা হাউলীৰ অস্তিত্ব আছিল। বৰুৱাসকলৰ পিছতে চিঠি-পত্ৰৰ আদান-প্ৰদানৰ বাবে কটকীৰ দৰে গুৰুত্বপূৰ্ণ কামবোৰ সমাধা কৰিবলৈ আন এটা পৰিয়াল দৰঙী ৰজাসকলে বৰুৱাসকল, দৰঙৰ ৰাজপৰিয়াল আৰু ভূটীয়াসকলৰ মাজত চিঠিৰ আদান-প্ৰদান কৰিছিল। এই কটকীসকলে কটকী উপাধি লিখিছিল আৰু তেওঁলোকৰ বংশধৰসকল এতিয়াও পুঠিমাৰি গাঁৱত আছে। এওঁলোক কলিতা সম্প্ৰদায়ৰ লোক। এওঁলোকৰ পূৰ্বপুৰুষ নগাঁও অথবা কামৰূপৰ লোক আছিল বুলি এতিয়াৰ বংশধৰসকলে ভাবে। প্ৰবল প্ৰতাপী বৰুৱাসকলৰ এটি মাত্ৰ পৰিয়াল নিঃকিন অৱস্থাত খটৰা গাঁৱত থিতাপি লৈ আছে। কলাইগাঁও চহৰৰ গাতে লগা এখন বৃহৎ আকৃতিৰ চাহ বাগিচা হ'ল শিংৰিমাৰী চাহ বাগিচা। এই চাহ বাগিচাখন ১৮৬০-৭০ ৰ দশকত ইংৰাজ চাহ কোম্পানীয়ে স্থাপন কৰা কিন্তু কোম্পানীটোৰ নামো ৰূপথলীৰ দৰে অজ্ঞাতে থাকি গ'ল। ১৮৯৭ চনৰ বৰভূঁইকঁপৰ সময়ত এই চাহ বাগিচাখনৰ বিস্তৰ ক্ষতিসাধন হ'ল, বৃহৎ আকাৰৰ কলঘৰটোৰ অধিকাংশ ভগ্নস্তূপত পৰিণত হ'ল। ওচৰেদি বৈ যোৱা নোৱা নদীখন যদিও আগতে গভীৰ পানীৰ খৰস্ৰোতা নৈ আছিল তলিখন ওপৰলৈ উঠিঅহাত তৰাং হ'ল। বাগিচাখনৰো শ্ৰীবৃদ্ধি লোপ পালে। কিন্তু ১৯১০ চনমানলৈ ইয়াত ইংৰাজ মেনেজাৰজনকে ধৰি চাৰি -পাঁচজন সহকাৰী মেনেজাৰ আছিল। মূল বাগিচাৰ অন্তৰ্গত ৬ খনমান আউট গাৰ্ডেন আছিল। এইবোৰ সৰু কালত দেখা মানুহ আছিল পুঠিমাৰী গাঁৱত ওপজা আৰু মঙ্গলদৈ হাইস্কুলৰ পৰা ১৯১৪ চনত মেট্ৰিক পাছ কৰা মঙলদৈ নিবাসী ছাব ৰ্ছাৰ্ভেয়ৰ গঙ্গাৰাম ডেকা। বামুণপাৰাৰ স্বৰ্গীয় নবীন শৰ্মাই (বি. এ.বি.এল) ১৯০৭ চনত ছাত্ৰাৱস্থাত মঙ্গলদৈৰ পৰা কলাইগাঁৱলৈ খোজ কাঢ়ি যাওতে তেতিয়াৰ গমগমীয়া কলাইগাঁৱত ভৰি দি আচৰিত হোৱা বুলি মোক এসময়ত কৈছিল। শিংৰিমাৰী বাগিচাত ৪-৫ জনমান চাহাবে টেনিছ খেলি থকা তেওঁ দেখিছিল। কলাইগাঁও হেনো তেতিয়া বেহা-বেপাৰৰ কেন্দ্ৰস্থল আছিল। এসময়ৰ বিধানসভাৰ অধ্যক্ষ স্বৰ্গীয় কুলধৰ চলিহাই মোক কলাইগাঁৱৰ বুলি জানিব পাৰি কৈছিল ১৯০৫ চনত তেওঁৰ দেউতাক ৰায়বাহাদুৰ ফণীধৰ চলিহা মঙ্গলদৈত ই.এ.চি. থাকোতে কুলধৰ চলিহা চেমনীয়া ল'ৰা আছিল আৰু এদিন ঘোঁৰাৰ বাগীত তেওঁ লগৰীয়া কেইজনমানৰ লগত মঙ্গলদৈৰ পৰা কলাইগাঁও অভিমুখে আহোঁতে শিংৰিমাৰী চাহ বাগিচাৰ ইংৰাজ মেনেজাৰৰ বঙলাৰ সন্মুখত দাৰোৱানে বাগীখন আটক কৰিছিল। কিয়নো প্ৰবল প্ৰতাপী ইংৰাজ মেনেজাৰৰ বঙলাৰ আগেদি আৰোহীয়ে বাগীত উঠি যোৱা নিষেধ। কিন্তু মেনেজাৰজনে মেজিষ্ট্ৰেটৰ ল'ৰা থকা বুলি জানি আটক কৰি ৰখা ঘোঁৰাৰ বাগীখন যাবলৈ অনুমতি দিলে। ১৯২০ চনমানত এই বাগিচাখন কলিকতাৰ বঙালী চাহ কোম্পানী এটাক বিক্ৰী কৰি দিলে। ফণীধৰ চলিহা প্ৰথমতে এছ. ডি.চি.থাকোঁতে ১৮৮৬ চনত কেডেষ্ট্ৰেল ছাৰ্ভে পাৰ্টিলৈ বদলি হৈ তেতিয়াৰ ছাৰ্ভে পাৰ্টীৰ কেম্প কলাইগাঁৱত থাকি কাৰ্যনিৰ্বাহ কৰিছিল।

সেই সময়ত অবিভক্ত দৰং জিলাৰ মঙ্গলদৈ মহকুমাত মাত্র তিনিখন ঠাইতহে তহচিল অফিচ আছিল আৰু বাইজে তহচিল অফিচতে খাজনা আদায় দিছিল। ১৯০১ চনত ৰাইবাহাদুৰ ফণীধৰ চলিহাৰ একেটি মাথোন সহোদৰ ভায়েক স্বৰ্গীয় ঘনকান্ত চলিহাই তহচিলদাৰ হিচাপে কাম কৰি থাকোতে কলাইগাঁৱত কণ্ঠ ৰোগত অকস্মাৎ মৃত্যুমুখত পৰে। অসমীয়া সাহিত্যৰ কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱা সেই সময়ত মঙ্গলদৈত তহচিলদাৰ পদবীত আছিল। এইবোৰৰ পৰা বুজিব পাৰি যে ঊনৈশ শতিকাৰ দ্বিতীয়াৰ্ধত কলাইগাঁও এখন গুৰুত্বপূৰ্ণ স্থান হিচাপে গণ্য হৈছিল। কলাইগাঁৱত ব্ৰিটিছৰ দিনতে পুলিচ থানা আৰু তহচিল অফিচ স্থাপিত হৈছিল। আগেয়ে আৰক্ষী থানাখন বৰ্তমানে থকা ঠাইডোখৰৰ পৰা এমাইলমান আঁতৰত উত্তৰ-পূব কোণত আছিল । ১৮৯৭ চনৰ বৰভূঁইকঁপত থানাখন ভাগি যোৱাত স্থানান্তৰিত কৰি ১৯০০ চনত বৰ্তমান থকা ঠাইত নতুনকৈ নিৰ্মাণ কৰে। থানাখনৰ পুৰণি ঘৰটোৰ শালকাঠৰ খুঁটাবোৰ সেই সময়ৰে আৰু এতিয়া প্ৰায় অক্ষত অৱস্থাতে আছে।

নোৱা নদী অৰ্থাৎ ৰূপথলী চাহ বাগিচাখনৰ ওচৰতে এজন ইংৰাজ চাহাবে কলাইগাঁও নামৰ এখন ক্ষুদ্ৰ চাহ বাগিচা খুলিছিল। এই চাহ বাগিচাখন বিক্ৰীৰ কথা উঠাত ঊনবিংশ শতিকাৰ আশীৰ দশকত মহাত্মা আনন্দৰাম বৰুৱা আই.চি.এছে. কিনিবলৈ মন কৰি তেওঁৰ বন্ধু অসমহিতৈষী মাণিক চন্দ্ৰ বৰুৱাৰ লগত যোগাযোগ কৰিছিল। শিংৰিমাৰী চাহ বাগিচাখনৰ মেনেজাৰৰ বঙলাৰ ওচৰত খ্ৰীষ্টিয়ান চাহাবসকলৰ এখন চিমেটাৰী বা কবৰখানা আছিল। মই স্কুলীয়া দিনতে এবাৰ এই কবৰস্থানডোখৰ চাবলৈ মৰসাহ কৰি ভিতৰত সোমাইছিলো । ভিতৰত মই ৫০ টা মান পকী কবৰ দেখিছিলো। এজন ইংৰাজ চাহাবে ১৯০০ চনত মাত্র ১৮ বছৰ বয়সত শিংৰিমাৰী বাগানৰ সহকাৰী মেনেজাৰৰ পদবীত নিযুক্তি লভি খাৰুপেটীয়াঘাটৰ পৰা মঙ্গলদৈ হৈ আহোঁতে মঙ্গলদৈতে প্ৰবল মেলেৰীয়া জ্বৰত আক্ৰান্ত হৈ মৃত্যুমুখত পৰে। কবৰটোত মাক-বাপেকে স্কটলেণ্ডৰ পৰা পঠিওৱা এটা শোকবাৰ্তা কবৰটোৰ শিলত খোদিত কৰা আছে। মঙ্গলদৈ মহকুমাৰ সমগ্ৰ উত্তৰ অঞ্চলৰ চাহ বাগিচাবোৰৰ ইংৰাজ পৰিচালকসকলৰ কাৰোবাৰ মৃত্যু হ'লে এই কবৰখানাতে কবৰ দিয়া হৈছিল। ১৯৬০ চন পৰ্যন্ত এই কবৰখানাটো ভালদৰে ৰক্ষণাবেক্ষণ দিয়া হৈছিল যদিও কবৰখানাৰ মাটি পট্টন দিয়াত কবৰখানাটো লোপ পালে আৰু এতিয়া তাত খেতি কৰে।

কলাইগাঁৱৰ দাতব্য চিকিৎসালয়খন ১৮৯২-৯৩ চনতে প্ৰতিষ্ঠা কৰা হৈছিল। তাৰ আগে-পিছে কালজ্বৰে মহামাৰী আকাৰ ধাৰণ কৰাত হাজাৰ- বিজাৰ মানুহৰ মৃত্যু হৈছিল। কলাইগাঁৱৰ চিকিৎসালয়খনৰ সন্মুখত থকা বিৰাট আকৃতিৰ পকী কুঁৱাটোও বহু পুৰণি। এসময়ত সমগ্ৰ মঙ্গলদৈ মহকুমাৰ ভিতৰতে এই কুঁৱাটোৰ পানী উৎকৃষ্ট বুলি বিবেচিত হৈছিল। কালাইগাঁৱৰ ডাকঘৰটোত ১৯৩০ চনৰ পৰাই তাঁৰবাৰ্তা প্ৰেৰণ আৰু গ্ৰহণ কৰাৰ ব্যৱস্থা কৰা হৈছিল।

১৯৩০ চনতে টংলা কলাইগাঁও মঙ্গলদৈৰ মাজত ব্যক্তিগত খণ্ডত যাত্ৰীবাহী মটৰবাহ চালু হৈছিল। তেতিয়া এই ২০ মাইল বিয়পা আলিবাটছোৱা কেঁচা আছিল। পিছতহে গ্ৰেভেলৰ

ব্যৱস্থা কৰা হৈছিল। বাছকেইখনৰ অংশীদাৰ আছিল টংলাৰ স্বৰ্গীয় লম্বোদৰ চহৰীয়া, স্বৰ্গীয় শশধৰ ঘোষ আৰু কলাইগাঁৱৰ স্বৰ্গীয় ৰজনী শৰ্মা। ১৯১০ চন পৰ্যন্ত কলাইগাঁও এখন ৰমৰমীয়া চহৰ আছিল। কেইবাখনো কেঞাগোলা আছিল। কলাইগাঁৱৰ এজন প্ৰাচীন মুখিয়াল ব্যক্তিত্বসম্পন্ন আৰু ধনৱান ব্যক্তি আছিল আৰু মৃত্যুৰ সময়ত ৭৫ বয়স বছৰমান হৈছিল। তেওঁৰ দেউতাক আন কিছুমানৰ লগত সুদূৰ তামিলনাডুৰ পৰা আহি গিৰমিট প্ৰথাৰে ৰণথলী বাগানত বনুৱা হিচাপে কাম কৰিছিল। ওঙ্কৰমল মহাজনৰ এসময়ত নিজাকৈ ৩০ খনমান ম'হৰ গাড়ী আছিল আৰু এইবোৰেই চাহ বাগিচাৰ প্ৰস্তুত হোৱা চাহৰ বাকচবোৰ ৰঙামাটি জাহাজঘাটলৈ ভাৰাত অনা-নিয়া কৰিছিল। তেওঁৰ উপাৰ্জন বৰ ভাল আছিল। তেওঁৰ নাতি পৰিনাতিসকল এতিয়াও কলাইগাঁৱত বসতি কৰি আছে। প্ৰকাশ থাকে যে ৰণথলী আৰু শিংৰিমাৰী দুয়োখন চাহ বাগিচাৰ বনুৱাবোৰ তামিলনাডুৰ পৰা অহা।

১৯৩০ চনতে টাটা কোম্পানীয়ে কলাইগাঁৱৰ নোৱা নদীৰ ওপৰত এখন লোহাৰ দলং দিছিল। তাৰ আগতে কাঠৰ দলং আছিল। কলাইগাঁৱৰ দেওবৰীয়া বজাৰখন বহু পুৰণি। কিৱতা চন্দ্ৰিকাৰ ৰচক ধনাই বৰাৰ (১৮৭২-১৯৫১) আত্মজীৱনীখনৰ পৰা জনা যায় যে তেওঁ বাল্যকালত ১৮৮৭ চনত মজলীয়া ছাত্ৰবৃত্তি স্কুলত পঢ়া মাচুল উলিয়াবলৈ কলাইগাঁৱৰ দেওবৰীয়া বজাৰখনত গাঁৱত উৎপন্ন হোৱা বস্তু বেচিবলৈ ১৬ মাইল বাট খোজ কাঢ়ি কান্ধত মেটমৰা ভাৰ লৈ ঘৰৰ পৰা আহিছিল। ১৯৫৩ চনত মই এবাৰ তেওঁক লগ পাওঁতে মোৰ জন্মস্থান কলাইগাঁৱৰ কথা সোধোতে কৈছিল যে ১৮৮০ দশকত কলাইগাঁও বেহা-বেপাৰৰ কেন্দ্ৰ আছিল আৰু কাপোৰ সূতাকে ধৰি বিভিন্ন মনোহাৰী বস্তুৰ দোকান ভৰি আছিল। অৱশ্যে যাতায়াতৰ সুচল নাছিল। তেওঁৰ সময়ত উচ্চ প্ৰাইমাৰী বা মজলীয়া স্কুলত পঢ়োতে ছাত্ৰই মাচুল দিব লাগিছিল। ধনাই বৰাই ঊনৈশ শতিকাৰ ৯০ৰ দশকত নগাঁৱৰ চৰকাৰী মজলীয়া স্কুলত চতুৰ্থ শিক্ষক হিচাপে যোগদান কৰিছিল আৰু অসম গৌৰৱ সূৰ্যকুমাৰ ভূঞাৰ সৰু কালৰ গৃহশিক্ষক আছিল।

একালৰ বৃন্দাবন একালত পৰে ছন। বিংশ শতিকাৰ প্ৰথম দশকৰ পৰা কলাইগাঁৱৰ শ্ৰীবৃদ্ধি হ্ৰাস হৈ আহিল। কালচক্ৰ ঘূৰ্ণায়মান। এই চকৰি ঘূৰি কলাইগাঁৱৰ হেৰোৱা হ্ৰাস শ্ৰীবৃদ্ধি আকৌ ঘূৰি নাহিবনে? ●

*(ইং ০৮-০৮-২০০৪ তাৰিখৰ 'আমাৰ অসম' কাকতত প্ৰকাশিত)*

সংস্কৃত আচাৰ্য

# মহাত্মা আনন্দৰাম বৰুৱা

সংস্কৃত আচাৰ্য আনন্দৰাম বৰুৱাৰ অতীত গৌৰৱ স্মৃতিৰে ভৰপূৰ উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰত প্ৰসিদ্ধ মজিন্দাৰ বৰুৱাৰ বংশত ১৮৭২ শকত অৰ্থাৎ ১৮৫০ চনৰ জেঠ মাহত জন্ম হৈছিল। তেখেতৰ দেউতাকৰ নাম আছিল গৰ্গৰাম বৰুৱা আৰু মাকৰ নাম দুৰ্লভেশ্বৰী। গৰ্গৰাম বৰুৱা বৰ প্ৰতাপী আৰু সন্মানীয় বিষয়া আছিল আৰু তেতিয়াৰ ইংৰাজ চৰকাৰৰ দিনত সদৰামীন, অৰ্থাৎ মুন্সেফৰ পদ লাভ কৰিছিল। আনন্দৰাম বৰুৱাই তেওঁৰ বাল্যকালছোৱাত দেউতাকে অসমৰ নৱদীপস্বৰূপ নলবাৰী অঞ্চলৰ পৰা অনা গৰগোবিন্দ শৰ্মা নামৰ এজন সংস্কৃত ভাষাৰ অধ্যাপকৰ তলত সংস্কৃত পঢ়িছিল। কালীনাথ শৰ্মা নামৰ আন এজন অধ্যাপকৰ পৰা অমৰকোষ অভিধান শিকিছিল। এইদৰে সৰুৰে পৰা আনন্দৰাম বৰুৱাৰ মনত সংস্কৃত ভাষাপ্ৰীতিৰ বীজ ৰোপণ হৈছিল। অমৰকোষ অভিধানখন তেওঁৰ প্ৰায় মুখস্থ হৈ গৈছিল। তেওঁ আছিল বৰ তীক্ষ্ণ বুদ্ধিৰ ল'ৰা আৰু তেওঁৰ স্বভাৱ বৰ ধীৰ আৰু গম্ভীৰ আছিল। গুৱাহাটীৰ হাইস্কুলত নাম লগাই দিয়াৰ পিছত তেওঁৰ সহপাঠী স্বৰূপে পোৱাসকল আছিল বলিনাৰায়ণ বৰা, মাধৱচন্দ্ৰ বৰদলৈ, কৰ্ণেল জালন্ধুৰ আলী আহমেদ, কৰ্ণেল শিৱৰাম বৰা আদি। ১৮৬৫ চনত একে ক্ষণতে গুৱাহাটীত এই পাঁচোটি তৰা জিলিকি ওলাইছিল। আনন্দৰাম বৰুৱাৰ আন এজন সহপাঠী আছিল, পিছৰ কালত কলেজিয়েট হাইস্কুলৰ শিক্ষক আৰু অসমীয়া ভাষাত বীজগণিত লিখি বিখ্যাত হোৱা চেখাৰত আলী। তেওঁৰ ৯০ বছৰ উৰ্দ্ধৰ নাতি গুৱাহাটীৰ মাছখোৱাত এতিয়াও জীৱিত। সেই সময়ত গুৱাহাটীৰ হাইস্কুলত চন্দ্ৰনাথ গোস্বামীয়ে ইংৰাজী শিকাইছিল। আনন্দৰাম বৰুৱাই ১৮৬৪ চনৰ ডিচেম্বৰ মাহত এন্‌ট্ৰেন্স পৰীক্ষাত দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছিল। প্ৰকাশ যে আনন্দৰাম বৰুৱাই নৰিয়া গাৰে পৰীক্ষাত বহিছিল বাবে ভাল ফল দেখুৱাব নোৱাৰিলে বুলি তেওঁৰ সমসাময়িক চন্দ্ৰশেখৰ বৰুৱাই ডঃ সূৰ্যকুমাৰ ভূঞাৰ আগত কৈছিল। আনন্দৰাম বৰুৱাৰ আছিল অদম্য উদ্যম, উৎসাহ, অধ্যৱসায়, পৰিশ্ৰম কৰিব পৰা শক্তি আৰু এটি জ্ঞানপিপাসু মন।

আনন্দৰাম বৰুৱাই ১৮৬৫ চনত তেতিয়াৰ দিনত দুৰ্গম আৰু দীঘলীয়া পথেৰে কলিকতালৈ উচ্চ শিক্ষাৰ বাবে যাত্ৰা কৰে। আনন্দৰাম বৰুৱা আৰু তেখেতৰ সহপাঠী কৰ্ণেল জালনুৰ আলী আহমদ আৰু কৰ্ণেল শিৱৰাম বৰুৱাই এখন ডাঙৰ নাৱত গুৱাহাটীৰ

পৰা গোৱালন্দলৈ গৈছিল বুলি কৰ্ণেল জালনুৰ আলী আহমেদে কথা প্ৰসঙ্গত ১৯২২ চনত কলকাতাত থকা সাউদ ভোলানাথ বৰুৱাৰ বাসভৱনত প্ৰখ্যাত সাংবাদিক আৰু তেতিয়াৰ বিখ্যাত অমৃতবাজাৰ পত্ৰিকাৰ সহকাৰী সম্পাদক লক্ষ্মীনাথ ফুকনৰ আগত কৈছিল।

ইতিমধ্যে কলিকতাৰ বিখ্যাত হিন্দু কলেজখন (১৮১৭ চন) ভাৰত চৰকাৰে ১৮৫৪ চনত নিজৰ আয়ত্তলৈ আনি ১৮৫৫ চনৰ পৰা প্ৰেছিডেন্সি কলেজ নামে নামকৰণ কৰিছিল। এইখন কলেজৰ প্ৰথম গ্ৰেজুৱেট আছিল বিখ্যাত বঙালী ঔপন্যাসিক আৰু বন্দেমাতৰম গীতৰ স্ৰষ্টা বংকিমচন্দ্ৰ চেটাৰ্জী। তেওঁ ১৮৫৮ চনত দ্বিতীয় বিভাগত বি এ পৰীক্ষাত উত্তীৰ্ণ হৈছিল।

আনন্দৰাম বৰুৱাই কলিকতাত পঢ়িবলৈ যাওঁতে প্ৰেছিডেন্সি কলেজৰ নিজা হোষ্টেল নাছিল। ছাত্ৰবোৰে কলিকতাৰ বিভিন্ন ঠাইত অস্বাস্থ্যকৰ পৰিৱেশত মেছ কৰি আছিল। আবাসী ছাত্ৰবোৰৰ দুৰৱস্থা দেখি এজন ছাত্ৰহিতৈষী মহৎ ব্যক্তিয়ে বৌ বাজাৰ এলেকাত ১৮৬০ চনমানত প্ৰেছিডেন্সি কলেজত পঢ়িবলৈ অহা ছাত্ৰৰ বাবে এটা প্ৰাইভেট হোষ্টেল খোলে। মহানুভৱ প্যাৰিচৰণ সৰকাৰ আছিল হিন্দু কলেজৰ প্ৰথম ভাৰতীয় অধ্যাপক আৰু প্ৰেছিডেন্সি কলেজতো তেখেতে ১৮৬০ চনৰ পৰা ১৮৭৪ চনলৈ ইতিহাসৰ অধ্যাপনা কৰিছিল। আৰু আনন্দৰাম বৰুৱাকো ছাত্ৰ হিচাপে পাইছিল। আনন্দৰাম বৰুৱাই প্ৰেছিডেন্সি কলেজত পঢ়া সময়ত ক্লাছবোৰ হৈছিল ঐতিহাসিক হিন্দু স্কুলত। এতিয়াৰ প্ৰেছিডেন্সি কলেজৰ বিয়াগোম অট্টালিকাটোৰ নিৰ্মাণ কাৰ্য ১৮৭৪ চনতহে শেষ হৈছিল। আনন্দৰাম বৰুৱাই পঢ়া সময়ত প্ৰেছিডেন্সি কলেজৰ প্ৰিন্সিপাল আছিল বিখ্যাত জেমছ চুটাক্লিফ চাহাব। তেখেতে হিন্দু কলেজৰো শেষ প্ৰিন্সিপাল আছিল আৰু প্ৰেছিডেন্সি কলেজৰো আৰম্ভণিৰ প্ৰিন্সিপাল হিচাপে কাম কৰি ডিপি. আই. হৈছিল। এখেতক কটন কলেজৰ প্ৰিন্সিপাল চুডমাৰ্চন চাহাবৰ দৰে প্ৰেছিডেন্সি কলেজৰো 'মেকাৰ' বুলি কোৱা হৈছিল। আনন্দৰাম বৰুৱাই পঢ়া সময়ত প্ৰেছিডেন্সি কলেজৰ ছাত্ৰৰ সংখ্যা আছিল ৫৪৫ জন। আনন্দৰাম বৰুৱাই এল এ (Intermediate) পৰীক্ষাত কলিকতা বিশ্বাবিদ্যালয়ত সৰ্বোচ্চ নম্বৰ পাই ডাফ স্কলাৰশ্বিপো লাভ কৰিছিল। তেওঁ প্ৰেছিডেন্সি কলেজত পঢ়োতে টিউচন ফীজ আছিল ১০ টকা। তেতিয়াৰ দিনত এখন চৰকাৰী কলেজ হিচাপে টিউচন ফীজ বৰ বুলিব পাৰি সেয়েহে বঙ্গদেশৰ সম্ভ্ৰান্ত আৰু আঢ্যবন্ত পৰিয়ালৰ চোকা ছাত্ৰইহে প্ৰেছিডেন্সি কলেজত পঢ়া কালত কেইবাজনো খ্যাতিমান অধ্যাপকে কলেজখনৰ জ্যোতি চৰাইছিল। প্ৰিন্সিপাল জেমছ চুটক্লেফ চাহাব আৰু ছাৰ গুৰুদাস বেনাৰ্জীয়ে গণিত পঢ়ুৱাইছিল। আন কেইজনমান বিখ্যাত প্ৰফেছৰ আছিল ছাৰ আলফ্ৰেড ক্ৰফ্ট, ডঃ কাৱেল, প্যাৰিচৰণ সৰকাৰ, ত্ৰৈলোক্যনাথ। মিত্ৰ। চেন্দা চাহাবেও ইংৰাজী পঢ়ুৱাইছিল। সংস্কৃত বিষয় পঢ়ুৱাইছিল ব্ৰেডফোৰ্ড চাহাব আৰু ৰাম গঙ্গোপাধ্যায়ে। ছলাৰ্ছ টনি, ডঃ কাৱেল আৰু প্যাৰিচৰণ সৰকাৰে বুৰঞ্জী পঢ়ুৱাইছিল। এই আটাইবোৰ বিষয় আনন্দৰাম বৰুৱাৰ আছিল। আনন্দৰাম বৰুৱা প্ৰেছিডেন্সি কলেজত পঢ়োতে কেইবাজনো মেধাৱী ছাত্ৰই কলেজখনৰ শোভাবৰ্ধন কৰিছিল। আনন্দৰাম বৰুৱাই পঢ়া কালছোৱাৰ মুঠ ২১ জন প্ৰফেছৰৰ নাম আৰু তেওঁবিলাকে

পঢ়ুওৱা বিষয়সমূহৰ ছাত্ৰসকল হ'ল কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ পৰা ভাৰতৰ প্ৰথম ৰেংলাৰ হিচাপে খ্যাতি লাভ কৰা আনন্দমোহন বোস, আই.চি.এছ. বিহাৰীলাল গুপ্ত, ৰমেশ চন্দ্ৰ দত্ত, কাৰ্তিক চন্দ্ৰ মিত্ৰ, ব্ৰাহ্ম ধৰ্মৰ বিখ্যাত নেতা শিৱনাথ শাস্ত্ৰী, প্ৰমোদ চৰণ (পিছৰ কালত যুক্ত প্ৰদেশৰ উপাচাৰ্য আৰু মুখ্য ন্যায়াধীশ হৈছিল) নীলম মুখাৰ্জী, গণিতৰ অগাধ পণ্ডিত গৌৰীচৰণ দে,' মহামহোপাধ্যায় নীলমণি ন্যায়ৰত্ন, প্ৰেমচান্দ ৰায়চান্দ, স্কলাৰশ্বিপ পোৱা সাৰদা চৰণ মিত্ৰ আৰু গৌৰীচৰণ দে, ১৮৬৯ চনত আনন্দৰাম বৰুৱাই প্ৰেছিডেন্সি কলেজৰ পৰা বি এ পৰীক্ষাত কলিকতা বিশ্ববিদ্যালয়ত প্ৰথম শ্ৰেণীৰ ২ য় স্থান লাভ কৰি সুখ্যাতি আৰ্জিছিল। সেই বছৰ শিৱনাথ শাস্ত্ৰীয়ে প্ৰথম শ্ৰেণীৰ একাদশ স্থান লাভ কৰিছিল। ১৮৬৯ চনৰ পৰা ভাৰত চৰকাৰে প্ৰত্যেক বছৰে একোজন মেধাৱী ছাত্ৰক পৰীক্ষাৰ দ্বাৰা বাছনি কৰি বৃত্তি দি বিলাতত পঢ়ুওৱাৰ ব্যৱস্থা কৰিছিল। এই বৃত্তিৰ নাম আছিল গিলক্ৰাইষ্ট স্কলাৰশ্বিপ। সেই পৰীক্ষা বোম্বে আৰু মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ মেধাৱী ছাত্ৰসকলেও দিব পাৰিছিল। কিন্তু এজন ছাত্ৰকহে নিৰ্বাচন কৰা হৈছিল। প্ৰশ্নকাকতবোৰ বিলাত ত প্ৰস্তুত কৰা হৈছিল। আনন্দৰামে তীব্ৰ প্ৰতিযোগিতাৰ মাজেদি প্ৰথম বছৰৰ পৰীক্ষাত প্ৰথম হৈ এই বৃত্তি লাভ কৰি সকলোকে চমক লগাইছিল। তেখেতে লগতে ষ্টেট স্কলাৰশ্বিপো লাভ কৰিবলৈ সমৰ্থ হৈছিল। দুয়োটা বৃত্তিৰ মূল্য আছিল মাহে ৫০০ টকা। এতিয়াৰ মূল্য হ'ব ৫০,০০০টকা। আনন্দৰাম বৰুৱাই বৃত্তিৰ দ্বাৰা বিলাতত পঢ়িবলৈ যাত্ৰা কৰিছিল। তেখেতে কিন্তু বিলাত যাত্ৰাৰ কথা গৈ থাকোতে জাহাজৰ পৰাহে দেউতাকক জনাইছিল। প্ৰকাশ থাকে যে আনন্দৰাম বৰুৱাই লাভ কৰা এই বৃত্তি দুবছৰ পিছত অসমমাতৃৰ সু-সন্তান বলিনাৰায়ণ বৰায়ো প্ৰেছিডেন্সি কলেজত পঢ়োতে লাভ কৰি বিলাতৰ কুপাৰহিল ইঞ্জিনিয়াৰিং কলেজত পঢ়ি ইঞ্জিনিয়াৰিং ডিগ্ৰী লাভ কৰিছিল। বিলাতত আনন্দৰাম বৰুৱাই তিনি বছৰ থাকি চিভিল ছাৰ্ভিচকে ধৰি বি এছ চি, এল এল বি. আৰু বাৰ এটল — এই চাৰিটা পৰীক্ষা অতি দক্ষতাৰে উত্তীৰ্ণ হৈ ভাৰতলৈ উভতি আহিল এক অনন্য কৃতিত্বৰ অধিকাৰী হৈছিল। চমুকৈ ক'বলৈ গ'লে অসমীয়াৰ ভিতৰত তেওঁ প্ৰথম বি এ, প্ৰথম বিলাতলৈ যোৱা লোক, প্ৰথম চিভিলিয়াম (ICS) প্ৰথম বেৰিষ্টাৰ, প্ৰথম জিলা মেজিষ্ট্ৰেট। তেখেতে অসমৰ ৰাজধানী শ্বিলং চহৰত আণ্ডাৰ চেক্ৰেটাৰী আৰু শিৱসাগৰত এছিষ্টেণ্ট কমিছনাৰ হিচাপে পোনতে কাৰ্যনিৰ্বাহ কৰিছিল। তেখেতৰ আত্মসন্মানবোধ প্ৰখৰ আছিল। আৰু সেইবাবেই অসম এৰি বঙ্গদেশলৈ যোৱাৰ অন্যতম কাৰণ আছিল। বঙ্গদেশতো তেখেতে বিভিন্ন জিলাত বিভিন্ন পদত থাকি অতি দক্ষতাৰে কাৰ্যনিৰ্বাহ কৰি নোৱাখালিৰ দৰে এখন বৃহৎ জিলাৰ জিলা মেজিষ্টেট হৈছিল। অফিচৰ কাম-কাজ সুকলমে আৰু দক্ষতাৰে চলোৱাৰ উপৰি সংস্কৃত চৰ্চাত দেহেকেহে খাটিছিল। তেখেতে সংস্কৃত ভাষাটোক মাতৃভাষাৰ দৰে জ্ঞান কৰি সংস্কৃত ভাষাৰ বিশাল জ্ঞানভাণ্ডাৰত ডুব গৈছিল। জ্ঞান আহৰণৰ বাবে তেখেতে কঠোৰ পৰিশ্ৰম কৰিছিল। তেখেতে প্ৰকাশ কৰা পাণ্ডিত্যপূৰ্ণ কিতাপবোৰ আছিল, ইংৰাজীৰ পৰা সংস্কৃত অভিধান, মহাবীৰ চৰিত ভাষা, অমৰকোষৰ টীকা, ধাতুৰূপ আৰু

ভৱভূতিৰ সংস্কৃত সাহিত্যত ঠাই নামৰ বিখ্যাত কিতাপবোৰ। সৰস্বতীৰ কণ্ঠভৰুণ বুলি অলঙ্কাৰ শাস্ত্ৰও প্ৰকাশ কৰিছিল। সদৌ শেষত তেখেতে এখন বৃহৎ কলেবৰৰ কিতাপ লিখাৰ পৰিকল্পনা কৰিছিল। সেইখন হ'ল গোটেইখন সংস্কৃত ভাষাকে ধাতুৰূপ বিভাগ, অভিধান বিভাগ, শব্দৰূপ বিভাগ, অলঙ্কাৰ বিভাগ আদি ১২ টা বিভাগত ভগাই এখন প্ৰকাণ্ড ব্যাকৰণ লিখিবলৈ আয়োজন কৰিছিল। বৰুৱাদেৱৰ এই পৰিকল্পনাৰ কথা শুনি বিলাতবাসী সংস্কৃত ভাষাৰ মহাপণ্ডিত মেক্সমুলাৰ চাহাবে বিস্ময় মানি বৰুৱা চাহাবলৈ উৎসাহপূৰ্ণ চিঠি লিখি কৈছিল যে এই বৃহৎ কাম মানুহৰ এটা জীৱনত সম্পূৰ্ণ কৰা অসম্ভৱ। বৰুৱাদেৱৰ ভয়ঙ্কৰ কায়িক আৰু মানসিক পৰিশ্ৰমৰ ফলত ১৮৮৭ চনত তেখেতৰ গাত দুৰাৰোগ্য পক্ষাঘাত বেমাৰে দেখা দিলে। ক্ৰমাৎ তেখেতৰ চলিৎশক্তিৰহিত হৈ পৰাত দীঘলীয়া ছুটী লৈ সু চিকিৎসাৰ বাবে কলিকতালৈ আহি তেওঁৰ বহুদিনৰ বন্ধু দাতাকৰ্ণসদৃশ বংগৰ সু-সন্তান বালিগঞ্জত থকা ছাৰ তাৰকনাথ পালিতৰ প্ৰাসাদোপম অট্টালিকাত আশ্ৰয় ল'লে। প্ৰেছিডেন্সি কলেজত পঢ়োতে পালিত চাহাব আনন্দৰাম বৰুৱাতকৈ এবছৰ তলৰ আছিল। সাধাৰণতে বৰুৱা চাহাব কলিকতালৈ আহিলে গ্ৰেট ইষ্টাৰ্ণ হোটেলত থাকিছিল। পালিতে কথা বিষম দেখি কলিকতাৰ সেই সময়ৰ বিখ্যাত ডাক্তৰসকলৰ দ্বাৰা বৰুৱাদেৱৰ চিকিৎসা আৰম্ভ কৰাই দিলে। সেইসকলৰ ভিতৰত অন্যতম আছিল কলিকতা মেডিকেল কলেজৰ প্ৰথম গ্ৰেজুৱেট বিখ্যাত হোমিও চিকিৎসক আৰু দক্ষিণেশ্বৰৰ মহাসাধক ৰামকৃষ্ণ পৰমহংসদেৱৰ ব্যক্তিগত চিকিৎসক মহেন্দ্ৰলাল সৰকাৰ। ছাৰ তাৰকনাথ পালিতৰ বাসভৱনতে ১৮৮৯ চনৰ ১৯ জানুৱাৰী শুকুৰবাৰে আবেলি ২ বজাত ভাৰতগৌৰৱ আৰু দুখীয়া অসমৰ আলৰ নিধি আনন্দৰাম বৰুৱাই শেষ নিশ্বাস ত্যাগ কৰিলে। কলিকতাত পঢ়ি থকা ছাত্ৰসকলে মহাসমাৰোহেৰে মৃতদেহ কালিঘাট শ্মশানত দাহ কৰিছিল। বৰুৱাদেৱৰ মৃতদেহ কঢ়িয়াই নিয়া ছাত্ৰসকলৰ ভিতৰত তেজপুৰৰ ৰায়চাহাব ডালিম বৰাও আছিল বুলি তেখেতে লিখি থৈ যোৱা ডুখৰীয়া আত্মজীৱনীখনত উল্লেখ কৰা আছে। সেই সময়ত ভাৰতবৰ্ষৰ বিখ্যাত সংবাদ পত্ৰবোৰে এক শোকবাৰ্তা প্ৰকাশ কৰে। তাৰ ভিতৰত হিন্দু পেট্ৰিয়ট আৰু ইণ্ডিয়ান মিৰৰ প্ৰধান পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে আনন্দৰাম বৰুৱাৰ স্বৰ্গযাত্ৰা নামৰ এটি শোকৰ কবিতাৰ এটি পংক্তি হ'ল--

'হ'ল অকস্মাৎ মাজ সাগৰত
ধ্ৰুৱতৰা দৰে মেঘৰ আঁৰ।'

আনন্দৰাম বৰুৱাৰ এখন বিস্তৃত জীৱনী ডঃ সূৰ্যকুমাৰ ভূঞা ডাঙৰীয়াই অশেষ শ্ৰম আৰু অধ্যৱসায়ৰ দ্বাৰা ১৯২০ চনত ছপা কৰি উলিয়াইছিল-- য'ত পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱে এখন সুন্দৰ পাতনি লিখি দিছে। ঊনবিংশ শতিকাৰ এগৰাকী প্ৰথিতযশা কথা-সাহিত্যিক লম্বোদৰ বৰাদেৱে আনন্দৰাম বৰুৱাৰ এখন জীৱনী লিখবলৈ সমল গোটাইছিল। ১৮৬০ চনত উপজি ১৮৯২ চনত মাত্ৰ ৩২ বছৰ বয়সত অকাল মৃত্যু হোৱা লম্বোদৰ বৰা বি এ সমসাময়িক। দুৰ্ভাগ্যবশতঃ এই মহামূল্যবান জীৱনীখন নোলাল যদিও কিতাপখনৰ বিস্ময়কৰ

পাতনিখন পঢ়ি যিকোনো অসমীয়া মানুহ চমৎকৃত নহৈ নোৱাৰে। পাতনিখনত বৰাদেৱে লিখিছে-- আনন্দৰামৰ আসন ল'ব পাৰে-- এনে অসমীয়া ক'ত? এন্ধাৰ অসম আকাশত তেওঁ উজ্জ্বল তৰা আছিল। তেওঁৰ কাম, তেওঁৰ উদ্যোগ, তেওঁৰ পৰিশ্ৰম, তেওঁৰ আকাংক্ষা, তেওঁৰ মনৰ তেজ-- সকলো অসমীয়াৰে অনুকৰণৰ বস্তু। অসমীয়াই তেওঁৰ জীৱন বৰ আদৰ আৰু মনোযোগেৰে চৰ্চা কৰা উচিত। মাতৃভাষাৰ একনিষ্ঠ সেৱক পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে আনন্দৰাম বৰুৱাৰ বিষয়ে এনেদৰে মন্তব্য কৰিছে-- উত্তৰ গুৱাহাটীত তেওঁৰ ল'ৰাকালতে যি সংস্কৃত শিক্ষাৰ বীজ পচোৱা হ'ল, সিয়ে গজালি মেলি এনে ল-কৈ শিপালে আৰু ইমান বহলকৈ ঠাল-ঠেঙুলি মেলিলে যে সি শেহত অক্ষয় বটৰ নিচিনা এজোপা প্ৰকাণ্ড গছ হৈ উঠিব। সেই গছৰ অমৃতময় ফল ভোগ কৰি ভাৰতবাসীয়ে অনন্তকাল গুণৰ পূজা কৰিব। ডঃ সূৰ্যকুমাৰ ভূঞা ডাঙৰীয়াই কটন কলেজত আনন্দৰাম বৰুৱাৰ প্ৰস্তৰ প্ৰতিমূৰ্তি থোৱাৰ পোষকতা কৰিছিল। কিন্তু সেয়া সপোন হৈয়ে থাকিল। ●

*(ইং ২১-০৫-২০০৫ তাৰিখৰ 'আমাৰ অসম' কাকতত প্ৰকাশিত)*

## তেজোদ্দীপক প্ৰতিবাদী পুৰুষ

# শ্ৰীমান প্ৰফুল্ল গোস্বামী

শ্ৰীমান প্ৰফুল্ল গোস্বামীক মই প্ৰথম দেখা আৰু তেওঁৰ বক্তৃতা শুনাৰ সৌভাগ্য হৈছিল কটন কলেজৰ সোণালী জয়ন্তী উৎসৱৰ মুকলি সভাখনত। তেওঁৰ কটন কলেজত পঢ়াকালৰ ৰোমন্থন কৰি কৈছিল যে তেওঁ ১৯২৯ চনত নলবাৰীৰ বিখ্যাত গৰ্ডন হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজত ভৰ্তি হৈ হোষ্টেলত থাকিবলৈ লৈছিল। ঘৰৰ আৰ্থিক অৱস্থা ভাল নোহোৱাত তেওঁৰ পঢ়া খৰচ খুড়াক অসমৰ প্ৰখ্যাত শিক্ষাবিদ শৰৎচন্দ্ৰ গোস্বামীয়ে বহন কৰিছিল। শ্ৰীমানে পঢ়া দিনত হেনো ধোবাই দহ-পোন্ধৰ দিনৰ বিৰতিৰ পিছতহে হোষ্টেলৰ ছাত্ৰীসকলে ধুবলৈ দিয়া কাপোৰ লৈ আহিছিল। ধুবী অহা দিনটোলৈ ছাত্ৰসকলে বৰ হেঁপাহেৰে অপেক্ষা কৰিছিল। ধুবীয়ে কাপোৰ লৈ অহা দেখিলেই ছাত্ৰসকলৰ মনত উদ্ভৱ হোৱা আনন্দৰ জোৱাৰ শ্ৰীমানে সৰস বৰ্ণনা কৰাত সভাত উপস্থিত থকা ন-পুৰণি কটনিয়ানসকলৰ হাত চাপৰিত সভাঘৰ উত্তাল হৈ পৰিছিল। বক্তৃতা দিয়াৰ নিৰ্দিষ্ট সময়ৰ পৰা হোৱাতো ছাত্ৰসকলৰ অনুৰোধত শ্ৰীমানে তেওঁৰ শুৱলা আৰু ৰসাল বক্তৃতাৰ অন্ত পেলাব পৰা নাছিল।

শ্ৰীমানক দ্বিতীয়বাৰ মই লগ পাইছিলো ১৯৫৬ চনত প্ৰখ্যাত সাংবাদিক সতীশচন্দ্ৰ কাকতীদেৱৰ উজান বজাৰত থকা বাসভৱনত। মই তেতিয়া কলিকতাৰ প্ৰেছিডেন্সি কলেজত এম এ শ্ৰেণীত নামভৰ্তি কৰিছিলো। সেই সময়ত শ্ৰীমানৰ নাম নুশুনা মানুহ অসমত নাছিল। বুলি ক'লে অত্যুক্তি কৰা নহয়। তেওঁ তেতিয়া এজন বিখ্যাত ৰাজনৈতিক নেতা হিচাপে অসমত জনাজাত আছিল। আমি মনত ৰখা উচিত যে জীৱন কালতে কিম্বদন্তী হোৱা ব্যক্তিৰ সংখ্যা বৰ বেছি নহয়। শ্ৰীমান প্ৰফুল্ল গোস্বামী আৰু সতীশচন্দ্ৰ কাকতীৰ মাজত ইজনে সিজনক বন্ধু বুলি সম্বোধন কৰা দেখিছিলো। সেই বছৰৰ সাধাৰণ নিৰ্বাচনত শ্ৰীমানে বাওঁপন্থী নেতা তৰুণ সেন ডেকাৰ হাতত কম ভোটৰ ব্যৱধানত নলবাৰী সমষ্টিত পৰাজিত হয় আৰু এই ঘটনাই অসমত বেছ চাঞ্চল্যৰ সৃষ্টি কৰিছিল। চা-চিনাকি হোৱাৰ পিছত মই শ্ৰীমানক প্ৰশ্ন কৰিছিলো তেওঁৰ দৰে এজন তৃণমূল পৰ্যায়ৰ খ্যাতিমান কংগ্ৰেছ নেতা কেনেকৈ তৰুণ সেন ডেকাৰ হাতত পৰাস্ত হ'ব লগা হ'ল। শ্ৰীমানে উত্তৰত মোক কৈছিল একাংশ সাধাৰণ

ভোটাৰৰ মাজত তেওঁৰ জনপ্ৰিয়তা হ্ৰাস হোৱাৰ অন্যতম কাৰণ হ'ল তেওঁৰ স্পষ্টবাদিতা। গাঁৱৰ কোনো ডেকা ল'ৰা বা ছাত্ৰই তেওঁৰ লগ ধৰিবলৈ কৈছিল। কিন্তু পিছ দিনাখন ল'ৰাজনে অহৈতুক পলম কৰি আহিলে চাৰ্টিফিকেট দিবলৈ অস্বীকাৰ কৰি কৈছিল — "অলপ দূৰত্বৰ বাবে যদি সময়মতে আহিব নোৱৰা তেনেহ'লে মই তোমাক কি বুলি চাৰ্টিফিকেট দিম।"

মই শ্ৰীমান ভাতৃ অৱসৰপ্ৰাপ্ত মুখ্য বন সংৰক্ষক বিষয়া প্ৰমোদ গোস্বামীৰ মুখে শুনিছিলো যে শ্ৰীমান দ্বিতীয়বাৰ অৰ্থাৎ ১৯৩৫ চনত কটন কলেজত ভৰ্তি হ'বলৈ আহোতে তেতিয়াৰ প্ৰিন্সিপাল এছ. চি. ৰয়ে আন্দোলন কৰা ছাত্ৰ নেতা বুলি নামভৰ্তি কৰিবলৈ অমান্তি হৈছিল। তেতিয়া শ্ৰীমানে শ্বিলঙলৈ গৈ তেতিয়াৰ প্ৰধানমন্ত্ৰী ছাৰ চাদুল্লা চাহাবৰ পৰা অনুমতিপত্ৰ অনাতহে কটন কলেজত ভৰ্তি হ'ব পাৰিছিল। শ্ৰীমানে ১৯৩৭ আৰু ১৯৩৮ চনত একেলেথাৰিয়ে দুবাৰো কটন কলেজ ইউনিয়ন ছ'চাইটি অৰ্থাৎ একতা সভাৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হৈ আগতে নোহোৱা নোপজা এটা দৃষ্টান্ত দাঙি ধৰিবলৈ সক্ষম হৈছিল। ১৯৩৭ চনত সেই সময়ৰ কংগ্ৰেছ সভাপতি পণ্ডিত জৱাহৰলাল নেহৰুৱে গুৱাহাটীলৈ আহোতে কটন কলেজৰ একতা সভাৰ পৰা বক্তৃতা দিবলৈ পণ্ডিত নেহৰুক নিমন্ত্ৰণ কৰিবলৈ শ্ৰীমানে বিচৰাত প্ৰিন্সিপাল সতীশচন্দ্ৰ ৰয়ে পোনতে সন্মত নহ'ল। শ্ৰীমানে শ্বিলঙলৈ গৈ প্ৰধানমন্ত্ৰী ছাৰ চাদুল্লাক লগ ধৰি সন্মতিপত্ৰ আনিছিল। আৰু নেহৰুজীক নিমন্ত্ৰণ কৰি কটন কলেজৰ ইউনিয়ন ছ'চাইটিৰ হৈ অভিনন্দনৰ পত্ৰ পাঠ কৰিছিল। লগতে কলেজৰ অধ্যক্ষ আৰু অধ্যাপকসকলকো নেহৰুজীৰ সান্নিধ্য আৰু ভাষণ শুনাৰ সুযোগ-সুবিধা কৰি দিছিল। নেহৰুৱে তেওঁৰ ভাষণত ঘুণাক্ষৰেও কোনো ৰাজনৈতিক কথা কোৱা নাছিল। শ্ৰীমানে তেওঁৰ ইউনিয়ন ছ'চাইটিৰ হৈ কোনো ৰাজনৈতিক কথা কোৱা নাছিল। শ্ৰীমানে তেওঁৰ ইউনিয়ন ছ'চাইটিৰ হৈ দিয়া অভিনন্দনখনত নেহৰুক ডিয়েৰ কমৰেড বুলি সম্বোধন কৰিছিল। এই সম্বোধনত নেহৰুৱে বৰ কৌতুক অনুভৱ কৰিছিল আৰু হাঁহি হাঁহি অভিনন্দনপত্ৰখন লৈ শ্ৰীমানক কৰমৰ্দন কৰিছিল। সেই সময়ত ভাৰতবৰ্ষত কোনো চৰকাৰী কলেজতে নেহৰুক কংগ্ৰেছ নেতা হোৱা বাবে ভাষণ দিবলৈ নিমন্ত্ৰণ কৰা নাছিল। ১৯৩৯ চনৰ কটন কলেজৰ মুখপত্ৰ কটনিয়ানত প্ৰিন্সিপাল এছ. চি. ৰয়ে তেওঁৰ ভাষণত শ্ৰীমান প্ৰফুল্ল গোস্বামীৰ বক্তৃতা কংগ্ৰেছ সভাপতি জৱাহৰলাল নেহৰুৰ দৰে তেজোদ্দীপক বুলি প্ৰশংসা কৰিছিল।

শ্ৰীমান গোস্বামীয়ে অসম বিধানসভাৰ সদস্য হৈ থাকোতে ১৯৫২ চনত এবাৰ বিষ্ণুৰাম মেধি ডাঙৰীয়াক এটি পোনপটীয়া প্ৰশ্ন সুধিছিল। শ্ৰীমানৰ প্ৰশ্নটো আছিল ভাৰত-পাকিস্তানৰ বিভাজনৰ সময়ত কোনবিলাক অসমীয়া মুছলমান কৰ্মচাৰী আৰু বিষয়াই পাকিস্তানত চাকৰি কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছিল তেওঁলোকৰ নামবোৰ জনাব লাগে। শ্ৰীমানৰ প্ৰশ্নত মুখ্যমন্ত্ৰী মেধিয়ে বিব্ৰতবোধ কৰি বিধানসভাৰ সময় উকলি যোৱাৰ পিছত শ্ৰীমানক ওচৰলৈ মাতি নি কৈছিল যে সেই নামবোৰৰ লিষ্টখন তেওঁৰ অফিচৰ টেবুলতে আছে আৰু চাব পাৰে।

শ্ৰীমানৰ কৰ্মজীৱন দুৰন্ত কৰ্মৰাজিৰে ভৰপূৰ আছিল। তেওঁ কেইবাবাৰো বিধানসভা আৰু ৰাজ্যসভালৈ নিৰ্বাচিত হৈছিল। তেওঁ অসম কংগ্ৰেছৰ সম্পাদক আৰু সভাপতিৰ পদো অলংকৃত কৰিছিল। স্মইন ইণ্ডিয়াত তেওঁ বছৰদিয়েক চেয়াৰমেনো আছিল। কিন্তু সকলো সময়তে তেওঁ তেওঁৰ নিকা ভাবমূৰ্তি অটুট ৰাখিছিল। সামান্যতম দুৰ্নীতিকো তেওঁ আসৈ দিয়া নাছিল। নিভাঁজ দেশপ্ৰেম তেওঁৰ শিৰা-উপশিৰাত প্ৰবাহিত আছিল। তেওঁ ভাৰতৰ স্বাধীনতা যুদ্ধত কেইবাবাৰো কাৰাবাস খাটিবলগা হৈছিল যদিও ভাৰত বা অসম চৰকাৰে যাচি দিয়া ৰাজনৈতিক পেঞ্চন গ্ৰহণ নকৰি বিৰল আদৰ্শ দাঙি ধৰিছিল।

১৯৬১ চনত ভাৰতৰ প্ৰধানমন্ত্ৰী পণ্ডিত নেহৰু অসমলৈ আহি গুৱাহাটীত বহা কংগ্ৰেছ কমিটীৰ সভাত অসমৰ ভাষা আন্দোলনৰ পৰিপ্ৰেক্ষিতত হোৱা কিছুমান হিংসাত্মক ঘটনাৰ বাবে কংগ্ৰেছ কৰ্মীসকলক জগৰীয়া কৰি ককৰ্থনা কৰিছিল। তেতিয়া শ্ৰীমান অসম কংগ্ৰেছৰ মুখ্য সম্পাদক আছিল। শ্ৰীমানে নেহৰুৰ বক্তৃতা শেষ হোৱাৰ লগে লগে থিয় হৈ ইংৰাজীত তীব্ৰ প্ৰতিবাদ কৰি কৈছিল-- আপুনি কলকাতাত লোকৰ কথা শুনি অসম কংগ্ৰেছৰ এই সংঘৰ্ষৰ বাবে অনাহকত জগৰীয়া কৰিছে। কিন্তু অসম কংগ্ৰেছৰ নেতা আৰু কৰ্মীসকলে নিজৰ জীৱন বিপন্ন কৰিও এই অশান্তি শাম কাটিবলৈ যত্ন কৰিছিল। মই আপোনাক প্ৰত্যাহ্বান জনাইছো - আপুনি যথাযথ অনুসন্ধান কৰক, কিন্তু তদন্ত নকৰাকৈ আমাক এনেদৰে নিন্দা নকৰিব। শ্ৰীমানৰ তেজোদ্দীপক প্ৰতিবাদত নেহৰু বাৰুকৈয়ে অপ্ৰস্তুত হৈছিল। আৰু কংগ্ৰেছ প্ৰতিনিধি দল এটিক তেওঁ শিলঙত লগ ধৰিবলৈ ক'লে। কংগ্ৰেছৰ ডেপুটেচন এটি গৈ নেহৰুক গভৰ্ণৰ হাউছত লগ ধৰিবলৈ ক'লে। শ্ৰীমানে পঞ্চাশ মিনিট ধৰি মৌখিক ভাষা আন্দোলনৰ সকলো দিশ সামৰি ইংৰাজীতে বৰ্ণনা কৰিলে। শেষত শ্ৰীমানে ক'লে-- মই ইংৰাজী ভাষাত দুৰ্বল, আপোনাক বুজাব পাৰিছো নে নাই নাজানো। শ্ৰীমানক পিঠিত চপৰিয়াই নেহৰুৱে ক'লে -- That's alright, I have understood you and the role of congress workers এইজনেই হ'ল নিৰ্ভীক শ্ৰীমান প্ৰফুল্ল গোস্বামী।

শ্ৰীমান এজন সুলেখকো। তেওঁ লিখা তাহানিৰ সেই দিনবোৰৰ অলপ স্মৃতি আৰু প্ৰবন্ধ সংকলন, জীৱন দৃষ্টিয়ে পাঠকক আকৰ্ষণ কৰিব পাৰিছে। শ্ৰীমান গোস্বামীয়ে ১৯৮০চনতে এটি ৰাজহুৱা বিবৃতি যোগে দলীয় ৰাজনীতিৰ পৰা অৱসৰ লৈছিল।

২০০১ চনত কটন কলেজৰ শতবাৰ্ষিকী উৎসৱত APPOCDS ফালৰ পৰা কটন কলেজ প্ৰাংগণত APPOCDS ৰ পতাকা উত্তোলন কৰিবলৈ শ্ৰীমানক প্ৰাক্তন office bearer হিচাপে নিমন্ত্ৰণ কৰা হৈছিল। এইটোৱেই হয়তো তেওঁৰ জীৱনৰ শেষ ৰাজহুৱা অনুষ্ঠান আছিল।

বৰ্তমান শ্ৰীমান শাৰীৰিক আৰু মানসিকভাৱে একেবাৰে অচল। স্মৃতিশক্তিও লোপ পাইছে। আজি পাঁচ বছৰমান আগতে তেওঁ এবাৰ অকলে পাণবজাৰলৈ যাওঁতে উভতি অহা

বাট পথ পাহৰি গ'ল। তেওঁ পাণবজাৰৰ আৰক্ষী চকীত সোমাই নিজৰ পৰিচয় দিয়াত পুলিচৰ গাড়ীয়ে তেওঁক ঘৰত থৈ গ'ল। শ্ৰীমান এতিয়া ৯৬ বছৰ চলি আছে। বৰ্তমান গুৱাহাটীবাসী শ্ৰীমানৰ সমবয়সী কেইজনমান বিখ্যাত ব্যক্তি হ'ল সাংবাদিক সতীশচন্দ্ৰ কাকতী (৯৩ বছৰ), প্ৰবল মেধা সমুজ্জ্বল কটন কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক কৰুণা দত্ত ছাৰ (৯২ বছৰ), অৱসৰপ্ৰাপ্ত জিলা জজ প্ৰাণপ্ৰাচুৰ্যৰে ভৰা ভোলাৰাম দাস (৯৪ বছৰ), নলবাৰী কলেজৰ প্ৰাক্তন অধ্যাপক তথা মঙলদৈ কলেজৰ ভূতপূৰ্ব প্ৰিঞ্চিপাল প্ৰবোধ গোস্বামী ৯১ বছৰ, ১০০ বছৰ পূৰ্ণ কৰিবলৈ আৰু মাত্ৰ তিনি মাহ বাকী থকা থাউৰা মৌজাৰ ভূতপূৰ্ব মৌজাদাৰ আৰু ১৯২৫ চনৰ পৰা ১৯২৯ চনলৈ কটন কলেজত পঢ়া প্ৰাক্তন কটনিয়ান আৰু শিক্ষাবিদ পুণ্যশ্লোক পূৰ্ণেশ্বৰ শৰ্মা।

বৰ্তমান চলনশক্তি ৰহিত শ্ৰীমান প্ৰফুল্ল গোস্বামীলৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনালোঁ। ●

*(ইং ২৫-০২-২০০৬ তাৰিখৰ 'অসমীয়া প্ৰতিদিন' কাকতত প্ৰকাশিত)*

# এটি বিৰল অভিজ্ঞতা

সেয়া আছিল ১৯২৫ চনৰ ডিচেম্বৰ মাহৰ কথা। কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ আৰু দেশভক্ত তৰুণৰাম ফুকনে পাণ্ডু কংগ্ৰেছ অধিবেশনৰ বাবে পুঁজি সংগ্ৰহৰ কামত তেতিয়াৰ মঙলদৈ মহকুমাৰ একমাত্ৰ ব্যৱসায় বাণিজ্যৰ কেন্দ্ৰ টংলা চহৰলৈ আহি মঙলদৈলৈ উভতি যাওঁতে তেখেতসকলৰ অহা ব্যক্তিগত কাৰখন আবেলিপৰত কলাইগাঁও পাওঁতে বাহনখনত বিজুতি ঘটিল। সেইদিনত টংলা-মঙলদৈৰ এই ২০ মাইল বাট কেঁচা আৰু ধূলিময় আছিল। আলিবাটৰ দুয়োপাৰে ঘন জংঘল আছিল আৰু বনৰীয়া হাতী, বাঘ, ভালুকেৰে ভৰা আছিল। বৰদলৈ আৰু ফুকনে উপায়হীন হৈ কলাইগাঁৱৰ আৰক্ষী থানাখনৰ কাষতে চৰকাৰী ডাক বঙলাটোতে নিশা যাপনৰ সিদ্ধান্ত ল'লে। তেতিয়া কলাইগাঁৱত ভাত বা চাহৰ হোটেল নাছিল। কলাইগাঁও ৰাহজ চক্ৰৰ উপপ্ৰতি সমাহৰ্তাজন আৰু থানাৰ ডাৰোগাজনো আছিল অনা-অসমীয়া আৰু ৰাজভক্ত বিষয়া। ডাক বঙলাৰ চকীদাৰজনৰ হতুৱাই ফুকন-বৰদলৈয়ে মাতি পঠিওৱাতো ৰাজৰোষৰ ভয়ত তেওঁলোক নাহিল। স্থানীয় প্ৰতাপী মৌজাদাৰ মাধৱ শৰ্মায়ো একে পন্থাকে ল'লে। ফুকন আৰু বৰদলৈৰ বাবে নিশাৰ ভাতসাঁজৰ সমস্যা আহি পৰিল।

মোৰ পিতা প্ৰয়াত অন্নদাৰাম ডেকাই কলাইগাঁও থানাৰ দক্ষিণ সীমাত ২৪ বিঘা মাটি নোৰা নদী চাহ বাগিচাৰ শেষ ইংৰাজ পৰিচালক উদ্ধক্ চাহাবৰ পৰা পট্টন লৈ অটব্য জংঘল ভাঙি ১৯২৪ চনৰ পৰা বসতি কৰি আছিল। তেতিয়া তেখেত সদ্য বিবাহিত চফল ডেকা। লোকেল বৰ্ড আৰু গড়কাপ্তানী বিভাগৰ তেখেত পঞ্জীয়নভুক্ত দ্বিতীয়জন অসমীয়া ঠিকাদাৰ আছিল যদিও আৰ্থিকভাৱে দুৰ্বল আছিল। ফুকন তেতিয়া গোটেই অসমতে এজন কিংবদন্তি

পুৰুষ হিচাপে জনাজাত আছিল। পিতাই তেখেতসকল ডাক বঙলাত থিতাপি লোৱা বুলি গম পাই সন্ধিয়া পৰত দেখা কৰিবলৈ গ'ল। ডাক বঙলাৰ চকীদাৰজনৰ পৰা তেখেতসকলৰ খোৱা-বোৱাৰ দুৰৱস্থাৰ কথা গম পালে। পিতাই তেখেতসকলক নিজৰ পৰিচয় দি নিশাৰ ভাত সাজ খাবলৈ নিমন্ত্ৰণ জনালে। তেখেতসকলে এই নিমন্ত্ৰণ সাদৰেৰে গ্ৰহণ কৰিলে। নিশা ভোজনৰ অন্তত ভাতসাঁজৰ বাবে পিতাক কৃতজ্ঞতা জ্ঞাপন কৰি তৰুণ ফুকনে ক'লে, "তুমি কেতিয়াবা গুৰুতৰ মামলা মোকৰ্দমাত জড়িত হ'লে মোৰ ওচৰলৈ আহিবা আৰু আজিৰ দিনটোৰ কথা সোঁৱৰাই দিবা। মই তোমাক বিনা ফিজে সহায় কৰিম। কিন্তু মনত ৰাখিবা। ফৰিয়াদী হৈ তুমি নাহিবা আচামী হিচাপেহে আহিবা। দেউতাই পাণ্ডু কংগ্ৰেছৰ বাবে নগদ ১০ টকা অৰিহণা আগবঢ়ালে। পিতাই গদ গদ হৈ ক'লে— মোৰ পঁজাঘৰত আপোনালোক দুজনৰ উপস্থিতিয়ে ভক্তবিদুৰৰ ঘৰত ভগৱান কৃষ্ণৰ আৱিৰ্ভাৱৰ কথা সোঁৱৰাই দিছে।

অসমৰ দুজন দেশপ্ৰেমিক প্ৰখ্যাত ৰাজনৈতিক নেতাক নিজ বাসস্থানত আপ্যায়ন কৰাৰ মধুৰ স্মৃতি মোৰ পিতাই জীৱনৰ অন্তিম কাললৈ সোঁৱৰণ কৰি অপাৰ আনন্দ লাভ কৰা দেখিছিলো। ●

*(ইং ২৭-০২-২০০৬ তাৰিখৰ 'আমাৰ অসম' কাকতত প্ৰকাশিত)*

# গোপীনাথ বৰদলৈ

মই যেতিয়া নগাঁৱত ই এ চি হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিলো। চনটো আছিল বোধকৰো ১৯৮০। ঘটনাক্ৰমে মই এজন অনন্য ব্যক্তিৰ সাহচৰ্য লাভ কৰি আশিসধন্য হৈছিলো। তেখেত আছিল নগাঁও চহৰৰ আমোলাপট্টিৰ নিজা ঘৰত অৱসৰ যাপন কৰি থকা অৱসৰপ্ৰাপ্ত জিলা ন্যায়াধীশ জজ উমা গোহাঁই। তেখেত তেতিয়া অশীতিপৰ। অতি নিৰ্জু স্বভাৱৰ তেজগোৰা সুন্দৰ আকৃতিৰ বিনয়ী আৰু মনে-প্ৰাণে এজন ভদ্ৰলোক। তেখেতৰ দেউতাক মৌজাদাৰ আছিল বুলি মোক কৈছিল। দেউতাকৰ দিনৰ ক্ষুদ্ৰাকৃতিৰ দুমহলীয়া টিনৰ চালৰ ঘৰটো সমগ্ৰ জিলাখনৰে দ্বিতীয়টো টিনৰ ঘৰ আছিল বুলি কথা প্ৰসংগত তেখেতে মোৰ আগত ব্যক্ত কৰিছিল। প্ৰথমটো টিনপাতৰ ঘৰ সাজিছিল ১৯ শতিকাৰ আশীৰ দশকত। গোলাঘাটৰ পৰা উঠি আহি নগাঁও চহৰত থিতাপি লোৱা সংগতি সম্পন্ন অসমীয়া মুছলমান সম্প্ৰদায়ৰ ব্যৱসায়ী মন্ধন শইকীয়া তেখেতৰ এখন চাহ বাগানো আছিল। তেখেতে নগাঁও চহৰত সজা টিনপাতৰ ঘৰটো চাবলৈ হেনো দূৰ-দূৰণিৰ পৰা গাঁৱৰ মানুহ আহিছিল। পদ্মনাথ গোহাঞিবৰুৱাই লিখা তেখেতৰ আত্মজীৱনীখনত শইকীয়াৰ বদান্যতাৰ কথা উল্লেখ কৰিছে। এসময়ত নগাঁও চহৰত ওচৰা উচৰিকৈ দুঘৰ গোহাঁই আছিল। আনজন হ'ল উমানাথ গোহাঁই কটন কলেজৰ প্ৰথম খেপৰ ছাত্ৰ আৰু স্বনামধন্য কৃষ্ণকান্ত সন্দিকৈৰ শহুৰেক।

উমা গোহাঁয়ে ১৯০৮ চনত এন্ট্ৰেন্স পৰীক্ষা পাছ কৰি কটন কলেজত আই এ পঢ়িছিল। গোপীনাথ বৰদলৈয়ে ১৯০৭ চনত এন্ট্ৰেন্স পাছ কৰি কটন কলেজত আই এ পঢ়িছিল। এদিন হেনো গোহাঁই কটন কলেজৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ থাকোতে কটনৰ সংস্কৃত বিভাগৰ বিখ্যাত প্ৰফেছৰ পদ্মনাথ বিদ্যাবিনোদে কৈছিল যে তেখেতে লগ পোৱা ছাত্ৰসকলৰ ভিতৰত গোপীনাথ বৰদলৈৰ দৰে প্ৰবল স্মৃতিশক্তিৰ অধিকাৰী দ্বিতীয় এজন ছাত্ৰ লগ পোৱা নাই।

কলিকতাত গোহাঁয়ে বি এ পঢ়ি থাকোতে বৰদলৈ এম.এ ক্লাছৰ ইতিহাসৰ ছাত্ৰ আছিল। বৰদলৈয়ে এম এ ফাইনেল পৰীক্ষাৰ আগে আগে এদিন ফুকনক লগ কৰি বুৰঞ্জীবিদ ট্ৰেভেলিয়ান চাহাবে লিখা ভাৰত বুৰঞ্জীৰ খণ্ড দুটা গোহাঁয়ে পঢ়ি থকা স্কটিছ চাৰ্চ কলেজৰ লাইব্ৰেৰীৰ পৰা সংগ্ৰহ কৰি দিবলৈ অনুৰোধ কৰিলে কেইদিনমানৰ বাবে। তেতিয়া আগন্তুক এম. এ. ফাইনেল পৰীক্ষাৰ প্ৰথম পেপাৰ (Indian history) খনৰ বাবে ৪-৫ দিনমানহে বাকী আছিল। কিতাপখন কলেজৰ লাইব্ৰেৰীৰ (Reference section ) কিতাপ হোৱা বাবে কাকো ঘৰলৈ নিবলৈ নিদিয়ে। গোহাঁইক চাহাব প্ৰিন্সিপালজনে বৰ ভাল পাইছিল আৰু হোষ্টেলৰ মনিটৰ পাতিছিল। বৰদলৈয়ে ভাবিছিল যে গোহাঁয়ে অনুৰোধ কৰিলে (Reference section) কিতাপৰ খণ্ড দুটা গোহাঁইক নিবলৈ দিব। গোহাঁয়ে আচৰিত হৈ বৰদলৈক প্ৰশ্ন কৰিছিল যে পৰীক্ষালৈ ৫-৬ বাকী থকা দিনৰ ভিতৰত ভাৰত ইতিহাসৰ সেই বৃহৎ খণ্ড দুটা কেনেকৈ আয়ত্ত কৰিব পাৰিব। বৰদলৈয়ে ওপৰে ওপৰে চকু ফুৰাই মেনেজ কৰিব পাৰিব বুলি উত্তৰ দিলে। প্ৰিন্সিপাল চাহাবৰ অনুমতিক্ৰমে ভাৰত বুৰঞ্জীৰ খণ্ড দুটা লাইব্ৰেৰীৰ পৰা আনি বৰদলৈৰ হাতত তুলি দিলে। পৰীক্ষাৰ আগদিনা সন্ধিয়া গোহাঁয়ে বৰদলৈক হোষ্টেলত লগ কৰি পৰীক্ষাৰ বাবে শুভেচ্ছা জনালে। আৰু ট্ৰেভেলিয়ান চাহাবৰ বুৰঞ্জীৰ কথা সুধিলে। বৰদলৈয়ে হাঁহি মাৰি জনালে যে ইতিমধ্যে তেখেতৰ দুয়োটা খণ্ডৰ ওপৰত চকু ফুৰোৱা শেষ হ'ল। অদ্ভুত স্মৃতিশক্তিৰ অধিকাৰী বৰদলৈয়ে হেনো গোহাঁইক পিছত কৈছিল যে এম এ ফাইনেলত তেখেতে আটাইকেইখন পেপাৰৰ ভিতৰত ভাৰত বুৰঞ্জীখনত সৰ্বাধিক নম্বৰ পাইছিল। এম এ পৰীক্ষাত বৰদলৈয়ে দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰিছিল।

কলিকতাত পঢ়ি থকা কালত বৰদলৈয়ে হেনো পাঞ্জা খেলি বৰ ভাল পাইছিল। হোষ্টেলত গোহাঁইৰ লগতো পাঞ্জা খেলিছিল। গোহাঁয়ে মোৰ আগত কোৱা মতে সুন্দৰ স্বাস্থ্যৰ অধিকাৰী সুঠাম দেহৰ বৰদলৈৰ হাতৰ মুঠিত খুব জোৰ আছিল আৰু প্ৰতিপক্ষক হেলাৰঙে হৰুৱাইছিল। বৰদলৈয়ে প্ৰথমবাৰ প্ৰধানমন্ত্ৰী হোৱাৰ কালছোৱাত উমা গোহাঁই শিলচৰত ছাব জজ আছিল। আৰু অকলে পৰিদৰ্শন বঙলাৰ আছুতীয়া কোঠা এটাত থাকিবলৈ লৈছিল। গাত সামান্যও ভেম নথকা বৰদলৈ শিলচৰ ভ্ৰমণকালত গোহাঁইক তেখেতৰ ৰুমত লগ ধৰিছিল আৰু হাঁহি মাতি কথা কৈ বিগত দিনৰ পাঞ্জা খেলাৰ কথাৰে অতীত স্মৃতি ৰোমন্থন কৰিছিল।

১৯৩৭ চনত চাদুল্লা মন্ত্ৰীসভাৰ পতন ঘটাত গোপীনাথ বৰদলৈ প্ৰধান মন্ত্ৰী (মুখ্যমন্ত্ৰী) নিৰ্বাচিত হোৱাৰ পিছদিনাই গুৱাহাটীলৈ আহি উজান বজাৰত থকা তেওঁৰ ভায়েকৰ ঘৰত উঠিছিলহি। পিছদিনা পুৱা তেওঁক লগ পাবলৈ প্ৰবীণ সাংবাদিক সতীশচন্দ্ৰ কাকতী তেওঁৰ ড্ৰয়িংৰুমত বহি আছিল। হেন সময়তে আহে কটন কলেজৰ বুৰঞ্জী বিভাগৰ লিজেণ্ডাৰী অধ্যাপক ভুবনমোহন সেন। প্ৰফেছৰ সেন অহা বুলি শুনি বৰদলৈয়ে খৰখেদাকৈ ভিতৰৰ

পৰা ওলাই আহিল। প্ৰফেছৰ সেনে বৰদলৈক ইংৰাজীতে গল্‌গলীয়া মাতেৰে ক'লে– 'Mr Bardoloi, I am not going to congratulate you. It is Rather you to congratulate me' বৰদলৈয়ে খোলা হাঁহি মাৰি সাবট মাৰি ধৰি সেনক আলিংগন কৰিলে। সতীশ কাকতীয়ে মোক কোৱা মতে সেন ছাৰৰ কথাৰ তাৎপৰ্য হ'ল– এসময়ত কটন কলেজৰ বুৰঞ্জী বিভাগৰ প্ৰবক্তাৰ পোষ্ট এটাৰ বাবে উভয়ে প্ৰাৰ্থী আছিল। সেন ছাৰে বুৰঞ্জী বিষয়ত প্ৰথম শ্ৰেণী পাইছিল বাবে কামটো পালে। সেন নথকা হ'লে বৰদলৈয়ে পোষ্টটো পালেহেঁতেন আৰু বিদ্যোৎসাহী বৰদলৈয়ে আজীৱন হয়তো শিক্ষা বিভাগতে কটালেহেঁতেন আৰু ৰাজনীতিৰ খেলপথাৰত নামি মুখ্যমন্ত্ৰীও নহ'লহেঁতেন। সেয়ে কোৱা হয়– "কালস্য কুটীলা গতি"। ●

*(ইং ০৯-০৮-২০০৭ তাৰিখৰ 'আমাৰ অসম' কাকতত প্ৰকাশিত)*

# তাৰিণীকান্ত ভট্টাচাৰ্য ছাৰৰ সোঁৱৰণত

পঞ্চাশ আৰু ষাঠিৰ ৰ দশকৰ কটন কলেজৰ ইংৰাজী বিভাগৰ বিখ্যাত অধ্যাপক প্ৰয়াত তাৰিণীকান্ত ভট্টৰ জন্ম হৈছিল নলবাৰীৰ ভানুকুছি গাঁৱত। ১৯১৮ চনত আৰম্ভণিৰে পৰা ভট্ট ছাৰে মেধাৱী ছাত্ৰ হিচাপে খ্যাতি লভিছিল। ছাৰে নলবাৰী চহৰৰ গৰ্ডন হাইস্কুলত পঢ়োতে কোনো ছাত্ৰাবাস নথকাত স্কুলখনৰ পৰা নাতিদূৰৈত অৱস্থিত পুণ্যাশ্ৰমত থাকি পঢ়া-শুনা কৰিছিল। পুণ্যাশ্ৰমখন শিক্ষক শ্ৰীকান্ত দেউ আৰু ডঃ কালীনাথ শৰ্মা ছাৰৰ দেউতাক পুণ্য শ্লোক পণ্ডিত লক্ষীনাথ শৰ্মা আচাৰ্যৰ দৰে আছিল আৰু তেওঁলোকে গুৰুকুলৰ দৰে পুণ্যাশ্ৰমখন স্থাপন কৰিছিল। তাত এখন সংস্কৃত টোলো আছিল। এনেকুৱা এটা সুন্দৰ আৰু আধ্যাত্মিক পৰিৱেশত থাকি ভট্ট ছাৰে নিজৰ ভৱিষ্যৎ জীৱন গঢ়াৰ সমল গোটাইছিল। ভট্ট ছাৰতকৈ ১বছৰ জুনিয়ৰ প্ৰখ্যাত ৰাজনীতিবিদ প্ৰয়াত গৌৰীশংকৰ ভট্টও এসময়ত গৰ্ডন হাইস্কুলত পঢ়োতে এই পুণ্যাশ্ৰমত থাকিয়েই পঢ়িছিল। ভট্ট ছাৰৰ লগত একে শ্ৰেণীতে পঢ়িছিল ভূতপূৰ্ব শিক্ষাবিদ প্ৰয়াত উমাকান্ত শৰ্মা আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়ধীশ বাহাৰুল ইছলাম। উমা শৰ্মা ছাৰে চামতা এম. ই. স্কুলৰ পৰা এম. ই. পৰীক্ষাত অসমৰ ভিতৰতে প্ৰথম হৈ একমাত্ৰ বৃত্তিটো লাভ কৰিছিল। সেই সময়ত কেইবাজনো কৃতী শিক্ষকে গৰ্ডন হাইস্কুলত শিক্ষকতা কৰি সুনাম আৰ্জিছিল। প্ৰধান শিক্ষক মণিৰাম দাসৰ উপৰি জয়দেৱ শৰ্মা আৰু ভৃগুপতি দত্ত ছাৰ আছিল। মণিৰাম দাসৰ ইংৰাজী শিক্ষা প্ৰণালী আছিল অপূৰ্ব। ইংৰাজী নেচাফিল্ড গ্ৰামাৰখন আছিল তেওঁৰ কণ্ঠস্থ। ভৃগুপতি দত্ত ছাৰে ইংৰাজী নাটক পঢ়ুৱাওতে স্থান কাল পাত্ৰ পাহৰি গৈছিল। ১৯৩৪ চনৰ মেট্ৰিক পৰীক্ষাৰ ফলাফল ওলাল। চাৰিজন ছাত্ৰই প্ৰথম বিভাগ পোৱাৰ উপৰি প্ৰতিযোগিতামূলক বৃত্তি লাভ কৰি গৰ্ডন হাইস্কুললৈ সুনাম কঢ়িয়াই আনিছিল। এই সকলৰ ভিতৰত প্ৰবল মেধা সমুজ্জ্বল ভট্ট ছাৰে চাৰিটা বিষয়ত লেটাৰ পাইছিল। ভট্ট ছাৰে ১৯৩৬ চনত কটন কলেজৰ পৰা প্ৰথম বিভাগত আইএছচি পাছ কৰি ইংৰাজী বিষয়ত অনাৰ্চ লৈ ১৯৩৮ চনত সুখ্যাতিৰে স্নাতক হয়। সেই সময়ত ইংৰাজী বিষয়ৰ কিম্বদন্তীস্বৰূপ অধ্যাপক পি. চি. ৰয়ৰ মৰমৰ ছাত্ৰ আছিল ভট্ট ছাৰ। ভট্ট ছাৰে স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছত কলকাতা বিশ্ববিদ্যালয়ত ইংৰাজীত এম এ পঢ়িছিল। মোক এবাৰ কথা প্ৰসংগত কৈছিল যে তেওঁ কলকাতাত এম এ পঢ়োতে কলকাতাৰ বিখ্যাত প্ৰেছিডেন্সি কলেজৰ ইংৰাজী ভাষাৰ সৰ্বকালৰ বিখ্যাত অধ্যাপক প্ৰফুল ঘোষৰ শ্বেইক্সপীয়েৰৰ বিষয়ে দিয়া বক্তৃতা শুনি অভিভূত হৈছিল। ঘোষ ছাৰ ১৯৪৮ চনৰ পৰা Emeritus Professor হিচাপে নিযুক্ত হৈছিল।

মই মঙলদৈ চৰকাৰী হাইস্কুলৰ পৰা পঞ্চাশ দশকৰ প্ৰায় আদি ভাগত কটন কলেজত ভৰ্তি হৈছিলো। মই মোৰ কলেজীয়া জীৱনৰ প্ৰায় আৰম্ভণিৰে পৰা ভট্ট ছাৰৰ ব্যক্তিগত সান্নিধ্যলৈ আহিবলৈ সুযোগ পাইছিলো। তেতিয়া তেওঁ আমাক ইংৰাজী কবিতা পঢ়াইছিল। তেওঁৰ ক্লাছত দিয়া বক্তৃতাবোৰ আছিল নাটকীয়। মই বিস্ময় বিমুগ্ধ হৈ তেওঁৰ পাঠদানৰ ৰস আস্বাদন কৰিছিলো। আমি মঙলদৈ হাইস্কুলত পঢ়োতে ওপৰৰ শ্ৰেণীবোৰত ইংৰাজী পঢ়ুৱাইছিল। প্ৰখ্যাত শিক্ষক দীননাথ চহৰীয়া ছাৰে। তেওঁ আছিল প্ৰখৰ স্মৃতিশক্তিৰ অধিকাৰী। ইংৰাজী ভাষাৰ উপৰি সংস্কৃত আৰু অসমীয়া ভাষাত ব্যুৎপত্তি আছিল। আমাক পঢ়ুওৱা এই তিনিওটা ভাষাৰে ক'টেচনবোৰ দি পাঠ বুজাত ৰসাল আৰু সহজ কৰি তুলিছিল। ভট্ট ছাৰক আমি লাভ কৰাত চহৰীয়া ছাৰকে পুনৰ পোৱা যেন লাগিছিল। পঞ্চাশৰ দশকত উপৰি ইংৰাজী বিভাগত কেইবাজনো মেধা সমুজ্জ্বল অধ্যাপকে কলেজখনত বিদ্যায়তনিক দিশত সৌন্দৰ্য বঢ়াইছিল। তেওঁলোক আছিল দিগেন্দ্ৰ চন্দ্ৰ দত্ত, আনন্দেশ্বৰ শৰ্মা আৰু নৱকান্ত বৰুৱা।

কটন কলেজত মই ছাত্ৰ হিচাপে থাকোতে ভট্ট ছাৰৰ কেইবাটাও বিখ্যাত বক্তৃতা শুনাৰ সৌভাগ্য হৈছিল। ১৯৫২ চনৰ ভট্ট ছাৰৰ শিক্ষাগুৰু ডাঃ বাণীকান্ত কাকতিৰ মৃত্যুত কটন কলেজৰ নিউ আৰ্টছ বিল্ডিঙত হোৱা শোক সভাখনত ভট্ট ছাৰে অসমীয়া ভাষাত দিয়া আৱেগিক বক্তৃতা আৰু জৰ্জ বাৰ্ণাৰ্ড শ্ব'ৰ মৃত্যু উপলক্ষে চুড়মাৰ্চন হলত তেওঁ প্ৰদান কৰা আন এটা পাণ্ডিত্যপূৰ্ণ বক্তৃতা পঞ্চাশ ৰ দশকৰ মাজভাগত Cotton College English Literary Society ৰ দ্বাৰা অনুষ্ঠিত সভাখনতো। তেওঁৰ আন এটা ডাঙৰ গুণ আছিল— অতি গুৰু গম্ভীৰ কথাৰ মাজতো তেওঁৰ হাস্য ৰস সৃষ্টি কৰিব পৰা শক্তি। ১৯৫৭ চনত কলকাতাৰ বিখ্যাত ASL Club য়ে অনুষ্ঠিত কৰা মহাপুৰুষ শংকৰদেৱৰ আবিৰ্ভাৱ তিথি উপলক্ষে কলকাতাত দিয়া ভট্ট ছাৰৰ বক্তৃতা শুনাৰ সৌভাগ্য মোৰ হৈছিল। তেওঁৰ সেই বক্তৃতাৰ কথাবোৰ এতিয়াও 'মোৰ কাণত বাজি আছে।

১৯৭৩ চনত তেওঁ কটন কলেজৰ অধ্যক্ষ পদৰ পৰা অৱসৰ গ্ৰহণ কৰি ১৯৭৯ চনত ইহলীলা সম্বৰণ কৰে।

ভট্ট ছাৰ সাহিত্যৰ গতিপথ (১৯৬২ চন), শ্বেইক্সপীয়েৰ (১৯৭৫) আৰু ইব্‌ছেনৰ নাট্যপ্ৰতিভা আদি কেইবাখনো মৌলিক গ্ৰন্থৰ ৰচক আছিল। তেওঁ বহুতো বিখ্যাত গল্প ইংৰাজীৰ পৰা অসমীয়ালৈ ভাঙনি কৰিছিল। আজি ২ ছেপ্টেম্বৰৰ দিনা গুৱাহাটীৰ লক্ষ্মীৰাম বৰুৱা সদনত প্ৰয়াত তাৰিণীকান্ত ভট্টাচাৰ্য ছাৰৰ স্মৃতি দিৱস উপলক্ষে উন্মোচন কৰা সোঁৱৰণী গ্ৰন্থখনক উপলক্ষ কৰি ভট্ট ছাৰৰ এসময়ৰ গুণমুগ্ধ ছাত্ৰ হিচাপে এই প্ৰবন্ধটো যুগুত কৰা হ'ল। ●

*(ইং ০২-০৯-২০০৬ তাৰিখৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত)*

## কটন কলেজৰ ছেকেণ্ড মেছ

# এটি সোঁৱৰণ

অলপতে মহাসমাৰোহেৰে কটন কলেজৰ তাহানি ছেকেণ্ড মেছ নামেৰে জনাজাত আৰু নতুনকৈ নামকৰণ কৰা শ্বহীদ ৰঞ্জিৎ বৰপূজাৰী ছাত্ৰাৱাসৰ প্ৰি-চেন্টিনাৰী উৎসৱ পালন কৰা সংবাদ প্ৰচাৰ পত্ৰৰ মাধ্যমেৰে পৰা জনা গ'ল অসমৰ কিন্তু কোনো এখনো দৈনিক সংবাদ পত্ৰতে কোনো এজনো প্ৰাক্তন ছাত্ৰৰে স্মৃতিচাৰণ লিখিত আকাৰত প্ৰকাশ নোপোৱাত মই আচৰিত নহৈ নোৱাৰিলোঁ। তেনে ছাত্ৰসকলৰ অতীত ৰোমন্থন লিখিত আকাৰত প্ৰকাশ পোৱা হ'লে এটি সজ কাম হ'লহেঁতেন যে ধুৰূপ।

১৯১৩ চনত এই ছাত্ৰাৱাসটো গোৰাপট্টন হৈছিল, তেতিয়াৰ কটন কলেজৰ জয় জয় ময় ময় অৱস্থা। ছুডমাৰ্চন চাহাবৰ দৰে এজন অনন্য প্ৰশাসক আছিল এই কলেজৰ অধ্যক্ষ। ইংৰাজী ভাষাৰ অগ্ৰগণ্য প্ৰফেচৰ পি চি ৰয়ে ১৯১০ চনত কটন কলেজত যোগদান কৰে। বুৰঞ্জীৰ প্ৰখ্যাত প্ৰফেচৰে কটন কলেজত অঙ্ক বিষয়ত যোগদান কৰে, বুৰঞ্জীৰ প্ৰখ্যাত প্ৰফেছৰ ভু বন মোহন সেনে ১৯১১ চনত কটন কলেজত যোগদান কৰে। আন্তৰ্জাতিক খ্যাতিসম্পন্ন ব্ৰাউন চাহাবে অৰ্থনীতি বিষয়ত ১৯১৪ চনত কটন কলেজত যোগদান কৰিছিল। প্ৰতিভাৰ আকৰ ব্ৰাউন চাহাবৰ নিয়োগ পত্ৰখনত তেতিয়াৰ ভাৰত চৰকাৰৰ সচিবে চহী

পঞ্চাশৰ দশকৰ আদিছোৱাত আমি কটন কলেজত পঢ়ি থাকোতে কটন কলেজৰ আটাইবোৰ হোষ্টেলৰ ভিতৰতে ছেকেণ্ড মেছ জাকত জিলিকা আছিল। মই কটন কলেজত পঢ়া কালছোৱাত প্ৰথম দুবছৰ ১নং ছাত্ৰাৱাসৰ মেছ আৰু এতিয়াৰ আনন্দৰাম বৰুৱা ছাত্ৰাৱাসৰ বাসিন্দা আছিল। মেছৰ অধ্যক্ষ আছিল বহু বছৰ ধৰি প্ৰফেছাৰ দণ্ডেশ্বৰ গগৈ ছাৰ। তেখেত বৰ সহজ-সৰল আৰু ছাত্ৰ হিতৈষী ব্যক্তি আছিল। তেওঁ বৰ কৰ্মপটুও আছিল। কটন কলেজৰ ছ'চিয়েল ছাৰ্ভিচকে আদি কৰি বহু বিষয়ৰ দায়িত্বত থকা দেখিছিলো। ১৯৫২ চনত ডঃ হিৰণ্য ভূঞাই কটন কলেজৰ প্ৰিন্সিপালৰ দায়িত্ব ভাৰ গ্ৰহণ কৰিয়েই কটন কলেজৰ শৈক্ষিক দিশকে আৰম্ভ কৰি বহু বিষয়ত সংস্কাৰসাধনৰ কামত ৰত হৈছিল। এইবোৰ কামত প্ৰফেছৰ দণ্ডেশ্বৰ

গগৈ ছাৰ আৰু নুৰুল ইছলাম ছাৰ আছিল তেখেতৰ সৌহাতস্বৰূপ। পিছত হিৰণ্য ভূএগ্ৰা ছাৰ ডি. পি. আই. হিচাপে প্ৰমোচন পায়। উভয় ছাৰকে চৰকাৰৰ লগত যোগাযোগ কৰি ডেপুটি ডি.পি. আই. পদত অধিষ্ঠিত কৰিছিল। ইতিহাস বিভাগৰ মুৰব্বী প্ৰফেছৰ কৰুণা দত্ত ছাৰকো ডেপুটি ডি. পি. আই.পদত নিয়োগ কৰাত সহায় কৰিছিল। কৰুণা দত্ত ছাৰ অত্যন্ত মেধাৱী ছাত্ৰ আছিল আৰু বি. এ. অনাৰ্ছ আৰু এম.এ. পৰীক্ষাতো কলিকতা বিশ্ববিদ্যালয়ৰ ভিতৰত বুৰঞ্জী বিষয়ত প্ৰথম শ্ৰেণী লাভ কৰিছিল। মই দেখা মতে গগৈ ছাৰে ছেকেণ্ড মেছৰ উপৰি থাৰ্ড মেছৰো অধ্যক্ষ প্ৰফেছৰ আছিল। কিয়নো ১৯৪৮ চনৰে পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰেজিষ্ট্ৰাৰ প্ৰয়াত ফণী দত্ত ছাৰে কটন কলেজৰ থাৰ্ড মেছৰ অধ্যক্ষৰ বাসভৱনটোত নিগাজিকৈ থাকিবলৈ লোৱাত কটন কলেজৰ ৩ নং মেছত সুকীয়াকৈ অধ্যক্ষ নিয়োগ কৰাটো সাময়িকভাৱে বন্ধ আছিল আৰু এইবাবে ছাত্ৰসকলৰ মাজত অসন্তুষ্টি সৃষ্টি হৈছিল। পিছত ৰেজিষ্ট্ৰাৰৰ বাবে ওচৰতে সুকীয়াকৈ বাসভৱন নিৰ্মাণ হোৱাত কৰুণা দত্ত ছাৰ আৰু ৰজনীকান্ত শৰ্মা ছাৰ যথাক্ৰমে ৩নং ছাত্ৰাৱাসৰ অধ্যক্ষ হৈছিল। মই এই মেছৰ বাসিন্দা থাকোঁতে দুয়োগৰাকী অধ্যক্ষকে পোৱাৰ সুযোগ পাইছিলো। মই মঙ্গলদৈ হাইস্কুলৰ বিখ্যাত শিক্ষক দীননাথ চহৰীয়াৰ মুখে শুনিছিলো যে তেখেত কটন কলেজত পঢ়া কালছোৱাত (১৯২৪-২৮ চন) ৩নং ছাত্ৰাৱাসৰ ৪ নং ব্লকটোত সাধাৰণতে বৰপেটাৰ ফালৰ ছাত্ৰবোৰ সৰহকৈ আছিল আৰু হোষ্টেলত তেওঁলোকে খৰম পিন্ধিছিল। সেইবাবে আনবোৰ হোষ্টলৰ ছাত্ৰবোৰে ৰগৰ কৰি ৪ নং ব্লকটোক খৰমপাৰা বুলিছিল।

আমাৰ সময়ত অৰ্থাৎ ৫০ ৰ দশকত ছেকেণ্ড মেছত সাধাৰণতে মেধাৱী ছাত্ৰসকল থাকিবলৈ লৈছিল। উজনি অসমৰ ছাত্ৰবোৰে এই ছাত্ৰাৱাসটো পছন্দ কৰিছিল। মই লগ পোৱা দ্বিতীয় মেছৰ বাসিন্দাসকলৰ ভিতৰত আছিল ১৯৪৯ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত মেট্ৰিক পৰীক্ষাত প্ৰথম হোৱা সৰোজ ঘোষ। ধুবুৰীৰ ফালৰ সৰোজ ঘোষ সকলো বিষয়তে আগৰণুৱা আৰু অল ৰাউণ্ডাৰ আছিল আন আন ছাত্ৰবোৰে তেওঁক বৰ সমীহ কৰি চলিছিল। তেখেতে আই. এছ. চি. পৰীক্ষাতো গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰথম হৈ পিছত অসমৰ বাহিৰত ইঞ্জিনিয়াৰিং ডিগ্ৰী লৈ সেনা বিভাগত যোগদান কৰিছিল। তেখেত এতিয়া ক'ত আছে জানিব পৰা নগ'ল। ১৯৪৯ চনত মেট্ৰিক পৰীক্ষাত দ্বিতীয় স্থান লাভ কৰা আৰু বঙালী ল'ৰা হৈয়ো অসমীয়াত লেটাৰ আৰু সৰ্বোচ্চ নম্বৰ পোৱা শৈলেন শীলো ২ নং ছাত্ৰাৱাসৰ ২নং ব্লকত আছিল। তেখেতে কথাই কথাই ৰগৰ কৰিব পাৰিছিল আৰু অসম চৰকাৰৰ চীফ ইঞ্জিনিয়াৰ হৈ অৱসৰ পাই গুৱাহাটীৰ ৰিহাবাৰীত স্থানীয়ভাৱে থাকিবলৈ লৈছে। মই মাজে-সময়ে তেখেতক লগ পাওঁ আৰু এতিয়াও তেখেতৰ ক থা- বতৰাত হাঁহিৰ থুনপাক বৰ্তমান। ১৯৪৯ চনত মঙলদৈ হাইস্কুলৰ পৰা ৪ টা বিষয়ত লেটাৰ আৰু ষ্টাৰ নম্বৰ পোৱাৰ লগতে প্ৰতিযোগিতামূলক বৃত্তি লাভ কৰা মেধাৱী ছাত্ৰ, পৰলোক হোৱা সৰ্বানন্দ গোস্বামী দ্বিতীয় ছাত্ৰাৱাসত আছিল। সেই বছৰত মঙ্গলদৈ হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ সংস্কৃত বিষয়ত

লেটাৰ পোৱা ত্ৰৈলোক্য পাটোৱাৰী নামৰ ল'ৰাজন ছেকেণ্ড মেছত থাকিলেও ১৯৫০ চনত পোৱা নগ'ল। সেই সময়ৰে ছেকেণ্ড মেছত থকা আন এজন ছাত্ৰ হ'ল নগাঁৱৰ মুকুট শৰ্মা যিয়ে পিছত ৰাজনীতিত যোগদান কৰি মন্ত্ৰী পৰ্যন্ত হৈছিল। পিছৰ কালত উপাযুক্ত হোৱা প্ৰয়াত ভূপেন বৰুৱা ১৯৫১ চনৰ পৰা ১৯৫৫ চনলৈ কটন কলেজত পঢ়োতে এই মেছত আছিল।

১৯৫০ চনৰ মেট্ৰিক পৰীক্ষাত অতি সুখ্যাতিৰে উত্তীৰ্ণ হোৱা প্ৰবল মেধা সমুজ্জ্বল ধীৰেন শৰ্মাও ছেকেণ্ড মেছতে থাকিবলৈ লৈছিল। ১৯৫৪ চনৰ বি.এ.পৰীক্ষাত তেখেতে বহু বছৰ বিৰতিৰ পিছত অথনীতিৰ অনাৰ্ছত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈছিল। তেতিয়া প্ৰফেছৰ আশ্ৰফ আলী ছাৰ অৰ্থনীতি বিষয়ত কটন কলেজৰ মুখ্য অধ্যাপক আছিল। ছাৰে তেখেতৰ ছাত্ৰৰ অনন্য কৃতিত্বত অপাৰ আনন্দ লাভ কৰিছিল আৰু কমনৰুমত সমূহ প্ৰফেছৰকে চাহ জলপানেৰে আপ্যায়িত কৰা দেখিছিলো। কথা সাহিত্যিক প্ৰসিদ্ধ গল্পকাৰ আৰু ঔপন্যাসিক হোমেন বৰগোহাঞিয়ে ১৯৫০ চনত মেট্ৰিক পাছ কৰি ২ নং ছাত্ৰাবাসতে থাকিবলৈ লৈছিল। ধীৰেন শৰ্মা তেখেতৰ ৰুমমেট আছিল। ১৯৫২ চনৰ কটনিয়ান মেগাজিনখনত হোমেন বৰগোহাঞিয়ে লিখা এপিটাফ্ নামৰ বিখ্যাত গল্পটো প্ৰকাশ পোৱাত বেছ চাঞ্চল্যৰ সৃষ্টি হৈছিল। ভৱিষ্যতে তেখেত এজন বিখ্যাত গল্পকাৰ হোৱাৰ ইঙ্গিত এই গল্পটোত প্ৰকাশ পাইছিল। মই কৌতূহলেৰে লক্ষ্য কৰিছিলো যে হোষ্টেলৰ তেখেত দুজন থকা কোঠাটোত সততে তাচৰ অড্ডা জমিছিল আৰু গভীৰ ভাৱে পঢ়াৰ পৰিবেশ কমেই দেখা গৈছিল। তাচপাতৰ আড্ডাত সততে দেখা গৈছিল ২ নং মেছৰে আন এজন ছাত্ৰ প্ৰয়াত ভবেন ফুকন, যিয়ে পুলিচ বিভাগত যোগ দিছিল আৰু পুলিচৰ অধ্যক্ষও হৈছিল কিন্তু তেখেতৰ অকাল মৃত্যু হ'ল। ধীৰন শৰ্মায়ো (APSC) পৰীক্ষাত প্ৰথম স্থান অধিকাৰ কৰি ই.এ.চি. হৈছিল আৰু কলিকতাত ট্ৰেড এড্‌ভাইছৰ হৈ থাকোতে ছুইমিং পুলত সাঁতোৰোতে অকাল মৃত্যু হ'ল। হোমেন বৰগোহাঞিয়ে (APSC) পৰীক্ষাত (ACSII) পাই মাটিৰ হাকিম হৈছিল।

১৯৫২ চনৰ মেট্ৰিক পৰীক্ষাত ঈশ্বৰপ্ৰসন্ন হাজৰিকাই গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰথম স্থান অধিকাৰ কৰি কটন কলেজত (ASC) পঢ়োতে ছেকেণ্ড মেছৰ ২ নং ব্লকত আছিল। তাৰ আগৰ বছৰ মেট্ৰিক পৰীক্ষাত প্ৰথম হোৱা ৰাজেন বৰাদেৱে মোক কৈছিল যে হাজৰিকাই তেখেততকৈ মুঠ নম্বৰ বহুত বেছি পাইছিল। সেই বছৰতে মেট্ৰিক পৰীক্ষাত নগাঁও চৰকাৰী হাইস্কুলৰ পৰা ২য় স্থান লাভ কৰা প্ৰবল মেধাসম্পন্ন কবিন বৰা কটন কলেজত পঢ়োতে ছেকেণ্ড মেছৰ ২ নং ব্লকত আছিল কিন্তু পিছৰ বছৰ তেখেত ৰহস্যজনকভাৱে হোষ্টেলৰ পৰা অন্তৰ্ধান হ'ল। এতিয়ালৈকে তেখেতৰ কোনো শুংসূত্ৰ পোৱা নগ'ল। সাহিত্যত প্ৰবল ৰাপ থকা প্ৰতিভা অকালতে লোপ পালে। তেখেতৰ দেউতাক মহীচন্দ্ৰ বৰাই ১৯১৪ চনত হোৱা প্ৰৱেশিকা পৰীক্ষাত অসম উপত্যকাৰ ভিতৰত প্ৰথম স্থান লাভ কৰিছিল। ১৯৫২ চনৰ মেট্ৰিক পৰীক্ষাত ডিগবৈ হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত একাদশ স্থান লাভ কৰা প্ৰদীপ ভূঞা

ছেকেণ্ড মেছত থাকি কটন কলেজত অধ্যয়ন কৰিছিল। ওখ- পাখ আৰু সুন্দৰ দেহ গঠনেৰে তেখেত এজন উচ্চখাপৰ খেলুৱৈ আছিল আৰু বছৰেকীয়া প্ৰতিযোগিতাত কটন কলেজত এক নং স্থান লাভ কৰিছিল। তেখেত এজন ভাল তাৰ্কিকো আছিল। এতিয়া তেখেত এজন প্ৰতিষ্ঠিত ব্যৱসায়ী। এতিয়াৰ কবি-সাহিত্যিক প্ৰফেছৰ হীৰেন দত্তয়ো ১৯৫২ চনত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজত পঢ়োতে ছেকেণ্ড মেছত ২ নং ব্লকত আছিল। ১৯৫৩ চনত মঙ্গলদৈ হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত দ্বিতীয় স্থান লাভ কৰা অৱসৰপ্ৰাপ্ত আই এ এছ বিষয়া বৰদা শৰ্মা কটনত পঢ়োতে ছেকেণ্ড মেছৰ ছাত্ৰ আছিল। ১৯৫৩ চনত নগাঁও কলেজৰ পৰা আই এ পৰীক্ষাত গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰথম স্থান লাভ কৰি স্বৰ্গীয় প্ৰফুল্ল মহন্তয়ো কটনত পঢ়োতে ছেকেণ্ড মেছৰ বাসিন্দা আছিল। একে বছৰতে অৱসৰপ্ৰাপ্ত সু সাহিত্যিক প্ৰফেচৰ প্ৰফুল্ল কটকীও যোৰহাট কলেজৰ পৰা পৰীক্ষা দি গুৱাহাটী বিশ্ববিদ্যালযৰ তৃতীয় স্থান লাভ কৰি কটনত পঢ়োতে ছেকেণ্ড মেছৰ ৩ নং ব্লকত থাকি বি. এ. পঢ়িছিল। তেখেতে বোধকৰো প্ৰৱেশিকা পৰীক্ষাতো ৭ম স্থান লাভ কৰিছিল। খুহুতীয়া কথাৰ ভঁৰাল এ. চি. এচ. বিষয়া ৰবীন কলিতা কটনত পঢ়োতে ১৯৫১ চনৰ পৰা ছেকেণ্ড মেছৰ ৩ নং ব্লকত আছিল। যোৰহাট কলেজৰ অধ্যক্ষ প্ৰয়াত মাণিক ফুকন আৰু ডিব্ৰুগড়ত ওকালতি কৰা প্ৰয়াত সূৰ্য ফুকনো ১৯৫১ চনৰ পৰা ১৯৫৫ চনলৈ কটনত পঢ়োতে ছেকেণ্ড মেছত থাকিছিল। পিছৰ কালত বিখ্যাত হোৱা গুৱাহাটী কমাৰ্চ কলেজৰ অধ্যক্ষ ভগৱান লহকৰো ১৯৫২ চনৰ পৰা ছেকেণ্ড মেছত আছিল। ছাত্ৰ হিচাপে তেখেত মজলীয়া ধৰণৰ ছাত্ৰ আছিল। ১৯৪৫ চনত কটন কলেজৰ ইউনিয়ন বোৰ্ডৰ এজন জ্যেষ্ঠ সদস্যৰ খামখেয়ালিৰ বাবে এটা দুখজনক ঘটনা ঘটিছিল। ওভটগোৰে নচা এই ছাত্ৰজনে এটা সাধাৰণ ঘটনাক কেন্দ্ৰ কৰি কটন কলেজৰ প্ৰিন্সিপাল নথকা অৱস্থাত তেখেতৰ কোঠাত হুলস্থূল কৰাত প্ৰত্যক্ষদৰ্শী ছেকেণ্ড মেছৰ ছাত্ৰ কিছুমান ক্ষুব্ধ হৈ অধ্যক্ষ হিৰণ্য ভূঞা ছাৰক গোচৰ দিলে। সন্ধিয়া সময়ত ভূঞা ছাৰ আহিলত ছেকেণ্ড মেছৰ অধ্যক্ষ দণ্ডেশ্বৰ গগৈৰ চৰকৰী বাসভৱনত বিচাৰ আৰম্ভ হ'ল। ধীৰেন শৰ্মাকে ধৰি কেতবোৰ ছাত্ৰই অকাট্য যুক্তি দাঙি ধৰি ইউনিয়ন বোৰ্ডৰ সদস্যজনক শাস্তি দিবলৈ দাবী কৰিলে। সদস্যজনৰ কাষৰ লাইট নুমুৱাই এজন যথেষ্ট শাৰীৰিক শক্তি থকা কটনিয়ানে সদস্যজনক ডিঙিত তীব্ৰজোৰে চেপি ধৰিলে। সদস্যজনে বিকট চিঞৰ মৰাত ভূতপূৰ্ব কটনিয়ানজন আঁতৰি গ'ল। ভূঞা ছাৰ এই ঘটনাত বিৰক্ত হৈ দুখেৰে মন্তব্য কৰিলে— আইনখন দেখোন তোমালোকেই নিজৰ হাতত ল'লা । গতিকে মোৰ প্ৰয়োজন কি? সিমানতে সকলো অন্ত পৰিল। ছেকেণ্ড মেছৰ ফ্ৰেছাৰ্ছ ছ'চিয়েলবোৰ বৰ আড়ম্বৰপূৰ্ণ আছিল। মোৰ মনত পৰা মতে ১৯৫৫ চনত তেনে এখন সভাত আমন্ত্ৰিত হৈ ডঃ সূৰ্যকুমাৰ ভূঞা ছাৰ অধ্যক্ষ, হেম বৰুৱা ছাৰ আৰু প্ৰখ্যাত বুৰঞ্জীবিদ প্ৰয়াত বেণুধৰ শৰ্মাকে মুখ্য কৰি হোষ্টেল ছুপাৰ প্ৰয়াত ডঃ প্ৰসন্ন গোস্বামী ছাৰো উপস্থিত আছিল। ডঃ ভূঞাই এটি বৰ ৰসাল আৰু সাৰুৱা বক্তৃতা দি শ্ৰোতাসকলক মোহিত কৰিছিল। তেখেতে ছাত্ৰসকলক মহাসাগৰত সময়ে সময়ে থুপ খাই

থকা প্ৰকাণ্ড ফেনাৰ লগতে তুলনা কৰি কৈছিল। মহাসাগৰৰ প্ৰচণ্ড ঢৌৱে একোটা বৃহৎ ফেনাক ভাঙি টুকুৰা টুকুৰ কৰি দি চৌদিশে সিঁচৰতি কৰি দিয়ে। পিছত পছোৱাই সেই সিঁচৰতি হোৱা ফেনাবোৰ পুনৰ একগোট কৰে। সেইদৰে ছাত্ৰসকলেও পঢ়াৰ অন্ত পৰিলে জীৱনৰ বাটত চৌদিশে সিঁচৰতি হৈ পৰিব। আকৌ কোনো ক্ষণত বিচ্ছিন্ন সাগৰ ফেনাৰ দৰে পুনৰ একগোট হ'ব। মোৰ এই সংক্ষিপ্ত লিখনিত পূৰ্বৰ ছেকেণ্ড মেছৰ পঞ্চাশৰ দশকৰ এটি আভাস দিয়াৰ চেষ্টা কৰা হৈছে, বহু কথাই পাহৰণিৰ গৰ্ভত লোপ পালে। আমাৰ সময়ত ফাৰ্ষ্ট মেছ ,ছেকেণ্ড মেছ আৰু থাৰ্ড মেছৰ ছাত্ৰসকল একেটা পৰিয়ালৰ দৰে বসবাস কৰিছিলো। আৰু বৰ মিলাপ্ৰীতি আছিল কিন্তু মোৰ স্মৃতিপটৰ পৰা মচ নোখোৱা গোটাদিয়েক কথাহে ইয়াত লিপিবদ্ধ কৰা হ'ল।

জয়তু ছেকেণ্ড মেছ।

*(‘আমাৰ অসম’ কাকতত প্ৰকাশিত, ২০০৪ চন)*

পণ্ডিত দীনেশ্বৰ শৰ্মাৰ

# কৰ্মময় জীৱন সোঁৱৰণ

১৮৯৪ চনৰ ৯ জুলাই তাৰিখে এইজনা ক্ষণজন্মা পুৰুষৰ দৰং জিলাৰ ছিপাঝাৰৰ সমীপৱৰ্তী ব্যাসপাৰা গাঁৱত জন্ম হয়। তেখেতৰ পিতাক স্বৰ্গীয় দেহিৰাম শৰ্মা এজন ঈশ্বৰভক্ত আৰু প্ৰসিদ্ধ ব্যাসৰ ওজা আছিল।

তেখেতৰ জন্ম চনটো ভাৰত বুৰঞ্জীত লেখত ল'বলগীয়া বছৰ। কিয়নো দৰং জিলাৰ পাথৰুঘাট নামৰ ঠাইত মাটিৰ খাজনা বৃদ্ধিৰ প্ৰতিবাদত খেতিয়কসকলে বৃটিছৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ কৰোতে পুলিচৰ গুলীত ১৪০ হিন্দু-মুছলমান কৃষক শ্বহীদ হৈছিল।

দীনেশ্বৰ শৰ্মা দেখিবলৈ সকলোৰে পৰা সুদৰ্শন পুৰুষ আছিল আৰু সহজে সকলোকে আকৰ্ষণ কৰিব পাৰিছিল। তেখেতে ১৯১০ চনত ছিপাঝাৰ ছাত্ৰবৃত্তি স্কুলৰ পৰা উত্তীৰ্ণ হৈ যোৰহাটৰ নৰ্মাল স্কুলত ভৰ্তি হৈ মাহে ৮ টকা বৃত্তি লাভ কৰিছিল। ঘৰৰ অৱস্থা আৰ্থিকভাৱে নিশকতীয়া আছিল বাবে তেখেতে বৃত্তিৰ সেই টকাখিনিকে সম্বল কৰি কষ্টেৰে চলিব লগাত পৰিছিল। অৱশ্যে তেতিয়া টকাৰ মূল্য খুব বেছি আছিল। এটকাত ২০ সেৰ চাউল পোৱা গৈছিল। নৰ্মাল স্কুলত পঢ়োতে সাহিত্যৰত্ন হৰিনাৰায়ণ দত্ত বৰুৱা তেখেতৰ সহপাঠী আছিল। সাহিত্য বিষয়ত তেখেতৰ ভাল ৰাপ থকা বাবে সেই সময়ৰ 'আসাম বান্ধৱ' নামৰ মাহেকীয়া আলোচনীখনত মাজে সময়ে প্ৰবন্ধ লিখি প্ৰকাশ কৰিছিল। ১৯১৪ চনত তেখেতে পোনে পোনে পথৰুঘাট এম. ভি. স্কুলত শিক্ষকৰ পদত মকৰল হৈ পিছত সেই স্কুলৰ হেডমাষ্টৰ হৈছিল।

১৯১৮ চনত তেখেতৰ পিতৃ বিয়োগ ঘটাত এটা বৃহৎ পৰিয়ালৰ ভাৰ তেখেতৰ ওপৰত পৰে। পিতাকৰ আদ্যশ্ৰাদ্ধত ব্ৰাহ্মণ পুৰোহিতজনে অহৈতুক ৪০ টকা ৰূপ দাবী কৰাত দিবলৈ অসমৰ্থ হোৱাত মন্ত্ৰ উচ্চাৰণ নকৰি তেখেতক কন্দুৱাই সদম্ভে গুচি গ'ল। বিদ্ৰোহী দীনেশ্বৰ শৰ্মাই নিজ সম্প্ৰদায়ৰে (দৈবিক ব্ৰাহ্মণ) পুৰোহিত নিযুক্ত কৰি এটা বিপ্লৱৰ সৃষ্টি কৰিছিল।

১৯১৯ চনত মণ্টেগু- চেমচ ফোৰ্ডৰ ওচৰত অসমক সুকীয়া প্ৰদেশৰ মৰ্যাদা দিবলৈ অসম এছোচিয়েচনৰ তৰফৰ পৰা এটা প্ৰতিনিধি দল বিলাতলৈ পঠোৱাৰ সিদ্ধান্ত লোৱাত দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মাই প্ৰতিনিধি দলটোৰ খৰচৰ বাবে গোটেই অসম ভ্ৰমণ কৰিছিল। তেখেত পথৰুঘাটলৈকো অহাত দীনেশ্বৰ শৰ্মাৰ সান্নিধ্যলৈ আহে। দেশৰ হকে কাম কৰাত কোনোজনেই কম নাছিল। দীনেশ্বৰ শৰ্মাই চন্দ্ৰনাথ শৰ্মাৰ লগত সমগ্ৰ মঙ্গলদৈ মহকুমা ভ্ৰমণ কৰিছিল আৰু অৰ্থ সংগ্ৰহ কৰিছিল। সেয়াই আছিল দীনেশ্বৰ শৰ্মাৰ ৰাজহুৱা জীৱনৰ প্ৰথম পদক্ষেপ।

১৯২০ চনত মহাত্মা গান্ধী গুৱাহাটীলৈ অহাত দীনেশ্বৰ শৰ্মাই এটা ছাত্ৰদল লগত লৈ মান্দাকাটা পাহাৰৰ মাজেৰে ২০ মাইল বাট খোজ কাঢ়ি গুৱাহাটীলৈ আহি মহাত্মাক দৰ্শন কৰিছিল। তেতিয়া মহাত্মাই দেশভক্ত তৰুণৰাম ফুকনৰ ভৰলুমুখত থকা বাসগৃহত আছিল। শৰ্মাই গান্ধীৰ বক্তৃতা শুনি নিজকে দেশৰ হকে উৎসৰ্গা কৰিবলৈ প্ৰেৰণা লাভ কৰিছিল। ১৯২০ চনত দীনেশ্বৰ শৰ্মাই স্কুলৰ চাকৰি ইস্তাফা দি দেশসেৱাত জঁপিয়াই পৰিছিল। কানি-ভাং আদি ৰাগিয়াল আৰু অনিষ্টকাৰী বস্তুবোৰ এৰিবলৈ ৰাইজৰ মাজত মিটিং কৰি বক্তৃতা দিবলৈ ধৰিলে। কানি মহলদাৰবোৰৰ জন-জাগৰণ দেখি প্ৰমাদ গণিবলৈ ধৰিলে। পণ্ডিত শৰ্মা চৰকাৰৰ ৰোষত পৰিল। চৰকাৰৰ আজ্ঞা অমান্য কৰাত তেখেতক এৰেষ্ট কৰি তেতিয়াৰ মহকুমাধিপতি এম. এল.মেহতা আই.চি.এছ. চাহাবৰ এজলাতে হাজিৰ কৰোৱা হ'ল। মেহতা চাহাবে তেখেতক তিনিমাহৰ সশ্ৰম কৰাদণ্ডৰে দণ্ডিত কৰি কাৰাগাৰালৈ নিক্ষেপ কৰিলো। কাল বিলম্ব নকৰি তেখেতক তেজপুৰৰ কাৰাগাৰলৈ চালান দিলে। পণ্ডিত দীনেশ্বৰ শৰ্মাই হ'ল ১৯২১ চনৰ মহাত্মা গান্ধীৰ আইন অমান্য আন্দোলনৰ পূৰ্ব মুহূৰ্তত স্বাধীনতা সংগ্ৰামৰ অসমৰ প্ৰথম জনা কাৰাবাসী আৰু অসম মাতৃৰ মুখ উজ্জ্বল কৰোতা।

এটা কথা উল্লেখ কৰা ভাল হব যে দীনেশ্বৰ শৰ্মাৰ নিচেই সৰুৰে পৰা ভগৱানৰ ওপৰত অটল বিশ্বাস আছিল আৰু সেই বাবেই তেখেতে তেখেতৰ জীৱনত সম্মুখীন হোৱা বহুতো অভাৱনীয় বিপদ-আপদতো ধৈৰ্য্য নেহেৰুৱাইছিল আৰু 'ভগৱতা যৎ বিধিয়তি তৎ মঙ্গলায়' বুলি ধৰি লৈছিল।

১৯২৬ চনত পাণ্ডুত বহা কংগ্ৰেছ অধিবেশনত তেখেতে যোগ দি সক্ৰিয় অংশ লৈছিল। তেখেতে পাণ্ডু কংগ্ৰেছত যোগ দিবলৈ আহি বাহৰ পাতি থকা মাজুলীৰ গড়মূৰ সত্ৰাধিকাৰ প্ৰভু পীতাম্বৰ দেৱ গোস্বামীক দৰ্শন কৰি বৰ আপ্লুত হৈছিল আৰু চা-চিনাকি

১৯৩৪ চনত পণ্ডিত দীনেশ্বৰ শৰ্মাই গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ স্বনামধন্য পীতাম্বৰ দেৱ গোস্বামী প্ৰভুক উত্তৰ গুৱাহাটীৰ পৰা পদব্ৰজে আৰু সুচল জাগাবোৰত হাতীত

আৰোহণ কৰাই ব্যাসপাৰালৈ আনি ব্যাসপাৰাৰ ওচৰৰ দেউৰাজ পুখুৰীপাৰত অস্পৃশ্যতা বৰ্জনৰ বিষয়ে অনুষ্ঠিত কৰা বিৰাট ৰাজহুৱা সভাত বক্তৃতা দিয়াইছিল আৰু নিজেও যথোপযোগী বক্তৃতা প্ৰদান কৰাইছিল। ইয়াৰ ফল হৈছিল সুদুৰপ্ৰসাৰী। তেতিয়াৰে পৰা সেই অঞ্চলৰ উচ্চবৰ্ণৰ হিন্দু সম্প্ৰদায়ৰ লোকসকলে দলিত সম্প্ৰদায়ৰ বুলি অৱহেলিত ডোম, চৰাল, বণিয়া আদি জাতিৰ লোকসকলে আগবঢ়োৱা পানী গ্ৰহণ কৰা হ'ল। এইদৰে দীনেশ্বৰ শৰ্মাই সমাজত এটা বিপ্লৱৰ সৃষ্টি কৰিছিল। এইদৰে সামাজিক বৈষম্যবোৰ দূৰ কৰাত তেখেতে দেহেকেহে খাটিছিল।

১৯৩০ চনৰ স্বাধীনতা আন্দোলনতো তেখেতে যোগ দিয়াত ছমাহৰ সশ্ৰম কাৰাদণ্ড আৰু এশ টকা জৰিমনাৰ হুকুম হৈছিল। কিন্তু জৰিমনাৰ ধন তেখেতে দিবলৈ মান্তি নোহোৱাত পুলিচে তেখেতৰ ঘৰ ক্ৰোক কৰি লাম্-লাকটু সোপাকে লৈ গ'ল। তেখেতৰ ঘৰখন এখন অস্থায়ী পুলিচ থানালৈ ৰূপান্তৰিত হৈছিল। গাঁওবাসীৰ ওপৰত চলিছিল পুলিচৰ অকথ্য অত্যাচাৰ।

দীনেশ্বৰ শৰ্মাদেৱে ঘৰুৱাভাৱে জ্যোতিষ শাস্ত্ৰ অধ্যয়ন কৰি জ্যোতিষৰ ওপৰত ব্যুৎপত্তি লাভ কৰিছিল কিন্তু জ্যোতিষীক তেখেতে অৰ্থকৰী বিদ্যা হিচাপে লোৱা নাছিল। এবাৰ তেখেতে কৰা ভৱিষ্যৎবাণী হুবহু ফলাত গড়মূৰৰ সত্ৰাধিকাৰ পিতাম্বৰ দেৱ গোস্বামীয়ে তেখেতক জ্যোতিষাচাৰ্য্য উপাধি প্ৰদান কৰিছিল। কিন্তু প্ৰচাৰবিমুখ দীনেশ্বৰ শৰ্মাদেৱে এই উপাধি তেখেতৰ নামৰ আগত ব্যৱহাৰ নকৰিছিল। তেখেতে জ্যোতিষৰ ওপৰত লিখা এখন মূল্যবান কিতাপ এতিয়াও হাতে লিখা অৱস্থাত আছে।

দীনেশ্বৰ শৰ্মাৰ অনুপম সৃষ্টি হ'ল 'মঙ্গলদৈৰ বুৰঞ্জী' নামৰ বিখ্যাত কিতাপখন। তেখেতে ১৯২০ চনৰ পৰাই ভাৰতৰ স্বাধীনতা আন্দোলনত প্ৰচাৰ সংগঠনৰ কামত তেতিয়াৰ সমগ্ৰ মঙ্গলদৈ মহকুমাত টাকুৰি ঘূৰাদি ঘূৰি থাকোতে বুৰঞ্জীৰ সমলবোৰ সংগ্ৰহ কৰিছিল। ইয়াৰ বাবে তেখেতে নিজৰ আৰ্থিক সচ্ছলতা নথকা অৱস্থাতো কঠোৰ পৰিশ্ৰম কৰিছিল আৰু এই দৰেই মঙ্গলদৈৰ বুৰঞ্জী লিখি উলিয়াইছিল। একে সময়তে পথৰুঘাটৰ কাহিনীও কিতাপ আকাৰে লিখি উলিয়াই ছপা কৰে। মঙ্গলদৈৰ বুৰঞ্জীখন ১৯৬১ চনত অসম প্ৰকাশন পৰিষদৰ আৰ্থিক সাহায্যৰে ছপা কৰে। এই বহুমূলীয়া কিতাপখনৰ ভূমিকা লিখে পদ্মশ্ৰী নলিনীবালা দেৱীয়ে। স্বৰুপাৰ্থত বৰ্তমানৰ দৰং জিলাৰ প্ৰাচীন আৰু মধ্যযুগৰ বিষয়ে থকা এইখন কিতাপ এখন মাইলৰ খুঁটি হিচাপে গণ্য কৰিব পাৰি। মঙ্গলদৈৰ সু-সন্তান দীনেশ্বৰ শৰ্মাদেৱৰ দ্বাৰাহে এই মহৎ কাম সু-সম্পন্ন হ'ল।

১৯৩৪ চনত মঙ্গলদৈ চহৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ অধিবেশনত তেখেতে এজন গুৰুত্বপূৰ্ণ বিষয়ববীয়া হিচাপে সৰু চহৰ মঙ্গলদৈত হোৱা বিয়াগোম সাহিত্য সভাখন সাফল্যমণ্ডিত কৰিবলৈ দেহেকেহে খাটিছিল। তেখেতে মুক্তি মন্ত্ৰ নামৰ নিজে

ৰচনা কৰা দেশপ্ৰেম মূলক এখনি ক্ষুদ্ৰ কবিতাৰ পুথি ছপা কৰি সভাত বিলাই দিছিল। মুক্তি মন্ত্ৰৰ ছত্ৰে ছত্ৰে তেখেতৰ স্বদেশপ্ৰেমৰ ধ্বনি-প্ৰতিধ্বনি শুনা যায়।

পণ্ডিত দীনেশ্বৰ শৰ্মা আছিল এজন নাট্যকাৰ, সুন্দৰ অভিনেতা, নাট পৰিচালক আৰু শ্ৰোতাৰ মন হৰণ কৰিব পৰা সু-বক্তা। তেখেতৰ অল্প প্ৰকাশিত কেইবাখনো হাতেলিখা নাটক হ'ল— বেউলা, শ্ৰীবৎস চিন্তা আৰু অজামিলৰ স্বৰ্গাৰোহণ। সু-অভিনেতা আৰু নাটক পৰিচালক হিচাবে তেখেতে খ্যাতি লভিছিল। যোৱা শতিকাৰ বিশৰ দশকত তেখেতে ব্যাসপাৰা গাঁৱৰ কেইজনমান নিষ্ঠাবান সহকৰ্মীৰ সহযোগত এটা যাত্ৰাদল আৰম্ভ কৰিছিল। সুন্দৰাকৃতিৰ মুখমণ্ডল আৰু দীৰ্ঘদেহী কিন্তু নিটোল দেহৰ অধিকাৰী শৰ্মাই নাটকীয় ভঙ্গীত দিয়া উদ্দীপ্ত ভাষণবোৰে শ্ৰোতাক বাৰুকৈয়ে আকৰ্ষণ কৰিব পাৰিছিল।

১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনতে তেখেতে সীমাহীন ঘৰুৱা লেঠাৰ বাবে সক্ৰিয় অংশ ল'ব পৰা নাছিল। তেখেতৰ পত্নী তেতিয়া ঘোৰ উন্মাদ, পৰিয়ালৰ লোকৰো হানি-বিঘিনি হৈছিল আৰু এটা বৃহৎ পৰিয়ালে ভৰণ-পোষণৰ বাবে তেখেতৰ মুখলৈ চাই আছিল। কিন্তু মঙ্গলদৈ চহৰৰ ওচৰতে থকা বিখ্যাত বৰবৰী কেম্পত তেখেতে সঘনে গৈ কেম্পত থকা অসমীয়া হিন্দু যুৱকসকলক উৎসাহিত কৰিছিল। যেতিয়া ভাৰত স্বাধীনতাৰ দুৱাৰডলিত ঠিক সেই সময়ছোৱাতে মঙ্গলদৈ চহৰৰ গাতে লগা ব্ৰহ্মপুত্ৰৰ বিশাল চাপৰি অঞ্চলৰ হেজাৰ হেজাৰ মৈমনসিঙীয়া পমুৱা সকলে 'লৰকে লেঙ্গে পাকিস্তান' ধ্বনি দি মৰণাস্ত্ৰ লৈ ৰাস্তাই-ঘাটে সমদল কৰি এক ত্ৰাসৰ সঞ্চাৰ সৃষ্টি কৰিছিল। যি কোনো মুহূৰ্ত্ততে পমুৱাবোৰে মঙ্গলদৈ চহৰকে ধৰি হিন্দুপ্ৰধান অঞ্চলবোৰত আক্ৰমণ চলাবলৈ সাজু হৈছিল। মঙ্গলদৈৰ বৰবৰী চাপৰিৰ কেম্পত 'মঙ্গলদৈ ৰক্ষা শিবিৰ' প্ৰতিষ্ঠা হ'ল। হাজাৰ হাজাৰ অসমীয়া যুৱকে সেই কেম্পত প্ৰতিৰক্ষাৰ বাবে প্ৰশিক্ষণ ললে। দেৱকান্ত বৰুৱা, হেম বৰুৱা, হৰেশ্বৰ গোস্বামীকে ধৰি উদীয়মান নেতাসকলে বৰবৰীলৈ গৈ ডেকাসকলক সাহস যোগাইছিল। ছছিয়েলিষ্ট পাৰ্টিৰ অন্যতম নেতা নীৰৱ কৰ্মী সুবোধ চন্দ্ৰ হাজৰিকাই এটা পিষ্টল দিয়াৰ কথা জনা যায়। দীনেশ শৰ্মা এজন উচ্চমানৰ সাংবাদিকো আছিল। তেখেতে ১৯৫০ চনত নিজৰ সম্পাদনাত 'জনমত' নামৰ উচ্চমানবিশিষ্ট এখন সাপ্তাহিক বাতৰি কাকত মঙ্গলদৈৰ পৰা প্ৰকাশ কৰিছিল।

১৯৪৭ চনত ভাৰত স্বাধীন হ'ল। কিন্তু তেখেতে কোনো বিষয়বাবৰ আকাংক্ষা নকৰি এজন প্ৰকৃত গান্ধীবাদীৰ দৰে গাঁও সংগঠনৰ কামত নিজকে নিয়োজিত কৰিছিল।

১৯৫২ চনত তেখেতে তদনীন্তন ৰাজ্যপাল জয়ৰাম দাস দৌলত ৰামৰ হতুৱাই পথৰুঘাটত ১৮৯৪ চনৰ কৃষক বিদ্ৰোহৰ শ্বহীদসকলৰ স্মৃতি স্তম্ভৰ আধাৰশিলা স্থাপন কৰাইছিল। সংগঠনৰ কামত তেখেতে সুখ্যাতি লভিছিল।

ভাৰত চৰকাৰে পণ্ডিত দীনেশ্বৰ শৰ্মাক প্ৰথম শ্ৰেণীৰ মুক্তি যুঁজাৰু হিচাপে তাম্ৰপাত্ৰ প্ৰদান কৰি সন্মান জনাইছিল। ১৯৭৫ চনত মঙ্গলদৈত বহা অসম সাহিত্য সভাৰ অধিবেশনত দীনেশ্বৰ শৰ্মাক তেখেতৰ সাহিত্য কৰ্মৰ বাবে সন্মানিত কৰি মান পত্ৰ প্ৰদান কৰিছিল।

পণ্ডিত দীনেশ্বৰ শৰ্মাৰ গাত শ্ৰীমদ্ভাগৱত গীতাৰ কৰ্মতত্বৰ বাস্তৱ প্ৰতিফলন হোৱা দেখা গৈছিল। তেখেতৰ জীৱন শৈলীৰ মাজত। তেখেতৰ তাত জীৱন বীক্ষা প্ৰজ্ঞাৰ সাধনা, কৰ্ম স্পৃহা আৰু ভক্তিপ্ৰাণ হৃদয় এখনৰ পৰিচয় পোৱা গৈছিল।

১৯৭৫ চনৰ ২৬ আগষ্ট তাৰিখে নীৰৱ কৰ্মী পণ্ডিত দীনেশ্বৰ শৰ্মা দেৱে নিজৰ জন্মভূমি ব্যাসপাৰা গাঁৱত ইহলীলা সম্বৰণ কৰে। এইদৰে এজন কবি, সাহিত্যিক, নাট্যকাৰ, সুদক্ষ অভিনেতা, বুৰঞ্জীবিদ, সাংবাদিক, সমাজ সংস্কাৰক আৰু ভাৰতৰত প্ৰথম শ্ৰেণীৰ মুক্তি যুঁজাৰুৰ জীৱননাটৰ পৰিসমাপ্তি ঘটিল। ●

*(পণ্ডিত দীনেশ্বৰ শৰ্মাৰ জন্ম তাৰিখ ৯ জুলাইত 'আমাৰ অসম'ত প্ৰকাশিত)*

# ড° ভূপেন হাজৰিকাৰ

# জীৱনী প্ৰসংগত বিক্ষিপ্ত চিন্তা

'আমাৰ অসম'ৰ ২৩ এপ্ৰিলত হোমেন বৰগোহাঞিৰ প্ৰথম কলমত 'এখন অলিখিত জীৱন চৰিত' পঢ়ি মোৰ মনটো ভাৰাক্ৰান্ত হৈ পৰিল। জীৱন কালতে জীৱন্ত কিংবদন্তি হৈ পৰা আৰু সহস্ৰজনৰ মন জয় কৰা সংগীত সাধক ভূপেন হাজৰিকাৰ এখন পূৰ্ণাংগ জীৱন চৰিত হিচাপে ইতিহাসত যে স্থান পালেহেঁতেন, ই ধ্ৰুৱপ। ড° হাজৰিকাৰ দৰে এজন ইমোশ্যনেল ব্যক্তিৰ এখন জীৱন চৰিত লিখাৰ বাবে আপুনি কৰা চেষ্টা যত্ন আৰু অধ্যৱসায়ৰ বাবে আপোনাক আমাৰ ফালৰ পৰা অন্তৰভৰা ধন্যবাদ জনালোঁ। হয়তোবা ভগৱানৰ তেনে অভিপ্ৰায় নাছিল বাবেই আপোনাৰ এই মহৎ চেষ্টাত যতি পৰিল। আমি এই বুলিয়েই সান্ত্বনা লওঁ যে "Mysterious are the ways of Providence"মোৰ মনটো সুদূৰ অতীতলৈ উৰা মাৰিলে। মই তেতিয়া ১৯৪১ চনত মঙ্গলদৈ টাউন প্ৰাইমাৰী স্কুলৰ প্ৰথম শ্ৰেণীৰ ছাত্ৰ আছিলো, এদিন ক্লাছ আৰম্ভ হোৱাৰ আগতে আমি পঢ়া শ্ৰেণীকোঠাটোৰ পিছফালৰ খিৰিকীখনেৰে কেইজনমান সহপাঠীয়ে ৰাস্তাটোলৈ কিবা চাই থকা দেখি ময়ো কৌতূহলবশতঃ চালুকীয়া মনটোক প্ৰবোধ দিবলৈ খিৰিকীখনেৰে বাহিৰলৈ চাই পঠিয়ালোঁ। লগত এজন সহপাঠীয়ে ক'লে যে সেয়া ভূপেন হাজৰিকা গৈ আছে। মই দেখিলোঁ যে ভূপেন হাজৰিকাই চাইকেল এখন ঠেলি ঠেলি আলিবাটেৰে গৈ আছে আৰু লগত দুজনমান তেখেতৰ সমনীয়া। মোৰ এতিয়া ভাব হৈছে যে কৈশোৰ কালতে ড° ভূপেন হাজৰিকাই সমাজত এখন স্বকীয় আসন ল'বলৈ সক্ষম হৈছিল। মই প্ৰথম দেখা সময়ত ভূপেন হাজৰিকা (১৯৪১চনত) প্ৰথম বা দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ আছিল যিহেতু তেখেতে ১৯৪০ চনত তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈছিল। চল্লিশৰ দশকৰ আদিভাগত ভূপেন হাজৰিকাৰ দেউতাক প্ৰয়াত নীল হাজৰিকা মঙলদৈত মাটি হাকিম হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেতিয়াৰ দিনত ক্ষুদ্ৰ মঙলদৈ চহৰখন মহকুমা সদৰ আছিল আৰু মাত্ৰ তিনিজন ৰাজপত্ৰিত বিষয়া আছিল আৰু তাৰে এজন আছিল নীল হাজৰিকা। হাজৰিকাদেৱ বৰ চৌখিন মানুহ আছিল আৰু তেখেতৰ এখন পুৰণা অষ্টিন কাৰ আছিল। তেতিয়াৰ দিনত মঙ্গলদৈ চহৰতএকমাত্ৰ তেখেতৰেই নিজা বাহন আছিল। হাজৰিকাদেৱৰ চতুৰ্থ পুত্ৰ নৃপেন প্ৰাইমাৰী স্কুলত পঢ়োতে আমাৰ সমসাময়িক আছিল আৰু সেই সৰুকালতে স্কুলত গান গাই সকলোকে আচৰিত কৰিছিল। হাজৰিকাদেৱৰ প্ৰথমা কন্যা কুইনী বাইদেউ আৰু তেখেতৰ তৃতীয় ককায়েক প্ৰবীণ হাজৰিকাই মই প্ৰাইমাৰী স্কুলত পঢ়া দিনতে মঙ্গলদৈৰ অসমীয়া থিয়েটাৰ হলত উৎসৱবোৰত নৃত্য-নাটিকা পৰিবেশন কৰি শ্ৰোতা-দৰ্শকৰ মন

মুহিব পাৰিছিল। পিছত শুনিবলৈ পাইছিলো যে নীল হাজৰিকাদেৱৰ ঘৰখনেই সাংস্কৃতিক দিশত বৰ আগবঢ়া আছিল। তেখেতে মঙ্গলদৈ হাইস্কুলত বাৰ্ষিক বঁটা বিতৰণী সভাবোৰত আখৈ ফুটা ইংৰাজীৰে বক্তৃতা দি শ্ৰোতাক স্তম্ভিত কৰা মই নিজে দেখিছিলো। নীল হাজৰিকাদেৱৰো এটি শিক্ষিত পৰিয়ালত জন্ম হৈছিল। তেখেতৰ দেউতাক উজনি অসমৰ এখন পুৰণি আৰু খ্যাতিমান নাজিৰা হাইস্কুলৰ সহকাৰী প্ৰধান শিক্ষক আছিল। ভূপেন হাজৰিকাদেৱৰ ককাকে নাজিৰা হাইস্কুল স্থাপনত গুৰি ধৰিছিল। মই কটন কলেজত পঢ়োতে বোধকৰোঁ ১৯৫২ চনত ভূপেন হাজৰিকা সস্ত্ৰীক আমেৰিকাৰ পৰা আহি গুৱাহাটীত উপস্থিত হৈছিল। তেখেতে তেতিয়া ড° ভূপেন হাজৰিকা হৈ আহিছিল। হাজৰিকাদেৱক তেতিয়া সেই সময়ৰ কাৰ্জন হল লাইব্ৰেৰীৰ সন্মুখৰ ঘাঁহনিডৰাত ৰাজহুৱাভাৱে অভ্যৰ্থনা জনোৱা হৈছিল। মোৰো সেই সভাখনত উপস্থিত থকাৰ সৌভাগ্য হৈছিল। মই কৌতুকেৰে লক্ষ্য কৰিছিলো যে সভাত বক্তৃতা দি থাকোঁতে জেপৰ পৰা একোটুকুৰা কাগজ উলিয়াই নিজে ৰচনা কৰা আৰু সুৰ দিয়া গানৰ কলি কিছুমান সুৰ লগাই গাই শ্ৰোতাক আনন্দ দিছিল। মোৰ জীৱনত সেয়াই আছিল বক্তাই বক্তৃতাৰ মাজে মাজে সুৰীয়া গান পৰিবেশন কৰাৰ দৃশ্য। এয়াই আছিল গুৱাহাটী মহানগৰীত ড° হাজৰিকাৰ সংগীত জগতত ধীৰ মধু জাগৰণ। ভূপেন হাজৰিকাই তেতিয়া চেনিকুঠীত এটা সৰু কিন্তু আটকধুনীয়া ভাৰাঘৰত তেখেতৰ পত্নী অভিজাত পেটেল পৰিয়ালৰ জীয়ৰীৰ লগত বাস কৰিছিল। মই এদিন মোৰ এজন বন্ধুৰ লগত সেই ঘৰটোলৈ হাজৰিকাদেৱক সাক্ষাৎ কৰিবলৈ গৈছিলো। চনটো বোধকৰো ১৯৫২ চন। তেতিয়াৰ দিনত তেখেতৰ সাক্ষাৎ লাভ কৰাটো একো দুঃসাধ্য নাছিল । দুৰ্ভাগ্যবশতঃ আমি তেখেতক লগ নাপালো যদিও তেখেতৰ সদ্যবিবাহিতা সুৰুচিপূৰ্ণ পত্নীয়ে আমাক আদৰ-আপ্যায়ন কৰিছিল। কথা প্ৰসংগত তেখেতে কৈছিল- ""It is very difficult to live with an artist।" মোৰ এতিয়াও মনত আছে যে তেখেতৰ এই অকপট স্বীকাৰোক্তিয়ে আমাক বৰ আচৰিত কৰি তুলিছিল । ইয়াৰ পিছত ১৯৫৩-৫৪ চনত কটন কলেজৰ পূৰ্বৰ এডমিনিষ্ট্ৰেটিভ বিল্ডিঙৰ পিছফালৰ মুকলি ঠাইডোখৰত সৰ্দৌ অসম আন্তঃকলেজ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। সেয়া আছিল কেইজনমান কটনিয়ানৰ নেৰানেপেৰা প্ৰচেষ্টাৰ ফল। সামৰণী উৎসৱত ভূপেন হাজৰিকাদেৱে স্বৰচিত আৰু নিজে সুৰ দিয়া 'বৰ বৰ মানুহৰ ডোলা' নামৰ কালজয়ী গীতটো পৰিবেশন কৰি শ্ৰোতাক মুগ্ধ কৰিছিল। মোৰ বোধেৰে এয়া আছিল ভূপেন হাজৰিকা অসমৰ সংগীত জগতত তেখেতৰ উত্তৰণ কাল । আমি তেতিয়া কটন কলেজৰ ছাত্ৰাবাসত ভূপেন হাজৰিকাৰ গানৰ কলিবোৰ গাই বৰ আপ্লুত হৈছিলো। ইয়াৰ পিছতে তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ত সমাবৰ্তন উৎসৱৰ উপলক্ষ্যে গোৱা আন এটি কালজয়ী গান আছিল 'জিলিকাব লুইতৰে পাৰ'। ষাঠিৰ দশকৰ আদিভাগত পাণবজাৰত থকা ভড়ালী ব্ৰাদাৰ্ছৰ এজন কাৰ্যাধ্যক্ষই মোৰ আগত এইদৰে মন্তব্য কৰিছিল 'আগতে অসমীয়া মানুহে অসমীয়া গান শুনিবলৈ টান পাইছিল।

কিন্তু ভূপেন হাজৰিকাৰ গানৰ ৰেকৰ্ডবোৰ ওলোৱাৰ পিছত অসমীয়া মানুহে আগ্ৰহেৰে অসমীয়া গান শুনা হ'ল '। ভড়ালীদেৱৰ এই মন্তব্যই মোৰ অন্তৰ চুই গৈছিল। ভূপেন হাজৰিকাদেৱৰ পিছৰ জীৱন কাল হ'ল A part of history এনে এজন পুৰুষৰ হোমেন বৰগোহাঞি দেৱৰ দৰে এজন দক্ষ লেখকৰ দ্বাৰা এখন পূৰ্ণাংগ জীৱনী ওলোৱাহেঁতেন তেখেতৰ গান শুনাৰ দৰে আগ্ৰহেৰে আসমীয়া মানুহে তেখেতৰ জীৱনীখন যে পঢ়িলেহেঁতেন তাত কোনো সন্দেহ নাই। এজন লোকৰ জীৱনী লিখিবলৈ গ'লে সেই ব্যক্তিজনৰ প্ৰতি লেখকৰ গভীৰ অনুৰাগ থাকিব লাগিব। ড° সূৰ্যকুমাৰ ভূঞাই মহাত্মা আনন্দৰাম বৰুৱাৰ এখন আপুৰুগীয়া জীৱনী লিখি সফল হোৱাৰ গুৰিতে আছিল ভূঞাদেৱৰ বৰুৱাদেৱৰ প্ৰতি থকা প্ৰগাঢ় শ্ৰদ্ধা-ভক্তি। প্ৰসিদ্ধ ইংৰাজ জীৱনীকাৰ বছৱেলৰো ড° জনচনৰ প্ৰতি থকা তেখেতৰ প্ৰবল অনুৰাগ। হোমেন বৰগোহাঞিদেৱৰো ড° হাজৰিকাদেৱৰ প্ৰতি থকা ঐকান্তিক টানে হয়তো জীৱনীখন লিখাটো Will goose chase ৰ দৰে হ'লহেঁতেন। তাতে আকৌ হাজৰিকাদেৱ হ'ল এজন আৱেগিক ব্যক্তি। কিন্তু বৰগোহাঞিদেৱ হ'ল ড° হাজৰিকাদেৱৰ মৰমৰ পাত্ৰ। গতিকে এখন পূৰ্ণাংগ জীৱনী প্ৰস্তুত কৰাত কৃতকাৰ্য নোহোৱাৰ কোনো কাৰণ নাছিল। ●

*(ইং ১১-০৫-২০০৮ তাৰিখৰ 'আমাৰ অসম' কাকতত প্ৰকাশিত)*

# ালিৰাম মেধি ঃ এটি স্মৰণীয় অধ্যায়

## লুইডৰ পৰা টেমছলৈ ২০০৫ চন

অসমৰ সাহিত্য গগনৰ এটি উজ্জ্বল শশধৰ সদৃশ ব্যক্তি কালিৰাম মেধি ডাঙৰীয়াই ১৯৩২ চনৰ পৰা ১৯৩৪ চনলৈ মঙ্গলদৈত মহকুমাধিপতি (Civil S.D.O) হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল আৰু জনপ্ৰিয় ৰাজবিষয়া হিচাপে প্ৰভূত খ্যাতি অৰ্জন কৰিছিল। তেতিয়াৰ পৰা তেখেত হৈ পৰিছিল এজন কিম্বদন্তী সদৃশ ব্যক্তি। ইয়াৰ আগতে সৰহভাগ মহকুমাধিপতিয়েই আছিল ইংৰাজ বা অনা-অসমীয়া ৰাজপুৰুষ। ইয়াৰ বহুকাল আগতে অসমৰ সিংহপুৰুষ গঙ্গাগোবিন্দ ফুকন অলপ দিনৰ বাবে মঙ্গলদৈত মহকুমাধিপতি আছিল। কবি দুৰ্গেশ্বৰ শৰ্মাও ১৯৩০ চনত মঙ্গলদৈত মহকুমাধিপতি আছিল। অৱশ্যে কালিৰাম মেধি ডাঙৰীয়া বিবিধ জনহিতকৰ কামৰ বাবে সকলোৰে প্ৰিয়পাত্ৰ হৈ পৰিছিল।

মোৰ জন্মস্থান মঙ্গলদৈ চহৰৰ পৰা নাতিদূৰৈত অৱস্থিত কলাইগাঁও ৰাজহ টাউনত। মই সাবালক হওতে মোৰ পিতাৰ মুখে শুনিছিলো যে মেধি ডাঙৰীয়াই ঘোঁৰাই টনা বাগীত উঠি কলাইগাঁও ৰাজহচক্ৰ পৰিদৰ্শনৰ বাবে আহি নিশা কলাইগাঁও ডাকবঙলাত কটাইছিল আৰু পিছদিনা গোটেই দিনটো ৰাজহচক্ৰৰ বিভিন্ন নথি-পত্ৰবোৰ তন্ন তন্নকৈ চাইছিল। তেখেতৰ পৰিদৰ্শন হেনো অত্যন্ত নিখুঁত আৰু পৰিপাটি আছিল। কোনো অসোঁৱাহ দেখা পালে তৎকালীনভাৱে ব্যৱস্থা লৈছিল। মই নিজে অম্বাগাঁৱৰ মৌজাদাৰ ৰবি চহৰীয়াৰ মুখত শুনিছিলো যে মেধি ডাঙৰীয়াই একেৰাহে ৮/১০ ঘণ্টা ধৰি মৌজা পৰিদৰ্শন কৰিছিল আৰু চিঠা জমাবন্দী আৰু তৌজিকে ধৰি ৰাজহ বিষয়ৰ যাৱতীয় নথি-পত্ৰ তন্নতন্নকৈ চাইছিল।

যোৱা শতিকাৰ চল্লিশৰ দশকৰ আদি ভাগত কলাইগাঁও ৰাজহচক্ৰত কাৰ্যনিৰ্বাহ কৰা আন এজন মাটি হাকিম প্ৰয়াত ললিচ চন্দ্ৰ বৈশ্য সাউদক মই দেখা ৰিণিকি মনত পৰে। তেখেত আছিল কুৰিৰ দশকৰ কটন কলেজৰ অত্যন্ত মেধাৱী ছাত্ৰ, প্ৰয়াত হৰকান্ত দাস আৰু খনীন্দ্ৰ চন্দ্ৰ বৰুৱাৰ সহপাঠী। বৈশ্য সাউদ তেজগোড়া সুদৰ্শন দীৰ্ঘাকৃতিৰ আৰু সাজে-পোছাকে সাইলাখ চাহাবৰ দৰে। পিতাৰ মুখে শুনিছিলো যে তেখেত চৰকাৰী কাম-কাজত অত্যন্ত নিখুঁত স্পষ্টবাদী, নিৰ্ভীক আৰু কড়া মেজাজৰ বিষয়া। তেখেতে দুৰ্নীতিক সমূলি প্ৰশ্ৰয় নিদিছিল।

১৯৩৪ চনত মঙ্গলদৈত পোন প্ৰথমবাৰ অসম সাহিত্য সভাৰ অধিবেশন অনুষ্ঠিত হৈছিল। সভাপতি আছিল ভাওনি কোঁৱৰ নামে খ্যাতি লাভ কৰা সু-সাহিত্যিক আনন্দচন্দ্ৰ আগৰৱালা দেৱ। মেধি ডাঙৰীয়া সেই সময়ত মহকুমাধিপতি থকাত তেখেতে সাহিত্য সভাখন সুচাৰুৰূপে সম্পন্ন কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। তাতে আকৌ তেখেত নিজে বিদ্যোৎসাহী আৰু সু-সাহিত্যিক আছিল। সভাপতি আগৰৱালা দেৱক তেখেতে নিজৰ চৰকাৰী বাসভৱনত ৰাখি আদৰ আপ্যায়ন কৰিছিল।

প্ৰয়াত বাঘ চিকাৰী আৰু মাটিৰ হাকিম ৰাজেন্দ্ৰলাল উজীৰে লিখা মোৰ চিকাৰ কাহিনী আৰু তেখেতৰ আত্মজীৱনীখনত কালিৰাম মেধি ডাঙৰীয়াৰ বাঘ চিকাৰত আগ্ৰহ আছিল বুলি জনা যায়।

মেধি ডাঙৰীয়া মাঙ্গলদৈত থকা কালত মঙ্গলদৈ চৰকাৰী হাইস্কুলৰ। হেড্‌মাষ্টৰ আছিল। কিম্বদন্তী সদৃশ বিখ্যাত ৰমণী ইংৰাজীত বৰ চোকা আছিল আৰু ১৯০৫ চনত কলিকতাৰ চিটি কলেজৰ পৰা সংস্কৃতত সোণৰ মেডেল লাভ কৰি বি. এ. পৰীক্ষাত উত্তীৰ্ণ হৈছিল। তেখেত সভাশুৱনি আৰু ব্যক্তিত্বসম্পন্ন পুৰুষ আছিল। বিখ্যাত নাট্যকাৰ আৰু বহুগুণী পুৰুষ ইন্দ্ৰেশ্বৰ বৰঠাকুৰ আছিল সহকাৰী হেডমাষ্টৰ। এই তিনিগৰাকী পুৰুষ মঙ্গলদৈত একেলগে তিথাপি লগাত মণিকাঞ্চনৰ সংযোগ হৈছিল। মেধি ডাঙৰীয়া মঙ্গলদৈ মহকুমাৰ একমাত্ৰ হাইস্কুল মঙ্গলদৈ হাইস্কুলৰ মেনেজিং কমিটিখনৰ পদেন সভাপতি আছিল আৰু তেখেতেই চৰকাৰৰ লগত বহুতো লিখা লিখি কৰি মঙ্গলদৈ হাইস্কুলখন পূৰ্বৰ স্থানৰ পৰা বৰ্তমানৰ স্থানলৈ স্থানান্তৰিত কৰিছিল। ফলত মঙ্গলদৈ হাইস্কুলখনৰ গাতে লগা এখন সুন্দৰ ফুটবল ফিল্ড লাভ কৰিছিল। য'ত স্কুল টুৰ্ণামেন্টকে ধৰি বিভিন্ন খেলা-ধূলা অনুষ্ঠিত হোৱাত সহায় হৈছিল। ফলত মেধি ডাঙৰীয়াৰ জনপ্ৰিয়তা বৃদ্ধি হৈছিল। মেধি ডাঙৰীয়া মঙ্গলদৈত থাকোতে পুৰণি পুথি-পাঁজিৰ সন্ধান আৰু উদ্ধাৰত মনপুতি লাগিছিল। তেখেত কামৰূপ অনুসন্ধান সমিতিৰ এজন পৃষ্ঠাপোষক আছিল। মেধি ডাঙৰীয়াৰ এই কাৰ্যত সহায়-সহযোগ আগবঢ়াইছিল প্ৰসিদ্ধ প্ৰত্নতত্ত্ববিদ সৰ্বেশ্বৰ শৰ্মা কটকীদেৱে। মেধি ডাঙৰীয়াই হেনো এটা টোকাবহী সদায় লগত লৈ ফুৰিছিল আৰু গ্ৰাম্য ভাষাত ব্যৱহৃত হোৱা জটুৱা খণ্ডবাক্যবোৰ টুকি থৈছিল। তেখেতৰ বহুকাল পূৰ্বে তেনেকুৱা অনুসন্ধিৎসা থকা ব্যক্তি আছিল চিভিলিয়ান চাৰ এডোৱাৰ্ড গেইট চাহাব। ১৮৯৫ চনত এইজন মহান বুৰঞ্জীবিদ্ গেইট চাহাব মঙ্গলদৈত মহকুমাধিপতি হৈ থকা কালত দৰঙী ৰাজকোঁৱৰ সকলৰ হাতত থকা সূৰ্যখড়ি প্ৰণীত দৰং ৰাজবংশাৱলীখন আনি তেখেতে লিখা বিখ্যাত অসম বুৰঞ্জীখনৰ বাবে সমল গোটাইছিল।

কালিৰাম মেধি ডাঙৰীয়া মঙ্গলদৈ মহকুমাধিপতি থাকোঁতে তেখেতৰ আদালতত আমোদজনক মোকৰ্দমা চলিছিল। এবাৰ হেনো তামুলী ফুকন নামৰ এজন স্কুল সহকাৰী পৰিদৰ্শকে ভিতৰুৱা গাঁও এখনৰ প্ৰাইমাৰী স্কুল এখন পৰিদৰ্শন কৰোতে ডেকা শিক্ষকজনে তামুলী ফুকনক শাৰীৰিকভাৱে অপদস্থ কৰে। সহকাৰী পৰিদৰ্শকজনে এজাহাৰ দিয়াত

ডাঙৰীয়াৰ আদালতত গোচৰ চলে। শিক্ষকজনৰ দেউতাক সঙ্গতি সম্পন্ন ব্যক্তি আছিল। মেধি ডাঙৰীয়া বৰ কঢ়া বিচাৰক আছিল। শিক্ষকজনৰ দেউতাকে ভয় খাই বেৰিষ্টাৰ তৰুণৰাম ফুকনক উকীল ধৰিছিল। ফুকনে গোচৰ চলোৱা খবৰ পাই মঙ্গলদৈৰ বাইজ আদালত কক্ষত ভৰি পৰিল। ফুকনে গুচৰীয়া আৰু পদকীয়াৰ সাক্ষীবাদীক জেৰা কৰি থাকোতে কিবা নতুন শব্দৰ সন্ধান পালে। লগে লগে ফুকনে মেধি ডাঙৰীয়াৰ দৃষ্টিগোচৰ কৰিছিল আৰু তেখেতে তেখেতৰ টোকাবহীখনত লগে লগে টুকি থৈছিল। এইবোৰ কথা মই অসম সাহিত্য সভাৰ সভাপতি প্ৰয়াত অতুলচন্দ্ৰ বৰুৱাৰ মুখে শুনিছিলো। ফুকনে কিন্তু হাজাৰটা যুক্তিৰ অৱতাৰণা কৰিলেও আৰু অনন্য বাকচাতুৰী প্ৰদৰ্শন কৰিলেও মেধি ডাঙৰীয়াই হোনো শিক্ষকজনক কাৰাদণ্ডৰ হুকুম দিছিল। ফুকনে আপিলতহে শিক্ষকজনক কাৰাদণ্ডৰ পৰা মুক্ত কৰিব পাৰিছিল।

মেধি ডাঙৰীয়াৰ বৃটিছ আনুগত্য বেছি আছিল বুলি বহুতেই ক'ব খোজে আৰু সেইবাবেই হেনো তেখেতে ৰায়বাহাদুৰ উপাধি লাভ কৰিছিল। সেই একে দোষকে ভাওনি কৰি পুলিচ চাহাব আনন্দচন্দ্ৰ আগৰৱালাৰ ক্ষেত্ৰতো আৰোপ কৰিব খোজে। হয়তো অসমীয়া ভাষা জননীৰ অকৃত্ৰিম সেৱক এই দুয়োজনা পুৰুষে অসমীয়া ভাষা আৰু শিক্ষাৰ ক্ষেত্ৰত ৰাজ অনুগ্ৰহ প্ৰয়োজনীয় বুলি ভাবিছিল। অসমীয়া ভাষাৰ মাহেকীয়া আলোচনী 'মৌ'ৰ প্ৰতিষ্ঠাপক সম্পাদক বলিনাৰায়ণ বৰা ডাঙৰীয়াৰ ক্ষেত্ৰতো একে কথাকে খাটে। মৌৰ সম্পাদকৰ দৃষ্টিভংগী যে সঠিক আছিল এই কথা সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই তেখেতৰ আত্মজীৱনীত উল্লেখ কৰি গৈছে।

কালিৰাম মেধি ডাঙৰীয়াক মই প্ৰথম আৰু শেষ দেখা এতিয়াও মোৰ ৰিণিকি ৰিণিকি মনত পৰে। সেয়া আছিল ১৯৫২ চনৰ কথা। মই তেতিয়া কটন কলেজৰ ছাত্ৰ। চুডমাৰ্চন হলত হোৱা শঙ্কৰদেৱ উৎসৱ উপলক্ষে পতা সভা এখনত বক্তৃতা দিবলৈ কালিৰাম মেধি ডাঙৰীয়াক আমন্ত্ৰণ জনোৱা হৈছিল। তেখেতৰ শাৰীৰিক শক্তি তেতিয়া দুৰ্বল আৰু চলৎ শক্তি ৰহিতপ্ৰায় আছিল। মেধি ডাঙৰীয়াৰ লগত অহা দুজন অনুচৰে তেখেতক ধৰি ধৰি ষ্টেজলৈ উঠাত সহায় কৰিছিল। এয়া আছিল মোৰ অসমীয়া সাহিত্য জগতৰ এজন শশধৰক তেখেতৰ জীৱন বন্তিগছ নিৰ্বাপিত হোৱাৰ বছৰদিয়েক আগতে দেখা মোৰ বিৰল চাক্ষুষ দৰ্শন। সেই সময়তে অসমৰ জনপ্ৰিয় মাহেকীয়া আলোচনী 'ৰামধেনু'ত এটি বিতৰ্কৰ সূত্ৰপাত হৈছিল। পণ্ডিতপ্ৰবৰ মহেশ্বৰ নেওগ ছাৰে লিখা এখন বৈষ্ণৱ সাহিত্য বিষয়ক কিতাপৰ ওপৰত নলবাৰীৰ সংস্কৃত কলেজৰ তেতিয়াৰ অধ্যক্ষ মনোৰঞ্জন শাস্ত্ৰী ডাঙৰীয়াৰ এটি পুথি সমালোচনা প্ৰকাশ পাইছিল। নেওগ ছাৰে ব্যৱহাৰ কৰা 'কীৰ্তনধৰ্মী' শব্দটোৰ ওপৰত শাস্ত্ৰী ডাঙৰীয়াই কটু সমালোচনা কৰিছিল। কিন্তু মহেশ্বৰ নেওগৰ সপক্ষে লিখা এটি ক্ষুদ্ৰ সমালোচনা 'ৰামধেনু'ত কালিৰাম মেধি ডাঙৰীয়াৰ নামত প্ৰকাশ পোৱাত মই বৰ আচৰিত হৈছিলো। কিয়নো মেধি ডাঙৰীয়াৰ তেতিয়া জীৱনৰ অন্তিম কাল।

১৯৬৪ চনত মই শাস্ত্ৰী ডাঙৰীয়াক মঙ্গলদৈ এম.এল.এ. শিৱ শৰ্মাৰ শ্বিলঙৰ বাসভৱনত লগ পাওতে এই কথাটো উনুকিয়াইছিলো। উত্তৰত শাস্ত্ৰী ডাঙৰীয়াই মোক কৈছিল যে গুৱাহাটীৰ এজাক কৃতবিদ্য লিখকৰ হেঁচাত পৰিহে তেওঁলোকে লিখা ক্ষুদ্ৰ প্ৰবন্ধটোত মেধি ডাঙৰীয়াই তেখেতৰ অনিচ্ছা সত্ত্বেও চহী কৰি দিছিল।

কালিৰাম মেধি ডাঙৰীয়াৰ জন্ম কাল ১৮৭৮ চন আৰু মৃত্যু হৈছিল ১৯৫৪ চনত। ভালদৰে গমি চালে দেখা যায় যে উনৈশ শতিকাৰ সত্তৰৰ দশকটোত অসমৰ সাহিত্য জগতৰ কেইবাজনো প্ৰতিভা সম্পন্ন সাহিত্যিকৰ জন্ম হৈছিল। অসম সাহিত্য সভাৰ প্ৰথমজনা সভাপতি আৰু অসমৰ প্ৰথম সাহিত্যিক পেঞ্চনাৰ পদ্মনাথ গোহাঞি বৰুৱাৰ জন্ম হৈছিল ১৮৭১ চনত। সু সাহিত্যিক বেণুধৰ ৰাজখোৱাৰ জন্মকাল ১৮৭২ চন। ভাওনি কোঁৱৰ নামে খ্যাতি লাভ কৰা আনন্দচন্দ্ৰ আগৰৱালাৰ জন্ম হৈছিল১৮৭৫ চনত। সংখ্যা আৰু বেদান্ত দৰ্শনৰ পণ্ডিত শ্ৰীমৎ ভাগৱত গীতাৰ সম্পাদক ৰাধানাথ ফুকনৰ জন্ম হৈছিল১৮৭৫ চনত। বিচক্ষণ ৰাজনীতিবিদ আৰু সু-সাহিত্যিক নবীন চন্দ্ৰ বৰদলৈও ১৮৭৫ চনত উপজিছিল। বৰপেটাৰ বিশিষ্ট সংস্কৃত পণ্ডিত নামঘোষাৰ ভাষ্যকাৰ ভাগৱত বাগিচ নাৰায়ণ মিশ্ৰৰ জন্ম ১৮৭৭ চনত। ১৮৭৭ চনত জন্ম হৈছিল ভাৰত চন্দ্ৰ দাস হাকিমৰ। তেখেতে কৃষি বিষয়ক প্ৰথম অসমীয়া ভাষাত খেতি নামৰ কিতাপ লিখাৰ উপৰিও ‘ অসমীয়া ভাষা আৰু সাহিত্য’ নামৰ এখন গৱেষণাপূৰ্ণ কিতাপ লিখিছিল। ১৯২৭ চনত হোৱা গোৱালপাৰা সাহিত্য সভাৰ সভাপতি আৰু বিশিষ্ট গদ্য লিখক তৰুণৰাম ফুকনৰ জন্ম হৈছিল ১৮৭৭ চনত। স্বৰূপাৰ্থত সত্তৰৰ দশকটো আছিল সাহিত্য গগনৰ উজ্জ্বল তাৰকাবৃন্দৰ আবিৰ্ভাৱ কাল।

কালিৰাম মেধি ডাঙৰীয়াই গুৱাহাটীৰ কলেজিয়েট হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ ১৮৯৭ চনত কলকাতাৰ সেই সময়ৰ বিখ্যাত চিটি কলেজত ভৰ্তি হৈছিল। প্ৰসিদ্ধ গদ্যসাহিত্যৰ লিখক সত্যনাথ বৰা ডাঙৰীয়াও চিটি কলেজৰে ছাত্ৰ আছিল। অসমৰ বহুতো কৃতবিদ্য পুৰুষ এসময়ত চিটি কলেজৰ ছাত্ৰ আছিল। কালিৰাম মেধি ডাঙৰীয়াই চিটি কলেজৰ পৰা কলকাতা বিশ্ববিদ্যালয়ত ৰসায়ন বিভাগত অনাৰ্চ সহ দ্বিতীয় শ্ৰেণীৰ চতুৰ্থ স্থান লাভ কৰি আৰু বি. এ.পৰীক্ষাত অসমৰ পৰা উত্তীৰ্ণ হোৱা ছাত্ৰ সকলৰ ভিতৰত প্ৰথম স্থান লাভ কৰি বিষ্ণুপ্ৰিয়া দেৱী বঁটা লাভ কৰিছিল ১৯০২ চনত। ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱাই অসমৰ হাকিম পদৰ পৰা ১৮৯০ চনত অৱসৰ লৈ কলকাতাত সপৰিয়ালে নিগাজিকৈ থাকিবলৈ লৈছিল। সেই সময়তে তেখেতৰ পত্নী বিষ্ণুপ্ৰিয়া দেৱীৰ পৰলোক হোৱাত বৰুৱা ডাঙৰীয়াই তেখেতৰ পত্নী বিষ্ণুপ্ৰিয়া দেৱীৰ নামত এটি শকত পুঁজি কলকতা বিশ্ববিদ্যালয়লৈ বৃত্তিৰ বাবে আগবঢ়াইছিল। যিজন ছাত্ৰই বি.এ.পৰীক্ষাত অসমৰ পৰা প্ৰথম হ'ব তেৱেঁ এই বৃত্তি লাভ কৰিব পাৰিব। সেই সময়ত কলকাতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আছিল বঙ্গ জননীৰ সু-সন্তান প্ৰবল মেধা সমুজ্জ্বল ছাৰ গুৰুদাস বেনাৰ্জী। যিয়ে১৮৬৫ চনত প্ৰেছিডেন্সি কলেজতত অধ্যাপক হৈ থাকোতে প্ৰথম বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ মহাত্মা আনন্দৰাম বৰুৱাক ছাত্ৰ হিচাপে

পাইছিল। গুৰুদাস বেনাৰ্জী আছিল কলকাতা বিশ্ববিদ্যালয়ৰ প্ৰথমজন ভাৰতীয় বিচাৰপতি। মোৰ হাতত থকা তথ্য-পাতিৰ পৰা জনা যায় যে বিষ্ণুপ্ৰিয়া দেৱী বঁটা ১৮৯৪ চনৰ পৰা ১৯৪৪ চনলৈ চালু আছিল। ইয়াৰ পিছত এই বঁটাৰ কোনো শুংসূত্ৰ পোৱা নেযায়। মই গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষলৈ দৃষ্টিগোচৰ কৰিছিলো যাতে কলকাতা বিশ্ববিদ্যালয়ৰ পৰা এই বঁটাৰ বাবে গচ্ছিত থকা টকা হস্তান্তৰ কৰি আনে। কিন্তু বিশ্ববিদ্যালয় কৰ্তৃপক্ষ নিমাত। মই জনামতে কালিৰাম মেধিৰ সুযোগ্য উত্তৰাধিকাৰীসকলে গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ হাতত ৫০হেজাৰ টকা দিছিল। যাতে এই টকাৰ সুদেৰে প্ৰতি বছৰে বি. এ. পৰীক্ষাত অসমীয়া বিষয়ত সৰ্বোচ্চ নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰীজনক এটা বঁটা দিয়া হয়। মই জনামতে এই টকাৰো কোনো শুংসূত্ৰ পোৱা নগ'ল।

কালিৰাম মেধি ডাঙৰীয়াই হেনো মাত্ৰ এবছৰ পঢ়িয়েই পদাৰ্থবিজ্ঞানত এম. এ.পৰীক্ষা দি ১৯০৩ চনত ২ য় শ্ৰেণীৰ ৪ৰ্থস্থান অধিকাৰ কৰি উত্তীৰ্ণ হৈছিল। ১৯০৪ চনৰ উপপ্ৰতি সমাহৰ্তা হিচাপে চাকৰিত সোমাই উপায়ুক্ত (D.C) হৈ ১৯৩৮ চনত অৱসৰ লৈছিল। ১৯৪৬ চনত চৰকাৰে ৰায়বাহাদুৰ খিতাপ দিছিল।

আলোচনী চেতনা, বাঁহী, জয়ন্তী আদি আলোচনীবোৰত তেখেতৰ তত্বগধুৰ প্ৰবন্ধবোৰ প্ৰকাশ পাইছিল। ১৯১৯ চনত তেখেতে মাত্ৰ ৪১ বছৰ বয়সতে বৰপেটাত বহা অসম সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হৈছিল। অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ব তেখেতৰ অন্যতম কীৰ্তি। শতিকাৰ কবি হেম সৰস্বতীৰ ৰচিত প্ৰহ্লাদ চৰিত্ৰখনো তেখেতৰ সম্পাদনাত প্ৰকাশ পাইছিল। তেখেতে লিখা আন এখন ইংৰাজী কিতাপ হ'ল - Studies in the Vaisnava Literature and Culture of Assam, ১৯৫০ চনত তেখেতে সম্পাদন কৰি উলিয়াইছিল ২১ খন অংকীয়া নাট সম্বলিত অংকাৱলী নামৰ এখন গ্ৰন্থ। মুঠতে কালিৰাম মেধি আছিল অসমীয়া সাহিত্যৰ এজন নীৰৱ সাধক। ●

*(ইং ০৬-০১-২০০২ চনৰ শুইতৰ পৰা টৈসছলৈ বাৰ্ষিক আলোচনীত প্ৰকাশিত)*

মোৰ প্ৰথম

# জৱাহৰলাল দৰ্শন

সেয়া আছিল ১৯৪৬ চনৰ বোধকৰোঁ জানুৱাৰী মাহ। মই তেতিয়া মঙ্গলদৈ চৰকাৰী হাইস্কুলৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ। মই তেনেই চালুকীয়া আৰু বয়স দহ-এঘাৰ বছৰমান হ'ব। আমি মঙ্গলদৈ চহৰৰ এমূৰত থকা টেঙাবাৰীত এতিয়াৰ কৰিমৰ চৌকাৰ ওচৰতে আমাৰ পৰিয়ালৰে নিজস্ব এটি ছাত্ৰাবাসত থাকিছিলো। এদিন মই কৌতুকেৰে লক্ষ্য কৰিছিলো যে কেইজনমান ডেকা ছাত্ৰ আৰু জনদিয়েক শিক্ষা অৰ্ধ সমাপ্ত কৰা ডেকা ল'ৰাৰ লগত সন্ধিয়াৰ পাছতে কিবা আলোচনাত বহিল। তেওঁলোকৰে কেইজনমান হ'ল তাৰিণী চৰণ চৌধুৰী, গোবিন্দৰাম ডেকা, জয়চন্দ্ৰ চৌধাৰী, খিতু দাস, প্ৰয়াত ধনী দাস ইত্যাদি। বাকীবোৰৰ নাম পাহৰিলো। কিছু সময় পাছত দেখিলো তেওঁলোকে ওচৰতে থকা নাহৰ গছ এজোপাৰ পাতভৰা সৰু সৰু ডালবোৰ কটাত লাগিল আৰু আন কেইজনমানে ওচৰৰ মানুহৰ পৰা বাঁহ খুজি আনি এতিয়াৰ অৱসৰপ্ৰাপ্ত ৰেভিনিউ চিৰস্তাদাৰ নগেন চৌধাৰীৰ ঘৰৰ সন্মুখেৰে যোৱা টংলা-মঙ্গলদৈ গ্ৰেভেল ৰাস্তাটোৰ ওপৰত এখন তোৰণ সজাত ব্যস্ত হৈ পৰিল।

পাছত ঘুনুক ঘানাককৈ শুনিলো যে কোনোবা এজন ডাঙৰ কংগ্ৰেছী নেতা সেইফালেৰে পাৰ হৈ যাব আৰু সেইজন কোনোবা জৱাহৰলাল নেহৰু আৰু মঙ্গলদৈ চহৰৰ এতিয়াৰ গান্ধী ময়দানত হোৱা এখন জনসভাত ভাষণ দিব।

সেই নিৰ্দিষ্ট দিনত ( তাৰিখ আৰু বাৰটো মনত নাই) পুৱাই আমি তোৰণখনৰ ওচৰত থিয় দিলো। তেতিয়া বোধকৰো সময় ৰাতিপুৱা সাতমান বাজিছিল। তেতিয়ালৈকে সেই ৰাস্তাটোৰে (টংলা-মঙ্গলদৈৰ সংযোগ পথ) কোনো যান-বাহন চলাচল কৰা দেখা নাছিলো। পাছত শুনিছিলো যে নেহৰুৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি তেওঁ পাৰ হৈ নোযোৱালৈকে সকলোৰে যান-বাহন চলোৱাৰ পৰা বিৰত আছিল। ৰাতিপুৱা প্ৰায় আ[illegible]

বজাত এখন নতুন বাছ টংলা ফালৰ পৰা আহি হঠাতে তোৰণখনৰ তলতে বৈ গ'ল। ওচৰতে জুম বান্ধি থকা মানুহৰ সংখ্যা ৩০জন মান হ'ব। বাছখন কিয় হঠাতে বৈ গ'ল, আমি টলকিব নোৱাৰিলো। মই আৰু দুজনমান সমনীয়াই দৌৰি গৈ বাছখনৰ ওচৰতে থিয় দিলো। হঠাতে দেখিলো সন্মুখৰ ড্ৰাইভাৰৰ কাষৰ আসনৰ পৰা খদ্দৰৰ পাইজামা আৰু চোলা পৰিহিত নাতিদীৰ্ঘ আদহীয়া গান্ধী টুপী পিন্ধা তেজগোৰা ধুনীয়া মানুহ এজন গাড়ীৰ দুৱাৰ খুলি প্ৰায় জাঁপমাৰি নামি পৰিল আৰু তেখেতে হিন্দীতে কিবা সোধা যেন লাগিল। সেই সময়তে তেখেতৰ পকেটৰ পৰা ৰুমাল এখন ৰাস্তাৰ কাষৰ ঘাঁহনিডৰাত পৰিল। মোৰ এতিয়াও মনত আছে যে বগা ৰুমালখন ধূলিৰ মাজত মলিয়ন হৈ প্ৰায় ক'লা ৰং ধাৰণ কৰিছিল। মোক মোৰ কাষতে থিয় দি থকা ডেকা মানুহ এজনে ৰুমালখন তুলি দিবলৈ ক'লে। কিন্তু মই ভয়তে সাহস নকৰিলো। বাছখনৰ ওপৰলৈ চাওঁতে বাছখন ৰোৱাৰ কাৰণ বুজি পালো। বাছৰ ওপৰত কঢ়িয়াই অনা মাইকৰ মাউথপিচটো গেটখনত লাগি ধৰিছে আৰু অভিজ্ঞ চালকে সেইটো অনুমান কৰিয়েই বাছখন ৰখাইছিল। বাছখনৰ চালক বাছৰ মালিক শিৱপ্ৰসাদ শৰ্মা নিজেই। তেওঁ কেইবাখনো বাছৰ মালিক আৰু সুদক্ষ চালকো আছিল। পাছত দাদাইতৰ মুখে শুনিছিলো যে জৱাহৰলালে শিৱ শৰ্মাক ভালকৈ গাড়ী চলাব পাৰ নে নাই সুধিছিল আৰু ওৰে বাটে জোৰকৈ চলাবলৈ হিন্দীতে কঢ়া নিৰ্দেশ দি আহিছিল। যি হওক, বাছৰ হেন্দিমেনজন ততাতৈয়াকৈ বাছৰ ওপৰত উঠি বাঁহৰ কাঠীৰে সজা তোৰণখনৰ ওপৰছোৱা ওপৰলৈ তুলি ধৰিবলৈ চেষ্টা কৰা দেখা গ'ল। জৱাহৰলালে এই দৃশ্যটো দেখিয়েই বাছখনৰ পাছফালে থকা সৰু জখলাটোৰে বিদ্যুৎবেগে নিজেই ওপৰলৈ উঠি গ'ল আৰু হেন্দিমেনজনক সহায় কৰাত লাগি গ'ল। তেখেতে বাছৰ ওপৰত আঁঠুকাঢ়ি বহি লৈ দুই হাতেৰে তোৰণখন ওপৰভাগ দঙাত লাগি গ'ল আৰু বাছচালকক নিৰ্দেশ দিব ধৰিলে যাতে মাউথপিচটো সুকলমে সৰকি যাব পাৰে। মাত্ৰ কেইমিনিটমানৰ ভিতৰতে তথা লাগি থকা দৰ্শকৰ সন্মুখতে কামটো সমাধা কৰি সৰু ল'ৰাৰ দৰে জৱাহৰলালে তললৈ নামি আহি নিমিষতে বাছৰ আগৰ চিটত বহি ল'লে। বাছখন দ্ৰুতগতিত চলিবলৈ ধৰিলে। ময়ো আগপিছ নুগুণি বাছখনৰ পাছফালে থকা জখলাটোত খামোচ মাৰি ধৰি গৈ থাকিলো। এতিয়াৰ গান্ধী ময়দানৰ ওচৰত বাছখন ৰ'ল। জৱাহৰলালেও জনতাৰ মাজেৰে সৰু বাট এটিৰে দৌৰাৰ দৰে বেগাই গৈ সভা মণ্ডপত উঠি বক্তৃতা দিবলৈ ধৰিলে। তেখেতৰ ভাষণত কি ক'লে মই একো বুজা নাছিলো বা অনুসন্ধিৎসাও নাছিল। মোৰ মাত্ৰ আছিল নকৰা কাম এটা কৰাৰ ব্যাকুলতা। পাছত গম পালো যে আগন্তুক সৰ্বভাৰতীয় নিৰ্বাচনৰ বাবে নেহৰুৱে কংগ্ৰেছৰ হৈ প্ৰচাৰ অভিযানত আহিছে। তেখেতৰ যে এক মুহূৰ্ত সময়ো অবাবত কটাবলৈ আহৰি নাছিল। শুইছিল হোনো মাত্ৰ চাৰি ঘণ্টা সময়। খোজ নাকাঢ়িছিল দৌৰিছিল বুলি কোৱা হৈছিল। খোৱা-শোৱাৰ ঠিক নাছিল। ৫০ বছৰ কাল ধৰি নিৰৱচ্ছিন্নভাৱে কঠোৰ পৰিশ্ৰমেৰে দেশমাতৃৰ প্ৰতি বিমল সেৱা আগ বঢ়াইছিল।

কেইমিনিটমানৰ ভিতৰতে সভাখন শেষ কৰি বাছখনে নেহৰুক লৈ ছিপাঝাৰ অভিমুখে গতি কৰিলে। ময়ো আগপিছ নুগুণি বাছখনৰ পাছফালৰ জখলাটোত খামোচ মাৰি ধৰি থাকিলো। বাধা দিবলৈ মোক হয়তো কোনেও নেদেখিলে অথবা সৰু ল'ৰা এটিৰ মইমতীয়া কাৰ্যত কোনেও গুৰুত্ব নিদিলে। মোৰ ৰিণিকি ৰিণিকি মনত পৰে যে ছিপাঝাৰতো আলিবাটৰ কাষত মুকলি ঠাই ডোখৰত জৱাহৰলালে চুটি ভাষণ এটি দি বাছত উঠিল। বাছখনৰ চালক শিৱ শৰ্মাই বাছখন মুকলি ঠাইডোখৰত জনতাৰ হেঁচা-ঠেলাৰ মাজত ঘূৰাবলৈ লওঁতেই পুতি থোৱা কংগ্ৰেছ পতাকা আঁৰা বাঁহৰ খুঁটা এটাত বাধাগ্ৰস্ত হৈ বৈ গ'ল। দুজমান মানুহে বাঁহৰ খুঁটাটো উভলাত ব্যস্ত হোৱা দেখিলো। এনেতে দেখিলো জৱাহৰলালে বাছৰ পৰা দ্ৰুতগতিত নামি আহি নিজেই বাঁহৰ খুঁটাটো উঠোৱাত লাগি গ'ল আৰু এইবাৰো বাছ চালক শিৱ শৰ্মাক নিৰ্দেশ দিবলৈ ধৰিলে। খন্তেক পাছতে তেখেত বাছত উঠা দেখিলো আৰু বাছখন গুৱাহাটী অভিমুখে ধাৱমান হ'ল। মই কিন্তু এইবাৰ পূৰ্বৰ দুঃসাহসী কামটো কৰিবলৈ ভয় খালো আৰু মঙ্গলদৈ অভিমুখে উভতিলো, কিহত আহিলো মোৰ মনত নাই। এয়াই হ'ল মোৰ জৱাহৰলাল দৰ্শনৰ প্ৰথম চাক্ষুষ অভিজ্ঞতা। এই দৰ্শন মোৰ মানসপটত এতিয়াও সজীৱ হৈ আছে আৰু তেখেতৰ ভীষণ ব্যস্ততাপূৰ্ণ শাৰীৰিক অৱয়ৱ যাক বিশ্বকবি ৰবীন্দ্ৰনাথে ঋতুৰাজ বুলি অভিহিত কৰিছিল। আজি এই জীৱনৰ বিয়লি বেলিকা নিজকে এইবুলি ভাবি শৰীৰ আৰু মন ৰোমাঞ্চিত আৰু পুলকিত হয় যেতিয়া মই ভাবো যে দূৰ অতীতত এজন পৃথিৱী বৰেণ্য যুগান্তকাৰী সাধকক তথা ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ কৰ্ণধাৰক তেনেই ওচৰৰ পৰা তেখেতৰ স্বভাৱসুলভ ক্ষুদ্ৰ কৰ্মৰাজি নিৰীক্ষণ কৰাৰ বিৰল সুযোগ আৰু সুবিধা পাইছিলো। উত্তৰ কালত মই ভাবো যে জৱাহৰলাল নেহৰুৰ দৰে ক্ষণজন্মা পুৰুষ মাত্ৰ এজনেই হয়। ●

*(ইং ১৫-৮-১৯৯৭ তাৰিখৰ 'অগ্ৰদূত' কাকতত প্ৰকাশিত)*

# ডাওৰীয়া স্বৰ্গীয় নন্দেশ্বৰ চক্ৰৱৰ্তী

বিংশ শতাব্দীৰ অসমমাতৃৰ কোলা শোভা কৰা মুষ্টিমেয় লোকৰ ভিতৰত ডিব্ৰুগড় নিবাসী ডাওৰীয়া নন্দেশ্বৰ চক্ৰৱৰ্তী অন্যতম। আমি চালুকীয়া অৱস্থাত থকা কালত এজন দাতা আৰু আনজন ধনী ব্যক্তি হিচাপে সমাজত স্বীকৃতি লাভ কৰা দুজন ব্যক্তিৰ নাম সততে শুনিবলৈ পাইছিলো। এজন হ'ল দানবীৰ ৰাধাকান্ত সন্দিকৈ ৰায় বাহাদুৰ ডাওৰীয়া আৰু আনজন হ'ল প্ৰখ্যাত ধনী চাহ খেতিয়ক ৰায়বাহাদুৰ শিৱপ্ৰসাদ বৰুৱা। ১৯৫১ চনত কলেজৰ ডেওনা পাওঁতে শুনিছিলো নন্দেশ্বৰ চক্ৰৱৰ্তীৰ নাম। তিনিওজনেই আছিল উজনি অসমৰ লোক। অৱশ্যে শেহতীয়াভাৱে জ্ঞাত হৈছিলো যে চক্ৰৱৰ্তী ডাওৰীয়ায়ো বৃটিছ চৰকাৰে দিব পৰা আৰু অতি লোভনীয় ৰায়বাহাদুৰ উপাধি এবাৰ নহয় দুবাৰকৈ হেলাৰঙে প্ৰত্যাখ্যান কৰিছিল। মোৰ বোধেৰে তেখেতৰ অন্তৰত সৰ্বতোভাৱে দেশসেৱাৰ যি প্ৰচণ্ড 'ইনাৰফায়াৰ' জ্বলি আছিল তাৰ তুলনাত এই ৰায়বাহাদুৰ উপাধি তেখেতৰ বাবে তেনেই নগণ্য আছিল।

ডাওৰীয়া নন্দেশ্বৰ চক্ৰৱৰ্তীৰ বিস্তৃত জীৱনী পোৱা কঠিন । এইজন মহান পুৰুষৰ জীৱন আলেখ্য থূলমূলভাৱে লিখিবলৈ প্ৰয়াস কৰিছিল শ্ৰীশ্ৰীনন্দ গোস্বামীদেৱে। তেখেত সকলোৰে ধন্যবাদৰ পাত্ৰ। ডাওৰীয়া চক্ৰৱৰ্তীদেৱৰ হয়তো ইংৰাজী বা অসমীয়া সাহিত্যত বিশেষ ব্যুৎপত্তি নাছিল, সভা-সমিতিবোৰতো নামজ্বলা বক্তাৰ নাম পোৱা নাছিল বা এজন নামজ্বলা গ্ৰন্থকাৰো নাছিল। কিন্তু তেখেতৰ জীৱন চৰিত থকাৰ আৱশ্যক, এইবাবেই যে সংসাৰত আপোন স্বাভাৱিক বুদ্ধি, পৰিশ্ৰম আৰু চৰিত্ৰৰ বলত কেনেকৈ খাপে খাপে উধাই জিলিকাব পাৰি তাৰ ভালেমান চানেকী এই পুৰুষজনৰ জীৱনত পোৱা গৈছিল। পৰিশ্ৰমবিমুখ এলেহুৱা আৰু জীৱনৰ উদ্দেশ্যবিহীন অসমীয়া ডেকাসকলে চক্ৰৱৰ্তী ডাওৰীয়াৰ জীৱন চৰিত পঢ়ি তেওঁলোকৰ জীৱনৰ আৰ্হিপুৰুষ হিচাপে লৈ ভাগ্য দেৱীৰ কৃপা লাভলৈ বাট নেচাই নিজৰ পৰিশ্ৰম আৰু বুদ্ধিৰ বলেৰে জীৱনৰ বাটত দোপত দোপে উন্নতি কৰাৰ সৎ আদৰ্শ পালেহেঁতেন।

চক্ৰৱৰ্তী ডাঙৰীয়া সাহসিত, বুদ্ধি, কৌশল, যত্ন, অধ্যৱসায়— এই গুণবোৰত অগ্ৰণী আছিল বাবেই হয়তো সামান্য দহ টকাকে মূলধন হিচাপে লৈ জীৱনৰ বিয়লি বেলিকা সাতখন চাহ বাগিচাকে ধৰি অজস্ৰ ধন-সম্পত্তিৰ মালিক হৈ কামৰ মাজেৰে দেশসেৱা কৰি এজন ধনী আৰু পৰোপকাৰী ব্যক্তি হিচাপে সমাজত নাম থৈ যাব পাৰিছিল।

গুৰুপৰম্পৰা বুলি এষাৰ কথা আছে। চক্ৰৱৰ্তী ডাঙৰীয়াৰ বংশ পৰিচয়ৰ পৰা জনা যায় যে তেখেতসকলৰ আদি পুৰুষসকল প্ৰসিদ্ধ মুকলিমূৰীয়া গোসাঁই প্ৰভুসকলৰ শিষ্য আছিল আৰু এই মধুৰ সম্বন্ধ বংশানুক্ৰমে নন্দেশ্বৰ চক্ৰৱৰ্তীলৈকে আনকি তেখেতৰ সুযোগ্য পুত্ৰসকললৈকে প্ৰবাহিত হৈ আছিল আৰু আছে। মুঠতে চক্ৰৱৰ্তীৰ ঠালটো বহুতো আধ্যাত্মিক গুণৰ অধিকাৰী হ'ব পাৰিছিল বুলি অনুমান হয়। সেয়েহে নন্দেশ্বৰ চক্ৰৱৰ্তীৰ অন্তৰতো আধ্যাত্মিক ভাবৰ বোৱতী সুঁতিখন খৰস্ৰোতা নদী প্ৰবাহৰ দৰে বৈ আছিল। গুৰু -গোঁসাই, গুণীমানী আৰু বয়সস্থ লোকলৈ তেখেতৰ প্ৰগাঢ় ভক্তি আছিল। নিজৰ বৃদ্ধ বয়সতো কণমইনাহঁতৰ লগত মিলিজুলি ৰং-ৰহইচ কৰিব পৰা গুণটিও মোৰ বোধেৰে তেখেতৰ আধ্যাত্মিক গুণৰ এটি বিমোহন প্ৰকাশ। মহাত্মা গান্ধীও তেনে গুণৰে অধিকাৰী আছিল— এইটো সকলোৰে জনা কথা।

তীক্ষ্ণ বুদ্ধিৰ বিচক্ষণ পুৰুষ নন্দেশ্বৰ চক্ৰৱৰ্তীৰ বাল্যকাল তথা কৈশোৰ কালো অতিশয় কৌতূহলোদ্দীপক আছিল। মাত্ৰ ১৮ বছৰ বয়সতে খৰৰ দৰৱ তৈয়াৰ কৰি আৰু গাঁৱলীয়া ৰাইজৰ মাজত জনপ্ৰিয় কৰি তেখেতৰ ব্যৱসায়িক বুদ্ধি আৰু উদ্ভাৱনী শক্তিৰ পৰিচয় দিয়াই নহয় তেখেতৰ ভৱিষ্যৎ বাণিজ্য সাম্ৰাজ্যৰ মূলধন দহ টকা ৰূপ জমা কৰিব পাৰিছিল।

তেখেতৰ আত্মনিৰ্ভৰশীলতা আৰু ব্যৱসায়ৰ প্ৰতি প্ৰবল ধাউতি মন কৰিব লগা। ১৯০৫ চনতে যেতিয়া তেখেতৰ মাত্ৰ কুৰি বছৰ বয়স তেতিয়াই তেখেতে সৰু-সুৰা কিতাপৰ দোকান দি 'এজেন্সি কোম্পানী' খুলি নিজৰ উপৰিও ঘৰৰ খা খৰচ দি বৃদ্ধ দেউতাকৰ মনত সন্তোষ দিব পাৰিছিল। মাত্ৰ ২ বছৰ বয়সতে তেখেতে ১৯০৭ চনত ডিব্ৰুগড় ছপাশাল প্ৰতিষ্ঠা কৰি মানুহক চমক খুৱাব পাৰিছিল। মাত্ৰ ২৪ বছৰ বয়সতে হাবি ভাঙি মদাৰখাট চাহ বাগিচা নামৰ বাগিচাৰ সূত্ৰপাত কৰিব পাৰিছিল। নন্দনবন চাহ বাগিচা ১৯৪৮ চনত অটব্য অৰণ্য ভাঙি খুলিছিল।

পৰিশ্ৰমী মানুহ লক্ষ্মীৰ বৰপুত্ৰ বুলি কোৱা হয়। এই কথাটো সম্পূৰ্ণ ভাবে চক্ৰৱৰ্তী ডাঙৰীয়াৰ ক্ষেত্ৰত প্ৰযোজ্য। ব্যৱসায় জগতত উজ্জ্বল তাৰকা মণ্ডলীৰ অভাৱ নাই। কিন্তু তেখেতৰ দৰে এলাহক নেওচা দি কঠোৰ পৰিশ্ৰম কৰিব পৰা ব্যক্তি সমাজত বিৰল। ভাগ্যদেৱীৰ কৃপা লাভ কৰাৰ মূলতে তেখেতৰ আছিল অমানুষিক পৰিশ্ৰম কৰিব পৰা ক্ষমতা। হেজাৰ বিপদ ধুমুহাৰ মাজতো স্থিতপ্ৰজ্ঞ ব্যক্তিৰ দৰে অচল-অটল হৈ থাকিব পৰা মহৎ গুণ, নিজৰ বুদ্ধি আৰু সাহসৰ অধিকাৰী আছিল।

তেখেতৰ বিপদত ধৈৰ্য ধৰিব পৰা শক্তি দেখিলে তৱধ মানিব লাগিছিল। মাত্ৰ পাঁচ বছৰৰ ভিতৰত তেখেতৰ জ্যেষ্ঠ পুত্ৰ সন্তানকে ধৰি অগাপিছাকৈ তিনিগৰাকী আদৰৰ কন্যা মৃত্যুৰ মুখত পৰিছিল। এগৰাকী কন্যা বহুত আগতে ৮ বছৰ বয়সত ঢুকাইছিল। অদৃশ্য নিয়তি ৰূপ মৃত্যুয়ে তেখেতৰ দুৱাৰত বাৰংবাৰ কৰাঘাত কৰিছিল। কিন্তু তেখেতৰ ধৈৰ্য্যৰ বান্ধ সুলকি পৰা নাছিল আৰু বিতত নহৈ নীৰৱে সকলো দুখ সহ্য কৰি গীতাত বৰ্ণিত স্থিতপ্ৰজ্ঞ ব্যক্তিৰ দৰে সমাজৰ শ্ৰদ্ধা-ভক্তি আৰু গভীৰ সমবেদনা আকৰ্ষণ কৰিব পাৰিছিল। এয়া হ'ল ডাঙৰীয়াৰ ঈশ্বৰত দৃঢ় বিশ্বাস। যেতিয়া পৰিয়ালৰ সকলো মানুহ শোকত বিহ্বল হৈছিল তেওঁ আছিল ধীৰ আৰু স্থিৰ। ঈশ্বৰৰ ইচ্ছাত সকলো হৈছে বুলি তেওঁ মনত শান্তি লভিছিল। তেখেতৰ আত্মসংযম সঁচাকৈয়ে তৱধ মানিব লাগে। বাস্তৱিকতে তেখেতৰ দৰে আত্মসংযমী আৰু সদানন্দ পুৰুষ সমাজত কম দেখা যায় আৰু ডাঙৰীয়া দীননাথ বেজবৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ কথা মনত পেলাই দিয়ে।

চক্ৰবৰ্তী ডাঙৰীয়া আছিল এজন অসাধাৰণ প্ৰতিভাসম্পন্ন ব্যক্তি। ছপাশালৰ পৰা আৰম্ভ কৰি বিবিধ পুথি ৰচনা আৰু প্ৰকাশ কৰাকে ধৰি বিভিন্ন সভা-সমিতিত যোগদান কৰাকে আদি কৰি, নিয়মিত পঢ়া শুনাৰপৰা অকণো বিৰত নথকাকৈ লাহ-বিলাহৰ পৰা আঁতৰত থাকি সহজ-সৰল জীৱন-যাপন কৰি, ৰাতিপুৱা শ্ৰীশ্ৰীচণ্ডীপাঠ গীতাপাঠকে সামৰি, ধান খেতি, কুঁহিয়াৰ খেতিকে আদি কৰি, শাক-পাচলি তথা ফল-মূলৰ ফাৰ্ম, চাহবাগিচা খোলাকে ধৰি আসাম ভিষ্টিলেৰিৰ দৰে বিবাট উদ্যোগ এটি অকলে স্থাপন কৰি সকলোতে সমানে কৃতকাৰ্যতা লভা ব্যক্তি আঙুলি মূৰত লেখিব পৰা বিধৰ। ইয়াৰ অন্যতম কাৰণ হ'ল প্ৰতিভাই এই কৰ্মযোগী জনক লগ এৰা দিয়া নাছিল। মহান এমেৰিকান লিখক 'এমাৰ্চনে' এষাৰ অমৰ কথা কৈছিল যে- প্ৰতিভা এনেকুৱা এটি বস্তু যে ই যিহকে স্পৰ্শ কৰে তাকেই সজীৱ কৰি তোলে। এই উক্তি চক্ৰবৰ্তীদেৱৰ ক্ষেত্ৰত আখৰে আখৰে ফলিয়াইছিল।

এসময়ত ডাঙৰীয়া নন্দেশ্বৰ চক্ৰবৰ্তীজন জাকতজিলিকা কিতাপ প্ৰকাশক আৰু বিবিধ বিষয়ৰ পুথি ৰচকো আছিল। বিংশ শতাব্দীৰ আদি ভাগত তেখেতে নানা তৰহৰ সানমিহলি কিতাপৰ পাণ্ডুলিপি সংগ্ৰহ কৰি ছপা কৰি বিক্ৰীৰ ব্যৱস্থা কৰাত এই কিতাপবোৰে ৰাইজৰ প্ৰশংসা আৰু সমাদৰ লাভ কৰিছিল। তেখেতৰ ৰচিত আৰু প্ৰকাশিত কিতাপবোৰ কেইবা দশকো জুৰি অসমীয়া পঢ়ুৱৈ সমাজত জনপ্ৰিয় হৈছিল। গতিকে এজন কৃতী লিখক হিচাপেও চক্ৰবৰ্তী ডাঙৰীয়াই নিজৰ স্থান লাভ কৰিবলৈ সক্ষম হৈছিল।

সঁচাকৈয়ে ডাঙৰীয়া নন্দেশ্বৰ চক্ৰবৰ্তীৰ দৰে এজন অসাধাৰণ গুণবান পুৰুষ অসমত জন্ম লাভ কৰাটোৱেই অসমবাসীৰ পক্ষে সৌভাগ্যৰ কথা। সুখৰ কথা যে বহুগুণৰ অধিকাৰী তেখেতৰ বৰ্তমান জীৱিত পুত্ৰদ্বয় সৰ্বশ্ৰী উমাপ্ৰসাদ আৰু বিষ্ণুপ্ৰসাদ চক্ৰবৰ্তীয়ে দেউতাকৰ আদৰ্শ আৰু গুণাৱলীৰ উত্তৰাধিকাৰী হ'ব পাৰিছে।

আমি দেখি সন্তোষ লভিছো এই বাবেই যে তেখেতৰ বৰ্তমান দ্বিতীয় পুত্ৰ বিষ্ণুপ্ৰসাদ চক্ৰবৰ্তী ভাগুৰীয়াদেৱে দেউতাকৰ এই মহৎ গুণৰ উত্তৰাধিকাৰী হ'ব পাৰিছে। শ্ৰদ্ধাভাজন বিষ্ণুপ্ৰসাদ চক্ৰবৰ্তী ভাগুৰীয়া এজন প্ৰগতিশীল মনৰ প্ৰচুৰ অধ্যয়নকাৰী লোক। তেখেতৰ Study হ'ল extensive as well as intensive. তেখেত এজন সস্তীয়া লিখকো নহয়। তেখেতৰ কাপৰ পৰা নিগৰি ওলাইছে কেইখনো অতি উচ্চভাৱৰ কিতাপ। তেখেতে ভগবান শঙ্কৰাচাৰ্য্য যাক "নভূতি ন ভবিষ্যতি" বুলি কোৱা হয় আৰু হিন্দু ধৰ্মৰ আধ্যাত্মিক জগতৰ এজন bold thinker সেইজন মহা দাৰ্শনিকে লিখা 'আত্মজ্ঞান' 'আত্মজ্ঞানৰ শীৰ্ষবিন্দু' আদি কিতাপৰ অসমীয়া ভাঙনি ইতিমধ্যে ছপা আকাৰত প্ৰকাশ কৰিছে। বিশ্বৰ চিন্তা জগতত তোলপাৰ লগোৱা 'কঠোপনিষদ'খনৰো অসমীয়া ভাঙনি কৰি প্ৰকাশৰ বাটত অপেক্ষা কৰি আছে। অসমৰ চিন্তা জগতত উচ্চভাৱৰ কুঁৱলী সৃষ্টি কৰা বিষ্ণুপ্ৰসাদ চক্ৰবৰ্তীদেৱে ইয়াতে সন্তুষ্ট থকা নাই। তেখেতে পৰম কৃষ্ণ ভক্ত মীৰাবাঈৰ ভজনাৱলী 'ৰাগগোবিন্দ'ৰো অসমীয়া অনুবাদ কৰি প্ৰকাশ কৰিছে। ব্ৰহ্ম আৰু কালী অৰ্থাৎ শক্তিৰ অভেদ দেখুৱাবলৈ তেখেতে লিখি প্ৰকাশ কৰিছে 'শক্তিপূজা আৰু অদ্বৈত ব্ৰহ্ম' নামৰ চিত্তাকৰ্ষক কিতাপ। শ্ৰীশ্ৰীৰামকৃষ্ণ পৰমহংসয়ো কৈছিল, 'কালী আৰ কেউ নয়, তিনিই ব্ৰহ্ম, তিনিয়েই কালী। কালী আদ্যাশক্তি ব্ৰহ্ম এক্ শক্তি অভেদ্য। ওঁকেই শক্তি ওঁকেই কালী আমি বলি। যেমন অগ্নি আৰু দাহিকা শক্তি অসমীয়া জাতিৰ প্ৰাণপ্ৰতিষ্ঠা কৰা শ্ৰীমন্ত শঙ্কৰদেৱৰ বিষয়ে গৱেষণামূলক কিতাপ, 'কৰ্মযোগী শ্ৰীমন্ত শঙ্কৰদেৱ' নামৰ চিন্তামূলক কিতাপ লিখি প্ৰকাশ কৰিছে।

শ্ৰদ্ধেয় বিষ্ণুপ্ৰসাদ চক্ৰবৰ্তীয়ে ভাৰতৰ প্ৰথম শ্ৰেণীৰ ইংৰাজী ভাষাৰ মেগাজিন "কল্যাণ কল্পতৰু'তো ধৰ্মবিষয়ক গধুৰ প্ৰবন্ধ লিখে। চক্ৰবৰ্তীৰ কিতাপবোৰৰ এটি বৈশিষ্ট্য হৈছে পাতনি। তেখেতে ইমান সুন্দৰ আৰু প্ৰাঞ্জল ভাষাত পাতনি লিখে যে মূল কিতাপখনৰ তত্ত্বগধুৰ কথাবোৰ বুজি উঠাত খোকোজা নালাগে। কিন্তু প্ৰবল জলসঞ্চাৰী ৰোহিত সদৃশ চক্ৰবৰ্তী দেৱক অসমৰ পঢ়ুৱৈ সমাজৰ কিমানে জানে? হয়তো মহাকবি ভৱভূতিয়ে কোৱাৰ দৰে সমাধৰ্মবিশিষ্ট লোকৰ অভাৱ। আমি আশা ৰাখিছো চক্ৰবৰ্তী ভাগুৰীয়াই তেখেতৰ লিখনিৰ পৰা যেন অব্যাহতি নলয়। ●

*(স্মৃতি গ্ৰন্থ নন্দেশ্বৰ চক্ৰবৰ্তী অষ্টোত্তৰ শত জন্মবাৰ্ষিকী ১৯৯৪ চন)*

# এগৰাকী স্নেহময়ী মাতৃ

যোৱা ২৮ অক্টোবৰ, ১৯৯৫ চন কাতি মাহৰ ১০ তাৰিখ ৰাতিপুৱা ১১ বজাত তেজপুৰ চহৰৰ ডালিম বৰা ৰোড নিবাসী সকলোৰে আইতা জেঠাইদেউ থুলেশ্বৰী বৰাই ৮৪ বছৰ বয়সত ইহসংসাৰ ত্যাগ কৰে। টেলিফোনত খবৰটো পাই আমি সকলোৱে মৰ্মাহত হৈ পৰিছিলো। মাত্ৰ অলপ দিনৰ অসুখত ভুগিয়েই যে তেওঁ আমাৰ মাজৰ পৰা হঠাতে আঁতৰি যাব, আমি কোনোমতে ভাবিব পৰা নাছিলো।

আজিৰ পৰা ৮৪ বছৰ পূৰ্বে তেখেতৰ জন্ম হৈছিল তেজপুৰ চহৰৰ সমীপৰ ডেকাৰগাঁও নিবাসী ধলেশ্বৰ মৌজাৰ মৌজাদাৰ সোণাৰাম শইকীয়াৰ প্ৰথম সন্তান হিচাপে। থুলেশ্বৰী বৰাৰ মাতৃ আছিল ৰায় চাহাব, ৰায়বাহাদুৰ অনাৰেৰী মেজিষ্ট্ৰেট মহীধৰ ভূঞা, মৌজাদাৰৰ একমাত্ৰ জীয়ৰী যজ্ঞেশ্বৰী শইকীয়া। মহীধৰ ভূঞা এজন ধৰ্মপৰায়ণ ব্যক্তি আছিল আৰু ১৯২৮ চনতে 'সৰল ভক্তি' নামৰ এখন বৈষ্ণৱ ধৰ্মৰ গ্ৰন্থ ৰচনা কৰি কলিকতাৰ প্ৰেছত ছপা কৰি প্ৰকাশ কৰিছিল। সেই আপুৰুগীয়া কিতাপখনৰ এটি কপি এতিয়া প্ৰয়াত থুলেশ্বৰী বৰাৰ বাসগৃহত সযতনে ৰাখি থোৱা আছে।

মাত্ৰ ১৩ বছৰ বয়সতে থুলেশ্বৰী বৰাৰ বিবাহ হৈছিল তেজপুৰ চহৰৰ এটি প্ৰাচীন আৰু অভিজাত পৰিয়ালৰ ৰায়চাহাব ডালিম বৰাৰ প্ৰথম সন্তান ভৰত চন্দ্ৰ বৰালৈ। ডালিম বৰা তাহানি এজন খ্যাতিমন্ত পুৰুষ আছিল। তেখেত আছিল একাধাৰে চৰকাৰী উকীল, লোকেল বোৰ্ডৰ চেয়াৰমেন ১৯২১ আৰু ১৯৩১ চনৰ ৰাইজৰ নিৰ্বাচিত এম. এল. চি.। তেখেতে এখনি অপ্ৰকাশিত ক্ষুদ্ৰ আত্মজীৱনী লিখি থৈ গৈছে। তাৰপৰা জনা যায় যে তেখেতে ১৮৮৬ চনতে তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ জলপানি লৈ কলিকতাৰ চিটি কলেজত ভৰ্তি হৈছিল। ১৯০০ চনত ডালিম বৰাই তেজপুৰত ওকালতি আৰম্ভ কৰোতে মাত্ৰ পাঁচজন উকীলৰ ভিতৰত তেখেতেই একমাত্ৰ অসমীয়া উকীল আছিল।

থুলেশ্বৰী বৰাই শাহু হিচাপে পাইছিল নগাঁৱৰ সূতাৰগাঁৱৰ বুৰঞ্জীখ্যাত বাখৰ বৰাৰ পৰিয়ালৰ আৰু নগাঁৱৰ চিৰস্তাদাৰ ডাঙৰীয়া ৰবিলাল ভূঞাৰ ঘৈণীয়েকৰ ওচৰ সম্বন্ধীয় আৰু তেওঁ শাহুৱেকৰ কঠোৰ নিয়ম-নিষ্ঠাৰ মাজত থাকি বিবিধ বিষয়ৰ ঘৰুৱা শিক্ষা লাভ কৰিছিল।

ঐতিহ্যপূৰ্ণ এনে এখন ঘৰত বোৱাৰী হিচাপে তেখেতে সেই সময়ৰ অসমৰ বিভিন্ন ৰাজনৈতিক, সামাজিক আৰু উচ্চ চৰকাৰী পদবীধাৰী বহু লোকৰ আপ্যায়ন আৰু সেৱা-শুশ্ৰূষাৰ ভাৰ ল'ব লগা হৈছিল। ইয়াৰ অন্যতম কাৰণ হ'ল, তেখেতে বোৱাৰী হিচাপে শাহুৱেকক মাত্ৰ দুবছৰ কালহে পাইছিল। তেখেতৰ মুখেই শুনিছিলো যে দেশভক্ত তৰুণৰাম ফুকন, নবীন চন্দ্ৰ বৰদলৈ, সাহিত্যৰথী বেজবৰুৱা, ছাৰ মহম্মদ চাদুল্লা, প্ৰিঞ্চিপাল জে. বৰুৱা, দেবেশ্বৰ শৰ্মাকে প্ৰমুখ্য কৰি তেতিয়াৰ সমাজৰ আগশাৰীৰ লোকসকলে তেজপুৰলৈ আহিলেই থুলেশ্বৰী বৰাই আলপৈচান ধৰিছিল। তেখেত ৰন্ধন বিদ্যাতো বৰ পাৰ্গত আছিল আৰু উপাদেয় খাদ্য প্ৰস্তুত কৰিব পাৰিছিল। থুলেশ্বৰী বৰা অতুলনীয় স্মৃতি-শক্তিৰ অধিকাৰী আছিল আৰু পুৰণি কথাৰ ভঁৰাল স্বৰূপ আছিল। এটা প্ৰায় সুদীৰ্ঘ শতাব্দীৰ ইতিহাস তেখেতৰ চকুৰ আগত জিলিকি আছিল । ইংৰাজী শিক্ষা নাপালেও তেখেতৰ অসমীয়া ভাষাৰ ভাল জ্ঞান আছিল। তেখেত মহাভাৰত, ভাগৱত, কীৰ্ত্তন ঘোষা আদি শাস্ত্ৰ সুৰ লগাই পাঠ কৰিব পাৰিছিল। শুৱলাকৈ ব্যাখ্যাও কৰিব পাৰিছিল। তেখেতে সদায় নিজে নামঘৰ মচি-কাচি গুৰু সেৱা কৰিহে আহাৰ গ্ৰহণ কৰিছিল। কিন্তু তেখেত গোড়া নাছিল আৰু যুক্তিপূৰ্ণ কথাবোৰ সহজে মানি লৈছিল। তেখেত মৃত্যুৰ সময়লৈকে কেইবাটাও নামঘৰৰ লগত ওতপ্ৰোতভাৱে জড়িত আছিল। তেখেত বৰ অতিথিপৰায়ণ আছিল। সেইবাবেই তেখেতৰ ঘৰত আলহী-অতিথিৰ সঘন যাতায়াত হৈছিল। তেখেতে প্ৰত্যেক কথা আৰু কামৰ মাজত ৰজিতা খোৱাকৈ একোবাৰ ফকৰা বা যোজনা ক'ব পাৰিছিল। তেখেত বৰ কৌতুকপ্ৰিয়ও আছিল। ধেমেলীয়া কথাৰে মানুহক হঁহুৱাবও পাৰিছিল। তেখেতৰ সৰু ভায়েক শোণিতপুৰ জিলাৰ হলেশ্বৰ মৌজাৰ মৌজাদাৰ হৰকুমাৰ শইকীয়া হ'ল অসমৰ এজন লেখৰ ক্ৰীড়া সংগঠক আৰু অসম চৰকাৰৰ এজন ক্ৰীড়া পেঞ্চনভোগী। সৰু ভনীয়েক উষা দাস অসমৰ ৰাজনীতিৰ এগৰাকী আগশাৰীৰ নেত্ৰী।

থুলেশ্বৰী বৰাই ৪০ বছৰ বয়সৰ ডেওনা পাৰ হওঁতেই বৈধব্যৰ দাৰুণ যন্ত্ৰণা পাব লগা হৈছিল আৰু তেখেত তেতিয়া এটা-দুটাকৈ আঠোটি সন্তানৰ মাতৃ আছিল। নিকৰুণ বিধিয়ে তেখেতৰ স্বামীক হঠাতে আঁতৰ কৰি নিয়াৰ পিছত কঠোৰ দাৰিদ্ৰতাৰ লগত সংগ্ৰাম কৰি অভাৱনীয় ধৈৰ্য্যৰ মাজেৰে সকলো অৱস্থাতে মানসিক উত্তেজনা নোহোৱাকৈ স্থিতপ্ৰজ্ঞৰ দৰে থাকি আঠোটি সন্তানক সু-প্ৰতিষ্ঠিত কৰিব পাৰিছিল। এনেকুৱা দৃষ্টান্ত সঁচাকৈয়ে বিৰল।

জীয়ৰী আৰু ডেকা কালত থুলেশ্বৰী বৰা এগৰাকী সুনিপুণ শিপিনী আছিল আৰু ঘৰুৱা তাঁতশালত সুন্দৰ কাপোৰ বব পাৰিছিল। তেখেতৰ শালত বোৱা পাট আৰু মুগা কাপোৰে সমাজত প্ৰসিদ্ধি লাভ কৰিব পাৰিছিল। মাত্ৰ দুবছৰৰ আগতে তেখেতৰ বৰপুত্ৰ ডাঃ হেমন্ত নাৰায়ণ বৰাৰ পৰলোকপ্ৰাপ্তি হৈছিল। তেতিয়াৰে পৰা তেখেতৰ মনত এটি

উদাস ভাব পৰিলক্ষিত হৈছিল যদিও তেখেত ভাগি পৰা নাছিল। তেখেত সুন্দৰ স্বাস্থ্যৰ গৰাকী আছিল। মৃত্যুৰ আগমুহূৰ্তত তেখেতে সজ্ঞানে ৰাম আৰু কৃষ্ণৰ নাম উচ্চাৰণ কৰি এইগৰাকী স্নেহশীলা মাতৃয়ে শেষ নিশ্বাস ত্যাগ কৰিছিল।

থুলেশ্বৰী বৰা যাক সকলোৱে আইতা বা জেঠাদেউ বুলি সম্বোধন কৰিছিল আজি আমাৰ মাজত নাই। নাতি-নাতিনীৰে ভৰা এখন ঘৰ শূন্য কৰি তেখেত অনন্তধামলৈ গুচি গ'ল। তেখেতলৈ অন্তৰৰ হিয়াভৰা শ্ৰদ্ধা নিবেদন কৰি বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিলো। ●

# এটি অলিখিত কাহিনী

১৯৫৬ চনৰ কথা। তেতিয়া বিষ্ণুৰাম মেধী ডাঙৰীয়া অসমৰ মুখ্যমন্ত্ৰী আৰু বিমলাপ্ৰসাদ চলিহা আছিল অসমৰ কংগ্ৰেছৰ সভাপতি। আমি কেইজনমান ছাত্ৰই কটন কলেজৰ পৰা সুখ্যাতিৰে স্নাতক ডিগ্ৰী লাভ কৰি উচ্চ শিক্ষাৰ বাবে কলিকতা বিশ্ববিদ্যালয়ত ভৰ্তি হ'লো। আমি কেইজনমানে লোৱাৰ চাৰ্কেল ৰোডত থকা প্ৰেছিডেন্সি কলেজৰ ৰাণী স্বৰ্ণময়ী ৰোডৰ পোষ্ট গ্ৰেজুৱেটত থাকিবলৈ লৈছিলো। আমি একেলগে থকা ছাত্ৰসকল হ'ল— দীনেশ গোস্বামী, তৰুণ মোহন গোস্বামী, ৰোহিণী মহন্ত, কিৰণ বৰদলৈ, সত্য হাজৰিকা আৰু আন এটা হোষ্টেলত আছিল ৰবীন বৰুৱা, হীৰেন দত্ত, গুৰুদাস চেটাৰ্জী আদি। অসম তেতিয়া তেল শোধনাগাৰৰ দাবীত অগ্নিগৰ্ভা। কেন্দ্ৰীয় তেল মন্ত্ৰী উত্তৰ প্ৰদেশৰ মালবাজীয়ে বিহাৰৰ বাৰাউনীত অসমত নতুনকৈ আৱিষ্কাৰ হোৱা তৈল সম্পদেৰে এটা বিয়াগোম শোধনাগৰ পতাৰ বাবে নাছোৰবান্দা হৈ আহিছে। অসম ভেলীৰ ছাত্ৰসকলেও অসমত শোধানাগাৰ পতাৰ আন্দোলনত সক্ৰিয় অংশ লৈছিল। এনেকুৱা এটি সন্ধিক্ষণতে আমি কলিকতাত গম পালো যে বিষ্ণুৰাম মেধীকে প্ৰমুখ্য কৰিআন বহুতো কলিকতাৰ অসম হাউছত আছেহি। সেই সময়ত আকাশী যানেৰে গুৱাহাটীৰ পৰা কলিকতালৈ আহি তাৰপৰা ৰেলেৰে দিল্লীলৈ যোৱা নিয়ম প্ৰচলিত আছিল। তেতিয়া গুৱাহাটী-দিল্লীৰ মাজত আকাশী যানৰ চলাচল আৰম্ভ হোৱা নাছিল আৰু কলিকতা-নাগপুৰ হৈ দিল্লীলৈ যোৱা বিমান চালু আছিল যদিও যাত্ৰীসকলে ব্যয় সংকোচৰ বাবে সেই পথ সাধাৰণতে পৰিত্যাগ কৰিছিল। দুখীয়া ৰাইজৰ ধন ব্যক্তিগত লাহ-বিলাহত এতিয়াৰ দৰে তেতিয়াৰ মন্ত্ৰীসকলে খৰচ নকৰিছিল। গাত সামান্য কলংক নথকা নিকা চৰিত্ৰৰ মেধী ডাঙৰীয়া এই বিষয়ত অতি মাত্ৰাই সচেতন আছিল বুলি পিছত শুনিছিলো। তেতিয়াৰ কলিকতাত থকা আসাম হাউছটো এটা সৰু কংক্ৰীটৰ বিল্ডিংহে আছিল। আৰু ১৯৬০চনৰ মানতহে এতিয়াৰ বিয়াগোম বিল্ডিংটো সজা হৈছিল। আমাৰ বহুতৰে তেতিয়া এটা বদ্ধমূল ধাৰণা হৈছিল যে মেধী ডাঙৰীয়া তথা অসম কংগ্ৰেছে অসমৰ বাবে এটা তেল শোধনাগাৰ পতাৰ বাবে দিল্লীত সজোৰ দাবী পেছ কৰিব পৰা নাছিল বাবে তেল শোধনাগাৰটো পোৱাত অসমবাসী বঞ্চিত হ'ব লগা হৈছিল। ফলত অহৈতুকভাৱে অসম কংগ্ৰেছ তথা মেধী ডাঙৰীয়াৰ ওপৰত ৰাইজৰ আস্থা কমি আহিছিল।

আমি কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰসকলে সজাতী দলটোক লগ ধৰিবলৈ আসাম হাউছলৈ ঢাপলি মেলিলো অসমৰ ন্যায্য দাবীৰ প্ৰতি আমাৰ ফালৰ পৰা অৱগত কৰিবলৈ। আমি কলিকতা এ.এছ.এল. ক্লাবৰো সদস্য আছিলো। আসাম হাউছৰ সময়ে সময়ে হোৱা সভা-সমিতিবোৰত আমি গোট খাইছিলো। অৱশ্যে তেতিয়াৰ দিনত মাঘ বিহু পালন কৰা হৈছিল কলিকতাৰ শিৱপুৰত থকা বোটানিকেল গাৰ্ডেনত। তাত আমি একালৰ কটন কলেজৰ সংস্কৃত ভাষাৰ বিখ্যাত অধ্যাপক লক্ষী চেটাৰ্জীক লগ পোৱাৰ কথা মনত পৰে আৰু এবাৰ কলিকতাৰ আসাম হাউছত কিবা এটা সাংস্কৃতিক অনুষ্ঠানত কটন কলেজৰ ভূতপূৰ্ব অধ্যক্ষ এছ. চি. ৰায়কো লগ পাইছিলো। কথা প্ৰসংগত তেখেতে মোক কৈছিল যে বিষ্ণুৰাম মেধী ডাঙৰীয়া কলিকতাত পঢ়োতে তেখেতৰ সহপাঠী আছিল। মোৰ যিমান দূৰ মনত পৰে দীনেশ গোস্বামী, তৰুণ মোহন গোস্বামী, ৰোহিণী মহন্ত, ৰবীন বৰুৱা, হীৰেন দত্ত, কিৰণ বৰদলৈ, সত্য হাজৰিকা, বিনয় শইকীয়াকে ধৰি ছাত্ৰৰ দল এটি সন্ধিয়া সময়ত অসম হাউছ পালেগৈ। তাত গৈ গম পালো যে অসমৰ পৰা যোৱা কংগ্ৰেছ সজাতী দলটোত বিষ্ণুৰাম মেধী মুখ্যমন্ত্ৰীৰ উপৰি আছিল অসম কংগ্ৰেছৰ সভাপতি বিমলাপ্ৰসাদ চলিহা, ককা নীলমণি ফুকন, নাক মোহাৰিলেই বুদ্ধি ওলোৱা বুলি খ্যাত সিদ্ধিনাথ শৰ্মা, 'জননায়ক' বিত্ত মন্ত্ৰী দেৱেশ্বৰ শৰ্মা, মন্ত্ৰী কামাখ্যা প্ৰসাদ ত্ৰিপাঠী, মইনুল হক চৌধুৰী আৰু ডাঃ ঘনশ্যাম দাস। পিছত শুনিছিলো যে মেধী ডাঙৰীয়াই অসুস্থ গাৰে দিল্লীলৈ যাব লগা হোৱাত ডেপুটী মিনিষ্টাৰ ডাঃ ঘনশ্যাম দাসক লগত নিছিল।

আমি পোনছাটেই মেধী ডাঙৰীয়াক লাউঞ্জত বহি থকা পাই তাতে লগ ধৰি তেল শোধনাগাৰৰ প্ৰবল দাবী পেছ কৰিলো। কথা কটাকটি আৰু তৰ্কা-তৰ্কিৰ মাজত মেধী ডাঙৰীয়া উত্তেজিত হৈ পৰা দেখিছিলো আৰু খঙৰ ভমকত মাজে-সময়ে তেখেত বহা চকীখনৰ পৰা থিয় হৈ আকৌ বহি পৰিছিল। ছাত্ৰসকলো এৰি দিয়া ভকত নাছিল। ৰোহিণী মহন্ত আৰু দীনেশ গোস্বামীয়ে মুখ্য ভূমিকা লৈছিল। ওচৰৰ চকীত সিদ্ধিনাথ শৰ্মা, কামাখ্যা প্ৰসাদ ত্ৰিপাঠী, ডাঃ ঘনশ্যাম দাস বহি আছিল। মেধী ডাঙৰীয়াৰ মেজাজৰ কথা আগতে আমি গম পোৱা নাছিলো। আমাৰ ফালৰ পৰা মেধী ডাঙৰীয়াই দিল্লীত সজোৰে অসমৰ দাবী পেছ কৰিব পৰা নাই বুলি দোষাৰোপ কৰিছিলো। তেখেতেও খঙত অগ্নিশৰ্মা হৈ সেইবোৰৰ প্ৰত্যুত্তৰ দিছিল। উভয় পক্ষৰ উখল- মাখলত পৰিস্থিতি উত্তপ্ত হৈ পৰিছিল। আমি অহেতুক আন্দোলন কৰা বুলি আমাকে জগৰীয়া কৰাত মই এবাৰ কৈ উঠিলো-- নাচিব নেজানে চোতালখন হেৰামগুৰীয়া। নীৰৱে বহি থকা সিদ্ধিনাথ শৰ্মাই মোৰ ফালে কেৰাহিকৈ চাইছিল। কিছু বেলিৰ মূৰত মেধী ডাঙৰীয়া ক্ষান্ত হ'ল।

ইয়াৰ পিছত কংগ্ৰেছ সভাপতি বিমলাপ্ৰসাদ চলিহা থকা কোঠালৈ গৈ তেখেতক আমি লগ ধৰিলো, গহীন-গম্ভীৰ আৰু প্ৰশান্তি চিত্তে বহি থকা বিমলা চলিহাই আমাক বহিবলৈ দিলে। শোধনাগাৰৰ প্ৰবল দাবী আমি উত্থাপন কৰিলো আৰু তেখেতে শান্তভাৱে আমাৰ

কথাবোৰ শুনি ধীৰে ধীৰে আমাৰ প্ৰশ্নবোৰৰ উত্তৰ দি গ'ল। কেন্দ্ৰই শোধনাগাৰৰ দাবী মানি নল'লে অসম কংগ্ৰেছে কি ব্যৱস্থা ল'ব বুলি সোধাত তেখেতে সুস্থিৰভাৱে ক'লে যে তেনে অৱস্থাত গান্ধীয়ান পন্থা অবলম্বন কৰি সংগ্ৰামত অৱতীৰ্ণ হ'ব বুলি দোহাৰিলে। আমি এই পন্থা কেনে হ'ব বুলি সোধাত শেষ পন্থা হিচাপে আমৰণ অনশনো থাকিব বুলি ক'লে।

চলিহা ডাঙৰীয়াৰ কোঠাৰ পৰা ওলাই আহি আমি আন এটা কোঠাত থকা ককা নীলমণি ফুকনক লগ ধৰিলো। ককাই কথা প্ৰসঙ্গত ক'লে যে এটা ৰাজনৈতিক চক্ৰই তেখেতে দিল্লীলৈ যোৱাটোকে পছন্দ কৰা নাছিল। তেখেতে চক্ৰটোৰ বিষয়ে উল্লেখ নকৰিলে আৰু তেখেতে যে আমাৰ দাবী দিল্লীত সজোৰে উত্থাপন কৰাত পিছ নোহঁোহোকে এই বিষয়ে আমাক সন্দেহ কৰিবলৈ মানা কৰিলে। আমি বাগ্মীবৰৰ কথাৰ চোক উপলব্ধি কৰিছিলো। তাৰ পিছত আমি বিত্তমন্ত্ৰী দেৱেশ্বৰ শৰ্মা থকা কোঠাত সোমালো। তাত মন্ত্ৰী মইনুল হক চৌধুৰীকো বহি থকা দেখিলো। পকা চুলিৰে দীৰ্ঘাকৃতিৰ শুভ্ৰ ধুতী কামিজ পৰিহিত তেজগোৰা সুন্দৰাকৃতিৰ শৰ্মা ডাঙৰীয়াক দেখিলেই মনত কৌতুহল নোপজাকৈ নাথাকে। তেখেতৰ লগত আমি শোধনাগাৰৰ দাবীৰ বিষয়ে কথা পাতিলো। আমাৰ ছাত্ৰ দলৰ লগত হাঁহি-মাতি ফুচুৰি কথাৰে পৰিস্থিতি সহজ কৰি ৰাখিলে। আমি যিমানেই টানকৈ অসম চৰকাৰক সমালোচনা কৰো তেখেতে তাৰ উত্তৰবোৰ নিৰঙ্কুশভাৱে দি গৈছিল। মাজতে তেখেতৰ কিবা এটা কথাত ৰোহিণী মহন্তই ক'লে, মাক বেমাৰী হ'ল বুলি কেঁচুৱাই গাখীৰ নেখাব নেকি? মহন্তই ক'বলৈহে পালে শৰ্মা ডাঙৰীয়াই কৈ উঠিল ইহ এওঁলোকক চোৱা এওঁলোকৰ ওঁঠ চেপিলে গাখীৰ ওলোৱা বয়স, কিন্তু কথা কয় প্ৰৌঢ়ৰ দৰে। মন্ত্ৰীৰ কথাত ৰস পাই সকলোৱে হাঁহিবলৈ ধৰিলে। ঠিক সেই সময়তে শ্বিলঙৰ পৰা ফোন অহাত তেখেতে ফোনত কথা হ'ব ধৰিলে। মইনুলক হক চৌধুৰীয়ে আমাৰ লগত উচ্চস্বৰে কথা ক'বলৈ ধৰাত ফোনত কথা কোৱাত অসুবিধা পাই শৰ্মাদেবে খঙত মইনুল বুলি চিঞৰি উঠাত চৌধুৰীয়ে লগে লগে মাত সৰু কৰিবলৈ বাধ্য হ'ল। নিশা আঠমান বজাত আমি অসাম হাউছৰ পৰা বিদায় লৈ নিজৰ নিজৰ বাসস্থানলৈ উভতি আহিলো। হোষ্টেলত ৰগৰ কৰি ৰোহিণী মহন্তক কৈছিল আজি বিষ্ণু মেধীক জোকাই লোৱাৰ পৰিণতি হিচাপে মই হয়তো এছ. চি. এছ. বান পোৱাৰ পৰা বঞ্চিত হ'লো। অৱশ্যে মেধা সমুজ্জ্বল মহন্তক পিছৰ কালত তেখেতে মনে-প্ৰাণে ভাল পোৱা শৈক্ষিক জীৱনহে বাছি ল'লে।

এই ঘটনাৰ কিছুদিন পিছত মই অসমীয়া ছাত্ৰৰ লগত দিল্লীলৈ গৈ তেতিয়াৰ অসমৰ এম. পি. আৰু সৰ্বভাৰতীয় কংগ্ৰেছৰ অন্যতম সম্পাদক মহেন্দ্ৰ মোহন চৌধুৰীৰ চাউথ এভিনেউত থকা এম.পিৰ বাবে নিৰ্দিষ্ট বাসভৱনত উঠিছিলো আৰু তেখেতৰ আলহী হৈ আহিলো। মই কলকাতাত এম. এ.পঢ়ি থকা কালডোখৰত এছ প্লেনেড ইষ্টত থকা লক্ষী ইঞ্চুৰেন্স বিল্ডিঙৰ চতুৰ্থ মহলাত থকা যোগেশ্বৰ হাজৰিকাৰ ঘৰত মহেন্দ্ৰ মোহন চৌধুৰীকে প্ৰমুখ্য কৰি সাংসদ বিজয় ভাগৱতী, ধৰণীধৰ বসুমতাৰী, বিমলা প্ৰসাদ চলিহা, শৰৎ চন্দ্ৰ সিংহ, বৰপেটাৰ

দাস, সাংবাদিক সতীশ চন্দ্ৰ কাকতীকে ধৰি বহু লোকক লগ পোৱাৰ সুযোগ পাইছিলো। তেখেতসকলক মই অসাম হাউছত নাথাকি হাজৰিকাৰ বাসভৱনতহে থকা দেখিছিলো। তেতিয়া তেখেতে বিবাহ পাশত অবদ্ধ হোৱা নাছিল। হাজৰিকাই ১৯৩৮ চনতে মঙ্গলদৈ হাইস্কুলৰ পৰা মেট্ৰিক পাছ কৰি কলিকতাত খোপনি পুতিছিল আৰু নানান দুখ-কষ্ট আৰু দৰিদ্ৰতাৰ মাজেদি জীৱন সংগ্ৰামত কৃতকাৰ্যতা লাভ কৰি নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। এনেকুৱা প্ৰাণোদ্দীপক কষ্টসহিষ্ণু অতিথিপৰায়ণ, পৰোপকাৰী অসমীয়া ব্যক্তি-জীৱনৰ কামেই লগ পাইছো। তেখেতে এতিয়া চৌৰাশী বছৰৰ ডেওনা পাৰ হৈ সুস্থ শৰীৰেৰে আগৰ ঠাইতে সস্ত্ৰীক বাস কৰি আছে।

দিল্লীত মহেন্দ্ৰ মোহন চৌধুৰীৰ বাসভৱন এখন জীৱন্ত অতিথিশালাৰ দৰে আছিল। অহা আহিছে যোৱা গৈছে। তেখেতৰ বাসভৱনৰ এটা কমত পিছৰ কালৰ এম. এল. এ. আৰু মন্ত্ৰী নকুল দাসক নিগাজিকৈ বসবাস কৰি থকা দেখিছিলো। ধৰণীধৰ বসুমতাৰীৰ মুখে শুনিছিলো যে এবাৰ হোনো নতুনকৈ হোৱা এম. পি. হেম বৰুৱাক চৌধুৰী ডাঙৰীয়াই তেখেতৰ তাত ভাত খাবলৈ নিমন্ত্ৰণ কৰিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ ৰান্ধনীজন হঠাতে অসুস্থ হৈ পৰাত তেখেতে নিজে মাছ কুটি বাছি থেকেৰা টেঙাৰ জোলেৰে আঞ্জা ৰান্ধি খুৱাইছিল। আমি তাত থাকোতে এদিন মন্ত্ৰী সিদ্ধিনাথ শৰ্মা আহিল। চৌধুৰী ডাঙৰীয়াই আমাক দুয়োকো চিনাকি কৰি দিলে। পিছত কথা প্ৰসঙ্গত হেনো সিদ্ধিনাথ শৰ্মাই মহেন্দ্ৰ চৌধুৰীক কৈছিল যে কলিকতাৰ আসাম হাউছত বিষ্ণু মেধীক অপমান কৰা ছাত্ৰসকলৰ মাজত ময়ো আছিলো। সিদ্ধি শৰ্মাক বিদায় দিয়াৰ পিছত মহেন্দ্ৰ চৌধুৰীয়ে মোক ওচৰলৈ মাতি নি আসাম হাউছত ঘটি যোৱা ঘটনাৰ বাবে মোক তিৰস্কাৰ কৰি ক'লে যে বিষ্ণু মেধী এজন নিভাজ দেশপ্ৰেমিক আৰু তেখেতৰ বলিষ্ঠ নেতৃত্বৰ প্ৰতি আমি সন্দেহ কৰা উচিত হোৱা নাই। লগতে ক'লে যি বিষ্ণুৰাম মেধীয়ে প্ৰধানমন্ত্ৰীক স্পষ্ট ভাষাত জনাই দিছে যে অসমত শোধনাগাৰ নহ'লে তেখেতে মুখ্যমন্ত্ৰীৰ পদৰ পৰা পদত্যাগ কৰিব। মই মৌন হৈ শুনি থকাৰ বাহিৰে গত্যন্তৰ নাছিল।

এতিয়া জীৱনৰ আবেলি পৰত ভাবিছো যে আজিৰ পৰা দুকুৰি চাৰি বছৰ আগতে আমি আছিলো ছাত্ৰ, ভুকুতে কলটো পকে বুলি ভাবিছিলো আৰু সেয়েহে আমি বিষ্ণুৰাম মেধীৰ দৰে এজন দৃঢ়মনা প্ৰবল ব্যক্তিত্বসম্পন্ন জাতীয়তাবাদী নিখুঁত প্ৰশাসকক দুৰ্বলমনা বুলি ভাবিছিলো। বান্দৰে নাৰিকলৰ মোল নুবুজাৰ দৰে আমি তেতিয়া অপৈণত মস্তিষ্কৰ ছাত্ৰ আছিলো পিছৰ কালত ৰাজনৈতিক পাকচক্ৰত পৰি বিষ্ণুৰাম মেধীয়ে অসমৰ ৰাজনীতি পৰিত্যাগ কৰাত অসমৰ বাবে অপূৰণীয় ক্ষতি হৈছিল। ইয়াৰ সুদূৰপ্ৰসাৰী প্ৰতিক্ৰিয়া এতিয়াও শাম কটা নাই। এক শক্তিশালী ব্যক্তিত্বৰ এইজন মহান পুৰুষে জীৱনৰ সঞ্চিত ঘৰ-মাটি টকা-পইচা মৃত্যুৰ আগতে ৰাইজৰ সেবাৰ বাবে আগবঢ়াই ত্যাগৰো আদৰ্শ দেখুৱাই গৈছে।

এবাৰ কলিকতাৰ আসাম হাউছত মুখ্যমন্ত্ৰী থকা কালত মেধী ডাঙৰীয়াৰ ব্যক্তিগত সচিব শ্বিলঙৰ নদীয়া বিহাৰীদেৱৰ লগত মোৰ দেখা হৈছিল। নদীয়া বাবুয়ে মোক কৈছিল

যে মেধী এনে এজন তীক্ষ্ণ প্ৰশাসক আছিল যে বহু অভিজ্ঞতাসম্পন্ন আৰু মেধাৱী বুলি পৰিচিত অসম প্ৰশাসনৰ অনা- অসমীয়া আই.এ.এছ.বিষয়া সচিবসকলেও মেধী ডাঙৰীয়াই মাতি পঠালে দুগিলাচ মান পানী গলাধকৰণ কৰিহে তেখেতৰ সমুখীন হ'বলৈ সাহস গোটাইছিল। মই সাংবাদিক সতীশ কাকতীৰ মুখে শুনিছিলো যে মেধী ডাঙৰীয়াই মুখ্যমন্ত্ৰী থকা কালত স্বৰ্গীয় ধৰ্মানন্দ দাসক 'ৱাচডগ' হিচাপে পাৰ্ছেনেল বিভাগৰ জইন্ট চেক্ৰেটাৰী কৰি ৰাখিছিল যাতে অসমীয়াৰ স্বাৰ্থ অটুট থাকে। এ.চি.এছ বিষয়াৰ নিয়োগৰ বাবে এ.পি.এছ.চি.য়ে পঠোৱা চূড়ান্ত তালিকাখনো মেধী ডাঙৰীয়াই কোনো সাল-সলনি কৰা নাছিল বুলি কাকতী ডাঙৰীয়াই মোক কৈছিল কিন্তু আজিকালিৰ দিনৰ কথা এবাৰ ভাবকচোন। মুষ্টিমেয় সাহসী আৰু জাতীয়তাবাদী উচ্চপদস্থ অসমীয়া বিষয়াৰ আজি কি অৱস্থা হৈছে, ভ্ৰষ্টাচাৰে আমাৰ জাতীয় জীৱন কলুষিত কৰি তোলা নাইনে? অপৈণত মস্তিষ্কৰ যুৱ নেতাসকলৰ হাতত অসমখন ল'ৰাৰজাৰ দেশ হোৱা নাইনে? ●

*(ইং ৩১-১২-২০০৬ তাৰিখৰ 'আমাৰ অসম' কাকতত প্ৰকাশিত)*

কটন কলেজৰ

# তৃতীয় ছাত্ৰাৱাসৰ শতবাৰ্ষিকী

নতুন প্ৰাণৰ ন চকুযুৰি দীপিতি ঢালি দে তাত
পুৰণি পৃথিৱী নকৈ চাই লওঁ হে বীণ এবাৰি মাত।

লক্ষ্মীনাথ বেজবৰুৱাৰ এই কথাফাকি সঁচাকৈয়ে অসমীয়াৰ প্ৰাণৰ বস্তু। ইয়াৰ স্পন্দনে আমাৰ প্ৰাণতো অনুভূতিৰ স্পন্দন ঘটোৱাটো স্বাভাৱিক। এই প্ৰাণ সঞ্চাৰিণী কাব্যৰ তাৎপৰ্য অনুভূত হৈছে। ঐতিহ্যমণ্ডিত কটন কলেজৰ তৃতীয় ছাত্ৰাৱাসৰ ( বৰ্তমান আনন্দৰাম বৰুৱা ছাত্ৰাৱাস) আগন্তুক শতবাৰ্ষিকী উৎসৱৰ সময়ত। মই পঞ্চাশৰ দশকৰ প্ৰায় আদিভাগত মঙলদৈ হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষত উত্তীৰ্ণ হৈ কটন কলেজত পঢ়োতে প্ৰথম দুবছৰ প্ৰথম ছাত্ৰাবাসত কটাই পিছত তৃতীয় ছাত্ৰাৱাসত দুবছৰ কটাই ( ১৯৫৪-৫৬ চন) বি.এ.পৰীক্ষাত ইতিহাসত অনাৰ্চসহ উত্তীৰ্ণ হৈ কলিকতাৰ প্ৰেছিডেন্সি কলেজত স্নাতকোত্তৰ শ্ৰেণীত ভৰ্তি হৈছিলো। তৃতীয় ছাত্ৰাৱাসত কটোৱা সময়ছোৱা মোৰ বাবে অতি স্মৰণীয় সময়।

তৃতীয় ছাত্ৰাৱাস আৰম্ভ হৈছিল ১৯১৩ চনত। সেই সময়ত কটন কলেজৰ জয় জয় ময় ময় অৱস্থা। চুডমাৰ্চন চাহাবৰ দৰে এজন অনন্য প্ৰশাসক আছিল। এই কলেজৰ অধ্যক্ষ কিংবদন্তিস্বৰূপ। প্ৰফেছাৰ পি.চি.ৰয়,লক্ষ্মী চেটাৰ্জী, ভুবনমোহন সেন, হৰ্ষনাথ সেন, আৰ.আৰ.টমাচ, অৰ্থনীতি বিষয়ত আন্তৰ্জাতিক খ্যাতিসম্পন্ন ব্ৰাউন চাহাব আছিল কটন কলেজৰ উজ্জ্বল তাৰকা মণ্ডলীৰ অন্তৰ্ভুক্ত।

আৰম্ভণিৰ সময়ত তৃতীয় ছাত্ৰাৱাসৰ অধীক্ষক কোন আছিল জনা নগ'ল। অংকৰ প্ৰফেছাৰ বৰাও কিছু বছৰ অধীক্ষক হৈ থকাৰ পিছত প্ৰফেছাৰ হৰ্ষনাথ সেনে অতি সুখ্যাতিৰে ১৯২০ চনমানৰ পৰা ১৯৩৯ চনলৈ তৃতীয় মেছৰ অধ্যক্ষতা কৰিছিল।। তেখেতৰ পিছত চন্দ্ৰনাথ কলিতা, সুৰেশ ৰাজখোৱা, হৰেন্দ্ৰনাথ চৌধুৰী, ফণী দত্ত, ডঃ প্ৰসন্ন গোস্বামী, কৰুণা দত্ত আৰু ৰজনীকান্ত দেৱ শৰ্মা ছাৰে ১৯৬০ চনলৈ দক্ষতাৰে হোষ্টেল ছুপাৰৰ কাম চলাই গৈছিল। মই যিহেতু ১৯৫৬ চনলৈ এই হোষ্টেলৰ আৱাসী আছিলো, গতিকে পিছৰ কালছোৱাৰ [illegible]ৰাব পৰা মই বিৰত থাকিলোঁ। বিগত শতিকাৰ বিশ আৰু ত্ৰিশৰ দশকৰ কালছোৱাত

তৃতীয় ছাত্ৰাবাসত কিছুমান মেধাসম্পন্ন ছাত্ৰই এই মেছত থাকি কটন কলেজৰ শোভাবৰ্ধন কৰিছিল। কটন কলেজৰ অধ্যক্ষ বিশিষ্ট শিক্ষাবিদ প্ৰয়াত হিৰণ্য ভূঞাই ছাত্ৰ হিচাপে এই ছাত্ৰাবাসত (১৯২২-২৪) আছিল বুলি ১৯৫৫ চনত তৃতীয় ছাত্ৰাবাসে তেখেতক দিয়া বিদায় সভাত নিজমুখে ব্যক্ত কৰিছিল। তৃতীয় ছাত্ৰাবাসত থকা আন এজন বিখ্যাত ছাত্ৰ আছিল মহীচন্দ্ৰ মিৰি (১৯২৩-১৯২৭ চন)।তেখেত ভাল টেনিছ খেলুৱৈ, সুদৰ্শন আৰু প্ৰবল ব্যক্তিত্বসম্পন্ন ব্যক্তি হিচাপে পৰিচিত আছিল। তেখেত অসমৰ প্ৰথম ফৰেষ্ট ই. এ.চি. আছিল। তৃতীয় মেছৰ পঞ্চম ব্লকত আন এজন মেধাৱী ছাত্ৰ আছিল। (১৯২৫-২৯) পুণ্যেশ্বৰ শৰ্মা। তেখেত এসময়ত থাউৰা মৌজাৰ মৌজাদাৰ আছিল। এতিয়া গুৱাহাটীৰ নাৰিকলবস্তি নিবাসী আৰু অহা এপ্ৰিল মাহত তেখেতৰ শতবৰ্ষ পূৰ্ণ হ'ব। তেখেতৰ পৰা মই তেখেতৰ সময়ৰ কটন কলেজ আৰু হোষ্টেলৰ তৃতীয় ছাত্ৰাবাসৰ বহু কথা জানিব পাৰিছো। তেখেতৰ পুত্ৰ জিতেন শৰ্মায়ো ( আই.এ.এছ. অৱসৰপ্ৰাপ্ত) তেখেতৰ দেউতাকৰ দৰে তৃতীয় মেছৰ পঞ্চম ব্লকত দুবছৰ (১৯৫২-৫৪) আছিল। তৃতীয় মেছত পুণ্যেশ্বৰ শৰ্মাৰ সমসাময়িক ছাত্ৰ আছিল প্ৰখ্যাত সাংবাদিক হৰেন্দ্ৰনাথ বৰুৱা, সাংসদ আৰু মন্ত্ৰী পূৰ্ণানন্দ চেতিয়া, উকীল ধৰ্মনাথ শৰ্মা, যোৰহাটৰ সৰবৰহী. অধিবক্তা ৰামেশ্বৰ বৰা, বৰপেটাৰ উকীল যাদৱ শৰ্মা, ললিত দাস অৱসৰপ্ৰাপ্ত আই.জি.পি. ভৱানী বৰুৱা, ডিব্ৰুগড়ৰ উকীল পুষ্প কটকী, নগাঁৱৰ উকীল মহীচন্দ্ৰ বৰা ফুকন, বৰপেটাৰ মতিৰাম দাস আৰু বাসুদেৱ মিশ্ৰ পুণ্যেশ্বৰ শৰ্মাৰ সহপাঠী প্ৰসিদ্ধ ফুটবল খেলুৱৈ শিক্ষাবিদ বৰপেটাৰ হৰিমোহন তালুকদাৰ তৃতীয় মেছৰ চতুৰ্থ ব্লকত আছিল। এখেতসকলৰ কেতিয়াবাই পৰলোকপ্ৰাপ্তি ঘটিছে। সেই সময়ত চতুৰ্থ ব্লকত সাধাৰণতে বৰপেটাৰ ফালৰ ল'ৰাবোৰ আছিল আৰু পঞ্চম ব্লকত উজনি অসমৰ ল'ৰাবোৰ আছিল। এই ঐতিহ্য বহুকাল চলি থকা দেখিছিলো। বৰপেটাৰ ফালৰ ল'ৰাবোৰে খৰম পিন্ধিছিল আৰু হোকা খাইছিল। আন ব্লকৰ ল'ৰাবোৰে চতুৰ্থ ব্লকটোক খৰম পাৰা বুলি ৰগৰ কৰিছিল। সেই দিনত পাণবজাৰত দুখন চাহ-মিঠাইৰ দোকান আছিল ক্ৰমে গুৱাহাটী ডায়েৰী (১৯২৪ চন) আৰু বৰ্মনসকলৰ মহামায়া মিষ্টান্ন ভাণ্ডাৰ। অৱস্থাসম্পন্ন ঘৰৰ ল'ৰাবোৰে বন্ধৰ দিনত আৰু আবেলি সময়ত এই দুখন দোকানতে চাহ-মিঠাই খাইছিল আৰু আবেলিপৰত কাৰ্জন হল লাইব্ৰেৰীত সংবাদ পত্ৰিকা পঢ়িছিল। চতুৰ্থ আৰু পঞ্চম ব্লক দুটাৰ মাজত এখন সুন্দৰ টেনিছ কোৰ্ট আছিল। আবেলিপৰত প্ৰফেছাৰ পি. চি. ৰয় আৰু ভুবন মোহন সেনে আবাসীসকলৰ লগত টেনিছ খেলিছিল। পুণ্যেশ্বৰ শৰ্মাই মোক কৈছিল যে তেখেতসকল কটনত পঢ়া কালত অসমীয়া ঠাকুৰ নাছিল। আৰু শীতল ডুবে নামৰ এজন যোগ্যতাসম্পন্ন বিহাৰী ঠাকুৰ তৃতীয় মেছত কাম কৰিছিল। মাত্ৰ ২০ টকাতে খোৱা-বোৱা সুন্দৰকৈ চলিছিল। কিন্তু ডাইনিং হলত মেছত বাস কৰা অনুসূচিত জাতিৰ ল'ৰাবোৰে একাষৰীয়াকৈ বহিছিল। সৰস্বতী পূজা আৰু নৱাগত আদৰণী সভাবোৰ হোষ্টেলত বৰ ধুমধামেৰে হৈছিল। সেইদিনত চতুৰ্থ আৰু পঞ্চম ব্লকৰ মাজত এজনহে মনিটৰ আছিল। পুণ্যেশ্বৰ শৰ্মা তৃতীয় মেছত থাকোতে এটা মজাৰ কথা

হৈছিল। এবাৰ মাঘ বিহুৰ উৰুকাৰ দিনা তৃতীয় মেছৰ ছাত্ৰসকলে দুয়োটা ব্লকৰ মাজত খালী ঠাইখিনিত জুই জ্বলাবলৈ খৰি বিচৰাত লাগিল। তেতিয়া থমচন চাহাব কটন কলেজৰ অধ্যক্ষ আছিল। তৃতীয় মেছৰ কাষতে থকা অধ্যক্ষৰ বাসভৱনত কাঠৰ বহুতো লগ বা কুণ্ডা জমা কৰি থোৱা আছিল। ল'ৰাইঁতৰ চকু পৰিল। ল'ৰাইঁতৰ কিছুমানে নিশাৰ অন্ধকাৰৰ সুযোগ লৈ সেই লগবোৰ চুৰি কৰি আনি অগ্নি সংযোগ কৰিলে। থমচন চাহাবে গম পাই হাতত লাঠি এডাল লৈ উগ্ৰমূৰ্তি ধৰি খেদি আহিল। চাহাব অহা দেখি ল'ৰাবোৰে পলাই পত্ৰং দিলে। বৰপেটাৰ বাসুদেৱ মিশ্ৰই পলোৱাৰ সুযোগ নাপাই ওচৰত থকা আমগছ এজোপাত উঠি ডালপাতৰ মাজত লুকাই থাকিল। চাহাবে কাকো নাপাই খঙৰ ভমকত হাতত থকা লাঠিডালেৰে মাটিতে কেইকোবমান মাৰি ভোৰভোৰাই গুচি গ'ল। পুণ্যেশ্বৰ শৰ্মাই মোক কৈছিল যে ১৯২৬ চনত পাণ্ডু কংগ্ৰেছত বৰপেটাৰ ধনীৰাম তালুকদাৰৰ সবল নেতৃত্বত ল'ৰাবোৰে ভলন্টিয়াৰ হিচাপে দেহে-কেহে খাটিছিল। ত্ৰিশৰ দশকৰ তৃতীয় ছাত্ৰাবাসত থকা কেইবাজনো ছাত্ৰ অৰ্থাৎ বয়োবৃদ্ধ কটনিয়ান এতিয়াও সুস্থ শৰীৰে জীয়াই আছে। অৱশ্যে তেওঁলোকৰ ৯০ বছৰৰ ডেওনা কেতিয়াবাই পাৰ হ'ল। আসাম ত্ৰিবিউন কাকতত ২০০২ চনৰ ১ জুনৰ এখন চিঠিত গুৱাহাটী ৰিহাবাৰীৰ অৱসৰপ্ৰাপ্ত জিলা জজ ভোলাৰাম দাসে তেখেতে লিখা (Nostalgic Meel) নামৰ চিঠিখনত উল্লেখ কৰিছে যে তেখেতে কটন কলেজত পঢ়োতে ১৯৩৩ চনৰ পৰা ১৯৩৭ চনৰ কালছোৱাত তেখেত তৃতীয় মেছৰ আবাসী আছিল। এতিয়া দাসৰ বয়স ৯৩ বছৰ। তেখেতৰ লগৰে এসময়ৰ তৃতীয় মেছৰ আবাসী বিখ্যাত ভলীবল খেলুৱৈ বিনোদ দাস (নাজিৰা), লেবাৰ কোৰ্টৰ অৱসৰপ্ৰাপ্ত জৰ্জ যাদৱ ভূঞা, চাহখেতিয়ক মাখন দুবৰা, শিৱসাগৰৰ গিৰিজা বৰুৱা, অৰুণ হাজৰিকা চতুৰ্থ ব্লকত আছিল আৰু তেখেতসকলে ৯০ বছৰৰ ডেওনা কেতিয়াবাই পাৰ কৰিলে। প্ৰয়াত উপাচাৰ্য সুৰেশ ৰাজখোৱা ছাৰ কটন কলেজত পঢ়োতে (১৯২৯-৩৩ চন) তৃতীয় মেছৰ চতুৰ্থ ব্লকত থাকিছিল। এখেতসকলৰ দিনতে পুঠিমাৰিয়ে ( পিছত বৰঠাকুৰ) ঠাকুৰ হিচাপে নিযুক্তি পাইছিল। পুঠিমাৰীৰ বয়স এতিয়া ৮৯ বছৰ। ৪০ ৰ দশকত তৃতীয় মেছত আছিল তেজপুৰৰ বিখ্যাত ফুটবল খেলুৱৈ প্ৰয়াত হৰকুমাৰ দাস, পৰলোকগত প্ৰফেছাৰ কমল মজুমদাৰ, প্ৰয়াত হেমন্ত মজুমদাৰ, অসাধাৰণ স্মৃতিশক্তিৰ অধিকাৰী প্ৰফেছাৰ মহেশ ভূঞা প্ৰবল মেধাসমজ্জ্বল মিহিৰ বৰুৱা, অসম সাহিত্য সভাৰ ভূতপূৰ্ব সভাপতি মহেন্দ্ৰ বৰা ছাৰ, ডাঃ হেমন্ত বৰা (প্ৰয়াত), তৰুণ বৰা, প্ৰবোধ শৰ্মা প্ৰয়াত দেৱেন সোণোৱাল দুই-এবছৰৰ পিছত থকাসকল হ'ল শোভা ব্ৰহ্ম, মণিপুৰৰ নীলমণি সিং, বীৰেশ্বৰ বৰুৱা আই. এ. এছ. (অৱসৰপ্ৰাপ্ত) ইত্যাদি।

মই তৃতীয় মেছত থাকোতে পাইছিলো ভূতপূৰ্ব মন্ত্ৰী প্ৰয়াত ৰণেন বসুমতাৰী, খেলুৱৈ দুলাল দত্ত, অমিয় চৰণ গোহাঁই, মেধাসমুজ্জ্ব ল ৰমণী দাস, বিষ্ণু খাউণ্ড, যোগেশ দাস, প্ৰসন্ন শৰ্মা, আই. এ.এছ. ( অৱসৰপ্ৰাপ্ত) ৰত্ন ওজা, মাণিক বৰা, যোগেশ দাস, বিবেক তালুকদাৰ, প্ৰয়াত জয় দাস, বাণী বৰুৱা হৰেশ্বৰ দাস আদি। অৰ্পণা পদ্মাৱতী অৰ্জুন দাস, প্ৰদীপ শইকীয়া

লোকেন হাজৰিকা। পিছত চাৰিজনে অসমৰ একোখন প্ৰথম শাৰীৰ কলেজৰ পৰা ইতিমধ্যে অধ্যক্ষ হিচাপে অৱসৰ লৈছে। মই তৃতীয় মেছত থাকোঁতে নৱাগত আদৰণী সবাবোৰ বৰ ধুমধামেৰে পতা হৈছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিখ্যাত প্ৰবক্তা ডঃ বাজী, অধ্যক্ষ হেম বৰুৱা, প্ৰবক্তা ভবানন্দ দত্ত, ন্যায়াধীশ হলিৰাম ডেকাই আমন্ত্ৰিত অতিথি হিচাপে যোগদান কৰি সভাৰ সৌষ্ঠৱ বঢ়াইছিল। কিন্তু এইসকলৰ ভিতৰত মধ্যমণি আছিল বি. বৰুৱা কলেজৰ অধ্যক্ষ প্ৰয়াত হেম বৰুৱা। ওখ-পাখ তেজগোৰা সভা শুৱনি বৰুৱা ছাৰৰ গলগলীয়া মাত আৰু আখৈ ফুটা ইংৰাজীত সুললিত বক্তৃতা শুনি আমি মুগ্ধ হৈছিলো। তৰ্ক প্ৰতিযোগিতাও হৈছিল প্ৰফেছাৰ প্ৰয়াত জেলিল ছাৰৰ অধ্যক্ষতাত। মই প্ৰায়ে প্ৰতিযোগিতাত প্ৰথম হৈছো। হোষ্টেলত সৰস্বতী পূজাও আড়ম্বৰেৰে হৈছিল, কিন্তু বৰপেটাৰ ছাত্ৰসকলে যোগ দিয়া নাছিল। হোষ্টেলত অনুষ্ঠিত আলোচনা চক্ৰসমূহত প্ৰবক্তা প্ৰয়াত ভবানন্দ দত্ত ছাৰে যোগ দিছিল আৰু কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ গীতাঞ্জলিৰ আমি উল্লেখ কৰা যিকোনো কবিতাই আবৃত্তি কৰি সকলোকে চমক খুৱাইছিল। মোৰ ভাব, হৈছিল— সমগ্ৰ গীতাঞ্জলিখনেই তেখেতৰ কণ্ঠস্থ আছিল। তৃতীয় মেছত থাকোঁতে আবাসীসকলৰ মাজত বৰ মিলাপ্ৰীতি আছিল আৰু ইজনে সিজনক সহায় কৰিবলৈ সদায় যত্নপৰ আছিল। আজি প্ৰায় অৰ্ধ শতিকাৰ পিছতো সেই দিনবোৰৰ কথা মনত পৰিলে এটি তপত হুমুনিয়াহ নিগৰি আহে। ●

*(ইং ১৯-০৯-২০০৫ তাৰিখৰ 'আমাৰ অসম' কাকতত প্ৰকাশিত)*

# কটন কলেজৰ ফাৰ্ষ্ট মেছৰ শতবাৰ্ষিকী আৰু মোৰ সোঁৱৰণ

নতুন প্ৰাণৰ ন চুকুযুৰি দীপিতি ঢালি দে তাত
পুৰণি পৃথিৱী নকৈ চাই লওঁ, হে বীণ এবাৰি মাত'

লক্ষ্মীনাথ বেজবৰুৱাৰ একেষাৰ কথা অসমীয়া জাতিৰ প্ৰাণৰ বস্তু। ইয়াৰ স্পন্দনে মোৰ প্ৰাণতো আঘাত কৰাটো স্বাভাৱিক। পঞ্চশৰ দশকৰ প্ৰায় আদি ভাগত মঙ্গলদৈ হাইস্কুলৰপৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজত ভৰ্তি হৈছিলো আৰু হোষ্টেলত স্থান পাইছিলো? তেতিয়াৰ ফাৰ্ষ্ট মেছত অৰ্থাৎ এতিয়াৰ কৃষ্ণকান্ত সন্দিকৈ স্নাতকোত্তৰ ছাত্ৰাবাসত। আমাৰ ছাত্ৰাবাসৰ অধীক্ষক আছিল কটন কলেজৰ পদাৰ্থবিজ্ঞানৰ প্ৰবক্তা চন্দ্ৰ দাস। তেওঁ বছৰ দিয়েক আগতে ৯৩ বছৰ বসয়ত স্বৰ্গী হৈছিল। তেখেতৰ ঘৰ শুৱালকুছিত হোৱা বাবে অসমৰ বিভিন্ন ঠাইৰ ল'ৰাবোৰেও এই ছাত্ৰাবাসত থাকিবলৈ লৈছিল। আমাৰ সময়ত কটন কলেজৰ ১নং, ২নং আৰু ৩নং ছাত্ৰাবাসত মেধাসমুজ্জ্বল ছাত্ৰবোৰে স্থান পাইছিল। উদাহৰণ স্বৰূপে ২নং ছাত্ৰাবাসত আমাৰ সময়ত দেখিছিলো সৰোজ ঘোষ, শৈলেন শীল, ধীৰেন শৰ্মা, হোমেন বৰগোহাঞি, প্ৰফুল্ল মহন্ত, ঈশ্বৰপ্ৰসন্ন হাজৰিকাৰ দৰে ছাত্ৰক । ৩ নং ছাত্ৰাবাসত আছিল ৰমণী দাস, প্ৰবোধ শৰ্মা, নীলমণি সিং। ১নং ছাত্ৰাবাসত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভুতপূৰ্ব উপাচাৰ্য নিৰ্মল চৌধুৰী, কবি দীনেশ গোস্বামী, প্ৰিয় গোস্বামী আদি। মই মাত্ৰ কেইটামান উদাহৰণহে দাঙি ধৰিছোঁ। আমাৰ সময়ত কোৱা হৈছিল যে কটন কলেজত পঢ়িবলৈ হ'লে ছাত্ৰাবাসত নাথাকিলে শিক্ষা আধৰুৱা হৈ থাকে। স্বৰূপাৰ্থত এই কথাষাৰ আখৰে আখৰে সঁচা বুলি উপলব্ধি কৰিছিলো। মই কটন কলেজ আৰু ছাত্ৰাবাস এৰা অৰ্ধশতিকাৰো ওপৰ হ'ল যদিও সেইবোৰ কথা মনলৈ আহিলে ভাব হয় যেন সেই সিদিনাৰহে কথা।

১নং ছাত্রাবাস কটন কলেজৰ প্রতিষ্ঠা সময়ৰে গতিকে কটন কলেজৰ শতবার্ষিকী উৎসৱ পালন কৰিবলৈ যোবাটো বৰ সুখৰ কথা। যোৱা এশ বছৰে অসমৰ অলেখ মেধা সমুজ্জ্বল ছাত্রই এই ছাত্রাবাসত থাকি পিছৰ কালত অসম আকাশ পোহৰাই আছিল। এই ছাত্রাবাসত থকা পুৰণি চাম ছাত্রৰ ভিতৰতে আছে ১৯০৭ চনতে কলকাতা বিশ্ববিদ্যালয়ৰ অধীনত উত্তৰ লখিমপুৰ হাইস্কুলৰ পৰা অতি সুখ্যাতিৰে উত্তীর্ণ হোৱা বিখ্যাত কংগ্রেছ নেতা প্রয়াত সর্বেশ্বৰ বৰুৱা, কবি শৈলধৰ ৰাজখোৱাৰ আত্মজীৱনীখনৰ পৰা জনা যায় যে তেখেতে ১৯০৯ চনত মেট্রিক পৰীক্ষাত উত্তীর্ণ হৈ কটন কলেজত পঢ়োতে ১নং মেছত থাকিছিল। তেখেতৰ ৰুমমেট আছিল ডঃ সূর্যকুমাৰ ভূঞা, শিৱসাগৰৰ ভুবন গগৈ আৰু যোৰহাটৰ দেৱেশ্বৰ বৰুৱা। মেধাবী ছাত্র আৰু একালৰ যোৰহাটৰ উপাযুক্ত সিদ্ধেশ্বৰ গোহাই আৰু প্রাক স্বাধীনতা কালৰ বিখ্যাত হেডমাষ্টৰ ইন্দ্রেশ্বৰ বৰঠাকুৰ আৰু বৰপেটাৰ স্বাধীনতা সংগ্রামী ধনীৰাম তালুকদাৰ তেখেততকৈ দুই বছৰে জ্যেষ্ঠ ছাত্র হিচাপে একে হোষ্টেলতে থাকি কটন কলেজত পঢ়িছিল। তেখেতে অসম আইৰ সু-সন্তান অমিয় কুমাৰ দাসো এই ছাত্রাবাসত থকা কথা উল্লেখ কৰিছে। বিখ্যাত হেড্মাষ্টৰ ভৰত চন্দ্র চলিহাও ১৯০৭ চনৰ পৰা ১৯১১ চনলৈ কটন কলেজত পঢ়োতে এই ছাত্রাবাসতে থকাৰ কথা তেখেতৰ জ্যেষ্ঠ সন্তান, ডিব্রুগড় কলেজৰ অৱসৰপ্রাপ্ত অধ্যাপক বিনয় চলিহাই মোক কৈছিল। মই শ্রদ্ধেয় দেৱকান্ত কাকতিৰ মুখে শুনিছো যে তেখেতৰ দেউতাক ডঃ বাণীকান্ত কাকতিয়ে এই ছাত্রাবাসতে ১৯১১ চনৰ পৰা ১৯১৩ চনলৈ আছিল। শ্রীযুতা অহল্যা গগৈৰ পৰা জনা গৈছে যে তেখেতৰ দেউতাক অসম গৌৰব কৃষ্ণকান্ত সন্দিকৈ এই ছাত্রাবাসতে ১৯১৩ চনৰ পৰা ১৯১৫ চনলৈ আছিল। মঙ্গলদৈৰ প্রবীণ উকীল, সু-সাহিত্যিক, স্বাধীনতা সংগ্রামী প্রয়াত তপেশ্বৰ শৰ্মাই এই ছাত্রাবাসত ১৯১২ চনৰ পৰা ১৯১৬ চনলৈ আছিল বুলি মোক নিজমুখে কৈছিল। এইটো ধ্রুব সত্য যে ১নং ছাত্রাবাসে গৌৰৱোজ্জ্বল কটন কলেজৰ অতীত গৌৰৱ বহুলাংশে বহন কৰি আহিছিল। এটা সময়ত কটন কলেজ আৰু ১ নং ছাত্রাবাস আছিল টকাটোৰ ইপিঠি-সিপিঠি। এতিয়ালৈকে অশীতিপৰ কেবাজনো প্রাক্তন কটনিয়ান, যিসকলে ১৯৩৭-৩৮ চনৰ পৰা ১ নং ছাত্রাবাসৰ বাসিন্দা আছিল আৰু এতিয়াও সুস্থ শৰীৰে জীৱনমাধুৰি পান কৰি আছে, তেওঁলোক হ'ল- সুলেখক পঞ্চানন চহৰীয়া, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূতপূর্ব অধ্যাপক হৰিপ্রসন্ন দাস, উকীল কালি প্রসাদ শর্মা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূতপূর্ব গ্রন্থাগাৰিক যোগেশ্বৰ শর্মা, বৰপেটাৰ নাৰায়ণ নায়ক, শিৱসাগৰৰ ৰাজনৈতিক নির্যাতিত তাৰাপ্রসাদ বৰঠাকুৰ আৰু লণ্ডন নিবাসী ডাঃ চিত্তৰঞ্জন বৰঠাকুৰ। অৱশ্যে তেখেতসকলৰ পৰৱৰ্তী এই হোষ্টেল নিবাসী হাজাৰ-বিজাৰ কটনিয়ান অসম তথা ভাৰতকে ধৰি পৃথিৱীৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ আছে। উদাহৰণস্বৰূপে ১নং ছাত্রাবাসৰ ১৭ নং ৰুমৰ মোৰ ৰুমমেট ডাঃ বিমল চলিহা সস্ত্রীক লণ্ডনত নাগৰিক হৈ থকা ৩৫ বছৰৰ ওপৰ হ'ল।

মই কটন কলেজত পঢ়া কালত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আছিল সোতৰশ। অধ্যক্ষ হিচাপে প্ৰথমে পাইছিলো অত্যন্ত কৰ্মদক্ষ মেধাৱী ডঃ হিৰণ্য.ভূঞা ছাৰক। আমাৰ সময়ত ছাত্ৰাবাসৰ বাসিন্দাসকলৰ মাজত মিলা-প্ৰীতিৰ বান্ধোন কটকটীয়া আছিল। আপদীয়া ৰেগিং কি বস্তু আমি নাজানিছিলো। আমাৰ সময়ত গুৰুজনাৰ তিথিবোৰ আমাৰ ছাত্ৰাবাসত উলহ-মালহেৰে উদযাপিত হৈছিল। সাধাৰণতে অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া মুক্তানন্দ শৰ্মা আৰু বি বৰুৱা কলেজৰ অৱসৰ-প্ৰাপ্ত প্ৰবক্তা তৰুণ ভৰালীয়ে সুন্দৰ ৰচনা পাঠ কৰিছিল। নৱাগত আদৰণি সভাবোৰো বৰ জাকজমকতাৰে অনুষ্ঠিত হৈছিল। বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ বাদী বি. বৰুৱা কলেজৰ অধ্যক্ষ হেম বৰুৱা, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বিচাৰপতি হলিৰাম ডেকা, অধ্যাপক ভবানন্দ দত্ত ছাৰ, কালীনাথ শৰ্মা ছাৰে ছাত্ৰাবাসৰ উৎসৱবোৰত যোগ দি শোভাবৰ্ধন কৰিছিল। আটাইকেইজনে ইহলীলা সামৰিলে। আমাৰ সময়ত ছাত্ৰসকলৰ মূল আকৰ্ষণ আছিল অধ্যক্ষ হেম বৰুৱা। গলগলীয়া মাতে আখৈ ফুটা সুন্দৰ ইংৰাজীত দিয়া সুললিত বক্তৃতা, দীৰ্ঘাকৃতিৰ সুঠাম-সুন্দৰ অৱয়বেৰে মেধাসমুজ্জ্বল হেম বৰুৱাক আমি ছাত্ৰবোৰে মনে-প্ৰাণে শ্ৰদ্ধা কৰিছিলো। স্বৰূপাৰ্থত তেখেত আছিল গুৱাহাটীৰ বৌদ্ধিক জগতৰ কেন্দ্ৰবিন্দু সদৃশ! এনেজন পুৰুষক অসমে অকালতে হেৰুৱালে। ১৯৫৩ চনত তেখেত আমন্ত্ৰণক্ৰমে তিনিমাহৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণলৈ গৈছিল। প্ৰতি দেওবাৰে তেখেতৰ ভাৱগধুৰ, বিচিত্ৰ অভিজ্ঞতাসমৃদ্ধ প্ৰবন্ধবোৰ সফল সাংবাদিক প্ৰয়াত হৰেন্দ্ৰনাথ বৰুৱাৰ সম্পাদনাত ওলোৱা নতুন অসমীয়াৰ দেওবাৰৰ সংখ্যাবোৰত চিঠিৰ আকাৰত প্ৰকাশ পাইছিল। দেওবাৰৰ তেখেতৰ ভাবগধুৰ, বিচিত্ৰ অভিজ্ঞতাসমৃদ্ধ প্ৰবন্ধবোৰ সফল সাংবাদিক প্ৰয়াত হৰেন্দ্ৰনাথ বৰুৱাৰ সম্পাদনাত ওলোৱা নতুন অসমীয়াৰ দেওবাৰৰ সংখ্যাবোৰত চিঠিৰ আকাৰত প্ৰকাশ পাইছিল। দেওবাৰ হ'লেই আমি হোষ্টেলবাসী ছাত্ৰসকলে বাতৰিকাকতখনলৈ বাট চাইছিলো। হকাৰে দিয়াৰ লগে লগে চন্দ্ৰমোহন মেধীয়ে (পিছত দৰং কলেজৰ অধ্যক্ষ) উচ্চস্বৰে পঢ়িছিল আৰু আমি বাকীবোৰ ছাত্ৰই নিটাল মাৰি শুনিছিলো।

প্ৰবাদপুৰুষ ডঃ বাণীকান্ত কাকতিয়ে সদায় সন্ধিয়া পৰত তেখেতৰ সান্ধ্য ভ্ৰমণৰ পিছত আমাৰ ছাত্ৰাবাসৰ সন্মুখৰ আলিবাটেদি তেখেতৰ ৰিহাবাৰীৰ বাসভৱনলৈ খোজ কাঢ়ি উভতি গৈছিল। মই গেটৰ ওচৰৰ পৰা তন্ময় হৈ গুৰু-গম্ভীৰ খোজেৰে হাতত ছাতি লৈ যোৱা ডঃ কাকতিক চাই বিমল আনন্দ উপভোগ কৰিছিলো। মনত ভাব হৈছিল যেন ১৮শতিকাৰ ইংৰাজ মনীষী ডঃ চেমুলেৰ জনচনহে ভাবত বিভোৰ হৈ গৈ আছে। মাজে সময়ে মই তেতিয়াৰ কাৰ্জন হল লাইব্ৰেৰীলৈ মুৰাৰী দাসৰ পৰা কিতাপ এখন লোৱা দেখিছিলো। ওচৰৰ পৰা দেখা ডঃ কাকতিক মই নয়ন ভৰি চাই তৃপ্তি লাভ কৰিছিলো।

আমি আবেলি পৰত প্ৰায়ে পাণ বজাৰৰ ভৰালী ব্ৰাদাৰ্ছৰ দোকানৰ সন্মুখত থিয় হৈ মাইকেৰে পৰিৱেশন কৰা হিন্দী আৰু অসমীয়া গান শুনি প্ৰসিদ্ধ জিলিকাৰামৰ দোকানত সস্তাতে পোৱা চাহ বুন্দিয়া খাই হোষ্টেললৈ উভতি আহিছিলো। মাজে মাজে কাছাৰীঘাটৰ

বিশাল ব্ৰহ্মপুত্ৰৰ পাৰত মুক্ত বায়ু সেৱন কৰিছিলো। হায়! তেতিয়াৰ গুৱাহাটী চহৰখন এতিয়াৰ দৰে পূতিগন্ধময় নাছিল।

আমি ১ নং ছাত্ৰাবাসত থাকোতে উল্লেযোগ্য ঘটনা আছিল। ১৯৫২ চনত ডঃ বাণীকান্ত কাকতিৰ তিৰোধান । পুৱা ৯ বজাত এই শোকাবহ বাতৰি পোৱাৰ লগে লগে আমি স্বতঃস্ফূৰ্তভাৱে কাকতি ছাৰৰ ৰিহাবাৰীত থকা বাসভৱনত উপস্থিত হৈছিলো। গুৱাহাটী সকলোবোৰ শিক্ষানুষ্ঠান বন্ধ হৈ গৈছিল। সেই দিনাহে উপলব্ধি হৈছিল কাকতি ছাৰ কিমান পূজনীয় ব্যক্তি আছিল।

তেহি নো দিবসাঃ গতা। আমি ১নং ছাত্ৰৱাসত থাকোতে লাভ কৰিছিলো এটা 'লাইফ' পোৱা নোপোৱাৰ উন্মাদনা, অনাবিল আনন্দ আৰু বহুতো। ●

*(ইং ১৮-০৮-২০০২ তাৰিখৰ 'আমাৰ অসম' কাকতত প্ৰকাশিত)*

তন্ত্ৰ-মন্ত্ৰ :

# বিশ্বাস-অবিশ্বাস

ছয় ছেপ্টেম্বৰৰ 'আমাৰ অসম'ত নৱকান্ত বৰদলৈয়ে লিখা উপৰি উক্ত শিতানত কথাখিনি মনোযোগেৰে পঢ়িলো। ইতিমধ্যে তন্ত্ৰ-মন্ত্ৰৰ ওপৰত থকা বিশ্বাস-অবিশ্বাসৰ ওপৰত ভিত্তি কৰি 'আমাৰ অসম'ত বহুতো লিখা প্ৰকাশ পাইছে। মই মোৰ নিজৰ অভিজ্ঞতাৰ পৰাও উপলব্ধি কৰিছোঁ যে তন্ত্ৰ-মন্ত্ৰৰ প্ৰভাৱ বা শক্তি নথকা নহয় আৰু সেইবোৰ কথা শিমলু তুলাৰ দৰে ফু মাৰি উৰাই দিব পৰা বিধৰ বস্তু নহয়। ১৯৪৬ চন মানত মই যেতিয়া কৈশোৰ আছিলো, আমাৰ কলাইগাঁৱৰ ঘৰৰ ওচৰৰ চৌধুৰীপাৰা গাঁৱৰ পৰা পৰিচিত দীন ভকত নামৰ এজন আদহীয়া মানুহ আহিছিল। তেতিয়া পুৱাৰ ভাগত মই ঘৰৰ বাৰাণ্ডাত এখন আৰামী চকীত বহি আছিলোঁ আৰু অহৈতুক পেটৰ বিষত বৰ কাতৰ হৈ পৰিছিলো। মোৰ ম্লান মুখখন দেখি দীন ভকতে কি হৈছে বুলি সোধাত মই মোৰ পেটৰ বিষৰ কথা ক'লো। তেখেতে স্ব ইচ্ছাৰে মোৰ গাৰ চাৰ্ট আৰু গেঞ্জীটো খুলিবলৈ দি মোৰ পেটৰ ওপৰত হাতখন থৈ বিৰবিৰ কৰি অলপ সময় কিবা মন্ত্ৰ মাতিবলৈ ধৰিলে। খন্তেক পিছতে তেখেতে হাতখন গুচাই দি মই কেনে পাইছো সুধিলে। কি আচৰিত কথা, মোৰ পেটৰ বিষ সমূলে নাইকিয়া হ'ল। তেনেকুৱা ধৰণৰ দুটা-এটা ঘটনা মোৰ জীৱনত ঘটিছিল। তেতিয়াৰ দিনত কলাইগাঁও চহৰৰ আশে-পাশে বড়ো-ৰাভাকে আদি কৰি বিভিন্ন সম্প্ৰদায়ৰ মানুহৰ বসতি আছিল আৰু তেওঁলোকৰ মাজৰে বহুতে কুমন্ত্ৰ আৰু সুমন্ত্ৰৰ চৰ্চা কৰিছিল। মন্ত্ৰ আৰু বিবিধ বনৌষধিৰ ওপৰত গৱেষণা কৰি গৱেষণাৰ কথাবোৰ ছপা কৰি প্ৰকাশ কৰা প্ৰথম অসমীয়া ব্যক্তি আছিল স্বৰ্গীয় গঙ্গাৰাম দাস তহচিলদাৰ। তেখেত নলবাৰী অঞ্চলৰ মানুহ আছিল আৰু নলবাৰীৰ বতাহগিলাৰ মৌজাদাৰ চৌধুৰী বংশৰ। তেখেতে অভিমন্যুবধ প্ৰণেতা ৰমাকান্ত চৌধুৰীৰ (১৮৪৬-১৮৮৯) ভাগিনীয়েক আছিল। গঙ্গাৰাম দাসৰ জন্ম হৈছিল বিগত শতিকাৰ পঞ্চাশৰ দশকৰ আদি ভাগত আৰু চিভিলিয়ান আনন্দৰাম বৰুৱা আৰু নলবাৰীৰ আঠঘৰীয়া বংশৰ

মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্যৰ সমসাময়িক। তেখেতে ১৯১০ চনত তহছিলদাৰ হিচাপে চৰকাৰী চাকৰিৰ পৰা অৱসৰ লৈছিল। অৱসৰৰ পিছতেই তেখেতৰ মৃত্যু হৈছিল। তেখেতে অশেষ পৰিশ্ৰম কৰি সঙ্কলন কৰা কিতাপখনৰ নাম আছিল 'বৈদ্যত্তমৰ'। মন্ত্ৰ শক্তি আৰু বিবিধ বেমাৰত প্ৰযোজ্যহোৱা বিভিন্ন বনৌষধি বিষয়ক কিতাপখন ১৯১০ চনত প্ৰকাশ হৈছিল। শেষ আৰু চতুৰ্থ তাঙৰণ ওলাইছিল ১৯৪৪ চনত। বৈদত্তমৰখনৰ বিষয়ে পণ্ডিত হেমচন্দ্ৰ গোস্বামী আৰু জ্ঞানদাভিৰাম বৰুৱা 'বাৰ এট্ ল' ডাঙৰীয়াই ভূয়সী প্ৰশংসা কৰিছিল। এটা সময়ত জনপ্ৰিয়তাৰ ফালৰ পৰা বৈদ্যত্তমৰ পুথিখন প্ৰতিষ্ঠিত আৰু শিক্ষিত অসমীয়া পৰিয়ালবোৰত ৰাখিছিল। আমাৰ ঘৰতো এখন আছিল পিছত নাইকিয়া হ'ল। সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকাদেৱে গঙ্গাৰাম তহচিলদাৰৰ বিষয়ে এইদৰে লিখিছিল— 'বৈদ্যত্তমৰ নামেৰে একেখন মাত্ৰ গ্ৰন্থ উলিয়াই তেখেতে আমাৰ দেশৰ ডাঙৰ উপকাৰ কৰি গৈছে। ডাক্তৰ আৰু হোমিঅপেথিক চিকিৎসা আমাৰ দেশত আমদানি হোৱাৰ আগতে আমাৰ দেশত কবিৰাজী আৰু বেজৰ চিকিৎসাহে চলিছিল। আজিৰ দিনত তাহানিৰ অসমীয়া বন দৰব আৰু ঝৰা-ফুকা উলাই কৰিব নোৱাৰি। এই বহুমূলীয়া পুথিখন আজি পুনৰ প্ৰকাশৰ আৱশ্যক হৈছে।' বৈদ্যত্তমৰ পুথিখনত এটা আধ্যায় মন্ত্ৰশক্তিৰ ওপৰত লিখিছিল। মন্ত্ৰৰ বিষয়ে তহচিলদাৰ ডাঙৰীয়াই এইদৰে লিখিছিল। মন্ত্ৰ হৈছে শিৱৰ যুক্তি আৰু তন্ত্ৰ হৈছে শিৱৰ উক্তি বিশেষ সাধন নহ'লে মন্ত্ৰ সিদ্ধি নহয়। মন্ত্ৰবিলাকৰ লগে লগে খোৱা বা নোখোৱা দৰবৰ ব্যৱস্থা আছে। মন্ত্ৰ দেখোতে কিছুমান অসংলগ্ন কথাৰ জোঁটনি আৰু তাৰ এনেকুৱা গূঢ় অৰ্থ আছে যে তাৰ প্ৰভাৱত আমি চকুৰে দেখা নোপোৱা দেৱলোকত জিনিকা লাগি সেই মণ্ডলক আলোকিত কৰে। আৰু দেৱলোকৰ দৃষ্টি প্ৰভাৱত মনুষ্য শৰীৰত শুভ বা অশুভ ফল জন্মায়। ইয়াৰ প্ৰভাৱত শান্ত মন বলিয়া হয়, দেৱ দেৱতা বন্দী হয়। বা আঁতৰি পলায়। এনেকুৱা প্ৰাণৱন্ত মন্ত্ৰ অতি গুপ্ত বিদ্যা আৰু আদৰৰ বস্তু। যাৰ হৃদয়ত দৃঢ় বিশ্বাস আৰু শ্ৰদ্ধা থাকে তেনেকুৱা মানুহৰ মুখৰ পৰা উচ্চাৰিত হৈ ওলালেহে মন্ত্ৰ সকামী হয়। শুদ্ধ মনেৰে ১০৮ বেলি গালে মন্ত্ৰ কৰতলীয়া হয়। গতিকে দেখা যায় যে মন্ত্ৰবোৰ সাধনাৰ বস্তু আৰু ইয়াক (ameteur) হিচাপে গণ্য কৰিলে নহ'ব। প্ৰাচীন কালৰ পৰা যে অসমত তন্ত্ৰ-মন্ত্ৰৰ চৰ্চা আৰু প্ৰভাৱ আছিল ই ধ্ৰুৱপ। এসময়ত মায়ং অঞ্চলৰ মন্ত্ৰবিদ্যাৰ প্ৰসিদ্ধ অসমৰ চৌদিশে বিয়পি পৰিছিল। কিন্তু মায়ং অঞ্চলৰ মন্ত্ৰৰ প্ৰভাৱৰ কথা আজি প্ৰায় ৮০ বছৰমান আগতেই লোপ পাইছিল। এই কথা ১৯২২ চনত মাটিৰ হাকিম আৰু এসময়ৰ প্ৰসিদ্ধ বাঘ চিকাৰী বৰপেটাৰ বিখ্যাত উজীৰ পৰিয়ালৰ ৰাজেন্দ্ৰলাল উজীৰ ডাঙৰীয়াই ৰহা চক্ৰত কাম কৰোঁতে অনুসন্ধান কৰি গম পাইছিল আৰু তেখেতৰ আত্মজীৱনীত লিপিবদ্ধ কৰি গৈছে। ৰাজেন্দ্ৰলাল উজীৰ ডাঙৰীয়া বৰপেটাৰ চৰকাৰী হাইস্কুলৰ পৰা ১৯০৭ চনত এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰি কটন কলেজ আৰু কলিকতাৰ বঙ্গবাসী কলেজত পঢ়িছিল। তেখেত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ সহপাঠী আছিল আৰু সখি

পাতিছিল। উজীৰ ডাঙৰীয়াই ১৯২৩-২৪ চনত কামৰূপ জিলাত জৰীপৰ কাম চলি থাকোতে বকো ছয়গাঁও অঞ্চলত মাটি জৰীপৰ কামৰ তদাৰক কৰোতে তন্ত্ৰ-মন্ত্ৰৰ ক্ষমতা নিজ চকুৰে দেখি লিখা কিতাপত সৰস বৰ্ণনা কৰি গৈছে। তেখেত বকো অঞ্চলত মফচল কৰোঁতে গাঁৱৰ মানুহৰ পৰা গম পালে যে সেই ঠাইৰ মানুহে বাঘ জাল পাতি বাঘ চিকাৰ কৰে। সেই সময়ত বকো অঞ্চলত অটব্য হাবি — বনৰীয়া বাঘ, ভালুক, গাহৰি, হৰিণাৰে ভৰা আছিল। উজীৰে শুনিছিল যে গাঁৱৰ মানুহে মন্ত্ৰৰ দ্বাৰা কেইবাদিনো জালৰ ভিতৰত আবদ্ধ কৰি ৰাখি বাঘৰ লগত ধেমালি কৰি শেষত যাঠী জোঙেৰে বাঘ হানি-খুচি মাৰে আৰু ঘৰচীয়া গৰু-গাই ৰক্ষা কৰে। এদিন উজীৰ ডাঙৰীয়াক বকোৰ চৌধাৰী মৌজাদাৰে খবৰ দিলে যে এঠাইত দিনদিয়েক আগতে জালৰ বেৰা দি এখন গাঁৱৰ ৰাইজে বাঘ এহালক বন্দী কৰি ৰাখিছে। আৰু পিছদিনা দিনৰ ১২ বজাত বাঘ মৰা হ'ব। উজীৰে নিজৰ বন্দুকটো লৈ বাঘ মৰা চাবলৈ গ'ল। মৌজাদাৰ আৰু গাঁওবুঢ়াই উজীৰক আগবঢ়াই নি ওচৰৰ এখন ওখ টঙিত উঠালে। টঙিত উঠি তেখেতে দেখিলে যে জালেৰে বেৰ দিয়া জংঘল এডোখৰত এহাল প্ৰকাণ্ড টেকীয়াপতীয়া বাঘ আবদ্ধ হৈ আছে। মৌজাদাৰে ক'লে যে গাঁৱৰ ওজা বা বেজ এজনে মন্ত্ৰ শক্তিৰ দ্বাৰা বাঘক বন্দী কৰি ৰাখিছে। বেজে পূজা দি বাঘ হালক মুকলি কৰি নিদিয়ালৈকে বাঘে চিএৰ-বাখৰ নকৰে। ওজাজনে চাৰিদিন ফলমূল গাখীৰ পিঠাগুড়ি খাই আছে। ইতিমধ্যে বাঘ মৰা চাবলৈ তিনি হাজাৰমান মানুহ গোট খাইছিল। উজীৰ ডাঙৰীয়াই চাই থাকোতে ওজাই দুজন মানুহৰ লগত নৈবেদ্য, পাৰ এযোৰ, মাহ প্ৰসাদ আৰু এখন কোৰ লৈ জালৰ কুকুৰ খুটি উভালি জালৰ ভিতৰলৈ সোমাই গ'ল। উজীৰে আচৰিত হৈ মৌজাদাৰক সুধিলে— চাৰি দিন ভোকত থকা বাঘে মানুহকেইজনক নাখাবনে? মৌজাদাৰে হাঁহি মাৰি ক'লে— এইজনেই ওজা, এৱেঁই মন্ত্ৰ কৰি বাঘহালক বন্ধ কৰি ৰাখিছে। এতিয়া পূজা দি বাঘক মোকলাই দিব। ওজাই জালৰ চাৰি হাতমান ভিতৰ সোমাই কোৰেৰে জংঘল চাফা কৰি খোলা চাঁচি ল'লে। ওজাই পানী ছটিয়াই ঠাই ডোখৰ শুদ্ধ কৰি মাহ-প্ৰসাদ উপকৰণ আৰু ফুল আদিৰে পূজা আৰম্ভ কৰিলে। ওজাই পাৰযোৰ বলি দিলে আৰু প্ৰায় ২০ মিনিটত পূজা শেষ কৰি ওলাই আহিল। ৰাইজে বাঘ জালৰ ভিতৰত আছে নে নাই প্ৰমাণ চাবলৈ কোৰাত ওজাই মাটিৰ চপৰা এটা মন্ত্ৰ কৰি জালৰ ভিতৰলৈ মাৰি দিয়াত বাঘহালে ভীষণ জোৰে গোঁজৰণি মাৰি হাবিডৰাৰ মাজৰ পৰা ওলাই আহিল আৰু জালৰ ভিতৰত চাৰিওফালে ঘূৰিবলৈ ধৰিলে। ৰাইজে যাঠী জোং লৈ হানি-খুঁচি বহুত কষ্টৰ মূৰতহে বাঘ মাৰিব পাৰিলে। ১৯২৩-২৪ চনত উজীৰ বকো অঞ্চলত জৰীপৰ কামত থাকোতে স্থানীয় মৌজাদাৰ চৌধুৰী পৰিয়ালৰ এজন ভাল চিকাৰী ডেকাই তেখেতক লগা মন্ত্ৰৰ কথা কৈছিল। আৰু এই মন্ত্ৰ সাধন কৰা বাবে যিকোনো বনৰীয়া হিংস্ৰ জন্তুৰ শৰীৰৰ যি অংশত ইচ্ছা তাতে বন্দুকৰ গুলী লগাব পাৰিছিল আৰু তাৰ প্ৰমাণ উজীৰ ডাঙৰীয়াক দেখুৱাইছিল। উজীৰে এই মন্ত্ৰটো শিকিব খোজাত চৌধুৰীয়ে

বাৰণ কৰিছিল। পিছত উজীৰে শুনিছিল  যে এইবোৰ মন্ত্ৰ সাধন কৰা মানুহ নিঃসন্তান হয় আৰু সেই চৌধুৰী উপাধিৰ মানুহজনো নিঃসন্তান আছিল। উজীৰ ডাণ্ডৰীয়াই সেইবোৰ ঠাইত প্ৰচলন থকা নথ জৰাবো প্ৰমাণ পাইছিল। এদিন উজীৰ ডাণ্ডৰীয়াই সন্ধিয়া সময়ত তেখেতে থকা কেম্পৰ ওচৰত এটা প্ৰকাণ্ড টেকীয়াপতীয়া বাঘ গুলী কৰিছিল আৰু গুলী পিছ ভৰিত লগাত আন্ধাৰত বাঘ  আঁতৰি পলাল। পিছদিনা পুৰা নথ জৰা বেজ এজনে নখত মন্ত্ৰ মাতি উজীৰক ক'লে যে বাঘে চুঁচৰি চুঁচৰি গৈ ওচৰৰ ডাঠ হাবি এডৰাত দলনি এখনত আশ্ৰয় লৈছে। বাঘটো দলনিখনৰ কোন ডোখৰত আছে তাকো ক'লে। উজীৰে সেইমতে হাতীত উঠি গৈ ওজাই কোৱা ঠাই ডোখৰতে বাঘটো লুকাই থকা দেখা পালে আৰু গুলী কৰি হত্যা কৰিলে। মই উল্লেখ কৰা কথাবোৰ উজীৰ ডাণ্ডৰীয়াই  তেখেতৰ মৃত্যুৰ আগতে লিখি প্ৰকাশ কৰা 'মোৰ জীৱন সোঁৱৰণ'ৰ  দ্বিতীয় খণ্ডত প্ৰকাশ পাইছিল। এইবোৰ তন্ত্ৰ-মন্ত্ৰৰ বা বেজালিৰ কথা এজন উচ্চশিক্ষিত আৰু প্ৰথম শ্ৰেণীৰ বিষয়াৰ চাক্ষুষ দৰ্শনৰ ওপৰত লিপিবদ্ধ হোৱা কথাবোৰহে মই উল্লেখ কৰিলোঁ। ●

*(ইং ০৬-০১-২০০২ তাৰিখৰ 'আমাৰ অসম' কাকতত প্ৰকাশিত)*

## স্মৃতি তৰ্পণ

# বিষ্ণুপ্ৰসাদ চক্ৰৱৰ্তী

১৯৯০ চনত মই ডিব্ৰুগড়ত অতিৰিক্ত উপায়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰোতে হঠাতে এদিন মোৰ কাৰ্যালয় কক্ষত এজন সৌম্যদৰ্শনৰ প্ৰৌঢ় ব্যক্তিৰ আগমন ঘটিল। লগত অধিবক্তা ৰাজকোঁৱৰ। ব্যক্তিত্বসম্পন্ন এই ভদ্ৰলোকজন কোন হ'ব পাৰে বুলি ভাবোতেই ৰাজকোঁৱৰে মোক চিনাকি কৰি দি ক'লে যে তেওঁ চাহ খেতিয়ক বিষ্ণু চক্ৰৱৰ্তী। মই গম পালো যে তেৰেঁই উজনি অসমৰ খ্যাতনামা উদ্যোগী পুৰুষ প্ৰখ্যাত চাহ খেতিয়ক যিয়ে এক পইচা মূলধন নোহোৱাকৈ অজস্ৰ সম্পত্তিৰ গৰাকী হৈছিল, সেইজন নন্দেশ্বৰ চক্ৰৱৰ্তীৰ ল'ৰা। নন্দেশ্বৰ চক্ৰৱৰ্তীৰ নাম মই প্ৰায় কৈশোৰৰ পৰাই জানিছিলো, কিয়নো তেওঁৰ দ্বাৰা প্ৰকাশিত 'স্বপ্ন চৰিত্ৰ' নামৰ কিতাপখন আমাৰ ঘৰত আছিল আৰু ডাঙৰবোৰে ৰাতি দেখা সপোনবোৰ কিতাপখনৰ লগত মিলাই চাই আনন্দ লভিছিল।

মই লক্ষ্য কৰিছিলো যে চক্ৰৱৰ্তী এজন স্বল্পভাষী কিন্তু ভদ্ৰলোক। চুম্বকে লোক আকৰ্ষণ কৰাৰ দৰেময়ো তেওঁৰ প্ৰতি আকৰ্ষিত হৈ পৰিলো। লাহে লাহে আমাৰ দুয়োৰে মাজত সম্ভাৱ গঢ়ি উঠিল আৰু ভাববো আদান- প্ৰদান হ'বলৈ ধৰিলে। ইয়াৰ বছৰদিয়েক পিছতে মই ডিব্ৰুগড় এৰি গুৱাহাটীবাসী হ'লো। মই গুৱাহাটীলৈ আহিলো যদিও চক্ৰৱৰ্তী বা তেওঁৰ পৰিয়ালৰ লগত মোৰ আৰু মোৰ পৰিয়ালৰ মাজত সৌহাৰ্দ্যপূৰ্ণ মধুৰ সম্বন্ধ ক্ৰমে গাঢ় হৈ আছিল। বয়সত তেওঁ মোতকৈ বহুত ডাঙৰ আছিল যদিও মোৰ জ্যেষ্ঠ ভাতৃ সদৃশ বিষ্ণু চক্ৰৱৰ্তী এনে এক ব্যক্তি যাক অতিকৈ আপোনজন ভাব হৈছিল, তেওঁক যেন সদায়েই পাই থাকিম অন্তঃসলিলা নৈৰ দৰে।

লাহে লাহে মই তেওঁৰ গাত বিভিন্ন গুণৰ সমাবেশ দেখিব পালো। বাহ্যিক দৰ্শনত তেওঁক কঠোৰ যেন লাগিলেও ভিতৰখন বৰ কোমল আছিল। কথা-বতৰাত তেওঁক ডাঙৰীয়া শ্ৰেণীৰ গহীন লোক যেন লাগিলেও মনে মিলা মানুহ পালে হাঁহি-মাতি কথা কৈছিল, ৰং-ৰহইচ কৰিছিল, মই সহজে বুজিব পাৰিছিলো যে তেওঁ এটি বুদ্ধিদীপ্ত মনৰ অধিকাৰী। জানিব

পৰিলো যে তেওঁ অতিকৈ অধ্যয়নপুষ্ট লোক আৰু জ্ঞানৰ ভাণ্ডাৰ যেন Books were his Dukedom. তেওঁৰ জ্ঞানৰ ধাৰা যেন ফল্গুধাৰাৰ দৰে নীৰৱেই প্ৰবাহিত হৈ আছে। লাহে লাহে মই জানিব পাৰিলো যে নিৰহঙ্কাৰী প্ৰচাৰবিমুখ এই যশস্বী সাহিত্যিকজনে নীৰৱেই গোটেই জীৱন জুৰি সাহিত্য সাধনা কৰি গৈছে।

তেওঁ বহুতো মূল্যবান গ্ৰন্থ ৰচনা কৰি গ'ল আৰু এই গ্ৰন্থসমূহৰ প্ৰায়বোৰতেই পোৱা যায় তেওঁৰ জ্ঞানৰ গভীৰতাৰ স্বাক্ষৰ। আমি আশা ৰাখিছিলো তেওঁ অনবদ্য সাহিত্য কৰ্মেৰে আমাৰ সাহিত্য জগতখন উজলাই থাকিব। তেওঁ উপনিষদৰ দৰে তত্ত্বগধুৰ গ্ৰন্থবোৰ অসমীয়া ভাষালৈ ভাঙনি কৰিছিল। এতিয়ালৈকে তেওঁ ৯খন উপনিষদৰ অসমীয়া ভাঙনি কৰিছে আৰু তাৰে কিছুমান ছপা কৰি উলিয়াইছে। এইটো তেওঁৰ মৰ সাহস বুলি ক'ব পাৰি। মোৰ বিশেষ অনুৰোধত তেওঁ কথোপনিষদখনৰ চমু অসমীয়া ভাঙনি কৰি সুন্দৰ বেটুপাতেৰে ছপা কৰি উলিয়াইছে। কিন্তু কিতাপখনৰ পাতনি মোকেই লিখিব দি মোক বিপাঙত পেলাইছিল। তদুপৰি তেওঁ আত্মজ্ঞান, আত্মজ্ঞানৰ শীৰ্ষবিন্দু, ৰাগ গোবিন্দ, সৌন্দৰ্য লহৰী, আনন্দ তৰঙ্গ, সাংখ্যদৰ্শনৰ কথা, গীতৰ অমৃত বাণীৰ দৰে কিতাপো সংকলন কৰিছে। তেওঁৰ গদ্যশৈলী সুন্দৰ জটিল বিশ্লেষণেৰে ভাবক অস্পষ্ট আৰু ধূঁৱলি-কুঁৱলী কৰা নাই। গভীৰ অধ্যয়ন, সূক্ষ্ম দৃষ্টিভঙ্গী আৰু বিশদ বৰ্ণনা তেওঁৰ লিখনিৰ বৈশিষ্ট্য।

সনাতন হিন্দু ধৰ্মৰ ওপৰত তেওঁৰ গভীৰ আস্থা আছিল আৰু আজি- কালিৰ কিছুমান ইংৰাজী শিক্ষিত লোকৰ ছেকুলাৰিজমৰ দোহাই দি হিন্দু ধৰ্মৰ প্ৰতি অনাস্থাভাব পোষণ কৰাটো তেওঁ মনে-প্ৰাণে বেয়া পাইছিল। সেয়েহে তেওঁ হিন্দু ধৰ্মত নিহিত থকা শ্ৰাদ্ধ তৰ্পণ আৰু পিণ্ডদান নামৰ ৪৪পৃষ্ঠাৰ এখন কিতাপ লিখি ছপা কৰি উলিয়াইছিল।

গোৰখপুৰৰ গীতা প্ৰেছৰ পৰা কল্যাণ কল্পতৰু নামৰ এখন অতি উচ্চ- মানবিশিষ্ট মাহেকীয়া আলোচনী প্ৰকাশ হৈ আছে। তাত ভাৰতীয় মনীষীসকলৰ তত্ত্বগধুৰ প্ৰবন্ধবোৰ প্ৰকাশ হয়। বিষ্ণু চক্ৰৱৰ্তীৰ প্ৰবন্ধও সেই আলোচনীখনত প্ৰকাশ হৈছিল। দুহেজাৰ চনৰ অক্টোবৰ মাহত প্ৰকাশিত এটা প্ৰবন্ধৰ নাম আছিল Misconception of Plurality of God in the Vedas. চক্ৰৱৰ্তীয়ে লিখা এই প্ৰবন্ধটোৰ কথা উল্লেখ কৰাৰ লোভ মই সামৰিব নোৱাৰিলো। বহুতে নেজানে যে তেওঁ এজন কবিও আছিল আৰু তেওঁ লিখা কবিতাবোৰ মই কবিতা ভাল পাওঁ বাবে মোলৈ পঠাই আছিল। এই কবিতাবোৰ উচ্চমানবিশিষ্ট আছিল আৰু তেওঁৰ কবিতাবোৰৰ এটা সংকলন উলিয়াবলৈ মই খাটনিও ধৰিছিলো।

তেওঁ জীয়াই থকা হ'লে হয়তো চপাৰ মুখ দেখিলেহেঁতেন। তেওঁ ডিব্ৰুগড়-তিনিচুকীয়া আদি বিভিন্ন ঠাইত হোৱা বিভিন্ন অনুষ্ঠানত সভাপতি বা মুখ্য অতিথি হিচাপে দিয়া তেওঁৰ লিখিত ভাষণবোৰ মোলৈ পঠাই আছিল আৰু ভাষণবোৰত প্ৰকাশ পাইছিল তেওঁৰ গভীৰ জ্ঞানৰ স্বাক্ষৰ। তেওঁ পুৰণি কথাৰ ভঁৰাল আছিল আৰু তেওঁৰ জীৱনৰ বহুতো বোমা[illegible]

কথা মোৰ আগত ব্যক্ত কৰিছিল। মোৰ জোৰ তাগিদাত ৰ'ব নোৱাৰি খণ্ড খণ্ডকৈ এখন বৃহৎ কলেবৰৰ আত্মজীৱনী লিখি উলিয়াইছিল আৰু পাণ্ডুলিপিবোৰ মোক পঢ়ি চাবলৈ দিছিল। কিন্তু কেইবাটাও চাহ কোম্পানীৰ পৰিচালনাৰ গুৰু দায়িত্ব বহন কৰি তাৰ মাজতে সময় উলিয়াই কেনেকৈ উচ্চ খাপৰ গ্ৰন্থ প্ৰণয়নত ব্ৰতী হৈছিল মই ভাবি আচৰিত আৰু পুলকিত হৈছিলো।

মূঠৰ ওপৰত তেওঁ এজন গ্ৰন্থকাৰ, চিন্তাবিদ আৰু বিশিষ্ট চাহ খেতিয়ক আছিল, কিন্তু সদায় লো প্ৰফাইলত থাকি ভাল পাইছিল। প্ৰতিভাৰ মৰণ নাই। প্ৰতিভা সমুজ্জ্বল, বিষ্ণু চক্ৰবৰ্তী নিজ প্ৰতিভাৰে জাতিষ্কাৰ আছিল। তেওঁৰ গভীৰ শ্ৰদ্ধা আছিল হিন্দুৰ পৰম্পৰাগত পূজাপাতল, উৎসৱ-অনুষ্ঠান, ৰীতি আদিত। তেওঁৰ পৰিয়ালৰ পৰা জানিছিলো যে তেওঁ প্ৰত্যেক দিনা পুৱাই নিত্য পূজাৰ লগতে চণ্ডী আৰু গীতা পাঠ কৰিছিল। সৰুতে তেওঁ পাখৱাজ বাদ্যযন্ত্ৰ বজাবলৈ শিকিছিল যদিও সময়ৰ চাকনৈয়াত পৰি এই কঠিন বিদ্যা এৰি পেলালে।

বিষ্ণু চক্ৰবৰ্তীৰ জন্ম হৈছিল ১৯২২ চনত। ১৯৪৫ চনত কটন কলেজৰপৰা স্নাতক ডিগ্ৰী লৈ বেনাৰছ হিন্দু বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ উপাধি লৈ গুৱাহাটীৰ আৰ্ল ল কলেজৰ পৰা ল ডিগ্ৰী লৈছিল। ডিব্ৰুগড়ত নিজা ব্যৱসায়-বাণিজ্য চোৱাৰ উপৰি আদালতত ওকালতি কৰিছিল আৰু ডিব্ৰুগড় হনুমানবক্স কানৈ কমাৰ্চ কলেজত অধ্যাপনা কৰিছিল আৰু সেই কলেজৰ পৰাই অধ্যক্ষ হিচাপে অৱসৰ লৈছিল। তেওঁৰ পূৰ্বপুৰুষ পৰাশৰ গোত্ৰৰ ব্ৰাহ্মণ আছিল আৰু চক্ৰবৰ্তী উপাধিটো মহাৰাজ ৰুদ্ৰসিংহৰ পৰা লাভ কৰা। তেওঁলোক পূৰ্বৰে পৰা যোৰহাটৰ মুকলিমুৰীয়া গোসাঁইৰ শিচ আছিল। বিষ্ণু চক্ৰবৰ্তী এগৰাকী বহুমুখী প্ৰতিভাসম্পন্ন আদৰ্শবান লোক আছিল। মই আশা ৰাখিছো তেওঁৰ গুণৱান আৰু উপযুক্ত পুত্ৰসকলে তেওঁৰ এখনি জীৱন আলেখ্য প্ৰকাশ কৰি উলিয়াব।

মাত্ৰ দুমাহৰ আগতে ডিব্ৰুগড়ত তেওঁৰ লগত মোৰ শেষ দেখা। তেওঁ তেতিয়া প্ৰায় চল্যা শক্তি ৰহিত হৈ বিছনাত আশ্ৰয় লৈছিল। মই সপোনতো ভবা নাছিলো যে তেওঁৰ লগত মোৰ সেয়ে শেষ দেখা। মোক শোকে খুন্দা মাৰি ধৰিছিল। যোৱা দুই জানুৱাৰীৰ দিনা (২০০২ চন) তেওঁৰ পৰলোক প্ৰাপ্তি হয়। তেওঁৰ মৃত্যু বাৰ্তা বেদনাদায়ক। মই মোৰ আৰু পৰিয়ালৰ পৰম হিতাকাংক্ষী আপোনজনক হেৰুৱালো।

তেওঁৰ আত্মাৰ সদ্‌গতি কামনা কৰি পৰম পিতাৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শ্ৰদ্ধাৰ চিন স্বৰূপে অশ্ৰুসিক্ত নয়নেৰে অঞ্জলি যাচিলো। ওঁম্ শান্তি। ●

*(ইং ১২-১-২০০২ তাৰিখৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত)*

# কালীনাথ শৰ্মা

স্বৰূপাৰ্থত ডঃ কালীনাথ শৰ্মাৰ নাম নুশুনা শিক্ষিত ব্যক্তি অসমত বিৰল বুলি ক'লেও বোধকৰো বঢ়াই কোৱা নহ'ব। এইজন কিম্বদন্তী সদৃশ পুৰুষে অসমৰ সুধী সমাজত এটি উজ্জ্বল নক্ষত্ৰৰ দৰে জিলিকি থাকি যোৱা ২৪ ফাগুন ৮ মাৰ্চ তাৰিখে নশ্বৰ দেহ ত্যাগ কৰিলে।

তেখেতৰ জন্ম হৈছিল নলবাৰী চহৰৰ সমীপৰ মৰোৱাৰ ওচৰত অময়াপুৰ গাঁৱত। দেউতাক আছিল স্বনামধন্য পণ্ডিত লক্ষ্মীনাথ শৰ্মা। তেখেতে ১৮৮৭ চনত নলবাৰী চহৰৰ মাইনৰ স্কুলত ভৰ্তি হৈ সেই বিদ্যালয়ৰ পৰা এম ই পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱালকুছিত থকা তেতিয়াৰ নৰ্মাল স্কুলৰ পৰা নৰ্মাল পাছ কৰি ১৮৯৩ চনত নলবাৰী এম ই স্কুলত শিক্ষক হিচাপে নিযুক্তি পাইছিল। ১৯১০ চনত এম ই পাছ কৰা অসমৰ স্কুলসমূহৰ বিখ্যাত পৰিদৰ্শক স্বৰ্গীয় শৰৎ চন্দ্ৰ গোস্বামী তেখেতৰ প্ৰিয় ছাত্ৰ আছিল। এখেতে চালুকীয়া অৱস্থাতে মুক্তাধৰ নামৰ এজন সংসাৰত্যাগী, গীতাজ্ঞানী কৃষ্ণপ্ৰাণ সিদ্ধ পুৰুষৰ সান্নিধ্যলৈ আহিছিল আৰু তেখেতৰ অলৌকিক কাৰ্যাৱলীয়ে লক্ষ্মীনাথৰ জীৱনত প্ৰভাৱ পেলাইছিল। লক্ষ্মীনাথ শৰ্মাই যোগী মুক্তাধৰ নামৰ এখন ক্ষুদ্ৰ পুস্তিকাৰ পাণ্ডুলিপি এৰি থৈ গৈছিল আৰু মঙ্গলদৈৰ বিদ্যাৱতী প্ৰেছৰ স্বত্বাধিকাৰী সু সাহিত্যিক শ্ৰীগোবিন্দৰাম ডেকাই ১৯৭৯ চনত ছপা কৰি প্ৰকাশ কৰে। এই কিতাপখনৰ পৰা অন্যান্য কথাৰ লগতে ঊনবিংশ শতিকাৰ শেষ ভাগত বিৰাজ কৰা নলবাৰী অঞ্চলৰ বিখ্যাত সংস্কৃত টোলবোৰৰ কথা আৰু কিছুমান বিখ্যাত অধ্যাপকৰ কথা জানিব পাৰি। লক্ষ্মীনাথ শৰ্মা সংস্কৃতজ্ঞ আৰু ৰাইজৰ আস্থাভাজন শিক্ষক আছিল। এই এম ই স্কুলখনেই পিছত ১৯১৭ চনত বিখ্যাত গৰ্ডন হাইস্কুললৈ ৰূপান্তৰিত হৈছিল। স্কুলখনৰ ওচৰতে থকা পুণ্যাশ্ৰম নামৰ এটি সংস্কৃত টোলৰো তেখেত তত্বাৱধায়ক আছিল। লক্ষ্মীনাথ শৰ্মাই এই পুণ্যাশ্ৰমখনক এখন আদৰ্শ গুৰুকুলৰ দৰে গঢ়ি তুলিছিল। লক্ষ্মীনাথ শৰ্মাই ৯২ বছৰ বয়সত সজ্ঞানে আৰু সুস্থ শৰীৰে দেহত্যাগ কৰিছিল।

এনেহেন দেউতাকৰ তত্ত্বাৱধানত থাকি কালীনাথ ছাৰে নলবাৰীৰ গৰ্ডন হাইস্কুলত পঢ়িছিল আৰু দুই-এটা সংস্কৃত পৰীক্ষাৰ পাঠ পুণ্যাশ্রম টোলত লৈছিল বুলি জনা যায়। সেয়েহে তেখেতৰ কথোপকথনত আৰু বক্তৃতাবোৰত সংস্কৃত শ্লোকবোৰৰ প্রয়োগ কৰিছিল আৰু সেইবোৰৰ অৰ্থও প্রাঞ্জল ভাষাত বুজাই দিছিল। তেখেতে ১৯৩৬ চনত গৰ্ডনৰ পৰা মেট্রিক পৰীক্ষা দিছিল আৰু চাৰিটা বিষয়ত লেটাৰ পাইছিল। তেখেতৰ সহপাঠী আছিল পিছৰ কালৰ চৰকাৰৰ উচ্চ বিষয়া ৰামপ্রসাদ দাস আৰু ৰাষ্ট্ৰভাষা প্রচাৰত জীৱন উৎসৰ্গা কৰা ৰজনী চক্ৰবৰ্তী। অতিশয় মেধাবী আৰু চুডমাৰ্চন গোল্ড মেডেল পোৱা ডঃ প্ৰসন্ন গোস্বামীও নলবাৰীত পঢ়া কালত তেখেতৰ সহপাঠী আৰু সখি আছিল। নলবাৰী হাইস্কুলখনেই আছিল তেখেতৰ শিক্ষা জীৱনৰ প্ৰথম স্থান। তেখেতে লিখিছিল— উচ্চ শিক্ষাৰ প্ৰতি পদক্ষেপতে গৰ্ডন হাইস্কুলৰ স্বচ্ছ দাপোণখনৰ পৰা প্ৰতিফলিত হোৱা ৰশ্মিৰ উজ্জ্বলতা সদায় মই অনুভৱ কৰিছিলো।' তেখেতে গুৰিৰে পৰা পাইছিল এই স্কুলৰ প্ৰসিদ্ধ হেডমাষ্টৰ আৰু ইংৰাজী শিক্ষক পূজনীয় মণিৰাম দাসদেৱক। তেখেতে ইংৰাজী গ্ৰামাৰৰ বিশেষ বিশেষ অধ্যায়বোৰ নিৰ্ভুলকৈ মুখস্থ কৰোৱাইছিল — যাৰ ফলত কালীনাথ ছাৰে শুদ্ধ ইংৰাজী বাক্য লিখাত সিদ্ধহস্ত হৈছিল। নেচফিল্ড গ্ৰামাৰখন তেখেতৰ প্ৰায় মুখস্থ আছিল। তেখেত আছিল সাহসৰ প্ৰতীক। সেয়েহে ১৯৩৪ চনত অষ্টম শ্ৰেণীত পঢ়ি থাকোতে আন দুজন ল'ৰাৰ লগত স্কাউট সমাৰোহত বৃটিছ শাসনৰ ইউনিয়ন জেক পতাকাখনক চালাম দিবলৈ অমান্তি হোৱাত বিপদত পৰিব লগা হৈছিল। ১৯৬০ চনত কটন কলেজৰ তেতিয়াৰ চেকেণ্ড মেচ হোষ্টেলৰ অধ্যক্ষ থাকোতে পুলিচৰ অপ্ৰৰোচিত গুলীত দিন দুপৰতে ছাত্ৰ ৰঞ্জিত বৰপূজাৰী নিহত হওঁতে ছাৰে নিজ কোঠালিৰ পৰা দৌৰি আহি থিয় হৈ থকা ছাত্ৰবোৰক 'লাইডাউন' লাই ডাউন' বুলি চিঞৰি সতৰ্ক কৰি নিদিয়া হ'লে হোষ্টেলখনৰ আন বহুতো ছাত্ৰৰ অঘটন ঘটিলহেঁতেন। এই ঘটনাৰ কথা ছাৰে মোক পিছত নিজ মুখে কৈছিল।

কালীনাথ শৰ্মা ছাৰে কটন কলেজত আই এছ চি পঢ়োতে সকলো সামাজিক আৰু খেল ধেমালিবোৰত অংশ লৈছিল। কটন কলেজৰ পঢ়োতে দীঘলীপুখুৰীৰ নাও খেল প্ৰতিযোগিতাত অংশ লোৱাৰ ফটো পুৰণি আৱাহনৰ পাতত দেখা যায়। তেখেতে কলিকতাৰ বংগবাসী কলেজৰ পৰা বি.এছ.চি আৰু বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পৰা জীৱবিজ্ঞান বিষয়ত সুখ্যাতিৰে এম এছ চি পাছ কৰি ১৯৪২ চনত কটন কলেজত প্ৰবক্তা হিচাপে যোগদান কৰে। পিছত লণ্ডনলৈ গৈ এডিনবাৰ্গ বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে।

শৰ্মা ছাৰৰ ডাঙৰ ককায়েক প্ৰায় ৮৭ বছৰ বয়সীয়া ১৯৩৬ চনতে কটন কলেজৰ পৰা বি এ ডিগ্ৰী লাভ কৰা ৰমানাথ শৰ্মাদেৱে মোক কৈছিল যে কালীনাথ শৰ্মা ছাৰ বন বিভাগৰ ৰেঞ্জাৰৰ পদবীৰ বাবে ককায়েকৰ টান নৰিয়া হোৱাত ইণ্টাৰভিউ বৰ্ডত উপস্থিত হ'ব নোৱাৰিলে। নহ'লে তেখেতৰ ভাগ্য চকৰী আনফালে মোৰ ল'লেহেঁতেন। তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ জীৱ বিজ্ঞানৰ মুৰব্বী অধ্যাপক হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। এটা সময়ত

অসম শিক্ষাধিকাৰৰ পদো শোভা কৰিছিল। তেখেত শিক্ষাধিকাৰ থাকোতে তেখেতৰ প্ৰাক্তন ছাত্ৰ এজন শিক্ষাবিভাগৰ মন্ত্ৰী আছিল। আলোচনাবোৰত ভলভলীয়া শৰ্মা ছাৰে একালৰ ছাত্ৰ মন্ত্ৰীজনক নামধৰি মতাত আৰু তুমি বুলি সম্বোধন কৰাত মন্ত্ৰীয়ে হেনো শৰ্মা ছাৰৰ প্ৰতি বিৰূপ ভাব পোষণ কৰাত শৰ্মা ছাৰৰ অশুভ পৰিস্থিতিৰ সন্মুখীন হ'ব লগাত পৰিছিল।

আমি পঞ্চাশৰ দশকত কটন কলেজত ছাত্ৰ থাকোতে কলেজ আৰু হোষ্টেলবোৰত তেখেতৰ জ্ঞানগৰ্ভ আৰু ৰসাল বক্তৃতা উপভোগ কৰাৰ সেই ভাগ্য হৈছিল। কটন কলেজ ইউনিয়ন বডীত থাকোতেও তেখেতৰ বহুমূলীয়া উপদেশবোৰৰ দ্বাৰা উপকৃত হৈছিলো। তেখেতে সকলো বিষয়ৰ ওপৰতে ক'ব পাৰিছিল। আৰু খুহুতীয়া কথাৰ অৱতাৰণা কৰি শ্ৰোতাক হুহুৱাব পাৰিছিল। তেখেতে প্ৰয়োগ কৰা প্ৰকৃত ভাষাৰ শ্লোকবোৰৰ অৰ্থ প্ৰাঞ্জল ভাষাত ব্যাখ্যা কৰিব পাৰিছিল। তেখেতৰ ভাব গধুৰ আৰু ৰসাল প্ৰবন্ধপাতি অসমৰ বিভিন্ন বাতৰি কাকত আৰু আলোচনীত সিঁচৰতি হৈ আছে। ১৯৯৫ চনত যেতিয়া তেখেতৰ বয়স ৭৮ বছৰ 'ভালুকে ভৰুকালে' নামৰ এখন পদ্য পুথি প্ৰকাশ কৰিছিল।

তেখেতৰ সুন্দৰ শোভন অসমীয়া বাক্য ৰচনা দেখিলে তবধ মানিব লাগে। উদাহৰণ স্বৰূপে 'সম্প্ৰতি মই বাৰ্দ্ধক্যৰ উপকূলত বহি কাল সাগৰৰ ঢৌবোৰ চাবলৈ আৰম্ভ কৰিলো। যিমান চাওঁ সিমানে অসংখ্য ঢৌ শিৰত শুকুলা ফেন লৈ উদ্দাম শক্তিৰে ওচৰলৈ বাগৰি আহে। এইবোৰে বহু কণ কণ ঢৌ বুৰাই পেলায়। মণি বাবু ফেনিল ঢৌ হৈ এতিয়াও চকুৰ আগত ভাঁহি আছে। সাহিত্য হ'ল সাধনাৰ বস্তু। কালীনাথ শৰ্মা ছাৰ আছিল বিজ্ঞানৰ সাধক। তেখেত সাহিত্য সাধনাত ব্ৰতী হোৱা হ'লে সফল উৎকৃষ্ট অসমীয়া সাহিত্য ৰচনাত সফল হ'লহেঁতেন। জন্মগত প্ৰতিভা আছিল যদিও তেখেতৰ লুপ্ত সাহিত্যিক প্ৰতিভা জাগৃত হৈ নুঠিল। সেয়েহে ইমাৰ্চন চাহাবে কৈছিল যে প্ৰতিভা এনে এটি শক্তি সি যিহকে স্পৰ্শ কৰে, তাকেই সজীৱ কৰি তোলে।

সুঠাম স্বাস্থ্যৰ অধিকাৰী, ধীৰ-স্থিৰ, সহজ-সৰল, জ্ঞানী পুৰুষ এজন আমাৰ মাজৰ পৰা তিৰোহিত হ'ল। কিন্তু মৃত্যু বাধাহীন উদ্যম। গতিকে এই চিৰন্তন সত্যটো মানি লৈ শৰ্মা ছাৰৰ বিদেহী আত্মাই চিৰ শান্তি লভিবলৈ ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো।

'ভাগি গ'ল বীণ খনি ছিগি গ'ল তাঁৰ
বৈ গ'ল অৱশেষ অমিয়া জোকাৰ'।

*(ইং ১৮-৩-২০০০ তাৰিখৰ 'আজিৰ অসম' কাকতত প্ৰকাশিত)*

# ললিত হাজৰিকা

অবিভক্ত নগাঁও আৰু বৰ্তমানৰ মৰিগাঁও জিলাৰ এখন অতিশয় দুৰ্গম আৰু ভিতৰুৱা অনুন্নত গাঁও হ'ল তাৰাবাৰী। এই গাঁৱৰে এঘৰ প্ৰাচীন আৰু সম্ভ্ৰান্ত পৰিয়ালত ১৯২৮ চনত ললিত কুমাৰ হাজৰিকাৰ জন্ম হৈছিল। তেওঁৰ পিতাকৰ নাম আছিল ৰূপধৰ হাজৰিকা। ললিত চন্দ্ৰৰ ল'ৰাকালৰে পৰা পঢ়াৰ প্ৰতি ধাউতি, মনৰ উৎসাহ আৰু কামত মনোযোগিতা বৰ উগ্ৰ আছিল। তেতিয়া পশ্চিম নগাঁও শিক্ষা বিষয়ত বৰ আগবঢ়া নাছিল। হাইস্কুলৰ সংখ্যা নিচেই তাকৰ আছিল। তপস্বীৰ দৰে সহজ জীৱন-যাপন কৰা, ১৯২৬ চনৰ ঐতিহাসিক পাণ্ডু কংগ্ৰেছৰ সভা আৰু আন আন কামৰ বাবে যি খদ্দৰৰ কাপোৰৰ প্ৰয়োজন হৈছিল সেইখিনিৰ যোগান ধৰা, প্ৰকৃত গান্ধীবাদী, শিক্ষা আৰু সাহিত্য প্ৰচাৰত ব্ৰতী হোৱা খ্যাতনামা মুক্তিযোদ্ধা পণ্ডিত কনক শৰ্মা কাব্যতীৰ্থই স্থাপন কৰা ৰহা আৰু বেবেজীয়া হাইস্কুল তেতিয়াও চালুকীয়া অৱস্থাত থকাত ললিত চন্দ্ৰ হাজৰিকাই চাৰিওৰ খ্যাতনামা পৃথিবৰ বৰকাকতী বংশৰ কবি ৰত্নকান্ত বৰকাকতীকে ধৰি জনদিয়েক সমাজকৰ্মীৰ উদ্যোগত স্থাপন হোৱা ধিং কে. বি. হাইস্কুলত শিক্ষা আৰম্ভ কৰে। পঢ়াৰ প্ৰতি প্ৰবল ধাউতি থকাত ললিত হাজৰিকাই ধিঙলৈ ২৬ কিলোমিটাৰ বাট খোজকাঢ়ি অহা-যোৱা কৰিছিল। ১৯৪৪ চনত প্ৰথম বিভাগত সুখ্যাতিৰে মেট্ৰিক পৰীক্ষা পাছ কৰি কটন কলেজত নামভৰ্তি কৰে। ১৯৪৯ চনত উদ্ভিদবিজ্ঞান বিষয়ত সন্মান সহ বি এছ চি ডিগ্ৰী লাভ কৰে। সেই সময়ত কটন কলেজৰ উদ্ভিদবিজ্ঞান বিভাগৰ প্ৰখ্যাত অধ্যাপক অতুল দত্তৰ মৰমৰ পাত্ৰ আছিল ললিত হাজৰিকা।

১৯৫০-৫১ চনৰ কাল ডোখৰত তেওঁ মৰিগাঁও হাইস্কুলত শিক্ষক হিচাপে সেৱা আগবঢ়াইছিল। ১৯৫২ চনত তেওঁক অসম চৰকাৰে ডেৰাডুনত থকা ফৰেষ্ট কলেজত পঢ়িবলৈ নিৰ্বাচন কৰি বৃত্তি মঞ্জুৰ কৰে। ১৯৫৬ চনত অসম চৰকাৰৰ অধীনত এ. চি. এফ. হিচাপে চাকৰিত যোগদান কৰে। ইয়াৰ পিছত তেওঁ আৰু পিছলৈ ঘূৰি চাবলগীয়া হোৱা নাই।

নিজৰ নিষ্ঠা আৰু কাৰ্যদক্ষতাৰ গুণত দোপতদোপে উন্নতি লাভ কৰে। ১৯৬৬ চনত ভাৰতীয় বনসেৱাত অন্তৰ্ভুক্ত হোৱাৰ সন্মান লাভ কৰে। ১৯৬৯ চনত তেওঁ দহ সপ্তাহৰ বাবে অষ্ট্ৰেলিয়ালৈ গৈ বন বিষয়ক বিশেষ প্ৰশিক্ষণ লৈছিল। ১৯৭৮ চনত তেওঁক বন বিভাগৰ মুখ্য বন সংৰক্ষক পাতে আৰু ১৯৮৫ চনত অসম চৰকাৰৰ প্ৰিন্সিপাল চিফ কনজাৰভেটৰ অৱ ফৰেষ্ট হৈছিল। ১৯৮৬ চনত তেওঁ এই পদৰ পৰা অৱসৰ লয়।

চৰকাৰে তেওঁৰ কামৰ স্বীকৃতি হিচাপে অৱসৰৰ লগে লগে অসম লোকসেৱা আয়োগৰ সদস্য পদত নিযুক্তি দিয়ে আৰু ১৯৯০ চনত সেই পদৰ পৰা অব্যাহতি লয়। চাকৰি জীৱনত তেওঁ আছিল এজন অক্লান্ত কৰ্মী, কঠোৰ পৰিশ্ৰমী স্পষ্টবাদী আৰু দুৰ্নীতিক প্ৰশ্ৰয় নিদিয়া বিষয়া। মৃত্যুৰ আগলৈকে তেওঁ বনৰীয়া জীৱ-জন্তুকে মুখ্য কৰি বন সম্পদ সংৰক্ষণৰ বাবে দেহেকেহে খাটিছিল। তেওঁ তেজপুৰত ডি এফ অ' হিচাপে চাকৰি কৰোতে এটা আমোদজনক ঘটনা ঘটিছিল। সেই সময়ত ভাৰতৰ আগশাৰীৰ শিল্পপতি জে. সিংহানীয়া ভাৰত চৰকাৰৰ অনুমতি লৈ ন দুৱাৰ ৰিজাৰ্ভ ফৰেষ্টলৈ আহিছিল চিকাৰ কৰিবলৈ। তেওঁ নিশাৰ ভাগত চোৰাংকৈ আৰু অবৈধভাৱে গৰ্ভৱতী মাইকী হৰিণা বধ কৰাত হাজৰিকাই হাতেলোটে ধৰা পেলাই আদালতত গোচৰ ৰুজু কৰে। এই কাৰ্যত চৰকাৰে হাজৰিকাৰ ওপৰত ক্ষুব্ধ হৈ এমাহৰ ভিতৰতে বদলিৰ হুকুম দিয়ে।

হাজৰিকাৰ আশাশুধীয়া যত্নৰ ফলতে ডিব্ৰু-চৈখোৱা ৰিজাৰ্ভ ফৰেষ্ট, দুৱাৰ ৰিজাৰ্ভ ফৰেষ্ট দুখন ৱাইল্ড লাইফ চেংচুৱাৰিলৈ উন্নীত হৈছিল। পিছৰ কালত সন্ত্ৰাসবাদীৰ হাতত অকালতে প্ৰাণ হেৰুৱা প্ৰকৃতিপ্ৰেমী আৰু অফুৰন্ত কৰ্ম শক্তিৰ উৎস বন মন্ত্ৰী নগেন শৰ্মাই দুয়োখন ফৰেষ্ট ৰিজাৰ্ভকে নেচনেল পাৰ্কৰ মৰ্যাদা দিছিল।

অসমৰ বন বিভাগৰ উচ্চপদস্থ বিষয়া কাজিৰঙা অভয়াৰণ্যৰ গঢ় দিওঁতা অকালতে পৰলোক প্ৰাপ্তি হোৱা মোহন চন্দ্ৰ মিৰিৰ কৰ্মৰাজিয়ে হাজৰিকাক অনুপ্ৰেৰণা যোগাইছিল। চৰকাৰেও হাজৰিকাৰ অৱসৰৰ পিছতো ষ্টেট ৱাইল্ড লাইফ এড্‌ভাইছৰি ব'ৰ্ডৰ আজীৱন সদস্য পাতিছিল। তেওঁ এজন সু লেখকো আছিল আৰু অসমৰ আৰু বাহিৰৰ বিভিন্ন আলোচনীবোৰত অসমীয়া আৰু ইংৰাজীত চৰাই-চিৰিকটি তথা জীৱ-জন্তুৰ বিষয়ে বিবিধ প্ৰবন্ধ লিখিছিল। তেওঁৰ কথোপকথনত যুক্তি বিন্যাস ক্ষমতা আছিল। তেওঁ জনা যি কোনো বিষয়ৰ ওপৰতেই প্ৰাঞ্জল ব্যাখ্যা দাঙি ধৰিব পাৰিছিল। অসমীয়া সাহিত্যৰ উন্নতিৰ বাবে পতা অনুষ্ঠানবোৰত তেওঁ সৰ্বতোভাৱে সহায়-সহানুভূতি আগবঢ়াইছিল। অসম সাহিত্য সভাৰ আজীৱন সভ্য হোৱাৰ উপৰি ১৯৯৫ চনত মৰিগাঁৱত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাত দেহেকেহে খাটিছিল। বিগত দহ বছৰে মই ব্যক্তিগতভাৱে হাজৰিকাৰ সান্নিধ্য লাভ কৰি তেওঁৰ বিবিধ গুণাৱলীৰ নিৰীক্ষণ কৰাৰ সুযোগ পাইছিলো।

মৃত্যুৰ আগলৈকে তেওঁ কাজিৰঙা ৱাইল্ড লাইফ চছাইটি নামৰ এটি এন জি অ'ৰ আজীৱন আৰু সক্রিয় সদস্য আছিল। এই এন জি অ'ৰ ৰাইনো' নামৰ বছৰেকীয়া আলোচনীখনত তেওঁ লিখা এটি মনোৰম প্ৰবন্ধ তেওঁৰ মৃত্যুৰ মাত্র কেইসপ্তাহমান আগতে প্ৰকাশ পাইছিল।

ললিত কুমাৰ হাজৰিকাই সাংসাৰিক জীৱনত অসমৰ কীৰ্তিমান নক্ষত্ৰৰাজিৰ ভিতৰত এটি উজ্জ্বল নক্ষত্র স্বনামধন্য মাণিক চন্দ্ৰ বৰুৱাৰ জ্যেষ্ঠ ভাতৃ দেৱনাথ বৰুৱাৰ জীৰ ফালৰ নাতি-ছোৱালীৰ লগত বিবাহপাশত আবদ্ধ হৈছিল। তেওঁৰ মুখে শুনিছিলো যে জাত যোৱাৰ ভয়ত দেউতাকে দেৱনাথক ইংৰাজী শিক্ষা দিয়া নাছিল। হাজৰিকাই দুজন উপযুক্ত পুত্ৰ সন্তানকে ধৰি দুজনী কন্যা সন্তান আৰু পত্নীকে ধৰি কেইবাজনো নাতি-নাতিনী এৰি ৭২ বছৰ বয়সত যোৱা ১৮ জুলাই মঙ্গলবাৰে পৰলোক প্ৰাপ্তি হয়। ●

*(ইং ৩০-৭-২০০২ তাৰিখৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত)*

অসমীয়া সাহিত্যৰ

# নীৰৱ সাধক অতুলচন্দ্ৰ বৰুৱা

সৌ সিদিনা অসমৰ স্বনামধন্য সাহিত্যিক অতুলচন্দ্ৰ বৰুৱাৰ ৮৪ বছৰ বয়সত গুৱাহাটীত থকা নিজা বাস ভৱনত বাৰ্ধক্যজনিত ৰোগত দেহাৱসান ঘটে। তেখেতৰ জন্মস্থান আছিল দৰং জিলাৰ মাঁৰৈ গাঁও। তেখেতৰ দেউতাকৰ নাম ভোগৰাম বৰুৱা আৰু মাকৰ নাম প্ৰমিলা বৰুৱা। শৈশৱৰে পৰা তেখেত মেধাৱী ছাত্ৰ হিচাপে পৰিগণিত হৈছিল আৰু ছাত্ৰ হিচাপে স্বপ্ৰতিভাৰে ১৯৪৪ চনত তেখেত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিভাগত দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰিছিল। তাৰ কেইবাবছৰমান আগতে অসম সাহিত্য সভাৰ তিতাবৰ অধিবেশনৰ সভাপতি স্বৰ্গীয় সত্যেন শৰ্মা ছাৰে অসমীয়া বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰিছিল।

অতুলচন্দ্ৰ বৰুৱাৰ কৰ্মজীৱন আৰম্ভ হয় শিক্ষক হিচাপে ছিপাঝাৰ আৰু মঙ্গলদৈ হাইস্কুলত, ১৯৪৪-১৯৪৭ চনৰ কালছোৱাত। তেখেতে শ্বিলং সচিবালয়ত কাম কৰোতে (১৯৪৩-৪৭) ছেণ্ট এডমাণ্ডছ কলেজ আৰু এডমাণ্ডছ কলেজতো অংশকালীন প্ৰবক্তা হিচাপে কাম কৰিছিল। তেখেতে ১৯৪৯ চনত স্বাধীনতাৰ অসমৰ প্ৰথম এ.চি.এছ. পৰীক্ষাত দ্বিতীয় স্থান লাভ কৰি মাটিৰ হাকিমৰ চাকৰিত সফল হৈছিল। আৰু বিভিন্ন পদোন্নতিৰ মাজেৰে ১৯৭৪ চনত কামৰূপ জিলাৰ অতিৰিক্ত উপায়ুক্ত হিচাপে অৱসৰ গ্ৰহণ কৰে। তেখেতে ১৯৭৯ চনৰ গুৱালকুছিত অনুষ্ঠিত অসম সাহিত্য সভাৰ সভাপতিৰ পদ অলংকৃত কৰিছিল। এয়ে আছিল তেখেতৰ কৰ্মজীৱনৰ থূলমূলভাৱে এছোৱা।

বৰুৱাদেৱে নিৰৱচ্ছিন্নভাৱে লিখি অহা সাহিত্য সৃষ্টিৰ লেখ ভাৰিব নোৱৰা বৃহৎ আছিল। তেখেতৰ কাপৰ পৰা ওলোৱা ২৯খন গ্ৰন্থ প্ৰকাশ পাইছিল। সম্পাদনা কৰিছিল ১৩ খন গ্ৰন্থ। অসমীয়া সাহিত্যিকসকলৰ মাজত এনেকুৱা বিয়াগোম সৃষ্টিৰ অধিকাৰী আঙুলি মূৰত লিখব পৰা গণিকেইই তেখেতে অসমীয়া সাহিত্যজগতত এখন সুকীয়া স্থান দখল কৰি আহিছিল। তেওঁৰ সৃষ্টি প্ৰতিভাই সকলো ধৰণৰ লিখনিকে সামৰি লৈছিল। নিজে কবি নাছিল যদিও তেখেতে ১৯৪১ চনতে সম্পাদনা কৰি ছপা কৰি উলিয়াইছিল। 'কাব্য প্ৰভা'ৰ দৰে বাছকবনীয়া অসমীয়া কবিতাৰ অপূৰ্ব সংকলন। স্বৰূপাৰ্থত এনেকুৱা অপূৰ্ব সংকলন অসমীয়া ভাষাত দ্বিতীয় এখন নাই বুলি মোৰ ধাৰণা। এই কবিতা পুথিখন কলিকতা

বিশ্ববিদ্যালয়ে আই এ শ্ৰেণীৰ পাঠ্যপুস্তক হিচাপে অনুমোদন জনাইছিল। তেওঁৰ কিছুমান গ্ৰন্থত তেওঁৰ সূক্ষ্ম মনস্তাত্বিক দৃষ্টিভংগী প্ৰকাশ পাইছে। বাস্তৱ জীৱনৰ নানা অদ্ভুত পৰিস্থিতি, সংশয় আদি ভূমি আৰু জীৱন আৰু সমাহৰ্তাৰ আত্ম কাহিনীত প্ৰতিফলিত হৈছে। সাহিত্যৰ ৰূপৰেখা সমালোচনাৰে ভৰপূৰ আছিল।

ভোলানাথ দাস ৰচনাৱলী সম্পাদনা কৰি বৰুৱাদেৱে যুগমীয়া কীৰ্তি অৰ্জন কৰি গৈছে। ভোলানাথ দাস আছিল উনৈশ শতিকাৰ দ্বিতীয়াৰ্ধৰ খ্যাতিমান কবি, সীতাহৰণ কাব্যৰ ৰচক আৰু অমিত্ৰাক্ষৰ ছন্দত প্ৰথম কাব্য ৰচনা কৰোঁতা আৰু নগাঁৱৰ প্ৰখ্যাত বাখৰ বৰাৰ বংশধৰ। তেখেতৰে নাতিনীয়েকৰ লগত বৰুৱাদেৱৰ বিবাহ পাশত আবদ্ধ হৈছিল। বৰুৱাদেৱৰ আন এক কীৰ্তি হ'ল কবিতা চন্দ্ৰিকাৰ ৰচক দৰং জিলাৰ কবি ধনাই বৰাৰ আত্মজীৱনীখনৰ প্ৰকাশ। ধনাই বৰা আছিল অসম গৌৰৱ সূৰ্যকুমাৰ ভূঞাৰ ঘৰুৱা শিক্ষক (১৯০২-১৯০৪ চন) সূৰ্য ভূঞাই তেওঁৰ মৰমৰ ছাত্ৰ অতুল বৰুৱাক ৰেপি আছিল যাতে ধনাই বৰাৰ আত্মজীৱনীখন লিখাবলৈ বাধ্য কৰিব পাৰে। বৰুৱাও এৰি দিয়া ভকত নাছিল। বৰাই তেখেতৰ আত্মজীৱনী লিখিবলৈ বাধ্য হ'ল আৰু বৰুৱাই অসম সাহিত্য সভাৰ সভাপতি থাকোতে সাহিত্য সভাৰ জৰিয়তে অমূল্য গ্ৰন্থখন ছপাই উলিয়াইছিল। সেই তেতিয়াৰ পৰা দ্বিতীয় তাঙৰণ ওলোৱা নাই আৰু বজাৰতো পোৱা নাযায়। মই কটন কলেজত পঢ়োতে মোৰ সহপাঠী ৰঙিয়াৰ স্বৰ্গীয় মোহন কলিতাৰ মুখে অতুল বৰুৱাৰ কথা শুনিছিলো। বৰুৱাদেৱে ৰঙিয়াত মাটিৰ হাকিম থাকোতে (১৯৫০-৫৩) ৰঙিয়া আলোচনা সভা পাতি স্থানীয় সাহিত্যানুৰাগীসকলৰ মাজত সাহিত্য প্ৰীতিৰ উন্মেষ ঘটাইছিল। তেখেত বহি থকা মানুহ নাছিল। তেখেত য'তে নাথাকক কিয় অসমীয়া ভাষা জননীৰ সেৱা নিৰবচ্ছিন্নভাৱে কৰি গৈছিল। ১৯৪৫ চনত শ্বিলং মুকুল সংঘৰ প্ৰতিষ্ঠাপক আছিল। ১৯৫৫ চনৰ পৰা তেখেতে গুৱাহাটীৰ আলোচনাচক্ৰৰ গুৰি ধৰিছিল আৰু গুৱাহাটীৰ সবিতা সভাখনৰো তেখেত সম্পাদক আৰু কাৰ্যকৰী সভাপতি আছিল। মুখ্য ন্যায়াধীশ হলিৰাম ডেকা, লক্ষ্যহীৰা বাইদেউ আৰু প্ৰীতি বৰুৱা এই সভাত প্ৰায়ে উপস্থিত আছিল। তেখেত কামৰূপ অনুসন্ধান সমিতিৰো আজীৱন সভ্য আছিল। মই মাত্ৰ কেইটামান উদাহৰণহে দিছো। বৰুৱাদেৱ আছিল অসমীয়া ভাষা-সংস্কৃতিৰ এজন নীৰৱ সাধক। সাহিত্য সাধনাই আছিল তেখেতৰ জীৱনৰ মহান ব্ৰত।

অৱসৰপ্ৰাপ্ত আই.এ. এছ, বিষয়া নগেন দত্তৰ দেউতাক স্বৰ্গীয় হেম দত্তই 'মূঢ়মতিৰ জীৱনৰ চমু আভাস' নামৰ আত্মজীৱনী এখন ছপাই তথ্যবহুল গ্ৰন্থ এৰি থৈ গৈছে। বৰুৱাদেৱ ৰঙিয়াত মাটিৰ হাকিম থাকোতে হেম দত্তই কাননগো হিচাপে কাম কৰিছিল। এই কিতাপখনত তেখেতৰ চাক্ষুষ দৰ্শনত দেখা বৰুৱাদেৱৰ সাহিত্যিক কাৰ্যাৱলীৰ নিখুঁত আৰু সুবহ বৰ্ণনা পোৱা যায়। হেম দত্তই লিখিছে যে বৰুৱাদেৱে একমুহূৰ্তও সময় অবাবত খৰচ নকৰিছিল। তেখেত মফচললৈ যাওঁতে চৰকাৰী কাম অলপো অবহেলা নকৰাকৈ হাতত নিয়া কিতাপ পঢ়িছিল, লিখিছিল আৰু আলোচনা কৰিছিল। ৰাতিপুৱা ৩ বজাতে শয্যা এৰি লিখা পঢ়া

কৰিছিল। এইদৰে তেখেতে দায়িত্বপূৰ্ণ চৰকাৰী প্ৰশাসনীয় চাকৰিৰ মাজতো আজৰি উলিয়াই আগফালে থকা সময়ৰ টিকনিত খামোচ মাৰি ধৰি ভাবা জননীৰ সেৱা কৰিছিল। ডঃ সূৰ্যকুমাৰ ভূঞা ডাঙৰীয়াৰ নিচিনা বৰুৱাদেৱো আছিল পৰিপাটী জীৱনৰ মানুহ। গোটেই জীৱনটো তেখেতে যেন ঘড়ীৰ কাটাৰ দৰে নিয়ন্ত্ৰিত কৰি দিনটোৰ বিভিন্ন ভাগত বিভিন্ন কাম নিয়াৰিকৈ কৰি এক আদৰ্শ জীৱনৰ চানেকি আমালৈ এৰি থৈ গৈছে।

অতুলচন্দ্ৰ বৰুৱাৰ লগত মোৰ ব্যক্তিগত সান্নিধ্য ঘটিছিল আৰু তেখেতৰ অনুজপ্ৰতিম মৰমৰ মই নিজকে ধন্য মানিছিলো। তেখেতে মোক তেখেতৰ ব্যক্তিগত জীৱনৰ বহু কথাই কৈছিল। ত্ৰিশৰ দশকত অনুষ্ঠিত মঙ্গলদৈ সাহিত্য সভাৰ তেখেত ছাত্ৰ হিচাপে ভলণ্টিয়াৰ আছিল আৰু সেই সভাত উপস্থিত থকা আনন্দচন্দ্ৰ আগৰৱালা, ককা নীলমণি ফুকন, বেণুধৰ ৰাজখোৱা, ৰজনীকান্ত বৰদলৈৰ কথা মোক কৈছিল। তেখেতে কৈছিল যে ক'লা কোট পিন্ধি সভাত স্বৰ্গীয় উপেন লেখাৰুৱে বক্তৃতা দিওঁতে শ্ৰোতাৰ হাঁহিত পেটৰ নাড়ী ছিগো ছিগো অৱস্থা হৈছিল। অসমীয়া, ইংৰাজী আৰু সংস্কৃতত প্ৰচুৰ ব্যুৎপত্তি থকা বৰুৱাদেৱৰ মঙলদৈ হাইস্কুলৰ শিক্ষক দীননাথ চহৰীয়াৰ প্ৰতি অকৃত্ৰিম শ্ৰদ্ধা থকাৰ কথা মোক কৈছিল। গুৰু ভক্তিৰ চিনস্বৰূপে বৰুৱাদেৱে গুৱাহাটী চক্ৰত মাটি বন্দবস্তীৰ কাম কৰোতে এডোখৰ চৰকাৰী মাটি চহৰীয়া ছাৰৰ নামত পট্টন দিয়াইছিল। মই লক্ষ্য কৰিছিলো যে বৰুৱা এজন দক্ষ টেবুল টকাৰ আছিল আৰু কৌতুকপ্ৰিয় আছিল। বাক্যালাপত ৰগৰ তুলিব পাৰিছিল।

মৃত্যু কালৈকো বৈ নাথাকে। পৰিণত বয়সত ভাবা জননীৰ সেৱাৰ মাজেৰে তেখেত আমাৰ মাজৰ পৰা আঁতৰি গ'ল। তেখেতৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ। ●

*(ইং ০৬-০১-২০০২ তাৰিখৰ 'আজি অসম' কাকতত প্ৰকাশিত)*

# পণ্ডিত হেমচন্দ্ৰ গোস্বামী

এটা সময়ত গোলাঘাটৰ গৌৰাং সত্ৰ অসমৰ এখন লেখত ল'বলগীয়া সত্ৰ বুলি পৰিগণিত হৈছিল। এই সত্ৰখনৰ আদি পুৰুষ আছিল যজুৰ্বেদ শাস্ত্ৰজ্ঞ পণ্ডিত গৌৰাংগ দেৱ। তেখেতৰ নামেৰেই গৌৰাং সত্ৰৰ নাম হৈছিল বুলি হেমচন্দ্ৰ গোস্বামীৰ সহোদৰ ভাতৃ জগত চন্দ্ৰ গোস্বামীয়ে উল্লেখ কৰি গৈছে। জগত গোসাঁয়ে উল্লেখ কৰা মতে পাটবাউসী সত্ৰত গৌৰাং দেৱৰ লগত মহাপুৰুষ শংকৰদেৱৰ দেখা সাক্ষাৎ হৈছিল আৰু ইয়াৰ পিছতে উজনি অসমলৈ আহি স্বৰ্গীয় বংশী গোপালদেৱৰ লগত থাকিবলৈ লৈছিল। গোপালদেৱে তেখেতক মহন্ত উপাধি দান কৰিছিল। এই গৌৰাং সত্ৰখন আগতে মাজুলীত আছিল আৰু মোমাই তামুলী বৰবৰুৱাৰ সময়ত সত্ৰখন মাজুলীৰ পৰা ঢেকিয়াললৈ তুলি অনা হৈছিল। এই সত্ৰতে হেম গোসাঁইৰ ১৯৭২শকৰ ৯ জানুৱাৰীত জন্ম হয়। হেম গোসাঁইৰ দেউতাক ডম্বৰুধৰ গোস্বামী বংশৰ ভিতৰতে এটি উজ্জ্বল ৰত্ন স্বৰূপ আছিল। তেখেতে সংস্কৃত ভাষা ভালদৰে আয়ত্ত কৰিছিল আৰু মৌজাদাৰ আছিল। তেখেতে বহু যত্ন কৰি নিজ খৰচেৰে পাতি দিয়া নিম্ন প্ৰাইমেৰী স্কুলৰ পৰা বৃত্তি লাভ কৰি হেম গোসাঁয়ে গোলাঘাটৰ উইলিয়ামছন মাইনৰ স্কুলত পঢ়িছিল। কিন্তু মাত্ৰ ৮ বছৰ বয়সতে দেউতাকক অকালতে হেৰুৱাব লগা হৈছিল। হেম গোসাঁইৰ মাক ঘনকান্তি দেৱী এগৰাকী ধৰ্মপৰায়ণা আদৰ্শ মহিলা আছিল। পিছত হেম গোসাঁয়ে তেখেতৰ আত্মীয় ৰেভিনিউ চিৰস্তাদাৰ এজনৰ ঘৰত থাকি নগাঁও চৰকাৰী হাইস্কুলত পঢ়িছিল আৰু ১৮৮৮ চনত প্ৰথম বিভাগত এণ্ট্ৰেঞ্চ পৰীক্ষাত উত্তীৰ্ণ হৈ কুৰি টকীয়া জলপানি লৈ কলিকতাৰ বিখ্যাত প্ৰেছিডেন্সি কলেজত ভৰ্তি হৈছিল। কলিকতাত থাকোতে তেখেতৰ জ্যেষ্ঠ সহপাঠী আছিল ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা আৰু কবি চন্দ্ৰকুমাৰ আগৰৱালা। তেখেতসকল আমৰণ কাল বন্ধুত্ব ডোলেৰে বান্ধ খাই আছিল। ১৮৯০ চনত হেম গোসাঁয়ে তেতিয়াৰ এফ.এ. পাছ কৰি ১৮৯২ চনত বি.এ.পৰীক্ষা দিছিল যদিও উত্তীৰ্ণ হ'ব নোৱাৰিলে। ল'ৰা কালৰে পৰা তেখেতৰ অসমীয়া ভাষা-সাহিত্যলৈ একান্ত অনুৰাগ আছিল আৰু কলিকতাত থকা কালত অসমীয়া ভাষাৰ উন্নতিৰ বাবে জোনাকী কাকত চলোৱাত অত্যধিক পৰিশ্ৰম কৰা বাবে পঢ়াত বৰ ব্যাঘাত ঘটিছিল। গতিকে তেখেতৰ দৰে এজন মেধাৱী ছাত্ৰই সেই দিনত কঠিন হ'লেও বি. এ. পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱৰাৰ কোনো কাৰণ নাছিল।

হেম গোসাঁয়ে কলিকতাত পঢ়িবলৈ যোৱাৰ আগতে মাত্ৰ ১৬ বছৰ বয়সত গুৱাহাটীৰ বিখ্যাত ৰমেন্দ্ৰ বৰুৱাৰ ঘৰৰ কন্যা ৰামা সুন্দৰী দেৱীৰ লগত বিবাহ কাৰ্য সম্পন্ন হৈছিল। তাৰ আগতে ঘৰত থাকোতে সৰু কালতে সংস্কৃত অভিধান, অমৰ কোষ আৰু ৰত্নমালা ব্যাকৰণৰ ওপৰত ব্যুৎপত্তি লাভ কৰিছিল।

কলিকতাৰ পৰা উভতি আহি হেম গোসাঁয়ে ১৮৯৫ চনত গুৱাহাটীত সোণাৰাম হাইস্কুলত হেড মাষ্টৰ হৈছিল। চাৰ মহম্মদ চাদুল্লাক তেখেতে ছাত্র হিচাপে পঢ়ুৱাইছিল। আৰু চাদুল্লা চাহাবেও আজীৱনকাল তেখেতক বৰ শ্রদ্ধা-ভক্তি কৰিছিল। ইতিমধ্যে হেম গোসাঁয়ে অসম বুৰঞ্জীৰ খ্যাতিমান গৱেষক চিভিলিয়ান চাৰ এডৱাৰ্ড গেইট চাহাবৰ সু নজৰত পৰে। তাৰ ফলত ১৮৯৫ চনত ছাবডেপুটী কলেক্টৰৰ কামত নিযুক্তি লাভ কৰে। ১৯০৫ চনত তেখেত ই.এ.চি.পদলৈ প্রমোচন পাইছিল। বেণুধৰ ৰাজখোৱাৰ আত্মজীৱনীখনত পোৱা যায় যে ৰাজখোৱাদেৱে কুৰি শতিকাৰ আদি ছোৱাত মঙলদৈত মাটিৰ হাকিম থাকোতে মঙলদৈ মজলিচ নামৰ এখন সাহিত্য আলোচনাচক্র প্রতিষ্ঠা কৰিছিল। চিলেটি বঙালী পুলিচ বিষয়া এজনে ছাঁটোতে বাঘ দেখাৰ দৰে ৰাজখোৱাৰ বিৰুদ্ধ উপায়ুক্তলৈ গোপন প্রতিবেদন দিছিল। হেম গোসাঁই তেতিয়া তেজপুৰত ই. এ. চিৰ কাৰ্যনিৰ্বাহি কৰিছিল। তেখেতে বৰ কষ্টেৰেহে এই যাত্রাত ৰাজখোৱাক ৰাজৰোষৰ পৰা ৰক্ষা কৰিছিল। তেজপুৰত থকা কালত কলিকতাৰ কলেজীয়া দিনৰ বন্ধু অগ্রজপ্রতিম উকীল ৰাই চাহাব ডালিম বৰাৰ লগত পুনৰ ডোলেৰে বান্ধ খায়। ১৯১২ চনত ডালিম বৰাই হেম গোসাঁইলৈ লিখা এখন চিঠি প্রায় ২৫ বছৰমান আগতে বুৰঞ্জীবিদ বেণুধৰ শৰ্মাই ডালিম বৰাৰ চিন স্বৰূপে মোৰ হাতত দিছিল। কিয়নো ডালিম বৰাৰ নাতি ছোৱালীক মই বিবাহ কৰিছিলো। সেই চিঠিখন এতিয়াও মোৰ হাতত আছে। কথা প্রসংগত বেণুধৰ শৰ্মাদেৱে মোক এদিন কৈছিল যে তেখেতে মনে-প্রাণে শ্রদ্ধা কৰা ব্যক্তিজন আছিল পণ্ডিত হেমচন্দ্র গোস্বামী। মোৰ তাত সংৰক্ষিত হৈ থকা ডালিম বৰাৰ আত্মজীৱনীৰ পাণ্ডুলিপি এখনত উল্লেখ কৰা আছে। ১৮৮৯ চনত চাৰ তাৰকনাথ পালিতৰ ঘৰত শেষ নিশ্বাস ত্যাগ কৰা মহাত্মা আনন্দৰাম বৰুৱাৰ মৃতদেহ যি সকল অসমীয়া ছাত্রই দাহ কৰিবলৈ নিছিল সেইসকলৰ ভিতৰত হেম গোসাঁই আৰু ডালিম বৰাও আছিল।

সৰুৰে পৰা হেম গোসাঁইৰ সাহিত্য সেৱাৰ প্রতি অনুৰাগ প্রবল আছিল আৰু ছাত্র অৱস্থাতে তেখেতে লিখা বহুতো কবিতা গুণাভিৰাম বৰুৱাৰ সম্পাদনাত ওলোৱা মাহেকীয়া আলোচনী আসাম বন্ধুত প্রকাশ পাইছিল। অসমীয়াত পোন প্রথমে তেখেতেই চতুৰ্দশপদী কবিতা লিখিছিল। জোনাকীত প্রকাশ পোৱা তেখেতৰ দুটা বিখ্যাত কবিতা হ'ল 'পুৱা' আৰু 'আনন্দৰাম বৰুৱাৰ স্বৰ্গযাত্রা'। দুয়োটাই বৰ উচ্চ ভাবৰ কবিতা। তেখেতৰ অসমীয়া ভাষাৰ বিষয়ে লিখা আৰু বুৰঞ্জীমূলক প্রবন্ধ —জোনাকী, উষা, বাঁহী, মিলন আদি মাহেকীয়া আলোচনীবোৰত প্রকাশ পাইছিল।

হেমচন্দ্র গোস্বামীয়ে পোন প্রথমে বৃটিছ কমিছনাৰ কৰ্ণেল গৰ্ডনক খাটনি ধৰি সাহিত্যিক পেঞ্চন পদ সৃষ্টি কৰিছিল। এতিয়াতো কাঠফুলাৰ দৰে সাহিত্যিক পেঞ্চনাৰৰ সৃষ্টি হৈছে। গোটাদিয়েক গান ৰচনা কৰিও জাতিৰ ভিত্তিত সাহিত্যিক পেঞ্চনাৰ হৈছে।

জগত গোস্বামীয়ে উল্লেখ কৰিছে যে হেম গোসাঁয়ে সংগ্রহ কৰা পুথি বিলাকৰ তালিকা আৰু চমু বিৱৰণীৰে প্রকাশ কৰা Descriptive Catalogue of Assamese

Manuscript আৰু অসমীয়া সাহিত্যৰ চানেকি, এই দুখন গ্ৰন্থৰ পৰা হেম গোস্বামীৰ নাম পুৰষানুক্ৰমে অসম আৰু অসমীয়াৰ ভিতৰত চিৰস্মৰণীয় হৈ থাকিব। সাহিত্যৰ চানেকিখন প্ৰায় ২০০০ পৃষ্ঠাৰ এখন বৃহৎ গ্ৰন্থ। এইবোৰ কাৰ্যৰ বাবে তেখেতে কঠোৰ পৰিশ্ৰম কৰিব লগা হৈছিল আৰু কোচবিহাৰৰ মহাৰাজাৰ আপুৰুগীয়া লাইব্ৰেৰীও চলাথ কৰিব লগা হৈছিল। দৰং ৰাজবংশাৱলী (১৯১৭) আৰু ভট্টদেৱৰ কথাগীতা সম্পাদনা কৰি হেম গোসাঁয়ে অক্ষয় কীৰ্তি অৰ্জন কৰি গৈছে। ভট্টদেৱৰ 'কথা গীতা'খনে অসমীয়া গদ্য সাহিত্যৰ প্ৰাচীনত্ব প্ৰমাণ কৰিছে।

হেম গোসাঁইৰ গৱেষণামূলক অৰিহণা প্ৰচুৰ। ১৯০৬ চনত প্ৰকাশ পোৱা গেইট চাহাবৰ বিজ্ঞান ভিত্তিত অসম বুৰঞ্জীখনৰ আহিলা গোটাই দিয়াত হেম গোসাঁয়ে অগ্ৰণী ভূমিকা লৈছিল। আহোম ভাষাৰ পণ্ডিত গোলাপচন্দ্ৰ বৰুৱাক (১৮৬৭-১৯৩০) আহোম বুৰঞ্জীবোৰ অনুবাদ কৰিবলৈ গেইট চাহাবে নিযুক্তি দিয়া কাৰ্যত হেম গোসাঁইৰ অৱদান আছে। গেইট চাহাবৰ লগত হেম গোঁসাইৰ মধুৰ সম্পৰ্ক আছিল আৰু গোসাঁইৰ মৃত্যুৰ আগলৈকে চিঠি-পত্ৰৰ আদান-প্ৰদান আছিল।

১৯০০ চনত হেম গোসাঁইৰ চেষ্টা যত্ন অধ্যৱসায় আৰু কমিছনাৰ গৰ্ডন চাহাবৰ সাহায্যত সাহিত্যৰথী হেমচন্দ্ৰ বৰুৱাৰ জীৱনজোৰা সাধনাৰ ফলত অসমীয়া ভাষাৰ অভিধান 'হেমকোষ'খন প্ৰকাশৰ মুখ দেখে।

আৰম্ভণিৰে পৰা হেমচন্দ্ৰ গোস্বামীয়ে অ ভা উ সা সভা (১৮৮৮চন), কামৰূপ অনুসন্ধান সমিতি (১৯২২চন), অসম সাহিত্য সভা (১৯১৭চন) আদি মহৎ অনুষ্ঠানৰ লগত তেখেত জড়িত আছিল। ১৯২০ চনত তেজপুৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ বাৰ্ষিক অধিবেশনত সভাপতিত্ব কৰিছিল। তেখেতৰ অভিভাষণখন অতি উচ্চমানৰ আছিল।

অসমীয়া ভাষা-সাহিত্যৰ মহান পূজাৰী পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ বিষয়ে চমুকৈ লিখিবলৈ যোৱা মনে হাতী মাৰি ভুৰুকাত ভৰোৱা কাৰ্য। এটি সীমিত মানৱী জীৱনৰ ভিতৰত তেখেতে ভাবিব নোৱৰা ধৰণে অসমীয়া ভাষা জননীৰ সেৱা কৰি স্বদেশ আৰু স্বজাতিৰ অসীম উন্নতি কৰি গ'ল। তেখেত ১৯২৮ চনৰ ২ মে' তাৰিখে সকলোকে শোক সাগৰত নিমজ্জিত কৰি মাত্ৰ ৫৬ বছৰ বয়সত পৰমধামলৈ গতি কৰে। এইদৰে অসমীয়া সাহিত্যৰ ধ্ৰুৱ তৰা চিৰকাললৈ অন্তৰ্হিত হ'ল। তেখেতৰ স্মৃতি দিৱসৰ সময়ত শ্ৰদ্ধা নিবেদন কৰিলোঁ। ●

*(ইং ০৯-০১-২০০২ তাৰিখৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত)*

# প্ৰবাদপুৰুষৰ সান্নিধ্যত

আমাৰ কলাইগাঁৱৰ ঘৰত কটন কলেজৰ মুখপত্ৰ পুৰণা কটনিয়ান এখন আছিল। বোধকৰো ১৯৩৯ চনৰ সংখ্যা। পৰৱৰ্তী কালত মই যেতিয়া ইংৰাজী আৰু অসমীয়া পঢ়িব পৰা হ'লো তেতিয়া সেই আপুৰুগীয়া কটনিয়ানখন পঢ়ি বৰ আমোদ পাইছিলো। তাত কটন কলেজৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক শ্ৰীমান প্ৰফুল্ল গোস্বামীৰ কথা আৰু গৌৰীশংকৰ ভট্টাচাৰ্যৰ কথা উল্লেখ আছিল। তেতিয়াৰ কটন কলেজৰ অধ্যক্ষ এছ.চি ৰায়ে তেখেতৰ বক্তৃতাত শ্ৰীমানে সাধাৰণ সম্পাদকৰূপে দিয়া ভাষণত কংগ্ৰেছ সভাপতি জৱাহৰলালৰ সুৰ পোৱা বুলি কৈছিল। গৌৰীশংকৰ ভট্টাচাৰ্যই 'ইন্টাৰ মেডিয়েট' পৰীক্ষাত তেতিয়াৰ কলিকতা বিশ্ববিদ্যালয়ত প্ৰথম ৩০ জনৰ ভিতৰত স্থান লাভ কৰাৰ কথা লিপিবদ্ধ কৰা হৈছিল। সেই দিনত বিশাল ভৌগোলিক অবয়বৰ সুবিখ্যাত কলিকতা বিশ্ববিদ্যালয়ত তেনেকুৱা এটা স্থান লাভ কৰাটো অসমীয়া ছাত্ৰৰ বাবে পৰম সৌভাগ্যৰ কথা আছিল। কটনিয়ানখনত মই আৰু পাইছিলো যে সেই সময়ৰ কটন কলেজ আৰু মুৰাৰী চাদ্ কলেজৰ মাজত হোৱা তৰ্ক প্ৰতিযোগিতাত প্ৰথম হৈছিল গৌৰীশংকৰ ভট্টাচাৰ্য। মোৰ অজানিতে মোৰ তৰুণ মনত গৌৰীশংকৰ ভট্টাচাৰ্যক দেখাৰ বাবে কৌতূহল জন্মিছিল।

১৯৫১-৫২ চনত মই কটন কলেজত ভৰ্তি হৈছিলো। সেই বছৰতেই স্বাধীন ভাৰতৰ প্ৰথম সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হৈছিল। গৌৰীশংকৰ ভট্টাচাৰ্যই কাৰাগাৰৰ পৰাই নিৰ্বাচনত নামি গুৱাহাটী সমষ্টিৰ পৰা অসম বিধানসভালৈ নিৰ্বাচিত হৈছিল। তেখেত কমিউনিষ্ট পাৰ্টীৰ সক্ৰিয় কৰ্মী আৰু নেতা হোৱা বাবে আৰু এই পাৰ্টীটো চৰকাৰে বে-আইনী ঘোষণা কৰা বাবে ভট্টাচাৰ্যই কেইবাবছৰো কাৰাবাস খাটিব লগা হৈছিল। নিৰ্বাচনত জিকাৰ পিছত তেখেতক সম্বৰ্ধনা জনোৱা হৈছিল কটন কলেজৰ পূৰ্বৰ পাঠাগাৰটোৰ সন্মুখত থকা চাৰ্চ ফিল্ডখনৰ এমূৰে আৰু এতিয়াৰ কমিচনাৰৰ কাৰ্যালয়ৰ কাষৰ মুকলি ঠাই ডোখৰত। আমি বহুতো কটনিয়ান সেই সভাখনত কৌতূহলবশতঃ উপস্থিত আছিলো। তেতিয়াই মোৰ প্ৰথমবাৰৰ বাবে গৌৰীশংকৰ ভট্টাচাৰ্যক সোঁ-শৰীৰে দেখাৰ লগতে তেখেতৰ ভাষণ শুনাৰ সৌভাগ্য ঘটিছিল। তেখেত তেতিয়া খৰ্বাকৃতিৰ দীৰ্ঘদেহী পুৰুষ আছিল আৰু সেই একেই অৱয়ব মৃত্যুৰ আগলৈকে অৰ্থাৎ যোৱা ২৫ মে'ত হোৱা কটন কলেজৰ শতাবৰ্ষিকী উৎসৱৰ ন-পুৰণি কটনিয়ানৰ সম্প্ৰীতি অনুষ্ঠানতো দেখিলো। মোৰ মনত আছে ৫২ চনৰ সেই সভাখনত উপস্থিত থকা আৰু চি পি আই দলৰ এজন বঙালী যুৱকে ভট্টাচাৰ্যক কটু সমালোচনা কৰি

কৈছিল যে বিধান সভাত বিৰোধী দলবোৰৰ ভেকুলীৰ দৰে টোৰ-টোৰোৱাৰ বাহিৰে বেলেগ কি কাম থাকিব পাৰে। গৌৰীশংকৰ ভট্টাচাৰ্যই তেখেতৰ অগ্নিবৰষা ভাষণত বিভিন্ন কথাৰ অৱতাৰণা কৰাৰ লগতে আৰ চি পি আই নেতাজনক তীব্ৰ বাক্যবাণেৰে থকাসৰকা কৰি কথাৰ মোখনি মাৰি কৈছিল যে নৰ্থ পোল আৰু চাউথ পোলৰ (কুমেৰু-সুমেৰু) মাজত যি প্ৰভেদ চি পি আই আৰু আৰ চিপি আই দল দুটাৰ মাজতো আদৰ্শৰ ফালৰ পৰা একে পাৰ্থক্য। সেই সভাতে তেখেতৰ কাৰাগাৰ জীৱনৰ তিক্ত অভিজ্ঞতাৰ কথাৰ অলপ আভাস দিছিল। চি পি আই দল বে-আইনী ঘোষণা কৰাৰ লগে লগে ভট্টাচাৰ্য ডাঙৰীয়াক পুলিচে গ্ৰেপ্তাৰ কৰি থানাৰ লকআপত ভৰালে। ভট্টাচাৰ্যই খাবলৈ এগিলাচ পানী বিচৰাত থানাৰ ভাৰপ্ৰাপ্ত বিষয়াজনে খঙত অগ্নিশৰ্মা হৈ কৈছিল– "তই মুতি খা'। এইখিনি কথা কোৱাৰ লগে লগে চাৰিওফালৰ পৰা চেম, চেম ধ্বনিৰে সভাস্থলী মুখৰিত হৈছিল। ভট্টাচাৰ্যৰ ভাষণটো আছিল যেন জ্বলন্ত অগ্নিৰ স্ফুলিংগ। তেখেতৰ ভাষণ আছিল পুৰঠ বিশ্লেষণ আৰু পাণ্ডিত্যপূৰ্ণ বছা বছা অসমীয়া বাক্যবাণৰ প্ৰয়োগ। তেখেতৰ বুদ্ধিদীপ্ত মনৰ বহিঃ প্ৰকাশ ঘটিছিল সেই ভাষণত। স্বৰূপাৰ্থত তেখেতৰ দৰে এজন যশস্বী বক্তা সমগ্ৰ অসমতে তাকৰ আছিল।

তেতিয়ালৈকে মোৰ জীৱন কালত তেনেকুৱা অগ্নি বৰষা ভাষণ শুনাৰ সৌভাগ্য হোৱা নাছিল। অৱশ্যে কটন কলেজত পঢ়োতে পঞ্চাশৰ দশকত খগেন বৰবৰুৱা আৰু জ্যোতি বসুৰ বক্তৃতাও চাৰ্চ ফিল্ডত শুনাৰ সৌভাগ্য হৈছিল যদিও ভট্টাচাৰ্যৰ সেই বক্তৃতাটোৰ দৰে মোৰ মনত কোনেও ৰেখাপাত কৰিব পৰা নাছিল। আমি কটনত পঢ়া দিনত পঞ্চাশৰ দশকত পাণবজাৰৰ গুৱাহাটী ডায়েৰীখনৰ গাতে লগা এটা অংশত পায়োনিয়াৰ বুকডিপো নামৰ এখন কিতাপৰ দোকান আছিল য'ত বাওঁপন্থী ৰাজনীতিৰ কিতাপবোৰ পোৱা গৈছিল। লগতে এখন সৰু ৰেষ্টুৰেন্টো আছিল য'ত চাহ, চপ আৰু চিকেন কাটলেট পোৱা গৈছিল। দুয়োখনৰে স্বত্বাধিকাৰী আছিল গৌৰীশংকৰ ভট্টাচাৰ্যদেৱ। চল্লিশৰ দশকতে খুলিছিল। আমি কটনত পঢ়োতে কিছুমান ছাত্ৰ তালৈ প্ৰায়ে গৈছিলো আৰু চাহ কাটলেট খাইছিলো। দুয়োখন দোকান চলাইছিল ভট্টদেৱৰ সম্বন্ধীয় ভায়েক বৰোদা শৰ্মাই।

শ্ৰীভট্টাচাৰ্যৰ পিতৃদেৱ স্বৰ্গীয় গৌৰীকান্ত ভট্টাচাৰ্য সিদ্ধান্তবাগীশ এজন নিষ্ঠাবান আৰু শাস্ত্ৰজ্ঞ পণ্ডিত আছিল। তেখেতৰ ল'ৰা গৌৰীশংকৰে গুৱাহাটীত দোকান খুলি মুৰ্গীৰ মাংস পৰিবেশন কৰা বুলি শুনি গাঁৱত তীব্ৰ সমালোচনা হৈছিল। প্ৰগতিবাদী গৌৰীশংকৰে এইবোৰ জ্ৰক্ষেপ নকৰিছিল। কথা প্ৰসংগত বৰোদা শৰ্মাই মোক এদিন কৈছিল যে বিধান সভাৰ মজিয়াত গৌৰীশংকৰ ভট্টাচাৰ্যই দাঙি ধৰা অকাট্য যুক্তি আৰু তীব্ৰ বাক্যবাণত থকা- সৰকা হৈ তেতিয়াৰ মন্ত্ৰী বৈদ্যনাথ মুখাৰ্জীয়ে তেখেতক ঘৰলৈ মাতি নি অনুৰোধ কৰিছিল। মুখাৰ্জীক যাতে বিধান সভাৰ মজিয়াত ৰাজহুৱাভাৱে কটু সমালোচনা নকৰে। মুখাৰ্জী আছিল এজন চতুৰ ৰাজনীতিবিদ আৰু তীক্ষ্ণ বুদ্ধিৰ সভা শুৱনি পুৰুষ। তেনেদৰে বহুতো কংগ্ৰেছী মন্ত্ৰীয়েও তেখেতক সমীহ কৰি চলিছিল।

১৯৫৪ চনত মই কটন কলেজৰ ছাত্ৰ একতা সভাত তৰ্ক বিভাগৰ সম্পাদক থাকোতে মই তেখেতৰ ব্যক্তিগত সান্নিধ্যলৈ আহিছিলো। মই তেখেতৰ পৰা দিহা-পৰামৰ্শ লৈ তৰ্ক প্ৰতিযোগিতা আৰু চিম্পোচিয়ামবোৰৰ বিষয়বস্তু নিৰ্বাচন কৰিছিলো। এবাৰ তেখেতে মোক কথা প্ৰসংগত এটা কথা কৈছিল। তেখেতে ১৯৪০-৪১ চনত কলিকতা বিশ্ববিদ্যালয়ত বুৰঞ্জী বিভাগত এম.এ. পঢ়ি আছিল। তেতিয়া তেখেতে কমিউনিষ্ট পাৰ্টীৰ সক্ৰিয় সদস্য আছিল। এজন ভাল তাৰ্কিক আৰু মেধাবী ছাত্ৰ হিচাপে কলিকতা বিশ্ববিদ্যালয়ত সুনাম অৰ্জন কৰিছিল। গোড়া কমিউনিষ্ট বুলি তেখেতক পঢ়োৱা প্ৰফেচাৰসকলেও জানিছিল। ১৯৪১ চনত হঠাতে হিটলাৰে ৰাছিয়া আক্ৰমণ কৰে। তেতিয়া নাজী জাৰ্মনীৰ প্ৰবল পৰাক্ৰম আৰু জয় জয় ময় ময় অৱস্থা ইউৰোপৰ সৰহভাগ দেশেই নাজী জাৰ্মানীৰ কবলত।

গতিকেই নাজী বাহিনীৰ পাৰ্শ্বংঘাতী আক্ৰমণত ছোভিয়েট দেশ থান বান হৈ যাব বুলি বহুতে ধাৰণা কৰিছিল। তেতিয়া কলিকতা বিশ্ববিদ্যালয়ত বুৰঞ্জী বিভাগৰ জ্যেষ্ঠ অধ্যাপক আছিল ছাৰ আশুতোষ মুখাৰ্জীৰ জোঁৱায়েক প্ৰবল ব্যক্তিত্বসম্পন্ন প্ৰফেচাৰ পি এম বেনাৰ্জী। বেনাৰ্জী ছাৰে এইখন যুদ্ধ আৰম্ভ হোৱাৰ পিছদিনাই ক্লাছত সোমাই ক্লাছত বহি থকা গৌৰীশংকৰ ভট্টাচাৰ্যলৈ কটাক্ষ কৰি ক'লে– "This time your communist Russia will totter away"। গৌৰীশংকৰ ভট্টাচাৰ্যই লগে লগে থিয় হৈ উত্তৰ দিলে, " If wishes have been horses, the beggars of Calcutta would have been riding horses"। ভট্টাচাৰ্যৰ তীব্ৰ বাক্যবাণত বেনাৰ্জী ছাৰ স্তব্ধ হৈ গ'ল। তেখেতৰ টেবুলত মেলা কিতাপ মেলাতে থাকিল। অলপ সময় মৌন হৈ থাকি ক্লাছ নলৈ কমন ৰুমলৈ উভতি গ'ল। কথাটো বুৰঞ্জী বিভাগৰ প্ৰফেচাৰসকলৰ মাজত জনাজাত হৈ গ'ল। সেই সময়ৰ বুৰঞ্জী বিভাগৰ এজন প্ৰখ্যাত অধ্যাপক ত্ৰিপুৰাৰী চক্ৰবৰ্তীয়ে গৌৰীশংকৰক মাতি নি ককৰ্থনা কৰি ক'লে যে হৈ যোৱা ঘটনাটোৰ বিৰূপ প্ৰতিক্ৰিয়া তেওঁৰ ওপৰত পৰিব পাৰে। ত্ৰিপুৰাৰী ছাৰে তেখেতৰ প্ৰতিভাসম্পন্ন ছাত্ৰ জনক ভাল পাইছিল আৰু এম এ ত প্ৰথম শ্ৰেণী পোৱাত ব্যাঘাত হ'ব বুলি আশংকা কৰিছিল। ত্ৰিপুৰাৰী ছাৰে গৌৰীশংকৰক এই বুলি উপদেশ দিলে, "তুমি বেনাৰ্জী ছাৰক ভৰিত ধৰি ক্ষমা খোজাগৈ।" ভট্টাচাৰ্যই উত্তৰ ক'লে " আমি অসমীয়া মানুহে কাৰো ভৰিত ধৰি ক্ষমা খোজাটো নীতিবিৰুদ্ধ বুলি ভাবো। গতিকে হাত যোৰ কৰি ক্ষমা খুজিম যদি তেখেতে ইমানেই বিষম পাইছে। সেইবাৰ বহুতে আশা কৰাৰ দৰে ভট্টাচাৰ্য এম এত প্ৰথম শ্ৰেণী নেপালে।

যোৱা ২৩ জুনৰ (২০০২ চন) দিন আমাৰ মাজৰ পৰা এজন প্ৰকৃত ইনটেলেকচুৱেল প্ৰবাদপুৰুষ, যশস্বী বক্তা, তীক্ষ্ণধী পুৰুষ, সফল সাংসদ চিৰদিনলৈ অন্তৰ্হিত হ'ল। হয়তো বহু বছৰ ধৰি এই আসন শূন্য হৈ ৰ'ব। আজি তেখেতৰ আদ্যশ্ৰাদ্ধৰ দিনা ভগৱানৰ ওচৰত কৰযোৰে প্ৰাৰ্থনা জনাইছো তেখেতৰ বিদেহী আত্মাই যেন চিৰশান্তি লাভ কৰে। ●

*(ইং ০৩-০৭-২০০২ তাৰিখৰ 'আমাৰ অসম' কাকতত প্ৰকাশিত)*

# শিক্ষাপ্ৰদীপ দীননাথ চহ্ৰীয়া : ব্যক্তি আৰু ব্যক্তিত্ব

প্ৰয়াত কৃতী শিক্ষক কিংবদন্তি পুৰুষ দীননাথ চহ্ৰীয়া ছাৰৰ কথা মনলৈ আহিলে অজানিতে শ্ৰদ্ধাত মোৰ মূৰ দোঁ খাই যায়। তেখেতৰ আছিল প্ৰগাঢ় পাণ্ডিত্য, ধীৰ-স্থিৰ আৰু বলিষ্ঠ ব্যক্তিত্ব। তেখেতৰ শিক্ষক জীৱনৰ মূল মন্ত্ৰ আছিল নিয়মানুবৰ্তিতা। ইয়াৰ অলপো ত্ৰুটি হ'বলৈ নিদিছিল। আনহাতে তেখেত আছিল প্ৰচাৰবিমুখ ব্যক্তি।

আমি মঙ্গলদৈ হাইস্কুলত পঢ়া কালত চহ্ৰীয়া ছাৰক সাধাৰণতে হাইস্কুলৰ ক্লাছবোৰত ইংৰাজী আৰু অসমীয়া পঢ়াবলৈ দিয়া হৈছিল। আমাৰ সময়ত ১৯৪৭ চনত মই যেতিয়া ষষ্ঠ শ্ৰেণীত পঁঢ়ো তেতিয়া চহ্ৰীয়া ছাৰে আমাক ইংৰাজী বিষয়ৰ হস্তলিপি শিকোৱা মনত পৰে। তেতিয়া তেখেতক এজন ক্ষীণকায়, দীৰ্ঘদেহী, শুভ্ৰ ধুতী-চাৰ্ট পৰিহিত সাধাৰণ ধবল বৰ্ণৰ ব্যক্তি হিচাপে দেখা পাইছিলো। মানুহজনক অলপ খঙাল যেন বোধ হৈছিল। সাধাৰণ ভুলবোৰৰ ওপৰতো তেখেতৰ তীক্ষ্ণ দৃষ্টি আছিল আৰু শাস্তি হিচাপে পিঠিত চপৰিয়াইছিল। কোনো ছাত্ৰকে শাস্তি হিচাপে বেঞ্চত থিয় হৈ থকাৰ নিৰ্দেশ দিয়া মনত নপৰে। বলিষ্ঠ ব্যক্তিত্বৰ বাবে আমি ছাত্ৰবোৰে বৰ ভয় কৰিছিলো। মই লক্ষ্য কৰিছিলো যে তেখেতে কাচিৎহে হাঁহিছিল। মই হাইস্কুলৰ নিম্নশ্ৰেণীবোৰত পঢ়োঁতে চহ্ৰীয়া ছাৰৰ স্মৃতি ধূসৰ আছিল।

১৯৪৯ চনত মঙ্গলদৈ চহৰত সদৌ অসম সংস্কৃত কনভোকেচন অনুষ্ঠিত হৈছিল। সভাপতি আছিল বৰপেটাৰ সংস্কৃত ভাষাৰ অগাধ পণ্ডিত ভাগৱত বাগীশ নাৰায়ণ দেৱ মিশ্ৰ। সভাপতিকে ধৰি অসমৰ বিভিন্ন ঠাইৰ পৰা অহা প্ৰতিনিধিসকলক মঙ্গলদৈ হাইস্কুলৰ চৰকাৰী ছাত্ৰাবাসত থাকিবলৈ দিয়া হৈছিল। আমি বছা বছা কিছুমান সৰু-ডাঙৰ ছাত্ৰই তেখেতসকলৰ আলপৈচান ধৰিছিলো। সন্মিলনীখনত তেতিয়াৰ প্ৰধানমন্ত্ৰী (তেতিয়াৰ মুখ্যমন্ত্ৰীক প্ৰধানমন্ত্ৰী কোৱা হৈছিল) গোপীনাথ বৰদলৈদেৱে ভাষণ দিয়াৰ কথা আছিল আৰু দিছিলো। সেই সময়ত গোপাল বৰুৱা নামৰ যোৰহাটৰ এজন বৰ কঢ়া আৰু মেজাজি হেড্‌মাষ্টৰ মঙ্গলদৈত আছিল। তেখেতৰ ৰুক্ষ ব্যৱহাৰত প্ৰবল আত্মসন্মান বোধ থকা দীননাথ চহ্ৰীয়াকে প্ৰমুখ্য কৰি কিছুমান ছিনিয়ৰ ছাত্ৰই পেটে পেটে বৰ বেয়া পাইছিল।

মোৰ স্পষ্ট মনত আছে যে প্ৰভাত দত্তকে ধৰি এচাম ছিনিয়ৰ ছাত্ৰই আমাক ভলণ্টিয়াৰ হোৱাৰ পৰা বিৰত থাকিবলৈ আহ্বান কৰিছিল— এই যুক্তিত যে হেডমাষ্টৰ বৰুৱাই প্ৰধামন্ত্ৰীৰ লগত ব্যস্ত হৈ থাকিব আৰু ভলণ্টিয়াৰসকলৰ কোনো খা-খবৰ নকৰিব। এইটো চহৰীয়া ছাৰৰো মত বুলি আমাক জানিবলৈ দিছিল। ফলত আমি বহু সংখ্যক ছাত্ৰই ভলণ্টিয়াৰ কামৰ পৰা বিৰত থাকিছিলো। অলপ দিনৰ পিছতে গম পালো যে দীন চহৰীয়া ছাৰক মঙ্গলদৈ হাইস্কুলৰ পৰা বেলেগ চৰকাৰী হাইস্কুললৈ বদলি কৰিছে। হেডমাষ্টৰ বৰুৱাই দীন চহৰীয়া ছাৰৰ বিৰুদ্ধে অহৈতুক অভিযোগ দাঙি ধৰি উৰ্ধ্বতন কৰ্তৃপক্ষলৈ বৰ বেয়াকৈ লিখাৰ বাবে এই বদলিৰ কাৰণ বুলি শুনিছিলো। এই বদলিত সমূহ ছাত্ৰ জাঙুৰ খাই উঠিল। মঙ্গলদৈ হাইস্কুলৰ সমূহ ছাত্ৰই স্কুল বৰ্জন কৰি ওচৰতে থকা গান্ধী ময়দানত সমবেত হ'ল। শ্ৰীনাগী ডেকাকে ধৰি ছিনিয়ৰ ছাত্ৰসকলে সভাস্থলীতে পইচা সংগ্ৰহ কৰি চৰকাৰলৈ তাঁৰবাৰ্তাযোগে চহৰীয়া ছাৰৰ বদলিকৰণ স্থগিত ৰাখিবলৈ অনুৰোধ কৰা হ'ল। হেডমাষ্টৰ বৰুৱা ছাৰে চহৰীয়া ছাৰৰ এসময়ৰ শিক্ষক কালিৰাম দাস ছাৰকে ধৰি কেইজনমান শিক্ষকক গান্ধী ময়দানলৈ পঠালে যাতে ছাত্ৰবোৰক বুজাই মেলি পুনৰ ক্লাছলৈ ওভতাই আনিব পাৰে। ছাত্ৰসকল ক্লাছলৈ নগ'ল। চহৰীয়া ছাৰ বদলিৰ হুকুম মৰ্মে উত্তৰ লক্ষীমপুৰ হাইস্কুলত জইন কৰিলে। চহৰীয়া ছাৰ ছাত্ৰসকলৰ মাজত কিমান জনপ্ৰিয় আছিল ছাত্ৰৰ শ্ৰেণী বৰ্জনৰ পৰাই বুজিব পাৰি। তেতিয়াৰ দিনত অসমত এয়া আছিল নোহোৱা নোপোজা ঘটনা। বন্ধুবৰ আৰু মোৰ সহপাঠী আয়েজে মন্তব্য কৰিছিলঃ – "চহৰীয়া ছাৰৰ চৰটোও মিঠা।" পিছৰ কালত শুনিছিলো যে হেডমাষ্টৰ বৰুৱা ছাৰে চৰকাৰলৈ ৰিপৰ্ট কৰিছিল যে দীন চহৰীয়া ছাৰেহে ছাত্ৰবোৰক উচটাই ধৰ্মঘট কৰাইছিল আৰু তেতিয়াৰ শিক্ষাবিভাগৰ মন্ত্ৰী গোপীনাথ বৰদলৈয়ে দীন চহৰীয়া ছাৰৰ ওপৰত খৰ্গহস্ত হৈছিল। সৌভাগ্যক্ৰমে দীন চহৰীয়া ছাৰৰ সুযোগ্য মেধাবী ছাত্ৰ অতুলচন্দ্ৰ বৰুৱাদেৱ শ্বিলং চহৰৰ এখন কলেজত অধ্যাপনাৰ কাম কৰিছিল আৰু বৰদলৈ ডাঙৰীয়াৰ লগত মিলাপ্ৰীতি আছিল। অতুল বৰুৱাই মোক কোৱামতে তেখেতে বৰদলৈ ডাঙৰীয়াৰ ভুল বুজাবুজি সংশোধন কৰিবলৈ সমৰ্থ হৈছিল।

বোধকৰো ৰাজনৈতিক হেঁচাৰ ফলত চহৰীয়া ছাৰক এবছৰৰ ভিতৰতে পুনৰ মঙ্গলদৈ হাইস্কুললৈ বদলি কৰি অনা হ'ল। চহৰীয়া ছাৰে আমি ক্লাছ নাইন আৰু টেইনত থাকোতে ইংৰাজী বিষয় পঢাইছিল. আৰু মাজে-সময়ে অসমীয়া বিষয় পঢ়াইছিল। ক্লাছ নাইনত থাকোতে এদিন অঙ্কৰ শিক্ষক নথকাত চহৰীয়া ছাৰ আহিব লগা হ'ল। চহৰীয়া ছাৰ অঙ্কত বৰ কেঁচা আছিল বুলি জনাজাত আছিল। তেখেতে অঙ্কত ক্লাছলৈ অহাত আমি বৰ কৌতুক অনুভৱ কৰিছিলো এই ভাবি যে এতিয়া বা ছাৰে এই পৰিস্থিতি কেনেকৈ মোকাবিলা কৰে? কিন্তু ছাৰে পোনছাটে ইংৰাজী syllabusত থকা কবিতা এটা পঢ়াব ধৰিলে। আমাৰ জোকৰ মুখত চুণ পৰিল। ক্লাছ নাইন আৰু টেইনত পঢ়োঁতে ইংৰাজী কবিতাবোৰ আমাক

ঘৰত পঢ়ি আহিব কৈছিল আৰু নোৱাৰিলে কৈ দিছিল। কঠিন ইংৰাজী শব্দবোৰৰ জোঁট ভাঙিব নোৱাৰি এদিন বন্ধুবৰ মজিবুৰ ৰহমানে চহৰীয়া ছাৰক অনুৰোধ কৰিলে যাতে শিক্ষক হিচাপে ছাৰে ক্লাছত আগতে বুজাই দিলে আমাৰ বাবে উজু হয়। ছাৰে লগে লগে উত্তৰ দিলে –তামোল খুন্দি খোৱাতকৈ চোবাই খালে বেছি তৃপ্তি পোৱা যায়।" এয়ে আছিল ছাৰৰ উপস্থিত বুদ্ধি আৰু পটন্তৰৰ নমুনা। ছাৰে ইংৰাজী বা অসমীয়া পাঠ্য পঢ়োৱাৰ সময়ত ভাবব্যঞ্জক আৰু সংগতি থকা অসমীয়া, ইংৰাজী আৰু সংস্কৃত ভাষাৰ সুন্দৰ সুন্দৰ quotationবোৰ মাতিছিল আৰু প্ৰায়ে ব্লেকবোৰ্ডত বগা চকমাটিৰে লিখি দিছিল যাতে অনুসন্ধিৎসা থকা ছাত্ৰবোৰে বহীত লিখি ল'ব পাৰে। ছাৰৰ হস্তাক্ষৰ অতি সুন্দৰ আৰু ডালিমগুটীয়া আছিল। তেখেত অসমীয়া, বঙালী, ইংৰাজী, সংস্কৃত ভাষাত দিয়া এক বুজন পৰিমাণৰ quotation মোৰ এতিয়াও মনত আছে। ছাৰৰ স্মৃতি শক্তি আছিল অদ্ভুত। মতিলাল নেহৰু, চিত্তৰঞ্জন দাস, খান আব্দুল গফুৰ খান, মহাত্মা গান্ধী, বি. এ.জগন্নাথ বৰুৱাই কোন চনৰ কোন তাৰিখে ক'ত কি কথা কৈছিল হুবহু কৈ দিব পাৰিছিল। এদিন তেখেতে মোক কৈছিল যে ৩/৪ বাৰ তেখেতে মনোযোগ সহকাৰে পঢ়িলেই মনত থাকে। গতিকে তইঁতৰ নেথাকিব কিয়? মই নিৰুত্তৰ হৈ থকাৰ বাহিৰে গত্যন্তৰ নাছিল।

কটন কলেজৰ ইংৰাজী বিভাগৰ অধ্যাপক চন্দ্ৰনাথ কলিতা কটন কলেজত পঢ়োঁতে (১৯২৪-২৮) উভয়ে সহপাঠী আছিল। চন্দ্ৰ কলিতা ছাৰ বৰ মেধাৱী ছাত্ৰ আছিল আৰু আই.এ. পৰীক্ষাত কলিকতা বিশ্ববিদ্যালয়ত ৩৯ তম স্থান লাভ কৰিছিল। মই কটন কলেজত পঢ়োঁতে এদিন অকলশৰে পাওঁতে কলিতা ছাৰক তেখেতৰ এসময়ৰ সহপাঠী দীন চহৰীয়া ছাৰৰ কথা কওঁতে ছাৰে নিজৰ মূৰত টোকৰ মাৰি চহৰীয়া ছাৰৰ স্মৃতি শক্তিৰ তাৰিফ কৰিছিল। চহৰীয়া ছাৰে মোক এদিন কৈছিল যে কলেজত পঢ়োঁতে তেখেত আছিল ১নং হিন্দু হোষ্টেলত আৰু কলিতা ছাৰ ৪নং ব্লকত আছিল। ৪নং ব্লকটোত বিশেষকৈ বৰপেটাৰ ল'ৰাবোৰ আছিল আৰু হোষ্টেলত খৰম পিন্ধিছিল বাবে আন হোষ্টেলবাসী সকলে খৰম পাৰা বুলি ধেমালিতে কৈছিল। দীন চহৰীয়া ছাৰে মোক কথা প্ৰসঙ্গত কৈছিল যে কলেজত পঢ়োঁতে উভয়ে আবেলি পৰত ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে ফুৰিবলৈ গৈছিল। কলিতা ছাৰে তেখেতক ইংৰাজী পাঠবোৰ বুজাইছিল আৰু চহৰীয়া ছাৰে সংস্কৃত পাঠবোৰৰ ব্যাখ্যা কৰি শুনাইছিল। উভয়ে মেধাৱী আৰু নলে গ'লে লগা বন্ধু আছিল। কলেজত সময় কেনেভাৱে অতীত কৰিছিল বুলি সোধোতে ছাৰে কৈছিল যে পঢ়াশুনাতে তেখেতসকলৰ ধ্যান-ধাৰণা সীমিত আছিল। আবেলিৰ ভ্ৰমণ অন্ত কৰি কাৰ্জন হ'ল লাইব্ৰেৰীত বহি অসমৰ বাহিৰৰ পৰা অহা ইংৰাজী বঙালী বাতৰি কাকতবোৰ পঢ়িছিল। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছত হেনো ওভতাৰ পথত বাহনৰ যোগাৰ নোহোৱাত ছাত্ৰ ভলণ্টিয়াৰসকলে হাঁহিমুখে পদব্ৰজে গন্তব্য স্থানলৈ উভতিল। এই কথা চহৰীয়া ছাৰে তেখেতৰ একালৰ মৰমৰ ছাত্ৰ মঙ্গলদৈৰ গোবিন্দ ৰাম ডেকা দাদাৰ আগত কৈছিল।

চহ্ৰীয়া ছাৰ স্পষ্টবাদী আছিল আৰু উচিত বুলি ভবা কথাটো নিঃসঙ্কোচে ব্যক্ত কৰিছিল। আমি নৱম শ্ৰেণীত থাকোঁতে এবাৰ গোলাপ গোস্বামী ছাৰ হেডমাষ্টৰৰ চাৰ্জত আছিল। স্কুলৰ চকীদাৰে হেডমাষ্টৰে ইংৰাজীত লিখা নটিচ এখন লৈ আহিল। ছাৰে নিত্য নৈমিত্তিকভাৱে নটিচখন আমাক পঢ়ি শুনালে আৰু তাত থকা grammatical mistake বোৰ আঙুলিয়াই দেখুৱালে। গোস্বামী ছাৰৰ ল'ৰা অতুল গোস্বামী তেতিয়া ক্লাছতে বহি আছিল। লাজত ৰঙাছিঙা পৰিল। চহ্ৰীয়া ছাৰ আছিল শাৰীৰিকভাৱে খীণ, দীৰ্ঘাঙ্গী আৰু কাচিৎহে হাঁহিছিল। এদিন ছাৰে ব্ৰুটাছে কেচিয়াছৰ বিষয়ে দিয়া বৰ্ণনা 'He is lean and thin and seldom laughs. Such men are dangerous' শুনোৱাৰ লগে লগে চহ্ৰীয়া ছাৰে ক'লে যে Shakespeare ৰ এই উক্তি চহ্ৰীয়া ছাৰৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। আমি ক্লাছৰ ছাত্ৰবোৰে হাঁহি সামৰিব পৰা নাছিলো।

টেঙাবাৰী নিবাসী প্ৰয়াত মৌজাদাৰ ৰবি চহ্ৰীয়া মঙ্গলদৈ হাইস্কুলত পঢ়োঁতে চহ্ৰীয়া ছাৰৰ সহপাঠী আছিল ১৯৭৯চনত ৰবি চহ্ৰীয়াৰ ল'ৰাৰ বিয়াত কন্যাঘৰত লগ পাওঁতে মোক ৰবি চহ্ৰীয়াই কৈছিল যে হাইস্কুলত পঢ়া দিনত দীন চহ্ৰীয়া ছাৰৰ মেধা ভালদৰে পৰিস্ফুট হোৱা নাছিল যদিও চহ্ৰীয়া ছাৰ মেট্ৰিক পৰীক্ষাত ১৯২৪ চনত প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল।

চহ্ৰীয়া ছাৰে ভালদৰে পঢ়া নোৱাৰিলে গৰু বুলি গালি পাৰিছিল আৰু অসমীয়া লিখোতে গুৰুতৰ ভুল কৰিলে এই বুলি কৈছিল– "তোক প্ৰতি বছৰে আউনীআটী সত্ৰই দিয়া গোল্ড মেডেলটো দিব নোৱাৰিনে?" সেই সময়ত মেট্ৰিক পৰীক্ষাত অসমীয়াত highest marks পোৱা জনক এই মেডেল দিয়া হৈছিল। ১৯২৪ চনৰ মেট্ৰিক পৰীক্ষাত ছাৰেও হেনো এই মেডেলটো পাইছিল। পুৰণি চাম ছাত্ৰৰ মুখে শুনিছিলো যে ছাৰৰ আন এটি গালি আছিল– "তোক অমুক গৰু ফালঙিৰ তাত বেচিব নোৱাৰিনে?" পিছত হেনো সেই ফালঙিজনৰে ল'ৰাই বি.এ. পাছ কৰি মঙ্গলদৈ হাইস্কুলত শিক্ষক পদত নিযুক্তি লাভ কৰিলত চহ্ৰীয়া ছাৰে সেইদৰে ছাত্ৰক গালি দিয়াটো পৰিত্যাগ কৰিলে।

চহ্ৰীয়া ছাৰৰ হেনো ৰসিকতাবোধ প্ৰবল আছিল। কটন কলেজত পঢ়োঁতে মোৰ সহপাঠী, এসময়ৰ প্ৰখ্যাত গায়িকা শেৱালি দেৱীৰ দেউতাক ত্ৰিশৰ দশকৰ আদি ভাগত মঙ্গলদৈ হাইস্কুলৰ শিক্ষক আছিল। ১৯৬৩ চনত মই যোৰহাটত Dy Supdt of Police হিচাপে থাকোঁতে তেখেতৰ লগত মোৰ পৰিচয় হৈছিল। দীন চহ্ৰীয়া ছাৰৰ কথা ওলাওঁতে তেঁখেতৰ ভূয়সী প্ৰশংসা কৰিছিল। কথাৰ লাচত তেখেতে কৈছিল যে তেখেতে মঙ্গলদৈ হাইস্কুলত কাম কৰোঁতে ইংৰাজী ভাষাত ভাল ব্যুৎপত্তি থকা এজন বিখ্যাত হেডমাষ্টৰে গৌৰৱ কৰি কৈছিল যে কবি মাইকেল মুধসূদনে কোৱাৰ দৰে তেখেতেও ইংৰাজীত সপোন দেখে। দীন চহ্ৰীয়া ছাৰে ৰগৰ কৰি তেখেতক বোমফোচ ব্যাখ্যা দিছিল।

চহ্ৰীয়া ছাৰৰ নেচফিল্ড ইংৰাজী গ্ৰামাৰখন মুখস্থৰ দৰে আছিল আৰু পৃষ্ঠা নং

পৰ্যন্ত ক'ব পাৰিছিল। এই ক্ষেত্ৰত তেখেত নলবাৰী গৰ্ডন হাইস্কুলৰ বিখ্যাত হেডমাষ্টৰ মণিৰাম দাসৰ সমকক্ষ আছিল। অসমীয়া অভিধান হেমকোষৰহে তেখেত ভক্ত আছিল যিখন তেখেতৰ মনত Original আছিল। কেতিয়াবা ক্লাছত কৈছিল– "তইঁতক মই খোদ হেমকোষত থকা শব্দৰ অৰ্থহে কৈছোঁ। তেখেতৰ একালৰ ছাত্ৰ কবি ভবানন্দ ৰাজখোৱা ছাৰে দীন চহৰীয়া ছাৰৰ কথা ওলালে শ্ৰদ্ধাৰে কৈছিল যে চহৰীয়া ছাৰৰ জ্ঞানৰ ভাণ্ডাৰ সাগৰ সদৃশ। ১৯৫১ চনত মই হাইস্কুলত পঢ়া দিনত চহৰীয়া ছাৰে কথা প্ৰসঙ্গত মোক কৈছিল যে পুৰন্দৰ শৰ্মা ইংৰাজীত চোকা আৰু উকীল তপেশ্বৰ শৰ্মাৰ অসমীয়াত ভাল দখল আছে।

দীন চহৰীয়া ছাৰ বেশভূষাত simple আছিল যদিও বৰ পৰিপাটি আছিল। শীতৰ দিনত এখন এৰী চাদৰ তেখেতৰ নিত্য সঙ্গী আছিল। মই কেতিয়াও তেখেতক ধূমপান কৰা দেখা নাছিলো আৰু চাইকেল চলোৱাও দেখা নাই। তেখেতে ক্ষিপ্ৰ গতিত খোজ কাঢ়িছিল। ছাত্ৰবোৰে চহৰীয়া ছাৰক ভয় ভক্তি কৰিছিল আৰু তেখেতে কোৱা কথাবোৰ বেদবাক্য বুলি ধৰি লৈছিল। তেখেত চৰিত গুণত বলিয়ান আছিল। ঘৰত তেখেতক এটা দীঘল কাপ নে গিলাচত একাপ ভৰ্তি চাহ খোৱা দেখিছিলো। তেখেতৰ ঘৰত এগৰাকী বিধৱা বৃদ্ধা বায়েকক দেখিছিলো। চশমা পৰিহিতা এইগৰাকী ব্যক্তিত্বসম্পন্না মহিলাই সততে তাঁতশালত ব্যস্ত হৈ থকা দেখিছিলো। হয়তো তেখেত চহৰীয়া ছাৰৰ আশ্ৰয়ত আছিল।

অসম সাহিত্য সভাৰ ভূতপূৰ্ব সভাপতি প্ৰয়াত অতুলচন্দ্ৰ বৰুৱা আছিল চহৰীয়া ছাৰৰ সুযোগ্য ছাত্ৰ। ষাঠিৰ দশকৰ আদি ভাগত বৰুৱা চেটেল্‌মেন্ট অপাৰেশ্যনৰ সময়ত গুৱাহাটী চক্ৰৰ সহকাৰী বন্দৱস্তী প্ৰাধিকাৰী থাকোঁতে গুৱাহাটীৰ মাটিপট্টনৰ এখন B Form ত বৰুৱাদেৱে নিজে গৈ চহৰীয়া ছাৰৰ পৰা চহী লৈ গুৱাহাটীৰ এডোখৰ পতিত মাটি পট্টন দি গুৰুঋণ পৰিশোধ কৰিছিল। দীন চহৰীয়া ছাৰে পিছত মোক কৈছিল, "অতুলে মোক গুৱাহাটীত মাটি এডোখৰ দিলে।"

অতুলচন্দ্ৰ বৰুৱাৰ মুখে মই শুনিছিলো যে তেখেত ১৯৩২ চনৰ পৰা ১৯৩৬ চনত মেট্ৰিক দিয়ালৈকে চহৰীয়া ছাৰৰ সান্নিধ্য লাভ কৰি পৰম উপকৃত হৈছিল। ১৯৩৪ চনত ভাঙনি কোঁৱৰ আনন্দচন্দ্ৰ আগৰৱালাদেৱৰ সভাপতিত্বত সদৌ অসম সাহিত্য সভাখনৰ অধিৱেশনখন মঙ্গলদৈৰ গান্ধী ময়দানত অনুষ্ঠিত হৈছিল। দীন চহৰীয়া ছাৰে অতুল বৰুৱাকে ধৰি হাইস্কুলৰ senior ছাত্ৰসকলক লগত লৈ সভাৰ Diasত বহি থকা বিয়াগোম সাহিত্যিকসকলক দূৰৈৰ পৰা আঙুলি টোৱাই পৰিচয় দাঙি ধৰিছিল।

চহৰীয়া ছাৰ প্ৰবল জাতীয়তাবোধসম্পন্ন ব্যক্তি আছিল। ১৯৩৫ নে ৩৬ চনৰ কথা। মঙ্গলদৈত তেতিয়া মূল দাতব্য চিকিৎসালয়ত এজন ওভোতগোৰে নচা আৰু অসমীয়াবিদ্বেষী বঙালী ডাক্তৰ চাহাব (Asstt. Surgeon) আছিল। এদিন মঙ্গলদৈ হাইস্কুলত

পঢ়া আৰু হোষ্টেলত থকা এজন ছাত্ৰ চিকিৎসালয়লৈ যাওঁতে অহৈতুক বেয়া-ব্যৱহাৰ কৰে। হোষ্টেলবাসী ছাত্ৰসকল জকি উঠিল। এদিন চেগ বুজি সন্ধিয়া পৰত আন্ধাৰৰ সুযোগ লৈ ডাক্তৰ চাহাবক হোষ্টেলৰ ওচৰতে উত্তম মধ্যম শোধালে। ডাক্তৰজনে চিভিল এছ ডি অ'ক গোচৰ দিলে। অপৰাধ গুৰুতৰ, হেডমাষ্টৰক বিচাৰ কৰিবলৈ কঠোৰ আদেশ দিলে। অপৰাধীকেইজন ৰাষ্টিকেটড হোৱাৰ পূৰা সম্ভাৱনা। এই গুৰুতৰ পৰিস্থিতিত লৰাহঁত দীন চহৰীয়া ছাৰৰ ওচৰ চাপিল। ছাৰে গোপনে দিহা-পৰামৰ্শ দিলে। মূৰকত প্ৰমাণৰ অভাৱত অপৰাধী ছাত্ৰকেইজন ৰক্ষা পৰিল। কিন্তু এই মহাসঙ্কট কালত ছাৰৰ ভূমিকা গুৰুত্বপূৰ্ণ আছিল। এই ঘটনাটো মই শ্ৰদ্ধেয় অতুল চন্দ্ৰ বৰুৱাৰ মুখে শুনিছিলো। কলাইগাঁও সেৱাশ্ৰমৰ অধ্যক্ষ পানীৰাম দাস ডাঙৰীয়ায়ো এই ঘটনাৰ কথা জানে বুলি মোৰ ধাৰণা।

দীননাথ চহৰীয়া ছাৰে ক্লাছত ইংৰাজী বা অসমীয়া পাঠদানৰ সময়ত উপযোগীকৈ অসমীয়া, বঙালী, ইংৰাজী আৰু সংস্কৃতৰ quotation বোৰ দিছিল। যেন তেখেতৰ মুখেৰে quotation ৰ ধলহে বাগৰিছিল। এবাৰ ক্লাছত বসন্ত কালৰ এটি quotation দিছিল—

"বসন্তত প্ৰকৃতিৰ হাঁহিভৰা মুখ
পিন্ধি উৰি নানাসাজে সাধিছে সৃষ্টিৰ কাজ,
সৌন্দৰ্যে জগতত পগলা কৰিছে।
আপোনাৰ ৰূপ দেখি আপুনি হাঁহিছে।"

বোধকৰো তপেশ্বৰ শৰ্মা নে ভবেশ শৰ্মাই সুধিলে— "ছাৰ শৰৎ কালৰ উপমা নাই নেকি?" ছাৰে উত্তৰত কলে, "কিয় নাই আছে,যেনে-

"জহৰ পোৰণি নাই নাই অতি জাৰ
পছোৱা বতাহ বলে গছলতা হালে জালে
শূন্যত চৰাই উৰে ঠেও ধৰি ধৰি
কঠুৱাৰো প্ৰাণ গলে উলাহত পৰি।"

কবি দুজনাৰ নাম কৈছিল, মই পাহৰিলো, বিখ্যাত ইংৰাজ কবি সাহিত্যিক Mathew Arnold -এ কবিতাৰ পৰত দিয়া ব্যাখ্যা ছাৰে অন্তঃকৰণেৰে গ্ৰহণ কৰিছিল যেন বোধ হৈছিল। ছাৰে কোৱা কবিজনৰ কবিতাৰ পংক্তিটো মোৰ এতিয়াও মনত আছে—

"Imagination bodies forth
The forms of things unknown
The poet's pen turns then into shape
And gives the airya living habition and a name"

দীননাথ চহৰীয়া ছাৰে পাঠদানৰ সময়ত Wordsworth, Shelly Byron, Mathew Arnold, Keats কালিদাস, ৰবীন্দ্ৰনাথ ঠাকুৰ, দ্বিজেন্দ্ৰ লাল, ৰঘুনাথ চৌধাৰী, দুৰ্গেশ্বৰ শৰ্মা, অম্বিকাগিৰি ৰায় চৌধুৰী, যতীন দুৱৰা, গণেশ গগৈ আদি কবি-সাহিত্যিকসকলৰ

quotation বোৰ দিছিল। চহৰীয়া ছাৰৰ আছিল বিস্তৰ অধ্যয়ন আৰু অভাৱনীয় স্মৃতি শক্তিয়ে সোণত সুৱগা চৰাইছিল। এদিন ক্লাছত প্ৰেম আৰু প্ৰণয়ৰ ভিতৰত কোনটো ডাঙৰ সোধোতে আমি ছাত্ৰবোৰে সঠিক উত্তৰ দিব নোৱাৰিলো। ছাৰে ক'লে যে প্ৰণয় ডাঙৰ আৰু ইয়াৰ ১০ টা stage বোৰ্ডত লিখি দিলে। শেষৰটো হ'ল স্মৃতি অৰ্থাৎ মৃত্যু। মই কলেজৰ দ্বিতীয় বাৰ্ষিকত থাকোঁতে চেগ বুজি এদিন প্ৰফেচাৰ গিৰিধৰ শৰ্মাক প্ৰেম আৰু প্ৰণয়ৰ ভিতৰত কোনটো ডাঙৰ সুধিছিলো। ছাৰে হাঁহি মাৰি ক'লে যে প্ৰেম ডাঙৰ। মই কিন্তু দীন চহৰীয়া ছাৰৰ ব্যাখ্যাটোকে সত্য হ'ব বুলি ধৰি ল'লো। কটন কলেজত পঢ়োঁতে মই অসমীয়া বিভাগৰ প্ৰফেচাৰ উপেন লেখাৰু, অতুলচন্দ্ৰ হাজৰিকা, গিৰিধৰ শৰ্মা আৰু বিনয় চৌধুৰী ছাৰক পাইছিলো। কিন্তু কোনো এজনেই মোৰ অন্তৰত দীন চহৰীয়া ছাৰৰ দৰে ছাপ বহুৱাব পৰা নাছিল। দীন চহৰীয়া ছাৰে ইংৰাজী বা অসমীয়া গদ্য বা পদ্যবোৰৰ Internal meaning বাহিৰ কৰাত সিদ্ধহস্ত আছিল। তেখেতে সংস্কৃত ভাষাৰ ব্যাকৰণ ভালদৰে আয়ত্ত কৰাৰ বাবে অসমীয়া ভাষা-সাহিত্যতো ব্যুৎপত্তি লাভ কৰাত উজু হৈছিল। লগে লগে তেখেতৰ ইংৰাজী ব্যাকৰণৰ ওপৰতো ভাল দখল আছিল।

বোধকৰো ১৯৫০ চনৰ মেট্ৰিক পৰীক্ষালৈকে বিহগী কবি ৰঘুনাথ চৌধাৰীৰ ৰচিত কবিতা পুথি সাদৰীখন চালু আছিল। এই কিবতা পুথিখনৰ কোনো নোট বজাৰত বাহিৰ হোৱা নাছিল। মোৰ দাদা গোবিন্দৰাম ডেকাই ১৯৪৯ চনত কলেজ এৰি আহি মঙ্গলদৈত বিদ্যাৱতী প্ৰেছ নামে প্ৰিন্টিং প্ৰেছ আৰম্ভ কৰে। দাদাৰ একালৰ তেখেতৰ শ্ৰদ্ধাভাজন শিক্ষক দীন চহৰীয়া ছাৰৰ হতুৱাই 'সাদৰী' খনৰ এখন নোট লিখি উলিয়াই বজাৰত চালু কৰাৰ ইচ্ছা আছিল। এইটো এটা লাভজনক ব্যৱসায় হ'লহেঁতেন বুলি দাদাৰ ধাৰণা আছিল। চহৰীয়া ছাৰেও সন্মত হৈছিল আৰু তেখেতৰ সহপাঠী আৰু একালৰ সহকৰ্মী প্ৰফেচাৰ অতুলচন্দ্ৰ হাজৰিকাৰ লগত এই বিষয়ে কথা পাতিব বুলি কৈছিল। কিন্তু বিশ্ববিদ্যালয় কৰ্তৃপক্ষই হঠাতে সাদৰীখন উঠাই দিলে। 'সাদৰী' কবিতাখনৰ নোট পুস্তকাকাৰে বজাৰত ওলোৱাহেঁতেন চহৰীয়া ছাৰৰ অসমীয়া ভাষাৰ ওপৰত থকা দখল আৰু তেখেতৰ জ্ঞানৰ গভীৰতা অসমৰ বিদ্বান সমাজে জানিব পাৰিলেহেঁতেন আৰু ছাত্ৰসকলো প্ৰভূতভাৱে উপকৃত হ'লহেঁতেন।

দীন চহৰীয়া ছাৰৰ ইংৰাজীৰ পৰা দিয়া অসমীয়া ভাঙনিবোৰ অপূৰ্ব আছিল। এদিন ক্লাছত তেখেতে Nature Abhors Monotomyৰ ভাঙনি এইদৰে দিছিল— "প্ৰকৃতিয়ে একেবিধিয়া লানি নিছিগা একোকে ভাল নেপায়।" কটন কলেজত পঢ়োঁতে ছাৰে অসমীয়াত লিখা এনক্ আৰ্ডেনৰ মুকলি ভাঙনিটো ১৯২৫ চনৰ কটন কলেজৰ মুখপত্ৰখনত প্ৰকাশ পাইছিল। আৰু মোক কৈছিল যে প্ৰফেচাৰ সূৰ্যকুমাৰ ভূঞাই তেখেতক লিখি থাকিবলৈ উৎসাহ যোগাইছিল। কিন্তু ছাৰে লিখা এৰি পেলালে। ছাৰে মোক কৈছিল যে তেখেতে কলম ধৰিলে মৰিব পাৰে। ছাৰৰ কিন্তু গদ্য সৃষ্টিও আছিল অপূৰ্ব। তাৰ সুবাস

তেখেতে লিখা (১৯৪৯-৫০ চন) "মৰণোত্তৰ খ্যাতি বা সৌন্দৰ্য্যৰ উপাখ্যান" নামৰ ধাৰাবাহিকভাৱে ওলোৱা আখ্যানটোত প্ৰকাশ পাইছিল। মঙ্গলদৈ পৰা গোবিন্দ ৰাম ডেকা আৰু লক্ষেশ্বৰী ডেকাৰ যুটীয়া সম্পাদনাত ওলোৱা 'জাগৃতি' নামৰ দুমহীয়া আলোচনীখনত গোবিন্দ ৰাম ডেকাৰ নেৰানেপেৰা চেষ্টা আৰু যত্নত চহৰীয়া ছাৰে লিখিবলৈ বাধ্য হৈছিল। সাহিত্য বিষয়ক এয়ে আছিল চহৰীয়া ছাৰৰ অন্তিম লিখনি। সাহিত্যিক বেণুধৰ শৰ্মাই জাগৃতি পঢ়ি মোৰ আগত মন্তব্য কৰিছিল যে জাগৃতিৰ অসংখ্য লিখনিৰ মাজত দীন চহৰীয়াৰ লিখনিবোৰত তেখেতে এটা life পাইছে। বেণুধৰ শৰ্মাৰ লগত আমাৰ পৰিয়ালৰ বৰ প্ৰীতি ভাব আছিল আৰু ১৯৫২ চনত শৰ্মা ডাঙৰীয়া মঙ্গলদৈলৈ আহোঁতে বাবুল শৰ্মাৰ গাড়ীত তেখেতক মই চহৰীয়া ছাৰৰ ঘৰলৈ লৈ গৈছিলো আৰু উভয়ৰ মাজত হোৱা অন্তৰঙ্গ আলাপ শুনি মই পুলকিত হৈছিলো।

কটন কলেজত পঢ়িবলৈ যাওঁতে চহৰীয়া ছাৰৰ শিকনিৰ hang over মাৰ যোৱা নাছিল আৰু তাৰিণী ভট্ট ছাৰে ইংৰাজী পঢ়াওঁতে বা ৰজনী শৰ্মা ছাৰে সংস্কৃতৰ পাঠ পঢ়াওঁতে তেওঁলোকৰ মাজত দীন চহৰীয়া ছাৰক পুনৰ আবিষ্কাৰ কৰিছিলো।

জাগৃতিত প্ৰকাশ পোৱা চহৰীয়া ছাৰৰ গদ্য সৃষ্টিৰ নমুনা আগবঢ়ালো — " মই জীৱনত বিস্ময় বিমুগ্ধ নেত্ৰে জানিচো বিশ্বম্ভৰ বিভুৰ উন্মীলিত নয়ন যুগললৈ থৰলাগি একেদৰে চাই আছোঁ, "এনে চিত্তাকৰ্ষক বস্তুৰ বাহিৰে আন কোনো দৃশ্যমান পদাৰ্থৰ ওচৰ চপা নাই," "দুখবহ আৰু শোকব্যঞ্জক কবিতাৱলীতকৈ এটি কবিতাৰ পৰা পংক্তি দিয়েক নিৰ্বাচন কৰা সমীচীন হ'ব।" " নিস্তেজ বেলিৰ শেঁতা ৰিণেৰে গোটাদিয়েক শেষ ৰেঙণি"। সোঁৱৰণীৰ মোহন মন্দিৰত জিলিকি থাকিবলৈ বাঞ্ছা কৰে", " ভীতিজনক এটি কম্পনে তেওঁৰ শৰীৰ আলোড়ন কৰিলে।" ইত্যাদি ইত্যাদি।

চহৰীয়া ছাৰ কটন কলেজত পঢ়োঁতে আৰম্ভণিৰ দুটা বছৰ (১৯২৪-১৯২৬) এজন অসাধাৰণ প্ৰিন্সিপালৰ তলত শিক্ষা লাভ কৰিবলৈ সুযোগ পাইছিল। তেখেত আছিল কটন কলেজ গঢ়োতা বহুগুণৰ অধিকাৰী চুডমাৰ্চন চাহাব বাকী দুবছৰ তেখেতে D.Thomson আৰু আন্তৰ্জাতিক খ্যাতিসম্পন্ন অৰ্থনীতিবিদ Prof Brown চাহাবক প্ৰিন্সিপাল হিচাপে পাইছিল। সংস্কৃতৰ বিখ্যাত প্ৰফেচাৰ লক্ষী চেটাৰ্জী, ইংৰাজীৰ পি চিৰয়, সূৰ্যকুমাৰ ভূঞা, বাণীকান্ত কাকতি ছাৰকো চাৰি বছৰে পাইছিল। লক্ষী বাবুৱে অভিজ্ঞানম শকুন্তলা আৰু ৰঘুবংশ পঢ়াইছিল। শকুন্তলা নাট পঢ়াবৰ সময়ত দীন চহৰীয়া ছাৰ আৰু কেইজনমান ছাত্ৰই তন্ময় হৈ শুনিছিল আৰু বাস্তৱতো তপোবনত থকা যেন পাইছিল। বাণীকান্ত কাকতিৰ কথা সোধোতে মোক কৈছিল যে তেখেতৰ study আছিল both extensive and intensive মই এবাৰ ছাৰৰ ঘৰলৈ যাওঁতে তেখেতক মই সুধিছিলো তেখেতে তেতিয়ালৈ হাইস্কুলত লগপোৱা ছাত্ৰসকলৰ ভিতৰত আটাইতকৈ কাক প্ৰতিভাৱান বুলি ভাবে। উত্তৰত দুখেৰে কৈছিল টংলাৰ ব্যৱসায়ী গোপাল সিঙৰ ভায়েক ভগৱান সিং

এজন তীক্ষ্ম মেধাসম্পন্ন ছাত্র আছিল। ১৯৩০ চনত এই ছাত্রজনে ৬ টা বিষয়ত লেটাৰ নম্বৰ পাই কটনত পঢ়োতে প্ৰথমবাৰ্ষিকতে অকাল মৃত্যুত পতিত হ'ল। অৱশ্যে তেখেতৰ বিষয়ে মই মঙ্গলদৈ মিউনিচিপালিটিৰ অভাৰচিয়াৰ আৰু ইংৰাজী আৰু বিশেষকৈ অঙ্কত অত্যন্ত চোকা শচীন বাবুৰ মুখেও শুনিছিলো। মই কটন কলেজত পঢ়াৰ সময়ত মই তাত লাভ কৰা অভিজ্ঞতাৰ পৰা প্ৰায়ে ভাবিছিলো যে কিবা প্ৰকাৰে যদি দীন চহৰীয়া ছাৰে কটন কলেজত অধ্যাপনা কৰাৰ সুযোগ পালে হয়, ছাৰৰ সাহিত্যিক প্ৰতিভা অসমৰ চৌদিশে বিয়পি পৰিলেহেঁতেন। ইংৰাজ কবি Thomas Gray চাহাবে তেখেতৰ বিখ্যাত কবিতা Elegy written in the early country churchyard ত বিলাপ কৰি লিখিছিল-

Full many a flower to blush unseen<br>
And wastes its sweetness in the desert air.

দীন চহৰীয়া ছাৰৰ ক্ষেত্ৰতো এই কথা খাটে বুলি মই ভাবোঁ। চহৰীয়া ছাৰে মোক কোৱা মতে কটন কলেজত তেখেত পঢ়া দিনত অসমীয়া বিষয়টো শিকাবলৈ Full time professor নাছিল। আৰু বিখ্যাত সাহিত্যিক সত্যনাথ বৰাদেৱে অসমীয়া পঢ়ুৱাইছিল। তেখেতে ওকালতিও কৰিছিল। বৰা তেতিয়া বুঢ়া মানুহ আৰু পাঠদান নিয়মীয়া নাছিল বুলি ছাৰে মোক কৈছিল। ১৯২৭ চনৰ পৰাহে অসমীয়া পঢ়াবলৈ দিবাকৰ গোস্বামী ছাৰক নিযুক্তি দিয়া হৈছিল।

চহৰীয়া ছাৰে কলেজত পঢ়োঁতে কেইবাজনো খ্যাতিমান ছাত্ৰ পাইছিল যি সকলে পিছৰ কালত সুনাম লভিবলৈ সমৰ্থ হৈছিল। তেওঁলোক আছিল কেশৱ নাৰায়ণ দত্ত, ফণী দত্ত, ভবেশ চন্দ্ৰ বৰুৱা, হিৰণ্য ভূঞা, নগেন্দ্ৰনাথ দাস, মহীচন্দ্ৰ মিৰি, হাইদৰ হুচেইন, ললিত চন্দ্ৰ বৈশ্য সাউদ, হৰেন ডেকা, পদ্মেশ্বৰ গগৈ, মুক্তিনাথ বৰদলৈ, জগদীশ চন্দ্ৰ মেধি, নগেন্দ্ৰনাথ দাস, ভবানীকান্ত বৰুৱা। এসময়ৰ মন্ত্ৰী ৰাধিকা ৰাম দাস তেখেতৰ সহপাঠী আছিল আৰু তুমি সম্বোধন কৰিছিল। কমলেশ্বৰ বৰুৱা, গণেশ চন্দ্ৰ গগৈ, জীৱেশ্বৰ গোস্বামী, কমলাপ্ৰসাদ আগৰৱালা ছাৰতকৈ এবছৰ জুনিয়ৰ আছিল। দীন চহৰীয়া ছাৰে মঙ্গলদৈ হাইস্কুলত শিক্ষক হিচাপে পোৱা কেইজনমান কৃতী শিক্ষকৰ এজন হ'ল বিখ্যাত কবিতা চন্দ্ৰিকাৰ ৰচক কবি আৰু আজীৱন শিক্ষক ধনাই বৰা। তেখেতে ১৯১৪ চনৰ পৰা ১৯২৭ চনত অৱসৰ গ্ৰহণ কৰালৈ মঙ্গলদৈ হাইস্কুলত শিক্ষকতা কৰিছিল। ধনাই বৰাই ১৯১৭ চনৰ পৰা ১৯২০ চনলৈ অৰ্থাৎ তৃতীয় শ্ৰেণীৰ পৰা ষষ্ঠ শ্ৰেণীলৈকে পঢ়াইছিল।

ৰমণীকান্ত বৰুৱা ১৯০৫ চনতে কলিকতাৰ চিটি কলেজৰ পৰা স্নাতক ডিগ্ৰী লৈছিল। তেখেতে ১৯০৭ চনৰ পৰা ১৯৩১ চনলৈ অলপ এৰাধৰাকৈ মঙ্গলদৈ হাইস্কুলত প্ৰধান শিক্ষক আছিল । চহৰীয়া ছাৰে তেখেতৰ শিক্ষা দান লাভ কৰাৰ উপৰিও সহকৰ্মী হ'বলৈকো সুযোগ পাইছিল। বৰুৱা ছাৰৰ ইংৰাজী ভাষাৰ ওপৰত ভাল দখল আছিল আৰু হয়তো চহৰীয়া ছাৰক ইংৰাজী শিকাত অনুপ্ৰেৰণা যোগাইছিল।

ভৰতচন্দ্ৰ চলিহা অসমৰ এজন প্ৰখ্যাত হেডমাষ্টৰ আৰু Iron disciplineৰ বাবে বিখ্যাত আছিল। তেখেত ১৯২৩-২৪ চনত মঙ্গলদৈ হাইস্কুলৰ হেডমাষ্টৰ আছিল আৰু সুন্দৰ হাতৰ আখৰৰ অধিকাৰী আছিল বুলি চহৰীয়া ছাৰে মোক কৈছিল।

ইন্দ্ৰেশ্বৰ বৰঠাকুৰ ১৯৩২ চনৰ পৰা ১৯৩৩ চনলৈ মঙ্গলদৈ হাইস্কুলৰ প্ৰধান শিক্ষক আছিল। নলবাৰী গৰ্ডন হাইস্কুলৰ প্ৰতিষ্ঠাপক হিচাপে খ্যাতি লাভ কৰা বহুগুণৰ অধিকাৰী বৰঠাকুৰ ছাৰে মঙ্গলদৈৰ শিক্ষক, ছাত্ৰ আৰু শিল্পানুৰাগীসকলৰ মাজত নব্য প্ৰেৰণাৰ ধল বোৱাইছিল। দীন চহৰীয়া ছাৰে সেই সময়ত মঙ্গলদৈ হাইস্কুলত নবীন শিক্ষক হিচাপে এইজন মহান পুৰুষৰ সান্নিধ্য লাভ কৰিবলৈ সমৰ্থ হৈছিল।

বুদ্ধিৰাম বৰদলৈ কটন কলেজিয়েট হাইস্কুলত পঢ়োতে শিক্ষাবিদ শৰৎ চন্দ্ৰ গোস্বামীৰ সহপাঠী আছিল। ১৯০৯-১০ চৰৰ পৰা ১৯১৪ চনলৈ তেখেতে মঙ্গলদৈ হাইস্কুলত শিক্ষকতা কৰিছিল। তেখেত আছিল প্ৰত্যুৎপন্নমতিসম্পন্ন, কথাই প্ৰতি হাস্য ৰসৰ সৃষ্টি কৰিব পৰা বুদ্ধিৰ ভঁৰাল আৰু কৃতী শিক্ষক। দীন চহৰীয়া ছাৰক তেখেতে হাইস্কুলৰ নিম্ন শ্ৰেণীবোৰত পঢ়ুৱাইছিল।

কালিৰাম দাস ছাৰে ১৯১০ চনত মঙ্গলদৈ হাইস্কুলৰ পৰা মেট্ৰিক পাছ কৰি সেই হাইস্কুলতে শিক্ষকতা আৰম্ভ কৰিছিল। চহৰীয়া ছাৰক তৃতীয় শ্ৰেণীৰ পৰা পঢ়ুৱাইছিল।

মঙ্গলদৈ হাইস্কুলত চাকৰি কৰা কালত দীন চহৰীয়া ছাৰে লগ পোৱা কেইজনমান বিখ্যাত সহকৰ্মী আছিল — হৰিমোহন তালুকদাৰ, কুমুদেশ্বৰ বৰঠাকুৰ, কুমুদেশ্বৰ বৰদলৈ, গোলাপ গোস্বামী, চন্দ্ৰ বৰুৱা, প্ৰসাদ দাস, চন্দ্ৰনাথ দত্ত ফুকন, ভাৰত দাস, ইছাহক আলি আৰু সহকাৰী প্ৰধান শিক্ষক ভুবন মোহন গাঙ্গুলী।

মোৰ বোধেৰে মঙ্গলদৈ হাইস্কুলত কাম কৰা দুজন শিক্ষকে জীৱিত কালতে অসমত কিম্বদন্তী (legend) সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। এজন হ'ল বিখ্যাত হেডমাষ্টৰ ৰমণী বৰুৱা আৰু আনজন দীননাথ চহৰীয়া ছাৰ। কবি টমাছ গ্ৰে চাহাবে কৈছিল " The paths of glory lead but to the grave" "মই ভাবোঁ এই কথাষাৰ দীননাথ চহৰীয়াৰ কথাত প্ৰযোজ্য নহয়। আমাক চহৰীয়া ছাৰে শ্ৰেণীকোঠাত এটা quotation দিছিল।

এনেছিলে মাথে করে মৃত্যুহীন প্রাণ
মরনে তাহাই তুমি দিয়ে গেলে দান।"
(ৰবীন্দ্ৰনাথ ঠাকুৰ)

কবিৰ এই কথাখিনি চিত্তৰঞ্জন দাসৰ গাত খটাৰ দৰে পৰম শ্ৰদ্ধাভাজন পৰলোকগত দীন চহৰীয়া ছাৰৰ ক্ষেত্ৰতো প্ৰযোজ্য। ●

*শিক্ষাপ্ৰদীপ দীননাথ চহৰীয়া ১ম তাৰ্ডৰণ ঃ জানুৱাৰী ২০০৬ চন।*

# ডঃ হিৰণ্য চন্দ্ৰ ভূএগ্ৰাৰ বিষয়ে আমাৰচেৰেক

যোৱা ৩০ ডিচেম্বৰৰ 'আজিৰ অসম'ত প্ৰকাশিত ডঃ হিৰণ্য চন্দ্ৰ ভূঞাৰ ২৬ তম মৃত্যু বাৰ্ষিকী সভা শিতানত প্ৰকাশিত প্ৰতিবেদন পঢ়িলো। সুদীৰ্ঘ ভালে কেইবছৰৰ পিছত ডঃ ভূঞাৰ জন্মস্থান মোলানকটাত স্থানীয় ৰাইজে সভা পাতি কৰা স্মৃতিচাৰণ হোৱাটো এটা সাধু সংবাদ অন্ততঃ পাহৰণিৰ গৰ্ভত বিলীন হ'বলৈ ধৰা এইগৰাকী অসমমাতৃৰ সন্তানক উঠি অহা যুৱক- যুৱতীসকলে ভালদৰে জানি-বুজি আদৰ্শ পুৰুষ হিচাপে গ্ৰহণ কৰিব বুলি আশা কৰিলো। ডঃ হিৰণ্য ভূঞাৰ দেউতাকৰ নাম আছিল গোপাল চন্দ্ৰ ভূঞা। তেখেত আছিল এজন শিক্ষাবিদ আৰু চৰকাৰী হাইস্কুলৰ এজন নামজ্বলা হেডমাষ্টৰ। তেখেতৰ পৰৱৰ্তী কালৰ অসমৰ কেইজনমান বিখ্যাত হেডমাষ্টৰ হ'ল- মঙ্গলদৈৰ ৰমণী বৰুৱা, ডিব্ৰুগড়ৰ ভৰত চলিহা, যোৰহাটৰ জেহিৰুল হক, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ। আন এজন শিক্ষাবিদ আছিল দুৰ্গাধৰ বৰকটকী আৰু স্বৰ্গীয় দেৱকান্ত বৰুৱাৰ দেউতাক আৰু অসমৰ নাৰী আন্দোলনৰ অদ্বিতীয়া নেত্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানীৰ শিক্ষাৰ বাটকটীয়া ডি. আই. নীলকান্ত বৰুৱা।

ডঃ হিৰণ্য ভূঞাৰ জন্ম হৈছিল ১৯০৫ চনত। ছাত্ৰ হিছাপে তেওঁ অত্যন্ত মেধাৱী আছিল আৰু ১৯২২ চনত অসম উপত্যকাৰ ভিতৰতে প্ৰথম হৈ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজত ভৰ্তি হৈছিল। পিছত ভাৰতৰ ভিতৰতে এখন প্ৰথম শ্ৰেণীৰ কলেজ কলিকতাৰ প্ৰেছিডেন্সিৰ পৰা পদাৰ্থ বিজ্ঞানত প্ৰথম শ্ৰেণীৰ সন্মানসহ বি.এছ.চি. পৰীক্ষাত উত্তীৰ্ণ হৈছিল। ১৯২৯ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা পদাৰ্থবিজ্ঞানত প্ৰথম শ্ৰেণীৰ এম.এছ.চি. উপাধি ল'বলৈ সমৰ্থ হৈছিল, তীব্ৰ প্ৰতিযোগিতাৰ মাজত, কিয়নো প্ৰেছিডেন্সি কলেজ আৰু কলিকতা বিশ্ববিদ্যালয়ত অত্যন্ত মেধাৱী ছাত্ৰৰ অভাৱ নাছিল। সেয়েহে দুখুনী অসম জননীৰ সু-সন্তান হিৰণ্য ভূঞা সুদূৰ কলিকতাত থাকি সমগ্ৰ ভাৰতৰে এখন মূধাফুটা বিশ্ববিদ্যালয়ৰ কঠিন প্ৰতিযোগিতাৰ মাজেদি পৰীক্ষাত প্ৰথম শ্ৰেণীৰ মৰ্যাদা পোৱাটো অত্যন্ত দুৰূহ আছিল। তেখেতে কলিকতাত পঢ়োতে পদাৰ্থবিজ্ঞানৰ উজ্জ্বল ৰত্ন ন'বেল বঁটা বিজয়ী

চিভি. ৰমনক শিক্ষক হিচাপে পাইছিল। শুনা যায় ডঃ ভূঞা ছাৰে খুব কম সময়তে পঢ়িছিল আৰু এই বিষয়ে নানান মুখৰোচক গল্প প্ৰচলিত থকা দেখা গৈছিল। কটন কলেজত পঢ়া কালত ১৯২৫ চনত ভূঞা ছাৰে সেই সময়ত প্ৰচলিত ডিপ্লোমা বা চাৰ্টিফিকেট পাইছিল। যিবিলাক ছাত্ৰই ২য় বা ৪ৰ্থ বাৰ্ষিকৰ পৰীক্ষাত এগ্ৰিগেটত শতকৰা ৭০ নম্বৰ লাভ কৰিবলৈ সমৰ্থ হৈছিল। তেওঁলোকে এনে গৌৰব অৰ্থাৎ ডিপ্লোমা পাইছিল। তেখেতৰ সমসাময়িক এনেকুৱা বিৰল সন্মান পাবলৈ সমৰ্থ হোৱা ছাত্ৰ আছিল স্বৰ্গীয় ভবেশ চন্দ্ৰ বৰুৱা, মধুৰানাথ গোস্বামী, কেশৱ নাথ দত্ত আৰু জগদীশ মেধি। ১৯২৮ আৰু ১৯৩০ চনত তেনেকুৱা চাৰ্টিফিকেট লাভ কৰিবলৈ সমৰ্থ হোৱা আন তিনিজন বিখ্যাত ব্যক্তি আছিল পদ্মেশ্বৰ গগৈ, শৰৎ কাকতী আৰু যোগীৰাজ বসু। পিছৰ কালত কটন কলেজত ১৯৩৭ চনৰ পৰা চুডমাৰ্চন গোল্ড মেডেল প্ৰৱৰ্তিত হৈছিল। বিলাতত অৱসৰ জীৱন কটোৱা অসমপ্ৰেমী মহামতি চুডমাৰ্চন চাহাবে আগবঢ়োৱা ধনৰ সুতেৰে এই মেডেল দিয়া হৈছিল।

ডঃ হিৰণ্য ভূঞা এজন সুদক্ষ প্ৰশাসনিক বিষয়া হিচাপেও যশস্যা লাভ কৰিছিল। সুদীৰ্ঘ কাল তেখেতে কটন কলেজৰ অধ্যাপকৰ কাম কৰাৰ পিছত ১৯৫২-৫৩ চনত তেখেত অধ্যক্ষৰ পদলৈ উন্নীত হৈছিল। অৱশ্যে অসম পাবলিক ছাৰ্ভিচ কমিছনে কেইবাজনো জ্যেষ্ঠ অধ্যাপকক চেৰ পেলাই ভূঞা ছাৰক অধ্যক্ষ হিচাপে এই গুৰুত্বপূৰ্ণ পদবীত অধিষ্ঠিত কৰিছিল। সেই সময়তে মই তেখেতৰ সান্নিধ্যলৈ আহিবলৈ সুযোগ আৰু সুবিধা পাইছিলো কটন কলেজ ইউনিয়ন নিৰ্বাচিত হোৱাত। এই ইউনিয়ন বডীৰ মিটিংবোৰত তেখেতে পৌৰোহিত্য কৰিছিল। তেখেতৰ আছিল আকৰ্ষণীয় ব্যক্তিত্ব আৰু গুৰু-গম্ভীৰ মাত-কথা। তেওঁ জুখি-মাখিহে কথা কৈছিল।

ভূঞা ছাৰে কটন কলেজৰ নিয়ম-নীতিতো বহুতো সংস্কাৰ সাধন কৰিছিল। এই বিষয়ত তেখেতৰ সৌহাৰ্দ হিচাপে তেখেতক সহায় কৰিছিল স্বৰ্গীয় অধ্যাপক দণ্ডেশ্বৰ গগৈয়ে। ভূঞা ছাৰৰ আন এজন লাখুটি আছিল কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইতিহাসত প্ৰথম শ্ৰেণী পোৱা অধ্যাপক কৰুণা কান্ত দত্ত ছাৰ। সেই সময়ত জু লজিক, বোটানি, ৰসায়ন বিভাগকে আদি কৰি বিল্ডিংবোৰত চকিদাৰবোৰে সময়ে-অসময়ে লাইট-ফেনবোৰ চলাই খৰচৰ বোজা বঢ়াইছিল। আমি দেখিছিলো যে ভূঞা ছাৰে অধ্যাপক দণ্ডেশ্বৰ গগৈক লগত লৈ অতৰ্কিতে উপস্থিত হৈ কৰ্মীয়াবোৰক সাবধান কৰি দিছিল। ছাত্ৰ অধ্যাপক উভয়ে ভূঞাছাৰক অত্যন্ত সমীহ কৰি চলিছিল। ভূঞা ছাৰেও কটন কলেজৰ উন্নতিৰ বাবে দেহে-কেহে খাটিছিল। প্ৰিন্সিপাল হোৱাৰ পিছতহে তেখেতে এখন ব্যক্তিগত ছেকেণ্ডহেণ্ড কাৰ লৈছিল। কিন্তু আন কোনো শিক্ষকক কলেজলৈ কাৰ নিয়া দেখা নেপাইছিলো। সেই সময়ত জহৰমল নামৰ এজন বুঢ়া চকিদাৰ আছিল। তেতিয়া তেওঁৰ বয়স প্ৰায় ৭০ বছৰ। ছাৰ্ভিচ বুকৰ খেলিমেলিৰ বাবে ১৯৫৩ চনতহে তেওঁ অৱসৰ পাইছিল। আনুমানিক ১৯১২ চনৰ পৰাই জহৰমল কটন

কলেজৰ চাকৰিত মকৰল হৈছিল। আৰু পুৰণি কটনিয়ানসকলে জহৰমলক ভালদৰে চিনি পাইছিল। সেই সময়ত এটা জনৰৱ আছিল যে চুডমাৰ্চন চাহাবে জহৰমলক ইমানেই ভাল পাইছিল যে এবাৰ চাহাব ছুটীত বিলাতলৈ যাওঁতে জহৰমলকো লৈ গৈছিল। কৌতূহল নিবাৰণ কৰিব নোৱাৰি এদিন মই জহৰমলক এই কথাটো সোধোতে কৈছিল যে চুডমাৰ্চন চাহাবে তেওঁক মৰমৰ চকুৰে চোৱাটো হয় আৰু চাহাব এবাৰ বিলাতলৈ যাওঁতে জহৰমলক বোম্বেলৈকে লৈ গৈছিল। ১৯৫১ চনৰ কটন কলেজৰ গোল্ডেন জুবিলিত ন-পুৰণি ছাত্ৰসকলৰ সভাত জহৰমলে ডেইজত থিয় হৈ হাতযোৰ কৰি হেনো শ্ৰোতা জনতাক এই বুলি কৈছিল— "মই এতিয়াও কাম কৰিয়েই আছো।" লগে লগে হাজাৰ হাজাৰ ন- পুৰণি ছাত্ৰৰ পৰা প্ৰবল হাততালি উঠিছিল। এদিন কথা প্ৰসংগত জহৰমলক ভূঞা ছাৰক প্ৰিন্সিপাল হিচাপে কেনে পাইছে বুলি সোধাত উত্তৰত কৈছিল— "এখেতেও চাহাব প্ৰিন্সিপালসকলৰ দৰেই কাম কৰে। এই জহৰমলে প্ৰিন্সিপাল হিচাপে পোৱা বিলাতী চাহাবসকল আছিল চুডমাৰ্চন থমচন, ৰবাৰ্টচ আৰু ব্ৰাউন।

মই মাজে- সময়ে লগ পাই থকা ৮৫ বছৰৰ ডেওনা পাৰ হোৱা ১৯৩১ চনৰ মেট্ৰিকুলেট কলিকতা বিশ্ববিদ্যালয়ৰ এসময়ৰ মেধাবী ছাত্ৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূতপূৰ্ব উপাচাৰ্য শ্ৰী সুৰেশ চন্দ্ৰ ৰাজখোৱাদেৱে মোৰ আগত কথা প্ৰসংগত ভূঞা ছাৰৰ ইংৰাজী বাক্য ৰচনাৰ ভূয়সী প্ৰশংসা কৰিছিল। ভূঞা ছাৰ এডুকেছন চেক্ৰেটাৰী হওতে, ৰাজখোৱা ছাৰে ডি পিআই হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ভূঞাছাৰৰ হেনো ইংৰাজী বাক্যবোৰ চুটি চুটি আছিল আৰু শব্দ-গাঁথনিবোৰো অপূৰ্ব আছিল। এনে এজন সুদক্ষ প্ৰশাসনিক বিষয়া ভূঞা ছাৰে কিয় উপাচাৰ্যৰ পদ ইস্তাফা দিব লগা হৈছিল। সোধোতে ৰাজখোৱা ছাৰে কৈছিল যে কটন কলেজৰ কথা আছিল সুকীয়া কিয়নো সৰহভাগ অধ্যাপকেই আছিল তেখেতৰ ছাত্ৰ। কিন্তু তেতিয়াৰ গুৱাহাটী বিশ্ববিদ্যালয়ত আছিল শক্তিশালী চক্ৰ কিছুমানৰ মৰকামোৰ। এই চক্ৰবোৰেই ভূঞাছাৰৰ কাম-কাজত পদে পদে বাধাৰ সৃষ্টি কৰিছিল। ফলত তেখেতৰ তিতা-কেহা লগতে দুবছৰৰ পিছত উপাচাৰ্যৰ পদ স্বেচ্ছাই ইস্তাফা দি শিলঙত থকা নিজা বাসভৱনত থাকিবলৈ লৈছিল। ভূঞা ছাৰে কমেও দুটা টাৰ্ম উপাচাৰ্য হিচাপে থাকিব পৰা হ'লে গুৱাহাটী বিশ্ববিদ্যালয়ত বহুতো সংস্কাৰ সাধন কৰিব পাৰিলেহেঁতেন। ●

*('আজিৰ অসম' বাতৰি কাকতত প্ৰকাশিত)*

# ঈশান বৰুৱাৰ সান্নিধ্যত : এটি অনুভৱ

সেয়া আছিল ২০০৩ চনৰ কথা। সেই চনৰে আগষ্ট মাহত মই হঠাতে এটা ফোন পালোঁ। ফোনত নিজক উজানবজাৰৰ ঈশান বৰুৱা বুলি পৰিচয় দি পিছদিনাখন মোক লগ পাবলৈ আগ্ৰহ প্ৰকাশ কৰি দুঘণ্টামান সময় দিব পাৰিম নেকি সুধিলে। অসমৰ নাট্যজগতৰ সুপৰিচিত ব্যক্তি বৰুৱাক মই জানিছিলো যদিও তেখেতৰ লগত পৰিচয় ঘটাৰ সুযোগ ঘটা নাছিল। যোৱা বছৰ ডিচেম্বৰ মাহত তেখেতে লিখি প্ৰকাশ কৰা 'আনন্দৰাম বৰুৱা এক নতুন উপলব্ধি' নামৰ কিতাপখনত মোৰ বিষয়ে এনেদৰে লিখিছিল- "আনন্দৰাম বৰুৱা সম্পৰ্কে বিভিন্ন গৱেষণাত ব্যস্ত থকা আন এগৰাকী ব্যক্তি হ'ল প্ৰাক্তন এ.চি.এছ.বিষয়া নিউ গুৱাহাটী নিবাসী ৰমণীকান্ত ডেকা। ২০০৩ চনৰ ১৫জুনত তেখেতে লিখা Nurturing a genius শীৰ্ষক আনন্দৰাম বৰুৱা সম্পৰ্কে নজনা এক সম্পূৰ্ণ অধ্যায় The Assam Tribune কাকতত প্ৰকাশ পায়। সেইদিনা মই পদ্মশ্ৰী ৰবীন বেনাৰ্জীৰ বিষয়ে নিৰ্মিত তথ্যচিত্ৰ এখনৰ দৃশ্যগ্ৰহণৰ বাবে গৈছিলো। সেইদিনা দেওবাৰ আছিল। Assam Tribune কাকতত দেওবৰীয়া সংখ্যাৰ সতে ফোনেৰে কথা পাতি তেখেতৰ ঘৰ ওলালোগৈ। কেইবা ঘণ্টা জুৰি তেখেতৰ লগত কথা-বতৰা হ'ল, বিষয়– আনন্দৰাম বৰুৱা। আমি সৰুকালৰ পৰা আনন্দৰাম বৰুৱাৰ এখনেই ছবি দেখিছো। সেই ছবিখনেই কিতাপৰ পৰা আৰম্ভ কৰি মানুহৰ ঘৰৰ বেৰত আঁৰি থোৱা পৰ্যন্ত দেখি আহিছোঁ। ৰমণীকান্ত ডেকাদেৱৰ তাত আনন্দৰাম বৰুৱাৰ সম্পূৰ্ণ নতুন ভংগীৰ এখন ফটো পালো। ডেকাদেৱে প্ৰেছিডেন্সি কলেজত পঢ়া কালতে প্ৰেছিডেন্সি কলেজৰ এখন (Centenary journal) (১৯৫৫ চন) সংগ্ৰহ কৰি ৰাখিছিল। এইখন বৰ্তমান গুৰগুৰিয়া হ'বলৈ ধৰিছে যদিও তাত প্ৰেছিডেন্সি কলেজৰ পুৰণা ঘৰটোৰ ফটো আৰু পুৰণা হোষ্টেলৰ ফটো আদিও পালো।

ঈশান বৰুৱাক লগ পোৱাৰ পিছত মই স্তব্ধ হ'লোঁ যে তেখেতে ২০০৩ চনৰ পৰা আনন্দৰাম বৰুৱা সন্দৰ্ভত এখন তথ্যচিত্ৰ উলিওৱাৰ কামত ব্যস্ত আছে। মই লগে লগে উপলব্ধি কৰিলোঁ যে এইটো অতি কষ্টসাধ্য কঠিন কাম। ভাৰত গগনৰ ১৯ শতাব্দীৰ দ্বিতীয় ভাগত এটি উজ্জ্বল নক্ষত্ৰ হ'ল মহাত্মা আনন্দৰাম বৰুৱা; যিজন ব্যক্তি আছিল ভাৰতৰ সংস্কৃত ভাষাৰ এজন বিখ্যাত পণ্ডিত, অসমৰ প্ৰথম বি.এ, এল.বি.বি, এল চি,

প্ৰথম বেৰিষ্টাৰ আৰু প্ৰথম চিভিলিয়ান— একেবাহে লক্ষ্মী-সৰস্বতীৰ বৰপুত্ৰ। তেখেতে অসমলৈ আহি ১৮৭২ চনৰ পৰা মাত্ৰ দুবছৰহে অসমত থাকি তেখেতৰ মৃত্যুৰ সময়লৈকে অৰ্থাৎ ১৮৮৯ চনলৈ অসমৰ বাহিৰত অৰ্থাৎ বংগ দেশত কটোৱাত তেখেতৰ বিষয়ে বিভিন্ন তথ্য সংগ্ৰহ কৰাটো ( মৃত্যুৰ ১১৫ বছৰ পিছত) কিমান কঠিন কাম তাক ভুক্তভোগীয়েহে জানে। তাতে আকৌ তেখেতে কাৰ্যনিৰ্বাহ কৰা সৰহভাগ জিলা বা মহকুমা এতিয়াৰ বাংলাদেশৰ অন্তৰ্ভুক্ত। তাতে আকৌ আনন্দৰাম বৰুৱাৰ জীৱন আৰু কৃতিত্বৰ ভিত্তিত এখন তথ্যচিত্ৰ নিৰ্মাণ কৰাৰ মেটমৰা বোজা তেখেতে প্ৰায় অকলে বহন কৰিবলৈ ওলোৱাত মই বিস্ময়ত হতবাক হ'লোঁ।

প্ৰয়াত ঈশান বৰুৱাই আনন্দৰাম বৰুৱা বিষয়ক তথ্য চিত্ৰখনৰ বাবে সামান্য পৰিমাণৰ হ'লেও তথ্য সংগ্ৰহ কৰিবলৈ মোৰ ঘৰলৈ বিভিন্ন সময়ত আহিছিল। তেখেতৰ লগত মোৰ ব্যক্তিগত পৰিচয় নাথাকিলেও তেখেতৰ লগত হোৱা মোৰ খন্তেকীয়া পৰিচয়তে তেখেতৰ ব্যক্তিত্বৰ কেইবাটাও দিশে মোক বিশেষভাৱে আকৃষ্ট কৰিছিল। সৎ নিষ্ঠাবান, মানবীয় প্ৰমূল্যৰে সমৃদ্ধ নম্ৰ ব্যক্তি আছিল তেখেত। তেখেতৰ সময়জ্ঞান দেখিও মই তবধ মানিছিলো। পুৱা ১০বজাত সময় দিলে তেখেতে কাঁটাই কাঁটাই ১০ বজাত হাজিৰ হৈছিল। গুৱাহাটীত ফুৰোতে তেখেতে চিটীবাছতে অহা-যোৱা কৰা মই দেখিছিলো। কলেজত পঢ়া হিচাপে তেখেঁত মোতকৈ ৪ বছৰৰ জুনিয়ৰ আছিল। কিন্তু মোৰ দৰে জ্যেষ্ঠজনক দিবলগা সন্মান যাচিবলৈ তেখেতে অলপো কাৰ্পণ্য কৰা নাছিল। আনন্দৰাম বৰুৱাৰ বিষয়ে কৰা তেখেতৰ গৱেষণা আৰু হাড়ভঙা পৰিশ্ৰম দেখি মোৰ ভাব হৈছিল যেন দ্বিতীয়জন ডঃ সূৰ্যকুমাৰ ভূঞাৰ আৱিৰ্ভাৱ হৈছিল। হয়তো পৰলোকৰ পৰা মহাত্মা আনন্দৰাম বৰুৱাই অনুপ্ৰেৰণা যোগাইছিল। কথা প্ৰসংগত গম পালো যে তেখেতৰ পৰিয়ালবৰ্গ আনন্দৰাম বৰুৱাৰ বিখ্যাত মজিন্দাৰ বৰুৱাৰ বংশ লতিকা সম্ভূত। ঈশান বৰুৱাৰ দেউতাক হ'ল উজানবজাৰ নিবাসী আৰু কটন কলেজৰ প্ৰথম বেটচৰ ছাত্ৰ জিলা জজ ঈশ্বৰপ্ৰসাদ বৰুৱা। ঈশ্বৰ প্ৰসাদৰ দেউতাক কীৰ্ত্তিৰাম বৰুৱা আনন্দৰাম বৰুৱাৰ বৰদেউতাকৰ ল'ৰা। কীৰ্ত্তিৰাম বৰুৱাই আনন্দৰাম বৰুৱাৰ লগত মিলামিছা কৰাত সমাজচ্যুত হোৱা বাবে মনৰ দুখত শিলঙলৈ গৈ চাকৰিত সোমাল। ঈশান বৰুৱা নিজে মজিন্দাৰ বৰুৱাৰ ফৈদৰ হোৱা বাবেও আনন্দৰাম বৰুৱাৰ বিষয়ে তথ্যচিত্ৰ এখন নিৰ্মাণ কৰাত দৃঢ়সংকল্প হৈছিল বুলি মোৰ আগত ব্যক্ত কৰিছিল। ২০০৩ চনৰ জুলাই মাহৰ পৰা তেখেতে তথ্যচিত্ৰত কামত নিজকে উচৰ্গা কৰিছিল। তেখেতৰ নিজৰ ভাষাত— ককাদেউতা আৰু নাতি ল'ৰাৰ সম্বন্ধটোৰ বাবেও আনন্দৰাম বৰুৱাদেৱৰ বিষয়ে এখনি তথ্যচিত্ৰ নিৰ্মাণ কৰাটো মোৰ দায়িত্ব হিচাপে গ্ৰহণ কৰিলোঁ। এই তথ্যচিত্ৰখনৰ তথ্য সংগ্ৰহৰ বাবে তেখেতে গোৱালপাৰাৰ পৰা ডিব্ৰুগড়লৈ টাকুৰী ঘূৰাদি ঘূৰি ফুৰিছিল। তাতে আকৌ ভূতৰ ওপৰত দানহৰ দৰে তেখেতৰ অৰ্থৰ অভাৱ নিজৰ সম্বন্ধীয় মানুহ এগৰাকীৰ পৰাও তেখেতে টকা ধাৰলৈ ল'বলগা হৈছিল।

আনন্দৰাম বৰুৱাই গুৱাহাটীৰ হাইস্কুলত পঢ়া কালছোৱাত তেখেতৰ অন্যতম সহপাঠী আছিল শ্বেখাবত আলী। পিছৰ কালত তেখেত সেই স্কুলখনতে ফোৰ্থ মাষ্টৰ হৈছিল আৰু অসমীয়া ভাষাত পোন প্ৰথমবাৰৰ বাবে ক্ষেত্ৰ জ্যামিতি নামৰ পাঠ্যপুথি এখন ৰচনা কৰি খ্যাতি আৰ্জিছিল। ১৯৩৪ চনত মঙ্গলদৈত বহা সাহিত্য সভাৰ অধিবেশনতখনত অসম সাহিত্য সভাৰ সভাপতি ৰায়বাহাদুৰ আনন্দ চন্দ্ৰ আগৰৱালাই তেখেতৰ অভিভাষণত অসমীয়া ভাষাত প্ৰথম বীজগণিত লিখক শ্বেখাবত আলীক ভূয়সী প্ৰশংসা কৰিছিল। কিন্তু বৰুৱাই শ্বেখাবত আলীৰ বিষয়ে ডিব্ৰুগড়ৰ পৰা ধুবুৰীলৈ চলাথ কৰি কোনো শুংসূত্ৰ উলিয়াব নোৱাৰিলে। বৰুৱাই ২০০৪ চনত 'আমাৰ অসম'ত এটি বিজ্ঞাপন দিছিল শ্বেখাবত আলীৰ শু-সূত্ৰ বিচাৰি। এদিন পুৱাবেলা এজন ৮০ বছৰীয়া বৃদ্ধই হাতত লাখুটি লৈ তেখেতৰ সহধৰ্মিণীৰ লগত ঈশান বৰুৱাৰ বাসভৱন পালেহি আৰু নিজৰ পৰিচয় কি ক'লে যে তেখেতেই হ'ল শ্বেখাবত আলীৰ নাতি আৰু বৰ্তমান গুৱাহাটীৰ লাখটকীয়া নিবাসী। কিন্তু দুৰ্ভাগ্যবশতঃ তেখেতৰ হাতত ককাকৰ কোনো ফটো নাই বা তেখেতে লিখা বীজগণিত (ক্ষেত্ৰ জ্যামিতি)খনৰো কোনো কপি নাই। বৰুৱা নিৰাশ হ'ল।

ঈশান বৰুৱাৰ আন এটি কীৰ্তি হ'ল তেখেতে আনন্দৰাম বৰুৱাই চাকৰি কৰা কালছোৱাত যিটো চৰকাৰী ঘৰত বাস কৰিছিল সেই ঘৰটোৰ অস্তিত্ব উদ্ধাৰ কৰা। সেই ঘৰটো হ'ল শিৱসাগৰৰ বৰপুখুৰীৰ উত্তৰ দিশত অৱস্থিত বৰ্তমান গড়কাপ্তানী বিভাগৰ (Executive Engg)ৰ বাসগৃহ। এই ঘৰটোৰ সন্ধান দিছিল শিৱসাগৰ চহৰৰ প্ৰফুল্ল চন্দ্ৰ বেজবৰুৱাই। তেখেতৰ ককাদেউতাকে আনন্দৰাম বৰুৱা শিৱসাগৰত চাকৰি কৰা কালত শিৱসাগৰত কাছাৰীত কাম কৰিছিল। বৰুৱাৰ তথ্যচিত্ৰত এই ঘৰটো দেখুওৱা হৈছে। ঈশান বৰুৱাৰ আন এটি চমকপ্ৰদ কীৰ্তি হ'ল আনন্দৰাম বৰুৱাৰ প্ৰথম সংস্কৰণৰ অমূল্য কিতাপবোৰৰ প্ৰদৰ্শন। বৰুৱাই বহু যত্ন কৰি কলকাতাৰ নেশ্যনেল লাইব্ৰেৰীত থকা (Rare damaged Book Section) শাখাটোত আনন্দৰাম বৰুৱাৰ প্ৰথম সংস্কৰণৰ কিতাপবোৰ উদ্ধাৰ কৰি তথ্যচিত্ৰত দেখুওৱাৰ ব্যৱস্থা কৰিলে লগতে শিৱসাগৰ আৰু যোৰহাটত থকা মহাফেজখানাবোৰ চলাথ কৰি ১৮৭২-৭৪ চনৰ কালছোৱাত আনন্দৰাম বৰুৱা সংক্ৰান্ত চৰকাৰৰ চিঠি পত্ৰৰ টোকাবোৰৰ উদ্ধাৰ কাৰ্য। এইবোৰ কাৰ্যত তেখেতৰ যে অপৰিসীম পৰিশ্ৰম হৈছিল তাত সন্দেহ নাই। ঈশান বৰুৱাৰ আন এটি চমকপদ উদ্ধাৰ কাৰ্যৰ কথা মই উল্লেখ নকৰি নোৱাৰিলো। আনন্দৰাম বৰুৱাৰ অন্তিম শয়নৰ স্থান হ'ল তেখেতৰ পৰম বন্ধু বংগদেশৰ দাতাকৰ্ণ সদৃশ ছাৰ তাৰকনাথ পালিতৰ কলকাতাত থকা প্ৰাসাদোপম অট্টালিকাটো। ১৯৩৫ চনত কলকাতা প্ৰবাসী অসমীয়া বাসিন্দাসকলে পালিত চাহাবৰ বাসগৃহৰ সন্মুখত এ এছ এল ক্লাবৰ জৰিয়তে আনন্দৰাম বৰুৱাৰ নামত এখন স্মৃতি ফলক প্ৰতিষ্ঠা কৰিছিল। দাতাকৰ্ণই তেখেতৰ মৃত্যুৰ আগতে তেখেতৰ এই বাসগৃহটো ১৯১৪ চনত কলকাতা বিশ্ববিদ্যালয়ক দান কৰিছিল। কলকাতা বিশ্ববিদ্যালয়ে সেই অট্টালিকাটো

ভাণ্ডি তাত এটি বহমূলীয়া ঘৰ নিৰ্মাণ কৰিছিল পঞ্চাশৰ দশকত। লগতে সেই ফলিখনবো গুংসূত্ৰ হেৰাই গৈছিল। ঈশান বৰুৱাই আনন্দৰাম বৰুৱাৰ সংক্ৰান্তত কলকাতালৈ বিভিন্ন সময়ত যাওঁতে বহু চেষ্টা যত্ন আৰু অধ্যৱসায়ৰ ফলত পালিত চাহাবৰ পূৰ্বৰ ঘৰটোৰ নাতি দূৰৈত এটি গুদাম ঘৰত অভাৱনীয়ভাৱে ফলিখন উদ্ধাৰ কৰে। এই ফলকখন মাৰ্বল পাথৰৰ আছিল আৰু স্বনামধন্য ছাৰ দেৱপ্ৰসাদ সৰ্বাধিকাৰীয়ে উন্মোচন কৰিছিল। বৰুৱাই নিৰ্মাণ কৰা তথ্যচিত্ৰখনত এই ফলকখনো অন্যান্য সামগ্ৰীৰ লগত দেখুওৱা হৈছে।

ঈশান বৰুৱাই মহাত্মা আনন্দৰাম বৰুৱাৰ জীৱনৰ আধাৰত নিৰ্মাণ কৰা তথ্যচিত্ৰখনৰ সন্দৰ্ভত হোৱা তেখেতৰ অভিজ্ঞতা বৰ্ণনা কৰি আনন্দৰাম বৰুৱা— এক নতুন উপলব্ধি নামৰ এখন অমূল্য কিতাপ লিখি ২০০৫ চনৰ ডিচেম্বৰ মাহত প্ৰকাশ কৰিছে। তথ্যচিত্ৰখনৰ লগতে এই বিস্ময়কৰ পুস্তিকাখনো নতুন প্ৰজন্মৰ বাবে সুন্দৰ উপহাৰ। আনন্দৰাম বৰুৱা বিষয়ত তথ্যচিত্ৰখন দুটা খণ্ডত ভাৰত চৰকাৰৰ টেলিভিচন কৰ্তৃপক্ষই যোৱা ২১ আৰু ২৭ জুনত সম্প্ৰচাৰ কৰে। 'আমাৰ অসম'ৰ সম্পাদক ডঃ নগেন শইকীয়াই মোক কোৱা মতে আনন্দৰাম বৰুৱা বিষয়ক তথ্যচিত্ৰখন এতিয়ালৈকে তেখেতে দেখাৰ ভিতৰত এখন শ্ৰেষ্ঠ তথ্যচিত্ৰ। ঈশান বৰুৱাৰ পৰিশ্ৰমৰ অন্ত নাই। তেখেতে ডঃ সূৰ্যকুমাৰ ভূঞাৰ জীৱনৰ আধাৰত নিৰ্মাণ কৰা তথ্যচিত্ৰখনো তেখেতৰ মৃত্যুৰ আগে আগে ভাৰত চৰকাৰৰ টেলিভিছন কৰ্তৃপক্ষৰ হাতত সমৰ্পণ কৰে। ঈশান বৰুৱাৰ মৃত্যু হ'ল জুলাই মাহৰ ৬ তাৰিখে। অসমৰ নাট্যজগতৰ ভোটাতৰা আৰু এটি সংবেদনশীল কণ্ঠৰ গৰাকী ঈশান বৰুৱাৰ স্বৰূপাৰ্থত কায়িক মৃত্যু হ'ল বুলিহে ধৰিব পাৰি, কিয়নো মোৰ দৰে হাজাৰজনে তেখেতৰ মধুৰ স্মৃতি আমৰণ কাল বহন কৰিব। অনন্য কবি দেৱকান্ত বৰুৱাই লিখিছিল—

আমাক পাহৰি যাব অনাগত ভৱিষ্যই  
মানুহৰ মিছা ইতিহাসে,  
আমাক পাহৰি যাব প্ৰভাতৰ পূৰেৱণে  
সন্ধিয়াৰ সুন্দৰ আকাশে।

কিন্তু আমি ভাবোঁ।— এই কবিতাৰ পংক্তিটো ঈশান বৰুৱাৰ ক্ষেত্ৰত কেতিয়াও প্ৰয়োজ্য নহ'ব। ●

*(আমাৰ অসম, ২৫ জুলাই, ২০০৬ চন)*

# নৱ কুমাৰ চেতিয়াৰ সোঁৱৰণত

যোৱা ২১ জুলাই তাৰিখে ৰাতিপুৱা গুৱাহাটীৰ ইন্টাৰনেচনেল নার্চিং হোমত নগাঁও জিলাৰ উপায়ুক্ত নৱ কুমাৰ চেতিয়াৰ অলপ দিন বেগত ভোগাৰ পিছত পৰলোক প্ৰাপ্তি হয়। তেখেতৰ এই আকস্মিক মৃত্যুৰ বাতৰি পাই আমি স্তম্ভিত হৈ পৰিছিলো। আমি ভাবিবই পৰা নাছিলো যে তেখেতে এইদৰে খন্তেক দিন লোকচক্ষুৰ আঁৰত থাকি অজান দেশলৈ গুচি যাব। সেয়েহে কোৱা হয় বিধিয়ে কোন বাটে কাক কেনি নিয়ে কোনেও ক'ব নোৱাৰে।

যোৱা ১৯৭৮ চনৰ কথা। মই নগাঁও সদৰ চক্ৰত চক্ৰ বিষয়া হিচাপে লংকাচক্ৰৰ পৰা বদলি হৈ কামত যোগদান কৰো। তাৰ মাথোন এবছৰ আগতে নৱ চেতিয়াই অসম অসামৰিক সেৱা পৰীক্ষাত উত্তীৰ্ণ হৈ নগাঁৱতে অতিৰিক্ত সহকাৰী উপায়ুক্ত হিচাপে যোগদান কৰিছিল। তাৰ আগতে তেখেতে নগাঁৱৰ কলেজ এখনত প্ৰবক্তা হিচাপে কেইবছৰমান অতিবাহিত কৰিছিল। ১৯৭৭ চনৰ পৰা নৱ চেতিয়াই তেখেতৰ কৰ্মজীৱন এছোৱা সময় নগাঁও জিলাতে নগাঁও পৌৰসভা, মহকুমা পৰিষদৰ কাৰ্যবাহী বিষয়া সদৰ মহকুমাধিপতি, অতিৰিক্ত উপায়ুক্ত হিচাপে অতিবাহিত কৰিছিল। পিছত শোণিতপুৰ জিলাত ৪ বছৰ মান উপায়ুক্ত হিচাপে থাকি নিৰ্বাচনৰ আগে আগে নগাঁও জিলাৰ উপায়ুক্ত হিচাপে কামত যোগদান কৰিছিল। নগাঁৱত তেখেতক লগ পোৱা মোহনীয় ব্যক্তিত্বই লোক থাওকতে আকৰ্ষণ কৰিছিল। নৱকুমাৰ চেতিয়াৰ ১৯৪৭ চনত শিৱসাগৰ জিলাৰ প্ৰসিদ্ধ নামতিৰ চেতিয়া গাঁৱত জন্ম হৈছিল। তেখেতৰ দেউতাক টংকেশ্বৰ চেতিয়া আৰু মাক সূৰ্য প্ৰভা চেতিয়া টংকেশ্বৰ চেতিয়াই প্ৰবাহপুৰুষ খগেন বৰুৱাৰ পিছতেই নামতি হাইস্কুলৰ কাৰ্যভাৰ লৈছিল। মই অৱসৰ প্ৰাপ্ত অৱৰ সচিব প্ৰদ্ধেয় যোগেন্দ্ৰনাথ বৰগোহাঁইৰ মুখে শুনিছো যে হেডমাষ্টৰ টংকেশ্বৰ চেতিয়া বৰ চোকা মানুহ আছিল আৰু তেখেতৰ দিনতে স্কুলখনে সুনাম আৰ্জিছিল। সেই সময়ত বৰ গোহাঁয়ো সেইখন স্কুলতে সহকাৰী শিক্ষক হিচাপে কাম কৰিছিল। বৰগোহাঁইদেৱ দ'ৰ ভেৰালীয়ে

সেইখন স্কুলত পঢ়িছিল। চেতিয়া নাজিৰা সমষ্টিৰ বিধান সভাৰো সদস্য আছিল। এতিয়া তেখেতে ৮০বছৰ অতিক্ৰম কৰিছে যদিও সু-স্বাস্থ্যৰ অধিকাৰী আৰু চাইকেল চলাই ফুৰে। নব চেতিয়াৰ মাতৃ নগাঁও উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী আছিল।

নব চেতিয়াই নামতি বিদ্যালয়তে শিক্ষাৰ পাতনি মেলি ১৯৬৫ চনত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯৬৯ চনত শ্বিলঙৰ এণ্টনি কলেজৰ পৰা স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯৭১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞান বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তেখেত গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ উপ-সভাপতিও

নগাঁও চহৰত মই ১৯৮১ চনলৈ থকা প্ৰায় বছৰ কাল ডোখৰত নব চেতিয়াক সঘনে লগ পাইছিলো। উভয়ে বন্ধুত্বৰ ডোলেৰে বান্ধ খাইছিলো। অসম আন্দোলনৰ কালছোৱাত আমি বহুতো সুখ-দুখৰ মুহূৰ্ত অতিবাহিত কৰিছিলো। মই তেখেতক অনুজপ্ৰতিম ভাতৃ আৰু সুহৃদ বন্ধু হিচাপে জ্ঞান কৰিছিলো।

চেতিয়াক মই পাইছিলো নিভাজ চৰিত্ৰৰ এজন খাটি ভদ্ৰলোক হিচাপে। তেখেতৰ লগত কটোৱা প্ৰচিটো মুহূৰ্ত আছিল মোৰ বাবে স্মৃতি বিজড়িত। কোনোকালে কপটতা নজনা চেতিয়াক কেতিয়াও কাজিয়া কৰা বা উচ্চ বাক্য কৰা আমি দেখা নাছিলো। তেখেত আছিল এটা ধীৰ-স্থিৰ আৰু বলিষ্ঠ ব্যক্তিত্বৰ অধিকাৰী। তেখেতে নিজৰ বিষয়ৰ উপৰিও ইংৰাজী, ইতিহাস আৰু সাহিত্য আদি বিষয়তো পাৰদৰ্শী আছিল। তেখেতৰ যুক্তি বিন্যাস ক্ষমতা আৰু ৰচনাৰ পৰিচ্ছন্নতা দেখি তবধ মানিছিলো। তেখেতে জনা যি কোনো বিষয়ৰ ওপৰত প্ৰাঞ্জল ব্যাখ্যা দাঙি ধৰিব পাৰিছিল। তেখেত শান্ত আৰু নম্ৰ স্বভাৱৰ পুৰুষ আছিল। সেই মহাগুণৰ গৰিমাৰেই সৰু বৰ সকলোৰে ওচৰত শ্ৰদ্ধা স্নেহ আৰু আদৰৰ পাত্ৰ হ'ব পাৰিছিল। সেয়েহে নগাঁৱৰ পৰা 'আজিৰ অসম'ৰ বিশেষ প্ৰতিনিধিয়ে লিখা আৰু 'আজিৰ অসম' জুলাইত প্ৰকাশিত সংখ্যাত ওলোৱা উপায়ুক্তৰ দৰে মৰ্যাদাপূৰ্ণ পদত থাকিও সমাজৰ অতি নিঃকিন দীন-দৰিদ্ৰজনৰ লগতো আন্তৰিকতাৰে কথা পতা নব চেতিয়াৰ মৃত্যুত কেৱল নগাঁও জিলা প্ৰশাসনতেই শোকৰ ছাঁ পেলোৱা নাই, দিন হাজিৰা কৰা, মুচীয়াৰজনৰ পৰা আৰম্ভ কৰি সমাজৰ অৱহেলিত চুইপাৰ তথা জামাদাৰ জনলৈকো সকলোৱে নীৰৱে আজি চকুলো টুকিছে। কথাখিনি আখৰে আখৰে সঁচা। নব চেতিয়া এজন আপোন চেষ্টাত ডাঙৰ হোৱা মানুহ আছিল যাক কোৱা হয়— "Self mademan" তেখেতৰ বন্ধু-বৰ্গ আৰু আন কোনেও তেখেতৰ স্বভাৱত কোনো গুৰুতৰ দোষ দেখা নাছিল। মই দেখিছিলো যে পৰোপকাৰ তেখেতৰ জীৱনৰ মহাব্ৰত আছিল। তেখেতৰ পত্নী শ্ৰীমতী ৰীতা বৰা চেতিয়া (ভণ্টি) এগৰাকী উচ্চ শিক্ষিতা, সুশীলা, বিদুষী উদাৰচিত্তীয়া পতিপৰায়ণা নাৰী। উভয়ৰ দাম্পত্য জীৱন বৰ সুখৰ আৰু শান্তিৰ আছিল বুলি মই জানো। কিন্তু কালৰ কি কুটিল গতি বিবিধ

গুণেৰে অলংকৃত আমাৰ সকলোৰে প্ৰিয় নৱ কুমাৰ চেতিয়াই মাত্ৰ ৪৫ বছৰ বয়সতে নিজ পৰিয়াল, জ্ঞাতি-কুটুম্ব আৰু অগণন গুণমুগ্ধ ৰাইজক শোকাকুল কৰি এই সংসাৰৰ পৰা অন্তৰ্হিত হ'ল। মৃত্যু কালত নগাঁও চহৰৰ ইমূৰৰ পৰা সিমূৰলৈ হাহাকাৰৰ ৰোল উঠিল। তেখেতৰ ভৌতিক দেহ চিতাত ভস্মীভূত হ'ল। কিন্তু তেখেতৰ গাত থকা ভালেমান সদগুণ আমাৰ মানসপটত জিলিকি থাকিব। পণ্ডিত হেম গোস্বামীৰ কবিতাৰে ক'বলৈ গ'লে—

'হ'ল অকস্মাত মাজ সাগৰত
ধ্ৰুৱ তৰাৰ দৰে মেঘৰ আঁৰ'

নৱ চেতিয়াৰ অকাল মৃত্যুত আমাৰ সকলোৰে এটা পূৰাব নোৱৰা ক্ষতি হ'ল। এটি প্ৰতিভাৰ বন্তি অকালতে নুমাল। আজি ৩১ জুলাই মঙ্গলবাৰে তেখেতৰ আদ্যশ্ৰাদ্ধৰ দিনা তেখেতৰ বিদেহী আত্মাৰ চিৰ শান্তি কামনা কৰিলোঁ। ●

*(ইং ৩১-০৭-২০০১ তাৰিখ 'আজিৰ অসম' কাকতত প্ৰকাশিত)*

দৃষ্টিকোণ

# গীতিকবি ধনাই বৰাৰ বিষয়ে যৎকিঞ্চিৎ

শ্ৰীশুক্ৰেশ্বৰ চহৰীয়াই 'আজিৰ অসম'ত লিখা 'পাহৰণিৰ গৰ্ভত এগৰাকী গীতি কবি' নামৰ এটি প্ৰবন্ধ পঢ়িছিলো ২৪ অক্টোবৰৰ সংখ্যাত। এজন নীৰৱ কবি ধনাই বৰাৰ বিষয়ে আলোকপাত কৰি শ্ৰীচহৰীয়াদেৱে এটি ভাল কাম কৰিলে। কিন্তু তেখেতৰ প্ৰবন্ধত উপস্থাপন কৰা সমলবোৰ নিশ্চয় ধনাই বৰাই লিখি থৈ যোৱা তেখেতৰ আত্মজীৱনীখনৰ পৰা সংগ্ৰহ কৰিছে। এই কিতাপখন ময়ো পঢ়িছো। স্বৰ্গীয় ধনাই বৰাৰ আত্মজীৱনীখনে অসমীয়া জীৱনী সাহিত্যৰ ভঁৰাল চহকী কৰি গৈছে। ধনাই বৰা নগাঁও চহৰত স্কুল বিভাগত চাকৰি কৰোতে আনুমানিক ১৯০৪-৫ চন মানত অসমৰ উজ্জ্বল ৰত্ন ডঃ সূৰ্যকুমাৰ ভূঞাৰ গৃহ শিক্ষক আছিল। তেওঁৰ দেউতাক তেতিয়াৰ দিনৰ চিৰস্তাদাৰ ৰবিলাল ভূঞাই বৰাক গৃহ শিক্ষক হিচাপে নিযুক্তি দিছিল। সূৰ্যকুমাৰ ভূঞাই পিছৰ জীৱনত তেখেতে লিখা 'Man I have Met' নামৰ ইংৰাজী কিতাপখনত ধনাই বৰাৰ কথা উল্লেখ কৰি গৈছে।

ডঃ ভূঞাই শিক্ষাধিকাৰ হিচাপে শ্বিলং চহৰত কাৰ্যনিৰ্বাহ কৰোঁতে একালৰ তেখেতৰ প্ৰিয় ছাত্ৰ অসম সাহিত্য সভাৰ ভূতপূৰ্ব সভাপতি অতুল চন্দ্ৰ বৰুৱাক ধনাই বৰাৰ আত্মজীৱনী এখন লিখাবলৈ বেপি আছিল। ভূঞাদেৱৰ মতে বৰা ডাঙৰীয়াই ইংৰাজী শিক্ষাৰ মুখ দেখা নাছিল। গতিকে তেখেতৰ লিখনিবোৰ হ'ব নিভাঁজ অসমীয়া আৰু পৰৱৰ্তী লিখক-লেখিকাসকলৰ বাবে আদৰ্শস্বৰূপ। দ্বিতীয়তে ধনাই বৰা আৰু অতুল বৰুৱা একে ছিপাঝাৰ অঞ্চলৰ মানুহ। গুৰুৰ আদেশ শিৰোধাৰ্য কৰি বৰুৱাদেৱে তেখেতৰ ঘৰৰ পৰা দহ-বাৰ মাইল বাট চাইকেল চলাই বৰাদেৱক তেখেতৰ জীৱনৰ বিয়লি বেলিকা বহুতবাৰ লগ ধৰি আত্মজীৱনীখন লিখাবলৈ নেৰানেপেৰাকৈ খাটনি ধৰিলে। ধনাই বৰাই তেখেতৰ আত্মজীৱনীখন নিভাঁজ অসমীয়াত লিখি অটালে। ধনাই বৰাৰ আত্মজীৱনীখনে পোহৰৰ মুখ দেখা পোৱাৰ কৃতিত্ব ভূঞা আৰু বৰুৱা উভয়ৰে প্ৰাপ্য। অসম সাহিত্য সভাৰ সভাপতি হৈ থাকোতে শ্ৰীবৰুৱাদেৱে এই অমূল্য গ্ৰন্থখনি অসম সাহিত্য সভাৰ পুঁজিৰ পৰা ছপা কৰিলত অগণন পাঠক উপকৃত হ'ল। কিন্তু পৰিতাপৰ কথা যে এনেহেন আপুৰুগীয়া সৰু কলেবৰৰ পুস্তিকাখনি এতিয়া বজাৰত পাবলৈ নাই, কিয়নো কিতাপখন পুনৰ মুদ্ৰণ হৈ নুঠিল। কিতাপখনত নানান দুখ, দৰিদ্ৰতাৰ মাজেৰে কৰ্মযোগী পুৰুষে কেনেকৈ জীৱনত সাফল্য লাভ কৰিব পাৰে তাৰ উত্তম চানেকী পোৱা যায়। সূৰ্যকুমাৰ ভূঞাই পৰৱৰ্তী

জীৱনত যেতিয়া কটন কলেজত ইংৰাজী ভাষাৰ অধ্যাপক আৰু অধ্যক্ষ আছিল সেই সময়ত আঁঠুৰ মূৰত ধুতী পিন্ধা ধনাই বৰাক কিদৰে সন্মান কৰিছিল তাৰো আভাস পোৱা যায়। মোৰ নিজৰ দাদা সুলিখক গোবিন্দৰাম ডেকাই নিজে দেখা কথা। দাদাই বি. বৰুৱা কলেজত পঢ়ি থাকোতে আনুমানিক ১৯৪৫-৪৬ চনত এদিনাখন মঙ্গলদৈ আহিব খুজি ফেৰীৰে উত্তৰ গুৱাহাটীলৈ পাৰ হওঁতে ফেৰীখনত এটি মৃদু গুঞ্জনধ্বনি শুনিবলৈ পালে। ইয়াৰ কাৰণটো হ'ল ডঃ সূৰ্যকুমাৰ ভূঞা সেইখন ফেৰীত আহিছে। তেতিয়াৰ দিনত মানুহে কটন কলেজৰ অধ্যাপকসকলক আজিকালিৰ মন্ত্ৰী বিধায়কতকৈ বেছি সন্মান কৰিছিল। তাতে আকৌ ডঃ সূৰ্যকুমাৰ ভূঞা। সেয়েহে কটন কলেজৰ সুদক্ষ প্ৰিন্সিপাল চুডমাৰ্চন চাহাবে গৌৰৱেৰে কৈছিল "Assamese are my students" ইপাৰত আহি দাদাই দেখিলে যে ভূঞাদেৱে আঁঠুৰ মূৰত ধুতী পিন্ধা শুদা ভৰিৰে খোজ কঢ়া বুঢ়া মানুহ এজনক আথে বেথে মঙ্গলদৈ অভিমুখে যাত্ৰীবাহী বাছ এখনত বহুৱাই দি ভৰিত ধৰি সেৱা কৰিছে। ভূঞাদেৱে বাছখন চলোৱাৰ পিছতহে ফেৰীলৈ উভতিল। ভূঞাদেৱক চিনি পোৱা সমূহ বাছযাত্ৰীয়ে থৰ হৈ এই বিৰল দৃশ্য উপভোগ কৰিছিল। দাদাই পিছতহে গম পালে যে ভূঞাদেৱে আগবঢ়াই থ'বলৈ অহা মানুহজনেই প্ৰখ্যাত ধনাই বৰা। হায়, গুৰু-শিষ্যৰ এনেকুৱা সম্ভাৱৰ দৃশ্য দেৱতাৰহে উপভোগ্য।

ধনাই বৰাৰ আত্মজীৱনীখনত পোৱা যায় যে দৰিদ্ৰতা গুণ নাশিনীয়ে তেওঁক আঁচোৰ মাৰিব পৰা নাছিল। সাহসেই সিদ্ধি — এই আপ্তবাক্যশাৰী তেখেতৰ জীৱনত প্ৰতিফলিত হৈছিল। তেৰ-চৈধ্য বছৰ বয়সতে গাঁৱৰ মানুহৰ লগত চৈধ্য-পোন্ধৰ মাইল দূৰৈৰ কলাইগাঁৱৰ বিখ্যাত দেওবৰীয়া সাপ্তাহিক বজাৰলৈ তামোল, পাণ, হাঁহ-পাৰৰে ভৰা মেটমৰা ভাৰ কান্ধত লৈ বস্তু বিক্ৰী কৰিবলৈ আহিছিল। তাতে আকৌ বাটিত বাঘৰ ভয়, নিশা খপিব লাগে। লাভৰ টকাৰে স্কুলৰ মচুল পৰিশোধ কৰিছিল। তেখেতৰ আত্মজীৱনীখনত তেতিয়াৰ নগাঁও চহৰৰ সুন্দৰ বৰ্ণনা পোৱা যায় আৰু পোৱা যায় তেতিয়াৰ নগাঁও চহৰৰ বিখ্যাত ব্যক্তিসকলৰ চমু পৰিচয়। মঙ্গলদৈ চহৰৰ পৰা খাৰুপেটীয়া জাহাজঘাটেৰে খোজকাঢ়ি নগাঁও চহৰ পাওঁতে হেনো দুদিন লাগিছিল।

মই এতিয়াৰ সাহিত্য সভাৰ সভাপতি প্ৰবল উৎসাহী চন্দ্ৰপ্ৰসাদ শইকীয়াদেৱক সানুনয়ে অনুৰোধ জনাওঁ। তেখেতে যাতে স্বৰ্গীয় ধনাই বৰাৰ লুপ্তপ্ৰায় আত্মজীৱনীখন পুনৰ মুদ্ৰণ কৰি অসমীয়া সুধী সমাজৰ উপকাৰ কৰি থৈ যায়।

মই এইখিনি কথা ধনাই বৰাৰ লুপ্তপ্ৰায় আত্মজীৱনীখনৰ সন্দৰ্ভতহে লিখিলোঁ। ●

( ইং ২৭-১১-১৯৯১ তাৰিখৰ 'আজিৰ অসম' কাকতত প্ৰকাশিত)

# ধীৰেন শৰ্মাৰ সোঁৱৰণত

১৯৫০ চনৰ কথা। মই তেতিয়া মঙ্গলদৈ চৰকাৰী হাইস্কুলৰ নৱম- দশম শ্ৰেণীৰ ছাত্ৰ। মোৰ বাল্যকালৰ বন্ধু উত্তৰ গুৱাহাটীৰ মধ্যমখণ্ডৰ শ্ৰীৰবীন দাস (বাবুল) তেতিয়া কটন কলেজৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ। তেখেতৰ মুখে মই স্বৰ্গীয় ধীৰেন শৰ্মাৰ কথা শুনিছিলো। শৰ্মাই ১৯৫০ চনত নাজিৰা হাইস্কুলৰ পৰা অতি সুখ্যাতিৰে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ ইংৰাজীত গুৱাহাটী বিশ্ববিদ্যালয়ত সৰ্বোচ্চ নম্বৰ পাই কটন কলেজত ভৰ্তি হৈ ২নং ছাত্ৰাবাসত থাকিবলৈ লৈছিল। ৰবীন দাস তেতিয়া সহপাঠী আছিল আৰু উভয়ে বন্ধু আছিল। শ্ৰীদাসে মোক কৈছিল যে শৰ্মা বৰ সহজ-সৰল আছিল আৰু পৰিধানত লাহ-বিলাহ নাছিল। চুটি চুটি শুৱলা ইংৰাজী বাক্য লিখিছিল। এই সন্দৰ্ভতে মই জনাওঁ যে আজি কেইবছৰমানৰ আগতে মোৰ প্ৰতিবেশী আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য সুৰেশ ৰাজখোৱাদেৱে মোক কথা প্ৰসংগত কৈছিল যে প্ৰবল মেধাসম্পন্ন ডঃ হিৰণ্য ভূএগ্ৰায়ো ইংৰাজী লিখোতে চুটি চুটি শুৱলা ইংৰাজী বাক্যবোৰ লিখিছিল আৰু তেখেতেও প্ৰবেশিকা পৰীক্ষাত অসম ভেলীৰ ভিতৰত ১৯২৩ চনত ইংৰাজীত সৰ্বোচ্চ নম্বৰ পাইছিল। আন এটা কথা ক'ব খুজিছো। ১৯৬১ চনত মই টিহু চক্ৰত উপ-প্ৰতি সমাহৰ্তা হিচাপে যোগদান কৰোতে টাউন কমিটীৰ চেয়াৰমেন প্ৰয়াত প্ৰসন্ন পাঠকে মোক কৈছিল যে ১৯৫০ চন মানত হঠাতে এদিন কবি দেৱকান্ত বৰুৱা তেখেতৰ ঘৰত উপস্থিত হ'ল আৰু পাটাছাৰকুছি হাইস্কুলৰ প্ৰখ্যাত হেড্‌মাষ্টৰ সাহিত্যিকপ্ৰবৰ আৰু মেধা সমুজ্জ্বল হৰেন্দ্ৰনাথ শৰ্মাৰ বামুণকুছি গাঁৱলৈ যাবলৈ লগ ধৰিলে। হৰেন্দ্ৰনাথ শৰ্মাই হেনো ১৯২৭ চনত কলিকতা বিশ্ববিদ্যালয়ে পতা প্ৰবেশিকা পৰীক্ষাত ইংৰাজীত লেটাৰ পাইছিল আৰু সেইবাবেই বৰুৱা ডাঙৰীয়াই তেখেতক লগ পাবলৈ বৰ কৌতূহল হৈছিল। দেৱকান্ত বৰুৱাই মেধাৰ প্ৰতি সন্মান জনাব খুজিছিল। ১৯৫১-৫২ চনত মই প্ৰবেশিকা পৰীক্ষাৰ ডেওনা পাৰ হৈ কটন কলেজৰ তেতিয়াৰ ১ নং কটন কলেজৰ ছাত্ৰাবাসবোৰক ১নং, ২নং, ৩নং মেছ, মুছলিম হোষ্টেল, নিউ হোষ্টেল, কচমোপলিটান হোষ্টেল আদি নামেৰেহে অসমৰ ৰাইজে জানিছিল। সত্তৰ-আশী বছৰ ধৰি এইবোৰ নামেৰে অলংকিত কটন কলেজ হোষ্টেলবোৰৰ এজিপি চৰকাৰে পূৰ্বৰ নামবোৰ সলনি কৰি নতুনত্ব দিব খুজিলে কিন্তু কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ সুবিখ্যাত ইডেন হোষ্টেলখন একে নাম বহন কৰি আছে যোৱা ডেৰশ বছৰ ধৰি য'ত ৰাষ্ট্ৰপতি ডঃ ৰাজেন্দ্ৰ প্ৰসাদ আৰু সুভাষ চন্দ্ৰ বসুকে ধৰি [illegible] বিখ্যাত ব্যক্তি এই হোষ্টেলখনৰ ছাত্ৰ বাসিন্দা আছিল।

মই পূৰ্ব্বৰ কৌতূহলবশতঃ ধীৰেন শৰ্মাক প্ৰায়ে লগ পাইছিলো। তেতিয়া একে ২ নং মেছৰ আৰু সম্ভৱ একে কোঠাতে বাস কৰিছিল এতিয়াৰ অসম সাহিত্য সভাৰ সভাপতি হোমেন বৰগোহাঞি ডাঙৰীয়া। উভয়ৰে মাজত বৰ মিলাপ্ৰীতি আছিল আৰু কম পঢ়িছিল বুলি শুনিছিলো। উভয়ে প্ৰায়ে নিশাৰ ভাগত পঢ়িছিল আৰু বন্ধৰ দিনত তাচৰ পাতত (ব্ৰীজখেলি) সময় অতিবাহিত কৰিছিল যদিও কলেজে লতা পৰীক্ষাবোৰত সুন্দৰ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছিল। শুনিবলৈ পাইছিলো যে তেওঁলোকে নিজৰ কলেজীয়া পাঠ্য পুথিবোৰতকৈ বাহিৰা উচ্চখাপৰ কিতাপ পত্ৰ বেছিকৈ পঢ়ি জ্ঞান অৰ্জন কৰিছিল। সেই সময়ৰ এটা ঘটনা মোৰ এতিয়াও মনত আছে। শৰ্মা তেতিয়া চতুৰ্থ বাৰ্ষিকৰ ছাত্ৰ। এবাৰ কটন কলেজৰ তদানীন্তন ইউনিয়ন চেক্ৰেটাৰীৰ কাম-কাজত একাংশ ছাত্ৰ বিক্ষুব্ধ হৈ পৰিছিল আৰু তাৰ পৰিণতি হিচাপে তেতিয়াৰ দুই নম্বৰ মেছৰ অধ্যক্ষৰ বাসগৃহত এটা কোঠাত সন্ধিয়া পৰত এজন বলবান আৰু উগ্ৰসাহসী প্ৰাক্তন কটনিয়ানৰ হাতত ইউনিয়ন চেক্ৰেটাৰীজন শাৰীৰিকভাৱে অপদস্থ হ'ব লগাত পৰিছিল। এই বিবাদবোৰৰ মীমাংসাৰ বাবে তেতিয়াৰ কটন কলেজৰ সুদক্ষ প্ৰিন্সিপাল ডঃ হীৰণ্য ভূঞাই নিজে বিচাৰ কৰিব লগা হৈছিল সেই বিশেষ সন্ধিয়া পৰতে। মই দেখিছিলো যে ধীৰেন শৰ্মাই ইউনিয়ন চেক্ৰেটাৰীজনৰ সম্বন্ধে তীব্ৰভাৱে প্ৰবল যুক্তি আগবঢ়াইছিল। সাধাৰণতে নিৰ্জু স্বভাৱৰ শৰ্মাৰ তেজস্বিতা দেখি আমি আচৰিত হৈছিলো।

১৯৫৪ চনৰ স্নাতক পৰীক্ষাত শৰ্মাই অৰ্থনীতি বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি চাঞ্চল্যৰ সৃষ্টি কৰে। ইয়াৰ বহু বছৰ আগতে এসময়ৰ মেধাৱী ছাত্ৰ প্ৰয়াত ধৰ্মানন্দ দাসে কটন কলেজৰ পৰা বি. এ.পৰীক্ষাত অৰ্থনীতি বিষয়ত অনাৰ্ছত প্ৰথম শ্ৰেণী পাইছিল। অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক আশ্ৰফ আলি ছাৰে তেখেতৰ মেধাৱী আৰু মৰমৰ ছাত্ৰ ধীৰেন শৰ্মাৰ বিৰল সাফল্যত আপ্লুত হৈ কমন ৰুমত সমূহ চল্লিশ-পঞ্চাশজন অধ্যাপকক চাহ জলপানেৰে আপ্যায়িত কৰা মই নিজে দেখিছিলো আৰু তেতিয়া মই ডিবেটিং চেক্ৰেটাৰী আছিলো।

ইয়াৰ পাছত ১৯৫৪ চনত ধীৰেন শৰ্মাই কলিকতা বিশ্ববিদ্যালয়ত ভৰ্ত্তি হৈ এম. এ.পঢ়ে আৰু তেতিয়াৰ বিখ্যাত হাৰ্ডিং হোষ্টেলত থাকিবলৈ লৈছিল। ১৯৫৬ চনত মই এম.এ. পঢ়িবলৈ কলিকতালৈ যাওঁ। ১৯৫৬ চনত এম.এ. পৰীক্ষাৰ ৰিজাল্ট ওলাল। আমি অসমীয়া ছাত্ৰবোৰ ৰিজাল্টচিট চাবলৈ দ্বাৰভাঙ্গা হললৈ ঢাপলি মেলিলো। শৰ্মাই অৰ্থনীতিত দ্বিতীয় বিভাগত উচ্চ স্থান লাভ কৰে। তেখেতে কলিকতাত থাকোতেও খুব কম পঢ়িছিল বুলি শুনিছিলো । হয়তো তেখেতৰ দৰে এজন মেধাৱী ছাত্ৰই বিশেষ মনোযোগেৰে পঢ়া হ'লে অনায়াসে প্ৰথম শ্ৰেণী পালেহেঁতেন। তেখেতৰ প্ৰায় দুই দশক মান আগতেহে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতি এম.এ.ত মথুৰা গোস্বামী, গণেশ ফুকন আৰু জিতেন্দ্ৰ দাসৰ দৰে মেধা সমুজ্জ্বল অসমীয়া ছাত্ৰই প্ৰথম শ্ৰেণী লাভ কৰিছিল।

১৯৬৩ চনত মই যোৰহাটত পুলিচ বিভাগত ডি এছ পি হিছাপে চাকৰি কৰোতে ধীৰেন শৰ্মাক ই এ চি হিচাপে লগ পাইছিলো। আনকেইজন ই এ চি আছিল অসমৰ মেধাৱী ছাত্ৰ নগেন কটকী, ৰহমান দাউলাগাপু আৰু ভৰত চন্দ্ৰ গগৈ। ছুপ্ৰিম কোৰ্টৰ এতিয়াৰ এডভোকেট শ্ৰীঅনিল ৰতন বৰঠাকুৰে সদৰ মহকুমাধিপতি হিচাপে কামত যোগ দিছিল। উপায়ুক্ত আছিল অলপতে স্বৰ্গী হোৱা উদাৰ হৃদয়ৰ সৰবৰহী আৰ.ভি লিংডো ডাঙৰীয়া। আটাইৰে মাজত বৰ মিলাপ্ৰীতিৰ ভাব দেখিছিলো। গহীন-গম্ভীৰ লাহ-বিলাহ নথকা সৰলতাৰ প্ৰতীক ধীৰেন শৰ্মাক প্ৰায়ে লগ পাইছিলো। তেখেতৰ কথা-বতৰা আৰু ব্যৱহাৰত অত্যন্ত মধুৰ আছিল আৰু ধেমেলীয়া ফুচুৰি কথাৰে সকলোকে আনন্দ দিব পাৰিছিল। সেই বছৰতে তেখেতৰ বিবাহ হয় আৰু এই উপলক্ষে মই তেখেতৰ নাজিৰাৰ ঘৰলৈকো গৈছিলো।

তেখেত কলিকতাৰ আসাম হাউছত ট্ৰেড এডভাইচাৰ হৈ থাকোতে মই দুবাৰমান তেখেতক কলিকতাত লগ পাইছিলো। তাত মই বিষয়া-কৰ্মচাৰী সকলৰ পৰা শুনিছিলো যে তেখেত বৰ জনপ্ৰিয় আছিল আৰু চৰকাৰী কাম- কাজবোৰ নিয়াৰিকৈ সম্পন্ন কৰিছিল। কলিকতাত থাকোতে অকস্মাতে মৃত্যুৰ মুখত পৰে। ১৯৭৮ চনত মই নগাঁৱৰ আৱৰ্ত ভৱনত জনতা দলৰ নেতা দুলাল বৰুৱাক লগ পাওঁতে তেখেতৰ কলেজীয়া দিনৰ বন্ধু ধীৰেন শৰ্মাৰ মৃত্যুত অত্যন্ত ব্যথিত হৈ পৰা দেখিছিলো। ১৯৮৮ চনত মই ডিব্ৰুগড়ত কাম কৰি থাকোতে আৱৰ্ত ভৱনত অতিৰিক্ত মুখ্য সচিব মিশ্ৰ ডাঙৰীয়াই মোক কথা প্ৰসংগত কৈছিল যে ধীৰেন শৰ্মা তেখেতৰ নলে গলে লগা বন্ধু আছিল আৰু কৈছিল যে মেধা বিষয়ত তেখেত যি কোনো আই.এ.এছ. বিষয়াৰ সমকক্ষ আছিল। স্বৰূপাৰ্থত ধীৰেন শৰ্মা আছিল A blighted genious আৰু প্ৰতিভাৰ আকৰ। তেখেতৰ অকাল মৃত্যু নহ'লে হয়তো এদিন তেওঁ পৰিণত বয়সত অসম চৰকাৰৰ এজন উচ্চ পৰ্যায়ৰ সুদক্ষ বিষয়া হিচাপে দেশৰ বাবে প্ৰভূত সেৱা আগবঢ়ালেহেঁতেন। তেখেতে প্ৰাদেশিক চিভিল ছাৰ্ভিচ পৰীক্ষাত ১৯৬২ চনত প্ৰথম স্থান অধিকাৰ কৰি তেখেতৰ বিৰল প্ৰতিভাৰ পৰিচয় দিছিল। হায়! তেখেতৰ এই প্ৰতিভা পূৰ্ণ বিকশিত নৌ হওতেই নিষ্ঠুৰ কালে তেখেতক অকালতে হৰণ কৰি লৈ গ'ল।

আজি ৪ জানুৱাৰী, ২০০১ চনত তেখেতৰ ৬৭তম্ জন্ম বাৰ্ষিকীত মোৰ হিয়াভৰা শ্ৰদ্ধা নিবেদন কৰিলোঁ। ●

*( ইং ০৪-০১-২০০০ তাৰিখৰ 'আজিৰ অসম' কাকতত প্ৰকাশিত)*

# খনীন্দ্ৰচন্দ্ৰ বৰুৱাৰ জন্ম-শতবাৰ্ষিকী

মই পোন প্ৰথমবাৰ খনীন্দ্ৰচন্দ্ৰ বৰুৱাক দেখাৰ কথা এতিয়াও ৰিণিকি ৰিণিকি মনত পৰে। সেইয়া আছিল ১৯৫২ চনৰ আদি ভাগ। মই তেতিয়া কটন কলেজৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ। আমাৰ কলেজৰ পৰা অৰ্থনীতি বিভাগৰ পৰা শিক্ষক-ছাত্ৰৰ পৰা বছা বছা এটি ক্ষুদ্ৰ দল ধুবুৰী চহৰলৈ জুইশলা.বনোৱা ফেক্টৰীকে আদি কৰি নিৰ্দিষ্ট ঠাই কিছুমান চাবলৈ গুৱাহাটীৰ পৰা ৰাওনা হৈছিলো। প্ৰয়াত প্ৰফেচাৰ দণ্ডেশ্বৰ গগৈ আৰু আশ্ৰফ আলি ছাৰে এই দলটোৰ নেতৃত্ব লৈছিল। প্ৰথম বাৰ্ষিকৰ ছাত্ৰ হিচাপে মই, প্ৰাক্তন প্ৰবক্তা প্ৰিয়লাল পাঠক, প্ৰাক্তন এ.চি.এছ. যোগেশ বৰুৱা এই দলত অন্তৰ্ভুক্ত হৈছিল। তেতিয়াৰ অবিভক্ত গোৱালপাৰা জিলাৰ উপায়ুক্ত হিচাপে খনীন্দ্ৰচন্দ্ৰ বৰুৱা আৰু পুলিচ অধ্যক্ষ হিচাপে শ্ৰীদেৱ কাকতিয়ে প্ৰায় একে সময়তে ধুবুৰী চহৰত কাৰ্যনিৰ্বাহ কৰিছিল। উভয়ে আমাক তেখেতসকলৰ বাসভৱনলৈ নিমন্ত্ৰণ কৰি চাহ জলপানেৰে আপ্যায়িত কৰিছিল আৰু বহুতো সাৰুৱা উপদেশ দিছিল। বৰুৱা ডাঙৰীয়াই কম কথা কৈছিল কিন্তু বৰ মাৰ্জিত স্বভাৱৰ প্ৰবল ব্যক্তিত্বসম্পন্ন সুদৰ্শন ব্যক্তি হিচাপে আমাৰ উপলব্ধি হৈছিল। তেখেতক পৰিষ্কাৰ-পৰিচ্ছন্ন ভাৱে নিজৰ গাম্ভীৰ্য অটুট ৰখা দেখিছিলো। বৰুৱাদেৱক মই দ্বিতীয়বাৰ ব্যক্তিগতভাৱে লগপোৱাৰ সুযোগ ঘটিছিল যেতিয়া ১৯৫৬ চনত কলকাতাত এম এ পঢ়ি আছিলো। মোৰ এজন ভিনদেউ ফিছাৰি কো অপাৰেটিভ ছচাইটিত চেক্ৰেটাৰী হিচাপে ডেপুটেচনত কাৰ্যনিৰ্বাহ কৰিছিল। এই ভিনদেউজন বৰ সাধুপ্ৰকৃতিৰ বিষয়া আৰু সদায় দুৰ্নীতিৰ পৰা আঁতৰত আছিল। কিন্তু ছচাইটিখনৰ জনদিয়েক কৰ্মকৰ্তাই অসৎ উপায়ে চছাইটিখনৰ ধন আত্মসাৎ কৰিব নোৱাৰি তেখেতক বৰ লটিঘটি কৰিছিল আৰু আনকি চছাইটিখনে তেখেতৰ প্ৰাপ্য বেতনৰ পৰাও বঞ্চিত কৰিছিল। মই ভিনদেউৰ দুৰৱস্থাৰ কথা উমান পাইছিলো। সেই সময়ত খনীন্দ্ৰচন্দ্ৰ বৰুৱা আছিল অসম চৰকাৰৰ অন্যান্য বিভাগৰ উপৰিও সমবায় বিভাগৰ ৰেজিষ্ট্ৰাৰ। তেখেত এজন সৎ আৰু কৰ্মদক্ষ বিষয়া হিচাপে জনাজাত আছিল। তেতিয়া তেখেত এজন কিম্বদন্তী সদৃশ বিষয়া

হিচাপে পৰিগণিত হৈছিল। মই সুযোগ বুজি এবাৰ তেখেতক আসাম হাউছত (কলকাতা) লগ ধৰি মোৰ ভিনদেউৰ দুৰৱস্থাৰ কথা জনালো। তেখেতে মোৰ কথাবোৰ ধৈৰ্য সহকাৰে শুনি ইয়াৰ সু-ব্যৱস্থা কৰা হ'ব বুলি মোক আশ্বাস দিলে। এইদৰে এমাহ পাৰ হ'ল। কিন্তু মোৰ ভিনদেউৰ কামটো হোৱাৰ কোনো লক্ষণ দেখা পোৱা নগ'ল। মোৰ ধৈৰ্যৰ বান্ধ ছিগি যোৱাত মই বৰুৱাদেৱলৈ তেখেতৰ বিভাগৰ ঠিকনাত দুখ প্ৰকাশ কৰি এখন চিঠি লিখিলো যে তেওঁৰ দৰে এজন সুদক্ষ বিষয়া থাকোতেও মোৰ ভিনদেউৰ কামটো নহ'ল। আগগুৰি নথকা মোৰ চিঠিৰ ভাষা অলপ কঠোৰ আছিল। প্ৰায় এসপ্তাহৰ ভিতৰতে তেখেতৰ পৰা তেখেতে নিজহাতে লিখা এখন পোষ্টকাৰ্ড পালো। তেখেতে মোক জানিবলৈ দিলে যে মোৰ ভিনদেউৰ কামটো তেখেতে ইতিমধ্যে হাতত লৈছে আৰু সমবায় খণ্ডক ভিনদেউৰ কেচৰ মুকলি কৰি দিবলৈ তাঁৰ বাৰ্তাৰে নিৰ্দেশ দিছে। সদা কৰ্মব্যস্ত এজন অতি উচ্চ বিষয়াই মোক এইদৰে চিঠিৰে জনোৱাত মই বৰ লাজ পাইছিলো যদিও বৰুৱাদেৱৰ চৰিত্ৰৰ এটি উজ্জ্বল দিশ মোৰ আগত ধৰা দিছিল।

তৃতীয়বাৰ মই বৰুৱাদেৱক দেখা পোৱাৰ সৌভাগ্য হৈছিল বোধকৰো ১৯৬৯-৭০ চনত। তেতিয়া ভাৰতৰ সাধাৰণ নিৰ্বাচনৰ সময়। বৰুৱাদেৱে লোকসভাৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিছিল। তেখেতৰ প্ৰবল প্ৰতিদ্বন্দ্বী আছিল তেতিয়াৰ অসমৰ বিত্তমন্ত্ৰী আৰু দেশৰ প্ৰথম শাৰীৰ স্বাধীনতা সংগ্ৰামী প্ৰয়াত ফখৰুদ্দিন আলি বাৰ এট্ ল চাহাব। সেই সময়তে মই এদিন বঙাইগাঁৱৰ ওচৰৰ গাঁও এখনৰ নিবাসী বঙাইগাঁও বি.টি. কলেজৰ প্ৰাক্তন অধ্যক্ষ আৰু কটন কলেজৰ মোৰ এসময়ৰ সহপাঠী শ্ৰী অম্বিকা সৰকাৰৰ ঘৰলৈ গৈছিলো। খনীন্দ্ৰচন্দ্ৰ বৰুৱাই নিৰ্বাচনৰ প্ৰচাৰ কাৰ্য উপলক্ষে আহি আহি সৰকাৰৰ ঘৰত খন্তেক বিশ্ৰাম লৈছিল। সৰকাৰে মোক তেখেতৰ লগত পৰিচয় কৰি দিলে আৰু কটন কলেজত তেখেতৰ দুহিতা কল্পনা বৰুৱা আৰু পুত্ৰ ৰবীন্দ্ৰ বৰুৱাৰ এসময়ৰ সহপাঠী বুলি জানিব পাৰি মোৰ খা খবৰ ল'লে অতি সহৃদয়তাৰে। কথা প্ৰসঙ্গত বৰুৱাদেৱে ক'লে যে এদিন জগতে হেনো নিৰ্বাচনত ঘূৰি ফুৰোতে ফখৰুদ্দিন চাহাবৰ লগত তেখেতৰ মুখামুখি হৈছিল আৰু আলি চাহাবে হেনো বৰুৱাক ধেমালি কৰি কৈছিল 'Don't hit me below the belt' মোৰ জীৱন কালত এই তিনিবাৰহে তেখেতক ওচৰৰ পৰা দেখাৰ সৌভাগ্য হৈছিল আৰু এটি উজ্জ্বল জ্যোতিষ্কক অতি ওচৰৰ পৰা নিৰীক্ষণ কৰাৰ বিৰল সুযোগ পাইছিলো।

খনীন্দ্ৰচন্দ্ৰ বৰুৱা এজন অভূতপূৰ্ব আৰু বিস্ময়কৰ ব্যক্তি হিচাপে সমাজত জনাজাত আছিল। শুনা মতে তেখেতে আদৰ্শ আৰু নীতিৰ মাজত কেতিয়াও আপোচ কৰা নাছিল। তেখেত আছিল অত্যন্ত নিৰ্ভীক। তেখেতে চাকৰি কালত হেনো তেখেতৰ উচ্চ পদস্থ বিষয়া বা মন্ত্ৰীসকলেও তেখেতক সমীহ কৰি চলিছিল। মই শুনিছিলো যে এবাৰ হেনো তেতিয়াৰ প্ৰতাপী মন্ত্ৰী প্ৰয়াত মতিৰাম বৰাই কিবা কথাত তেখেতক সামান্য তাচ্ছিল্যৰ ভাব প্ৰদৰ্শন কৰাত বৰুৱাদেৱেও সজোৰে প্ৰতিবাদ কৰিছিল।

খনীন্দ্ৰচন্দ্ৰ বৰুৱাৰ জন্ম হৈছিল ১৯০৪ চনৰ নলবাৰী চহৰৰ সমীপৰ কমাৰকুছি গাঁৱৰ এটি প্ৰখ্যাত আৰু সম্ভ্ৰান্ত পৰিয়ালত। দেউতাক উত্তম চন্দ্ৰ বৰুৱা এজন প্ৰতাপী মৌজাদাৰ আছিল আৰু বিবিধ জনহিতকৰ কামত লিপ্ত আছিল। তেখেতে এখন ক্ষুদ্ৰাকৃতিৰ আত্মজীৱনী ছপা আকাৰত এৰি থৈ গৈছে। সেই কিতাপখনৰ পৰা অসমৰ বহুতো প্ৰাচীন ঐতিহ্যৰ কথা জানিব পাৰি। দুখৰ বিষয় এয়ে যে এনেহেন মূল্যবান কিতাপখন এতিয়া ক'তো পাবলৈ নাই। খনীন্দ্ৰচন্দ্ৰ বৰুৱাই তেখেতৰ দক্ষতাপূৰ্ণ চাকৰি কালত য'তেই সুবিধা পাইছিল অসমীয়া মানুহ বা সমাজৰ বাবে কিবা নহয় কিবা এটা কৰি গৈছিল। তেখেত ধুবুৰীত উপায়ুক্ত থাকোতে (১৯৪৮-৫২) সাধাৰণ নিৰ্বাচনৰ ভোটাৰ তালিকা ছপাবলৈ গুৱাহাটীৰ কেইবাটাও অসমীয়া মানুহৰ নিশকতীয়া ছপাখানাত অতি লাভজনক ভোটাৰ তালিকা ছপাবলৈ সুবিধা দিছিল। তেনেকুৱা এটি ছপাশালাৰ (কামৰূপ প্ৰেছ) মালিক প্ৰয়াত সাংবাদিক প্ৰতাপ চন্দ্ৰ তালুকদাৰে মোক নিজমুখে কৈছিল।

বৰুৱা ডাঙৰীয়াই ধুবুৰীত উপায়ুক্ত হৈ থকা কালছোৱাত ধুবুৰী মহকুমাৰ অসমীয়া লোকসকলক অসমীয়া বুলি পৰিচয় দিয়াৰ এক জনজাগৰণ সৃষ্টি কৰাত বৰুৱাদেৱে বুজন অৰিহণা যোগাইছিল। তেখেতে ৰাম ৰায়ৰ দিনৰে ছত্ৰশাল সত্ৰত ভকতসকলক ভোৰতাল বজাই নামকীৰ্তন গোৱাত উৎসাহ যোগাইছিল। গোৱালপাৰাৰ পশ্চিম অঞ্চলত অসমীয়া ভাষা কৃষ্টি প্ৰচাৰত বৰুৱাদেৱে আগভাগ লৈছিল। এই ক্ষেত্ৰত তেখেতক সহায় কৰিছিল ৰাজকুমাৰ প্ৰকৃতিশ বৰুৱাই যিগৰাকী 'লালজী' বুলি জনাজাত। ধুবুৰী অঞ্চলত বৰুৱাদেৱৰ যত্নতে অসমীয়া স্কুলবোৰত বঙালী ভাষা গুচাই অসমীয়া ভাষা প্ৰৱৰ্তন কৰিছিল। বৰুৱাদেৱক এই কাৰ্যত সহায়-সহযোগ আগবঢ়াইছিল দুজন নিষ্ঠাবান স্কুল পৰিদৰ্শক যথাক্ৰমে শ্ৰীহৰি প্ৰসন্ন তামুলী ফুকন আৰু দেৱেন্দ্ৰনাথ ভট্টাচাৰ্যই। উপায়ুক্ত বৰুৱাদেৱৰ এই অৱদান এতিয়াও স্থানীয় মানুহে শ্ৰদ্ধাৰে সোঁৱৰণ কৰে।

অলপো চেকা নলগা সুখ্যাতিপূৰ্ণ চাকৰি জীৱনৰ অন্ত হয় ১৯৬০ চনত আয়ুক্ত পদৰ পৰা। তাৰ পিছত বৰুৱাদেৱে এজন স্বাধীন নাগৰিক হিচাপে নিজকে আত্মনিয়োগ কৰি কৃতকাৰ্য হৈছিল। অৱসৰৰ পিছত তিনিটা দশক জুৰি তেখেতে অসম আৰু অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ প্ৰতিটো আন্দোলনতে তেখেতে দক্ষতা সহকাৰে অংশ লৈছিল আৰু শেন দৃষ্টি ৰাখিছিল যাতে এই আন্দোলন বিপথে পৰিচালিত নহয়। কিন্তু বৰ পৰিতাপৰ বিষয় যে আন্দোলনকাৰী যুৱ নেতাসকলে শেহত অসমৰ বিস্মাৰ্ক সদৃশ খনীন্দ্ৰচন্দ্ৰ বৰুৱাৰ দৰে এজন জ্ঞানী আৰু বিচক্ষণ ব্যক্তিক গুৰুত্ব দিয়াৰ পৰা বিৰত থকাত আন্দোলনৰ আকাংক্ষিত ফল লাভৰ পৰা কিছু পৰিমাণে বঞ্চিত হ'ল বুলি জনৰৱ শুনা যায়। ●

*(ইং ০৪-০৪-২০০২ তাৰিখৰ 'আজিৰ অসম' কাকতত প্ৰকাশিত)*

# মানাহলৈ অতীতৰ মধুৰ ৰেঙণি

১৯৬২ চনৰ কথা। টিহুৰ উপপ্ৰতি সমাৰ্হতা হিচাপে চাকৰি আৰম্ভ কৰিছো। তেতিয়া গুৱাহাটীৰ উপায়ুক্তৰ কাৰ্যালয়ত ভবেন্দ্ৰ ৰায়চৌধুৰী নামৰ এজন বৰ উদ্যোগী আৰু কৰ্মনিপুণ চিৰস্তাদাৰ আছিল। নাজিৰ আছিল নবীন শৰ্মা। দুয়োজন অৰণ্য দৰ্শন আৰু বনভোজ খোৱাত সদায় আগৰণুৱা। সেই বছৰৰে জানুৱাৰী মাহৰ কোনো এটি শনিবাৰে মানাহ অভয়াৰণ্যলৈ যোৱাৰ বাবে প্ৰস্তুতি চলাইছিল। ময়ো তেখেতসকলৰ সঙ্গী হ'বলৈ ইচ্ছা প্ৰকাশ কৰাত মোকো অন্তৰ্ভুক্ত কৰিলে। নিৰ্দিষ্ট দিনটোত ষ্টেচন ওৱাগান এখনত গুৱাহাটীৰপৰা মানাহলৈ যাত্ৰা কৰি বৰপেটাৰোড হৈ মানাহলৈ যাত্ৰা কৰিলো। সন্ধিয়াৰ আগে আগে মানাহৰ প্ৰৱেশদ্বাৰ বাসবাৰী ৰেঞ্জ অফিচ পালোগৈ। তাৰ পৰা কেঁচা ৰাস্তাৰে অভয়াৰণ্যৰ মাজে মাজে আগুৱাই নিশা ৭ বজাত মানাহ নদীৰ পাৰত অৱস্থিত যাত্ৰীনিবাস পাই আমাৰ বাবে নিৰ্দিষ্ট কৰি থোৱা কোঠাত সোমালো। অলপ সময় বিশ্ৰাম কৰি বাহিৰলৈ ওলাই আহি বতাহৰ তীব্ৰ হো-হোৱনি শব্দ শুনিবলৈ পালো। পূৰ্ণিমাৰ জোনাক নিশা সম্মুখত দিগন্তজোৰা মানাহ নৈখনৰ পাৰৰ বগা ধক্‌ধকীয়া শিল আৰু অদূৰত মানাহ নৈৰ শিলত ঠেকা খাই সৃষ্টি হোৱা সুমধুৰ শব্দই অপৰূপ প্ৰাকৃতিক শোভাবৰ্ধন কৰিছে। নিশাৰ পোহৰত এনেকুৱা ভুবন ভুলোৱা প্ৰাকৃতিক দৃশ্য মই জীৱনত দেখা নাছিলো। মোৰ মনত ভাব হৈছিল— স্বপ্নানু মায়া নুমতি ভ্ৰমঃ - ই সপোন নে মায়া নে মোৰেই মতিভ্ৰম। বাটৰ কষ্ট মুহূৰ্ততে নাইকিয়া হৈ গ'ল। নিৰৱচ্ছিন্ন বতাহৰ হো-হোৱনিয়ে যেন প্ৰকৃতিৰ বুকুত হেন্দোলনি তুলিছে। ৰঘুনাথ চৌধাৰীদেৱৰ কবিতা এফাকিলৈ মনত পৰিল—

" আজি পূৰ্ণিমাৰ ৰাতিটো চিকুণ
আকাশ জোনেৰে ভৰা
ৰজত ধবল স্নিগ্ধ কিৰণত
হাঁহি উঠে বসুন্ধৰা।'

নিশাৰ আহাৰ সমাপন কৰাৰ পিছতো প্ৰায় এক বজালৈ বাহিৰতে বহি নিশাৰ প্ৰাকৃতিক শোভা উপভোগ কৰি বিস্ময় বিহ্বলত হতবাক হৈ থাকিলো। চাৰিওফালে এক নিৰ্জন নিৰিবিলি পৰিৱেশ। এক নষ্টালজিয়া।

সেইদিনাই উজনি অসমৰ এখন চাহ বাগিচাৰ ইংৰাজ মেনেজাৰ এজনে বৰশী বাবলৈ আহি মানাহ নৈৰ ডাউন ষ্ট্ৰীমত আমাৰ লজৰ পৰা প্ৰায় ৩ কিলোমিটাৰমান দূৰৈত বালিৰ বুকুত তম্বু তৰা বুলি শুনি মই আৰু নাজিৰ শৰ্মাই কৌতুহলবশতঃ চাবলৈ গ'লো জীপ এখনত। চাহাবে হিংস্ৰ জন্তুৰে ভৰা উদ্যানৰ জন কোলাহলৰ পৰা আঁতৰত তম্বুত তৰি

এমাহৰ বাবে বৰশী বাবলৈ আহিছে, লগতে তেওঁৰ স্ত্ৰী। কাযতে এটি তম্বু বাবুচিকে ধৰি তিনিজনমান পিয়ন চাপ্ৰাচী। ভাবিলো সাত সাগৰ তেৰ নদীৰ সিপাৰৰ পৰা অহা ইংৰাজ চাহাবে জীৱন মাধুৰি পান কৰিব জানে। আমি কথা-বাৰ্তা পাতি বুজিব পাৰিলো তেওঁলোক প্ৰায় প্ৰতি বছৰে এইদৰে মানাহ নৈৰ পাৰত অৱসৰ উপভোগ কৰিবলৈ আহে।

মানাহত সময়ে সময়ে বনৰীয়া হাতীয়ে পয়মাল ঘটোৱাৰ দৃষ্টান্ত বহুত পোৱা যায়। মানাহৰ এজন বনৰক্ষীয়ে কৈছিল ১৯৬০ চনত এবাৰ মন্ত্ৰী মইনুল হক চৌধুৰীয়ে মথনগুৰিত থকা গেষ্টহাউছৰ পৰা বাসবাৰীলৈ আহি থাকোতে তেওঁ অহা গাড়ীখনলৈ এক বনৰীয়া গজৰাজে চোঁচা লৈছিল আৰু প্ৰায় এক কিলোমিটাৰ পথ তীব্ৰ গতিবেগত গাড়ী চলোৱাৰ পিছতহে গজৰাজৰ পৰা নিস্তাৰ পাইছিল।

আমি মানাহৰ যাত্ৰীনিবাসত থকাৰ প্ৰথম নিশা এটি আমোদজনক ঘটনা ঘটিল। নিশা প্ৰায় বাৰমান বজাত নলবাৰীৰ পৰা তেতিয়াৰ বিধায়ক চৌধুৰীৰ নেতৃত্বত এদল বনভোজৰ যাত্ৰী আহি পালেহি। বয়োজ্যেষ্ঠকেইজনে নিশা হোৱা বাবে নিৰামিষ ভোজন ঠিক কৰি নিশা ডেৰ বজাত সকলোকে খাবলৈ মাতিলে। তাচ খেলত মগ্ন ডেকা দলটোৱে নিৰামিষ আহাৰৰ বাবে তীব্ৰ প্ৰতিবাদ কৰিলে। ফলত নিশা ডেৰ বজাত বাছৰ হুদৰ পৰা ছাগলী নমালে। ভোজনৰ সময়ত পুৱা চাৰি বাজিল। আৰু চকামকা পোহৰ দেখা গ'ল।

পুৱাৰ লগে লগে দেখিলো নিশাৰ বতাহজাক নাই আৰু প্ৰকৃতিয়ে শান্ত ৰূপ ধাৰণ কৰিছে। সন্ধিয়াৰ লগে লগে আৰম্ভ হৈ দোকমোকালিলৈকে এই বতাহজাকে হেনো সদায়ে খৰ গতিত প্ৰবাহিত হৈ থাকে আৰু পুৱাৰ লগে লগে অন্তৰ্ধান হয়। এইটো প্ৰকৃতিৰে এটা ৰহস্যময় ৰূপ। দিনৰ ভাগত মানাহৰ সিপাৰৰ পৰা ভুৱন ভুলোৱা দৃশ্যৰাজিয়ে মন মুহি পেলালে। পুৱা ৮ মান বজাত ভাৰা কৰা টুৰিজিম বিভাগৰ এখন নাৱত আমি মানাহ নৈৰ ওভোতনি সোঁতত যাত্ৰা কৰিলো। নাও ধীৰে ধীৰে উজাই ভূটান চৰকাৰৰ এলেকাত প্ৰৱেশ কৰিলে। যিমানে আগুৱাই যাওঁ সিমানে নৈখনৰ দুয়োপাৰৰ চকুৰে মণিব পৰালৈকে সীমাহীন প্ৰকৃতিৰ অপৰূপ দৃশ্যৰাজি। ন ন ৰূপে চকু চাট মাৰি ধৰে। এই ৰূপৰ যেন অন্ত নাই। এফালে পাহাৰ, আনফালে সমতল। ঠিকেই কয় – nature abhors monotony পাহাৰবোৰৰ বুকুত ফুলা ফুলৰ পয়োভৰ। কবিৰ ভাষাত–

'দ্ৰোণীজাত শুভ্ৰ কান্তি দ্ৰোণী দলে।
প্ৰীতিভৰা লাজাঞ্জলি যাচিছে সাদৰে।'

নৈখনো ক্ৰমে ক্ৰমে সৰু হৈ আহিবলৈ ধৰিলে। ৰাবাৰ বোটেৰে হেনো ডি. এফ.অ'.দেৱৰয় চাহাবে ওপৰলৈ ২০ কিলোমিটাৰমান গৈছিল। এই নৈখন বিয়াগোম মহছিৰ মাছেৰে উভৈনদী।

ভূটানৰ সীমান্তত প্ৰায় ৬/৭ কিলোমিটাৰৰ ভিতৰত মানাহ নৈৰ পাৰত য'ত ভূটানৰ ৰজাই সেই সময়ৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ দূত, প্ৰসিদ্ধ অৰ্থনীতিবিদ Mr john Kenneth Galbraith

ক ১৯৬১ চনৰ মে' মাহত অভ্যৰ্থনা জনাইছিল, সেই ঠাইখিনি দেখা পালো। ভূটানৰ দক্ষ কমিছনাৰ জে. বি. প্ৰধানৰ অক্লান্ত পৰিশ্ৰমত তিনিশ বনুৱাই ১৫ দিনমান দিনে ৰাতি খাটি অস্থায়ী সৰু বৰ অসংখ্য খেৰ বাঁহেৰে সজা ঘৰেৰে অস্থায়ী গাঁও এখনকে প্ৰতিষ্ঠা কৰিছিল। য'ত গেইলব্ৰেইথ চাহাবে দুদিন দুৰাতি অতিবাহিত কৰিছিল। তেখেতে লিখা Ambassador's Journal' নামৰ ভাৰত বিষয়ক প্ৰসিদ্ধ কিতাপখনত ইয়াৰ সৰস বৰ্ণনা দি গৈছে। সাঁতুৰিবলৈ গৈ মানাহ নৈৰ কোবাল সোঁতত তেখেতে কথমপিহে পৰিত্ৰাণ লাভ কৰিছিল।

হাজাৰ- বিজাৰ বিশাল আকৃতিৰ বনৰীয়া ম'হৰ বিচৰণ ভূমি মানাহ ৰাষ্ট্ৰীয় উদ্যান। এবাৰ হেনো জোনাক নিশা দুটা প্ৰকাণ্ড বনৰীয়া মতা ম'হে টুৰিষ্ট লজৰ সন্মুখত থকা নৈৰ পাৰৰ বিশাল শিলাখণ্ডত ওৰে নিশা যুদ্ধত অৱতীৰ্ণ হৈ পোহৰ হোৱাৰ লগে লগে উভয়ে সেই ঠাই এৰি গুচি গৈছিল। এয়া যে বন্যপ্ৰাণীৰ লীলাভূমি।

১৯৬২ চনৰ পৰা ১৯৮৫ চনলৈ মই প্ৰায় ১৭-১৮ বাৰ মানাহ অভয়াৰণ্যলৈ গৈছো। সৰু-বৰ বহু অভিজ্ঞতা সঞ্চয় কৰিছো। এবাৰ ডি.এফ. অ'.দেৱৰয়ৰ লগত জীপগাড়ীৰে কোকলাবাৰীলৈ যোৱা নতুনকৈ খোলা ৰাস্তা এটিৰে আঠ কিলোমিটাৰমান গভীৰ অৰণ্যৰে গৈ থাকোতে বিপৰীত দিশৰ পৰা এটা প্ৰকাণ্ড ভালুক নিশ্চিন্ত মনে মূৰটো লৰাই আহি থকা দেখি জীপখন ইঙ্গিতেৰে ৰখালে। যেতিয়া ভালুকটোৱে জীপখনৰ প্ৰায় বিশ ফুটমান ওচৰ পালেহি, তেতিয়া পিছফালে থিয় হৈ অহা অভিজ্ঞ বনৰক্ষী এজনে হাতচাপৰি বজাই দিয়াত জাম্বুবনে মূৰটো থিয় কৰি খন্তেকৰ বাবে আমালৈ দৃষ্টি নিক্ষেপ কৰি সশব্দে ওচৰৰ জংঘললৈ গতি কৰি অদৃশ্য হ'ল। ইমান ওচৰৰ পৰা বন্য ভালুক দৰ্শন মোৰ সেয়ে প্ৰথম।

১৯৬৮ চনত মই মোৰ ভনী দুজনী,ভনী-জোঁৱাই আৰু চালুকীয়া ভাগিন দুটিক লৈ দুটা বন বিভাগৰ হাতীত উঠি বন্য জীৱ-জন্তু চাবলৈ গৈ মানাহৰ গভীৰ অৰণ্য ভূমিত প্ৰবেশ কৰিছিলো। সন্ধিয়াৰ আগে আগে আমি ওভতাৰ পথত এটি দ পানীৰ ডাঙৰ বহল ডোবা পালো। ডোবাটোৰ আনটো পাৰ সুউচ্চ থিয় গৰা। আমি দেখিলো এটা বিশালকায় এদঁতীয়া মতা হাতীয়ে যাক গণেশ বোলা হয় আমালৈ ক্ৰুদ্ধভাৱে নিৰীক্ষণ কৰি বিকট চিঞৰ মাৰি চোঁচা ল'লে। মাউত দুজনে আমাক সাহস দি কথা-বাৰ্তা বন্ধ কৰিবলৈ কৈ মোৰ ভনীকেইজনী উঠা মাইকী হাতীটোক পিছত দি আমি উঠা মতা হাতীটোক আগলৈ নি বেগেৰে গতি কৰিলে। পিছত ইয়াৰ কাৰণ সোধাত ক'লে যে মতা গণেশ হাতীটোৱে থিয়গৰা পাৰ হওতে সময় ল'ব আৰু মাইকী হাতীটোক সতকাই আক্ৰমণ নকৰে। মাউত দুজনৰ কথা-বাৰ্তাৰ পৰা বুজিলো যে এদঁতীয়া গণেশৰ আগমনৰ বাবেই ওচৰে-পাঁজৰে কেইবাদিনো ধৰি অন্য বনৰীয়া হাতীবোৰ তাৰ প্ৰচণ্ড প্ৰতাপত অন্তৰ্ধান হৈছে।

১৯৭০ চনত মই চিদলী ৰাজহ চক্ৰত থাকোতে মোৰ চক্ৰৰ সমূহ কৰ্মচাৰীক লৈ মানাহত বনভোজ খাবলৈ গৈছিলো। আমাৰ নিমন্ত্ৰিত অতিথি হিচাপে মন্ত্ৰীক কোকৰাঝাৰ চিভিল এছ ডি অ' প্ৰকৃতিপ্ৰেমী প্ৰণৱ বৰা আই এ এছ ডাঙৰীয়াও আমাৰ লগত গৈছিল।

আমি মানাহ নৈখনৰ সিপাৰে থকা ভূটান চৰকাৰৰ টুৰিষ্ট লজত পূৰ্বৰ বন্দৱস্ত মতে আছিলো। আমাৰ সহযাত্ৰী ৭০ জনমানে ভূটান চৰকাৰৰ অৰ্ধনিৰ্মিত ঘৰবোৰত যেনে-তেনে আছিল। ভূটানৰ ৰেঞ্জাৰজনে মোক কৈছিল যে ইমান বৃহৎ বনভোজ খোৱা কোনো দলেই তেতিয়ালৈকে ভূটান এলেকাত নিশা যাপন কৰা নাই। মানাহৰ ইটো পাৰে অসমৰ সীমান্তত তেতিয়া অসমৰ সৰবৰহী চীফ চেক্ৰেটৰী এ এন কিডোৱাই চাহাবৰ বিদায় সম্ভাষণৰ উৎসৱ চলি আছিল।

১৯৭৬ চনত অভয়াপুৰীত বহা সাহিত্য সভা ঃ অধিৱেশনত উপস্থিত হৈ ওভতাৰ বাটত মোৰ এজন বন্ধুৰ লগত মানাহৰ মথনগুৰি হৈ ভূটানৰ যাত্ৰীনিবাসত জিৰণি লৈছিলো। সন্ধিয়াৰ আগে আগে উভতিলো। নাও বন্ধা ঠাইলৈ প্ৰায় এক কিলোমিটাৰ পথ জুপুৰি বন, উলুৱনি আৰু সৰু সৰু শিলৰ ওপৰেদি খোজকাঢ়ি আহি আছে। হঠাতে আমাৰ মূৰৰ প্ৰায় দুশ ফুট ওপৰেৰে ৫০-৬০ টা মান ডাঙৰ প্ৰজাতিৰ ধনেশ চৰাই জাক পাতি চিঞৰ-বাখৰ কৰি উৰি গ'ল। ইমান তলেদি উৰি গৈছিল যে মূৰৰ ওপৰেদি হেলিকপ্টাৰ উৰা মৰা যেন লাগিছিল। মোৰ ৰবি ঠাকুৰৰ বিখ্যাত কবিতা এফাকিলৈ মনত পৰিল—

সহসা শুনিনু সেই ক্ষণে
সন্ধ্যাৰ গগনে
শব্দেৰে বিদ্যুৎ ছটা শূন্যেৰ প্ৰান্তৰে
মুহূৰ্তে ছুটিয়া গেল দূৰ হতে দূৰে দূৰান্তৰে।'

১৯৮৫ চনত আমি চাৰিটা পৰিয়াল গুৱাহাটীৰ পৰা যাত্ৰা কৰি মানাহৰ ( মথনগুৰি) দুমহলীয়া যাত্ৰীনিৱাসত পূৰ্বৰ বন্দৱস্ত মতে থিতাপি লৈছিলো। এই যাত্ৰীনিবাসৰ পৰা মানাহ নৈখনৰ বিস্তৃত অঞ্চলৰ নয়নাভিৰাম দৃশ্যৰাজিয়ে যিকোনো পৰ্যটকক বিস্ময় বিমুগ্ধ নকৰাকৈ নাথাকে। নদীৰ বালিৰ বুকুত দিগন্ত বিয়পা সৰু-ডাঙৰ সংখ্যাতীত শুভ্ৰ শিলবোৰে চালি ধৰিছে । ভ্ৰমণকাৰীৰ মন-প্ৰাণ কাঢ়ি নিয়া এই দৃশ্য মোৰ স্মৃতিপটৰ পৰা কেতিয়াও আঁতৰ নহয়। দেখিলো ১৮৬২ চনতে পোৱা সন্ধিয়াৰ লগে লগে আৰম্ভ হৈ, সূৰ্য উদয়ৰ আগে আগে শেষ হোৱা হো-হোৱনি তোলা বতাহজাক একেদৰেই আছে। আৰু আছে শিলৰ বুকুত ঠেকা খাই দূৰৈত হোহোৱাই থকা খৰস্ৰোতা মানাহ নৈখনৰ স্ফটিকসদৃশ পানীধাৰা। কবি অম্বিকাগিৰী ৰায়চৌধুৰীৰ কাব্যিক ভাষাৰে–

তোমাৰ অনন্ত এই ক্ষেত্ৰ অভিনয়
খেলিছা কিমান খেলা প্ৰেম পুণ্যময়
কত ৰূপ ধৰি তুমি সৰজি সৌন্দৰ্যভূমি
ভাঙি ছিঙি সাং হোৱা লুব্ধ প্ৰাণ মোৰ
কৰি তোলা প্ৰাণ ভৰা শান্তিত বিভোৰ।

এই যাত্ৰাতে এদিন আমি আটায়ে আবেলি হাতীৰ পিঠিত উঠি বন্যপ্ৰাণী চাবলৈ ওলালো। কেইকিলোমিটাৰমান যোৱাৰ পিছত দেখিলো এটা প্ৰকাণ্ড ঢেঁকীয়াপতীয়া বাঘে উলুৱনি এড়ুৱাৰ

মুকলি ঠাইত বহি আমালৈ যেন জিজ্ঞাসু দৃষ্টিৰে চাই চাই লাহে লাহে আঁতৰ হৈছে। বাঘটোৰ সেই চাৱনি পাহৰিব নোৱাৰি। কেইনলমান আঁতৰত উলুবনিৰ মাজত সৰু বাঘ এটা মৰো মৰো অৱস্থাত পৰি আছে। আমাৰ লগত যোৱা বনৰক্ষীজনে ক'লে যে চোপ লৈ থকা ডাঙৰ বাঘটোৱে হয়তো তাৰ চিকাৰ বুলি ভাবি ভুলতে সৰু বাঘটো মাৰিলে। হাবি-বননিত আহাৰৰ বাবে বাঘে বাঘৰ মাংস খোৱা শুনা নাযায়।

এসময়ত গোটেই অসমখনেই ভৰপূৰ হৈ আছিল বিভিন্ন প্ৰজাতিৰ বন্যপ্ৰাণীৰে। ৰাজেন্দ্ৰলাল উজিৰে লিখা 'মোৰ চিকাৰ কাহিনী'খন পঢ়িলেই ইয়াৰ তাৎপৰ্য সম্যক উপলব্ধি হয়। ১৯২৯ চনত তেখেতে দলগাঁৱৰ ওচৰৰ অৰণ্য ভাগত অসংখ্য শিঙাল মচ পহু দেখিছিল। এবাৰ তেওঁ সাতটা বৰগুলী মাৰি এটা প্ৰকাণ্ড শিঙাল মচ পহু মাৰিছিল। দূৰৈৰ পৰা ইয়াক এটা প্ৰকাণ্ড ম'হ যেন দেখা গৈছিল। মৰাৰ পিছত দুজন বলবান মানুহে ইয়াৰ ঠেং এখনকে লৰাব পৰা নাছিল। ১৪ জন মানুহে বাঁহৰ ডাং আৰু জৰীৰে পহুটো বৰ কষ্টেৰে নিব পাৰিছিল। এয়া আছিল আজিৰ পৰা ৬০-৭০ বছৰ আগৰ অসম।

World Heritage এ সামৰি লোৱা ৰাষ্ট্ৰীয় উদ্যানত আছে One of the best collections of floral species in India বহুতৰে মনত মানাহ হ'ল প্ৰকৃতিৰ বিস্ময়। কিন্তু যোৱা ৮ বছৰে এই ৰাষ্ট্ৰীয় উদ্যানখনত নিৰ্বিচাৰে চলি আহিছে বড়ো উগ্ৰপন্থীসকলৰ নিষ্ঠুৰ ধ্বংসযজ্ঞ। চৰকাৰৰ এই দুৰ্বলতাক ভৱিষ্যৎ প্ৰজন্মই কেতিয়াও ক্ষমা নকৰে। প্ৰকৃতিৰ অনবদ্য অৱদান বন্যভূমি এখনকে যদি চৰকাৰে ৰক্ষা কৰিব নোৱাৰে দেশ ৰক্ষাৰ চিন্তা কৰিব কেনেকৈ।

আন্তৰ্জাতিক খ্যাতিসম্পন্ন প্ৰকৃতিবিদ প্ৰাণী জগতৰ ডন ব্ৰেডমেন সদৃশ পদ্মশ্ৰী ডাঃ ৰবীন বেনাৰ্জীয়ে ১৯৭১ চনতে শুনোৱা সাৱধানবাণী চাওক— I think it would be a mistake not to admit that the present time is most critical for india's wild life as 90 perecnt of which has already vanished. The wild life of today is not out property to dispose of as we please. We must account for it to those who come after.

কিন্তু তেখেতৰ এই গভীৰ উক্তি কেইজনে উপলব্ধি কৰিব পাৰিছে? মহাকবি ভৱভূতিয়ে কৈছিল— 'উৎপৎসতে হস্তি মম কোহপি সমানধৰ্ম্মা' অৰ্থাৎ সমান গুণবিশিষ্ট হ'লেহে এজনে আন এজনৰ প্ৰতিভাৰ উমান পাব পাৰে। ●

*(ইং ২১-০৪-২০০৫ তাৰিখৰ 'আমাৰ অসম' কাকতত প্ৰকাশিত)*

লুইতৰ পৰা টেমছলৈ ২০০৬ চন

# ১৯৭৯ চনৰ লোকসভা নিৰ্বাচন উপলক্ষে সন্মুখীন হোৱা সেই ভয়ঙ্কৰ দিনবোৰ

বছৰটো আছিল ১৯৭৯ চন আৰু মাহটো ডিচেম্বৰ মাহ। এই চনটো অসমৰ ইতিহাসত সদায় উল্লেখযোগ্য হৈ থাকিব। সেই সময়ত অসম আন্দোলন অৰ্থাৎ অবৈধ বিদেশী বহিষ্কাৰৰ আন্দোলনে ব্ৰহ্মপুত্ৰ উপত্যকাত ভৰপক দিছিল। মই তেতিয়া নগাঁও সদৰ ৰাজহ চক্ৰত ৰাজহ বিষয়া আৰু দণ্ডাধীশ হিচাপে কাৰ্যনিৰ্বাহ কৰা দুবছৰ হৈছিল। অসম চৰকাৰক অবৈধ চৰকাৰ ঘোষণা কৰি সদৌ অসম ছাত্ৰ সন্থাই সত্যাগ্ৰহকে ধৰি বিভিন্ন পদ্ধতিৰ আন্দোলন সফলতাৰে চলাই আছিল। স্বৰূপাৰ্থত বিদেশী নাগৰিকৰ বহিষ্কাৰৰ দাবীত অসমীয়া জাতি সম্পূৰ্ণভাৱে ঐক্যবদ্ধ হৈ পৰিছিল।

আন্দোলনৰ নেতৃত্বত থকা আছুৱে ১৯৭৯ চনৰ ডিচেম্বৰ মাহত পাতিব ওলোৱা লোকসভা নিৰ্বাচন বৰ্জন কৰাৰ সিদ্ধান্ত ল'লে। নিষ্ঠাবান আৰু দায়িত্বশীল চৰকাৰী চাকৰিয়াল সকল বৰ বিবুধিত পৰিছিল। কাৰ্যালয়লৈ গ'লেও বিপদ নগ'লেও বিপদ ন যযৌ ন তস্থৌ অৱস্থা। আনহাতে আমি এ চি এচ বিষয়া সকলে দণ্ডাধীশৰ কামো কৰিব লগা হৈছিল। আন্দোলনৰ ফলত অফিচ-কাছাৰী, স্কুল-কলেজ আদি শিক্ষানুষ্ঠানবোৰত অচল অৱস্থা বিৰাজ কৰিছিল। বিভিন্ন ঠাইত আমি আইন-শৃংখলাৰ দায়িত্বত থাকিব লগা হোৱাত যি কোনো বিষম পৰিস্থিতিৰ বাবে আমি মানসিকভাৱে সাজু থাকিব লগা হৈছিল।

১৯৭৯ চনৰ ডিচেম্বৰ মাহ, দিল্লীত আগৰ বছৰ জুলাই মাহত লোকদলৰ আৰু ইউ কংগ্ৰেছ সন্মিলিত মন্ত্ৰীসভা গঠন হৈছিল। ইতিমধ্যে সংসদ ভঙ্গ কৰা হৈছিল। অসমত জোৰা টাপলি মাৰি গঠন কৰা মন্ত্ৰীসভাখনৰ মুখ্যমন্ত্ৰী আছিল প্ৰয়াত যোগেন হাজৰিকাদেৱ। সংসদৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰা দিন ধাৰ্য হোৱাৰ দুদিন আগতে উপায়ুক্ত জিতেন গোহাঁই ছাৰে মোক নগাওঁ চাৰ্কিট হাউছত আইন-শৃংখলাৰ দায়িত্বত নিয়োগ কৰে। মই মোৰ চৰকাৰী বাসভৱনত নেথাকি কামৰ সুবিধাৰ বাবে চাৰ্কিট হাউছতে থাকিবলৈ ললো— উপায়ুক্তৰ নিৰ্দেশক্ৰমে মই দেখিলো গোটেই আৱৰ্ত ভৱনটো সমৰ ক্ষেত্ৰত পৰিণত হ'ল চি আৰ পি আৰু অসম পুলিচে আৱৰ্ত ভৱনটো বাহিৰে ভিতৰে বেৰি আছিল। বিনা অনুমতিত কোনেও প্ৰৱেশ কৰিব নোৱাৰিছিল। চাৰ্কিট হাউছৰ ভিতৰত এটা পল্টনসহ চি আৰ পিৰ এজন উত্তৰ প্ৰদেশৰ ফালৰ ডেপুটি কামাণ্ডেন্টকো দেখিলো। ডি আই জি দেৱেন সোণোৱালক মনোনয়ন পত্ৰ দাখিলৰ সময়ছোৱাত চাৰ্কিট হাউছৰ ডিউটিৰ বাবে নিয়োগ কৰিছিল। মুঠৰ ওপৰত মনোনয়ন পত্ৰ

দাখিলৰ সময়ছোৱাত পুলিচ বিষয়া হিচাপে দেবেন সোণোৱাল আৰু দণ্ডাধীশ হিচাপে মোৰ ওপৰত কৰ্তব্য ন্যস্ত আছিল। মই কটন কলেজত পঢ়া দিনৰ পৰা সোণোৱাল চাহাবৰ লগত পৰিচয় আছিল। তেখেতে আছিল এজন খাটি ভদ্ৰলোক আৰু বিভিন্ন মানৱীয় গুণেৰে ভৰপূৰ।

মনোনয়নপত্ৰ দাখিলৰ প্ৰথম দিনাখন কেন্দ্ৰীয় বৈদেশিক ৰাজ্যমন্ত্ৰী বেদব্ৰত বৰুৱাই নমিনেচন পত্ৰ দাখিল কৰিবলৈ দিল্লী হৈ বৰঝাৰ বিমানকোঠৰ পৰা নামিয়েই বাহিৰে বাহিৰে নগাঁও হৈ আহি নিশাৰ ভাগত নগাঁও চাৰ্কিট হাউছৰ ১ নং ভি আই পি কোঠাত সোমাল। তেতিয়াৰ ডি আই জি কে পি এচ গিল চাহাবে লগত ৰাইফলধাৰী পুলিচ আৰু বি এচ এফ সহ অসংখ্য পুলিচ বাহনেৰে মন্ত্ৰী মহোদয়ক এচকোৰ্ট কৰি আনিছিল। মন্ত্ৰী মহোদয়ে তেখেতে লিখা 'ৰাজনৈতিক জীৱনৰ বিচিত্ৰ অভিজ্ঞতা'ত লিখিছে — "অসংখ্য বাহনৰ সমদল লৈ ৰাতি নগাঁও পালোগৈ। বি.এচ.এফ.ৰ দ্বাৰা গোটেই চাৰ্কিট হাউছ পৰিবেষ্টিত হৈ এক অশান্তিময় পৰিৱেশত ছটা দিন কটালো।"

দুদিন পিছত এম পি আৰু সৰ্বভাৰতীয় কংগ্ৰেছ সভাপতি দেৱকান্ত বৰুৱাই নগাঁৱত থকা নিজা বাসভৱনৰ পৰা মন্ত্ৰীক আহি নগাঁৱৰ পুৰণা চাৰ্কিট হাউছত পূব দিশৰ কোঠাটোত থিতাপি ল'লে। লগত লৈ আহিল নগাঁও জিলা কংগ্ৰেছৰ চেক্ৰেটাৰী জনাব আলি আৰু বিভিন্ন ৰুচিৰ অসংখ্য কিতাপ। মই বৰুৱা ডাঙৰীয়াক দেখা কৰিলো আৰু নিজৰ পৰিচয় ব্যক্ত কৰিলোঁ। মনতে ভাবিলো এইজনেই সেইজন কিম্বদন্তী সদৃশ পুৰুষ যিয়ে ১৯৩৫ চনৰ 'আৱাহন' ৬ষ্ঠ বছৰ ১০ ম সংখ্যাটোত 'কলংপাৰত মাজনিশা' নামৰ ভিন্ন স্বাদৰ ৰোমাণ্টিক ভাবৰ আধুনিক কবিতাটো লিখি অসমৰ কাব্য জগতত খলকনি তুলিছিল। হায় ৰাজনীতিলৈ আহি অসমীয়া কাব্যজগতৰ এটি উজ্জ্বল শশধৰ চিৰদিনৰ বাবে অন্তৰ্হিত হ'ল। বৰুৱাদেৱে মোৰ লগত আন্তৰিকতাৰে কথা পাতিলে। ইতিমধ্যে মন্ত্ৰী বৰুৱাদেৱে মোক তেখেতৰ কোঠালৈ মাতি নিলে আৰু তেখেতসকলে নমিনেচন পত্ৰ দাখিল কৰিবলৈ গ'লে হেজাৰ-বিজাৰ জনতাই বাধা প্ৰদান কৰিলে মই কেনেধৰণে মোকাবিলা কৰিম জানিব বিচাৰিলে। জনতা নিয়ন্ত্ৰণৰ বাবে আৱশ্যক বুজি প্ৰথমে কন্দুৱা গেছ প্ৰয়োগকে ধৰি লাঠি চাৰ্জ আৰু শেষত গুলীচালনা কৰাৰ নিৰ্দেশ থকাৰ কথা কোৱাত তেখেত সন্তুষ্ট হোৱা যেন লাগিল।

ইফালে প্ৰত্যেক দিনে ৰাতিপুৱাৰে পৰা আবেলি পৰলৈ চাৰ্কিট হাউছৰ চৌদিশে সংখ্যাতীত জনতাৰ সমাৱেশ ঘটিছিল- দুয়োজন বৰুৱাকে মনোনয়ন পত্ৰ দাখিল কৰাত বাধা দিবলৈ। মন্ত্ৰী বৰুৱাই 'প্ৰান্তিক'ত (১জুলাই. ২০০৩ চন) লিখিছে, প্ৰত্যেক দিনে ৰাতি পুৱা ১০বজাৰ পৰা ৫ বজালৈ লাখ লাখ জনতাৰ সমাৱেশ, আমাক মনোনয়ন পত্ৰ দাখিল কৰাৰ পৰা বিৰত থাকিবলৈ।' নগাঁও চহৰৰ বাসিন্দা শিক্ষক শিক্ষায়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ উপৰিও ওচৰৰ গাঁওবোৰৰ পৰাও অৱৰোধ কাৰ্যসূচীত অংশ ল'বলৈ অসংখ্য জনতাৰ সোঁত বৈছিল। আন্দোলনকাৰীসকলে পুৱাৰ পৰা সন্ধিয়ালৈকে গাত গা লগাকৈ এনেদৰে অৱস্থান লৈছিল যে চাৰ্কিট হাউছৰ চাৰিওফালৰ নৰ্দমা পৰ্যন্ত বাদ পৰা নাছিল। নমিনেচন পত্ৰ দিবলৈ গ'লে

জনতাই ৰচনা কৰা মানুহৰ দুৰ্গ ভেদ কৰি যোৱাটো অসম্ভৱ। আৰু তাৰ বাবে হ'ব পৰা গুলী চালনাত শইশই মুনিহ-তিৰোতা, ল'ৰা-ছোৱালী মৃত্যুমুখত পৰি দ্বিতীয় এখন জালিয়ানাৱালাবাগৰ সৃষ্টি হোৱাৰ সম্ভাৱনা পূৰা মাত্ৰাই আছিল। মই দুবছৰ কাল ধৰি নগাঁও চহৰত থাকিব লগা হোৱা বাবে নগাঁও চহৰৰ স্থানীয় বাসিন্দাকে ধৰি স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী আৰু বহু প্ৰবক্তাৰ লগত মোৰ ব্যক্তিগত পৰিচয় ঘটিছিল। মোক বহুতে চিনি পোৱাত আইন-শৃঙ্খলাৰ দায়িত্বত চাৰ্কিট হাউছত মই থকাটো বহুতে জানিছিল। গতিকে। গুলীচালনাৰ পৰ্যায় পালে ক্ষুব্ধ জনতাই মোৰ ওপৰত প্ৰতিশোধ পৰায়ণ হৈ চাৰ্কিট হাউছৰ পৰা নাতিদূৰৈত অৱস্থিত আৰু পুলিচৰ ৰক্ষণাবেক্ষণ নথকা মোৰ চৰকাৰী বাসগৃহটোত জুই জ্বলাই দি মোৰ পৰিয়ালটো অগ্নিদগ্ধ হোৱাৰ পূৰামাত্ৰাই সম্ভাৱনা আছিল। এই কথা ভাবি মই শিয়ৰি উঠিছিলো আৰু মনে-প্ৰাণে ভগৱানক খাটিছিলো যাতে পৰিস্থিতি সাপেক্ষে দুয়োজন লোকসভাৰ প্ৰাৰ্থীক নিৰ্বাচিত পত্ৰ দাখিল নকৰিবলৈ ভগৱানে সুমতি দিয়ে।

কিন্তু দুয়োজন বৰুৱাই সময়ে সময়ে নমিনেচন পত্ৰ দাখিল কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিব ধৰা দেখা গ'ল। মই আৰু সোণোৱাল চাহাবে আগন্তুক বিষম পৰিস্থিতিৰ পৰা অব্যাহতি পাবলৈ এটা বুধি পাঙিলো। প্ৰাৰ্থী দুজনে মোক মাতিলে কম যে সোণোৱাল চাহাব বাহিৰত আছে অপেক্ষা কৰক। তেওঁলোকে সোণোৱাল চাহাবক মাতিলে মোৰ গাত ভেজা দি কব যে মেজিষ্ট্ৰেট ডেকা চাৰ্কিট হাউছৰ বাহিৰলৈ গৈছে, তেখেত আহি পালে ব্যৱস্থা কৰা হ'ব।

মই লক্ষ্য কৰিছিলো যে দেৱকান্ত বৰুৱাই মন্ত্ৰী বৰুৱাক সঘনে দিহা পৰামৰ্শ দি থাকে আৰু মন্ত্ৰীজনাৰ হতুৱাই আমাক নিৰ্দেশ দিয়ে। মই সুযোগ বুজি দেৱকান্ত বৰুৱাৰ ৰুমলৈ গৈছিলো আৰু তেখেতৰ মনোভাব বুজিবলৈ যত্নপৰ হৈছিলোঁ। তেখেতে কিন্তু নমিনেচন পত্ৰ দাখিল কৰিবলৈ দৃঢ় সংকল্প সুযোগ বুজি মই বৰুৱা ডাঙৰীয়াৰ অনুপস্থিতিত বৰুৱানী বাইদেউক তেখেতৰ মিষ্টাৰক নমিনেচন পত্ৰ দাখিল কৰাৰ পৰা বিৰত থাকিবলৈ অনুৰোধ কৰিছিলো আৰু সম্ভাব্য ৰক্তক্ষয়ৰ বিভীষিকাৰ কথা সোঁৱৰাই দিছিলোঁ। উত্তৰত বৰুৱানী বাইদেৱে মোক কৈছিল যে নমিনেচন পত্ৰ দিয়াৰ পৰা তেখেতৰ স্বামীক বিৰত থাকিবলৈ বাৰে বাৰে অনুৰোধ কৰিছে যদিও তেখেতে কোনো গুৰুত্ব নিদিয়ে। মাজে মাজে অতিৰিক্ত পুলিচ অধীক্ষক অসীম ৰায়ক দেৱকান্ত বৰুৱাৰ কোঠাত সোমাই মেল পতা দেখিলো। কথা বিষম দেখি অসীম ৰায় দেৱ বৰুৱাৰ কোঠাত সোমালেই ময়ো সেই কোঠাত প্ৰবেশ কৰি বেলেগ কথাৰ অৱতাৰণা কৰিছিলো। সন্মুখত ভয়াবহ পৰিস্থিতি বিৰাজমান আৰু মোৰ বাবে চাৰ্কিট হাউছত ডিউটিত থকা সময়খিনি ঘোৰ অমানিশা সদৃশ হৈছিল। এদিন সন্ধিয়া বেলিকা নগাঁৱৰ প্ৰবীণ কংগ্ৰেছ নেতা আৰু একালৰ দেৱকান্ত বৰুৱাৰ ৰাজনৈতিক সহকৰ্মী ৰূপৰাম সূত ডাঙৰীয়াই কেইজনমান বিশিষ্ট কংগ্ৰেছ কৰ্মীৰ লগত দেৱকান্ত বৰুৱাক লগ পাবলৈ বিচাৰিলে। তেওঁলোকে উভয় প্ৰাৰ্থীক পৰিস্থিতিৰ গুৰুত্ব বুজি নমিনেচন পত্ৰ দিয়াৰ পৰা বিৰত থাকিবলৈ বুজনি দিব খুজিছিল। বৰুৱাই তেখেতসকলক লগ পাবলৈ অনিচ্ছা প্ৰকাশ কৰিলে।

উৰ্দ্ধতম কৰ্তৃপক্ষৰ হেঁচাত জিলা দণ্ডাধীশে নমিনেচন পত্ৰ দাখিল কৰাৰ অন্তিম দিনা নগাঁও চহৰত কাৰ্ফিউ জাৰি কৰিলে। উভয় প্ৰাৰ্থীৰে মুখত হাঁহি বিৰিঙি উঠিল। ৰাতি পুৱাই দেৱকান্ত বৰুৱাই নতুন সাজপাৰ পিন্ধি নমিনেচন পত্ৰ দিবৰ বাবে চাৰ্কিট হাউছত টহল দিব ধৰিলে। এনেতে হেজাৰ-বিজাৰ আবাল বৃদ্ধ বনিতা, ছাত্ৰ-ছাত্ৰীকে ধৰি লাখ লাখ জনতাই কাৰ্ফিউ ভঙ্গ কৰি চাৰ্কিট হাউছ ঘেৰি পেলালে। মুঠৰ ওপৰত চাৰ্কিট হাউছৰ চৌদিশে বিশাল জনতাৰ ঘন পদধ্বনিৰ এটা হো হোৱনি শব্দ শুনা গ'ল। ৰজা খেদা নগএগ্ৰাৰ কোব দেখি মই বিচুৰ্তিখালো। নগাঁৱৰ অসমীয়া মানুহৰ একতা দেখি চমৎকৃত হ'লো। ভাব হ'ল– " মৰিয়া নমৰয় ৰাম এ কেমন বৈৰী।" পুৱা ৮ বজাত দেৱকান্ত বৰুৱাই মোক মাতি নি সুধিলে এইবোৰ কি হৈছে। মই নিৰুত্তৰ। তেখেতৰ বুজিবলৈ বাকী নেথাকিল যে সংখ্যাতীত জনতাই কাৰ্ফিউ ভঙ্গ কৰিলে। চাৰ্কিট হাউছৰ চাৰিওফালে বিৰ দি সন্ধি পাবলৈ নাই। মই দুয়োজন প্ৰাৰ্থীক বুজাই কলো যে এনে পৰিস্তিতিত ৰিটাৰ্ণিং অফিচাৰৰ কক্ষলৈ প্ৰাৰ্থীদ্বয়ক নিব লগা হ'লে Afiring is a must ফলত স্কুল-কলেজৰ ছাত্ৰ ছাত্ৰীকে ধৰি শ শ জনৰ মৃত্যু ঘটিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কিন্তু পৰিস্থিতি উপলব্ধি কৰা দেখা গ'ল। ৰিটাৰ্ণিং অফিচাৰ জিতেন গোঁহাই চাৰে আন দিনাৰ দৰে সেই দিনাও ৰাতিপুৱা ৯ বজাত তেখেতৰ কক্ষত বহিল। পৰিস্থিতি উপলব্ধি কৰি তেখেতো বিবুদ্ধি হোৱা যেন লাগিল। তেখেতৰ অন্তৰতো জাতীয়তাবোধৰ ফল্গুধাৰা প্ৰবাহিত আছিল যদিও নিজৰ কৰ্তব্যৰ প্ৰতি সজাগ আছিল। জনতাৰ সাহস আৰু দৃঢ় মনোবল দেখি দেৱকান্ত বৰুৱায়ো second thought দিবলৈ বাধ্য হ'ল। বাহিৰত বিয়োগান্ত নাট পূৰাদমে চলি থাকিল।

ঠিক আবেলি ২ বজাত মন্ত্ৰী মহোদয়ে মোক তেখেতৰ কোঠালৈ মাতি পঠিয়ালে আৰু তেওঁলোকে নমিনেচন পত্ৰ নিদিয়াৰ সিদ্ধান্তৰ কথা ৰিটাৰ্ণিং অফিচাৰক জনাবলৈ মোক নিৰ্দেশ দিলে। মই স্বস্তিৰ নিশ্বাস এৰিলো আৰু ৰিটাৰ্ণিং অফিচাৰ গোহাঁই ছাৰক ফোনত কথাটো জনালোঁ। খন্তেক পিছতে গোহাঁই ছাৰে মোক ফোন কৰি ক'লে যে তেখেতসকলৰ সিদ্ধান্তৰ কথা লিখিতভাৱে জনাব লাগে। মই কাল বিলম্ব নকৰি ৰিটাৰ্ণিং অফিচাৰৰ নিৰ্দেশ প্ৰাৰ্থী দুজনক জনালোঁ। তেখেতসকলে তেখেতসকলৰ ভিতৰত আলোচনা কৰি সুকীয়া সুকীয়াকৈ দুখন কাকতত নিজা নিজা সিদ্ধান্তৰ কথা লিখি ৰিটাৰ্ণিং অফিচাৰক জনাই মোৰ হাতত দিলে। মই দুয়োখন কাকত আথে-বেথে মোৰ জেপত সুমুৱালো। তেতিয়া মোৰ ভাব হৈছিল যে মোৰ দৰে সুখী মানুহ এই পৃথিৱীত দ্বিতীয় এজন নাই। চিঠি দুখন এনেহেন লাগিছিল যেন দুপাহি সৰগৰ পাৰিজাত ফুল। মই কোনো পুলিচ এচকোৰ্ট নোলোৱাকৈ দ্ৰুত গতিত খোজ কাঢ়ি উপায়ুক্তৰ কাৰ্যালয়লৈ গতি কৰিলো। এচকোৰ্ট নিনিয়াৰ উদ্দেশ্য হ'ল, চিপাহী চন্তৰী দেখিলে ৰাইজে মোৰ মতলব বেয়া বুলি ধৰি ল'ব পাৰে, কিয়নো মই গোপনে নমিনেচন পত্ৰ নিয়া বুলি ভাবিব পাৰে। চাৰ্কিট হাউছৰ পূব দিশে নেচনেল হাইৱেত ভৰি দিওঁতেই এজাক ল'ৰা-ছোৱালীয়ে মোক ঘেৰি ধৰিলে। সকলোৰে সন্মুখত নগাঁও কলেজৰ

প্ৰবক্তা, সৰবৰহী মালতী বৰা। তেখেতৰ লগত মোৰ পাৰিবাৰিক চা চিনাকি আছিল। মালতী বৰাক কাণৰ ওচৰত আচল কথাটো ফুচফুচাই ক'লো। মোৰ উদ্দেশ্য সৎ বুলি জানি মোক যাব দিলে আৰু মোক বাধা দিয়া ল'ৰা-ছোৱালীবোৰকো আঁতৰাই নিলে। মই পোনছাটেই ৰিটাৰ্ণিং অফিচাৰক প্ৰাৰ্থী দুজনৰ লিখিত দৰ্খাস্ত দুখন দিলো। ঠিক আবেলি চাৰি বজাত ৰিটাৰ্ণিং অফিচাৰে প্ৰাৰ্থী দুজনৰ ইচ্ছাৰ কথা পাবলিচিটি অফিচাৰ শ্ৰীবৰাৰ হতুৱাই মাইকত ঘোষণা কৰিলে। ৰাইজৰ জয়ধ্বনি আৰু হৰ্ষধ্বনিৰে আকাশ-বতাহ মুখৰিত হ'ল।

সেইদিনাই নিশাৰ ভাগত পুলিচ বিভাগৰ অতিথিশালাত ডি আই জি সোণোৱাল আৰু আনজন ডি আই জি ফণী গগৈয়ে এটা অনুষ্ঠুপীয়া ভোজ ভাতৰ ব্যৱস্থা কৰিছিল। আমাৰ অৰ্থাৎ কৰ্তব্যৰত অফিচাৰ কেইজনমানৰ বাবে। তাত উপায়ুক্ত গোহাঁই ছাৰ আৰু নগাঁও পুলিচ অধ্যক্ষ শৰ্মাও উপস্থিত আছিল। নিশা ঠিক ৮ মান বজাত উপায়ুক্ত গোহাঁই ছাৰক চাৰ্কিট হাউছত বাহৰ পাতি থকা মন্ত্ৰী বেদব্ৰত বৰুৱাৰ কমলৈ মাতি পঠালে। মতাৰ কাৰণ আমি অনুমান কৰিব পাৰিছিলো। উপায়ুক্তই মোকো লগত আহিবলৈ কোৱাত সংগী হ'লো। কোঠাত দেৱকান্ত বৰুৱা আৰু জোনাব আলি উপস্থিত আছিল। মন্ত্ৰী মহোদয়ে পোনছাটেই উপায়ুক্তত জগৰীয়া কৰি ক'লে যে যদি ডি আই জি গীলে মফিদা আহমেদক গুৱাহাটীৰ পৰা বৰপেটালৈ ৫০ মাইল এচকোৰ্ট কৰি নি নমিনেচন পেপাৰ দিয়াব পাৰে তেনেহ'লে তেখেতক নগাঁও চাৰ্কিট হাউছৰ পৰা মাত্ৰ দুশ গজ দূৰৈত থকা ৰিটাৰ্ণিং অফিচাৰৰ কক্ষলৈ কিয় নিব নোৱাৰিলে। দেৱকান্ত বৰুৱাইহে উচটনি দিছিল। অৱশ্যে মফিদা আহমদে বৰপেটাত নমিনেচন পত্ৰ দিবলৈ সক্ষম হোৱাত উভয় বৰুৱাৰ হাৰ্ট বাৰ্ণিং হৈছিল বুলি মোৰ অনুমান হৈছিল। মন্ত্ৰীৰ উচ্চ বাচ্য শুনিও উপায়ুক্তই বেছি বাক্-বিতণ্ডালৈ নগৈ নীৰৱতা অৱলম্বন কৰিলে। খন্তেক পিছতে আমাক বিদায় দিলে।

নগাঁৱত বিৰাজ কৰা উত্তপ্ত পৰিস্থিতিৰ বাবে নগাঁৱত নিশা যাপন কৰা সমীচীন নহ'ব বুলি ভাবি সেই নিশাই ১২ বজাত উভয় বৰুৱাই সশস্ত্ৰ এচকোৰ্ট সহ গুৱাহাটীলৈ যাত্ৰা কৰি পিছ দিনা পুৱাৰ ভাগত দিল্লীলৈ যাত্ৰা কৰিলে। এচকোৰ্ট পাৰ্টিত বোধকৰো অঃ উপায়ুক্ত দলবাহাদুৰ ছেত্ৰী আছিল। মোকো যাবলৈ কৈছিল যদিও মই মানসিকভাৱে অৱসন্ন বোধ কৰাত নগ'লো।

আজি সুদীৰ্ঘ ২৫ বছৰ পিছতো সেই ভয়ঙ্কৰ দিনবোৰৰ কথা মনত পৰি শৰীৰ শিয়ৰি উঠে। তেতিয়া উত্তৰ হ'ব পৰা বিষম পৰিস্থিতিৰ কথা ভাবি। এয়া আছিল মোৰ বাবে A terrible nightmare। ●

*(২০০৬ চনৰ 'লুইতৰ পৰা টেমচলৈ' নামৰ বাৰ্ষিক আলোচনীত প্ৰকাশিত)*

# মঙলদৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়

ঐতিহ্যপূৰ্ণ মঙলদৈ হাইস্কুলৰ গোৰাপত্তন হৈছিল ১৯০৩ চনত। তাৰ আগতে এখন চৰকাৰী এম.ই. স্কুল আছিল আৰু সেই স্কুলখন বৰ্তমানে থকা মঙলদৈ সদৰ থানাখনত এটি খেৰীঘৰত বহিছিল। কিন্তু এই এম. ই. স্কুলখন কেতিয়া স্থাপন কৰা হৈছিল তাৰ সঠিক বিৱৰণ পোৱা নাযায়। কবি-সাহিত্যিক ধনাই বৰাই (১৮৭২-১৯৫৬) লিখা আত্মজীৱনীখনৰ পৰা পোৱা যায় যে তেখেতে যেতিয়া গুৱাহাটীত থকা নৰ্মাল স্কুলত ভৰ্তি হৈছিল, তেতিয়া মঙলদৈ এম.ই. স্কুলৰ দুজন জ্যেষ্ঠ ছাত্ৰই তাত নৰ্মাল পঢ়ি আছিল ১৮৮৮ চনত। গতিকে আমি ধাৰণা কৰিব পাৰোঁ যে মঙলদৈ এম. ই.স্কুল তাৰো বহুত আগৰ পৰাই আছিল। ১৮৯৬ চনত মঙলদৈৰ মহকুমাধিপতি আছিল ছাৰ এডৱাৰ্ড গেইট। তেখেতে এই স্কুলখনৰ যত্ন লৈছিল। তাৰ ঠিক পিছতে ৰায় বাহাদুৰ ফণীধৰ চলিহা মঙলদৈত ই.এ.চি. থাকোতে এই স্কুলখনৰ উন্নতিৰ বাবে যত্নপৰ হৈছিল। ১৯০৩ চনত এই এম. ই. স্কুলখনকে হাইস্কুললৈ উন্নীত কৰা হ'ল। কালক্ৰমত পূৰ্বৰ খেৰৰ ঘৰৰ ঠাইত লোহাৰ খুঁটাৰে কেঞ্চি বাটাম লগোৱা টিনৰ চালিৰ মজবুত ঘৰলৈ ৰূপান্তৰিত হ'ল। ছিপাঝাৰৰ অৰবিন্দ চহৰীয়া আছিল এই স্কুলখনত পঢ়া প্ৰথম ছাত্ৰ। পিছৰ কালত তেখেতে কলাইগাঁৱৰ ওচৰত ইংৰাজী চাহ কেম্পানীয়ে প্ৰতিষ্ঠা কৰা নোৱানদী নামৰ চাহ বাগিচাখনত সহকাৰী পৰিচালক হৈছিল। মঙলদৈ হাইস্কুলৰ আৰম্ভণিৰ সময়ত পূৰ্ববংগৰ বৰিশাল জিলাৰ এজন দক্ষতাসম্পন্ন বঙালী ভদ্ৰলোকে হেডমাষ্টৰ হিচাপে অলপ দিন কাৰ্যনিৰ্বাহ কৰিছিল। ইতিমধ্যে ১৯০৫ চনত ছিপাঝাৰৰ ৰমণী বৰুৱাই কলকাতাৰ চিটী কলেজৰ পৰা সংস্কৃত বিষয়ত সোণৰ মেডেলসহ বি. এ. পৰীক্ষাত উত্তীৰ্ণ হ'ল। তেখেত মঙলদৈ মহকুমাৰ প্ৰথম বি. এ. আৰু অবিভক্ত দৰং জিলাৰ দ্বিতীয় বি. এ. উপাধিধাৰী। কথিত আছে যে বৰুৱা বি. এ. পাছ কৰা খবৰ পাই মঙলদৈৰ মানুহ আনন্দত উত্ৰাৱল হৈছিল। বৰুৱা কলকাতাৰ পৰা ষ্টিমাৰযোগে আহি খাৰুপেটীয়া জাহাজঘাট পালত ছিপাঝাৰৰ জনসাধাৰণে ঢোল-বৰতাল-ডবা বজাই তেখেতক আদৰি ঘৰলৈ লৈ আহিছিল। তেতিয়া যান-বাহন নাছিল আৰু আদৰি অনা মানুহবোৰে প্ৰায় ৬০ কিলোমিটাৰ অহা-যোৱা বাট খোজ কাঢ়িছিল।

ৰমণী বৰুৱা সভা শুৱনি আৰু ব্যক্তিত্বসম্পন্ন পুৰুষ আছিল। চৰকাৰে তেখেতক যাচি দিয়া মাটিৰ হাকিমৰ পদ গ্ৰহণ নকৰি মঙলদৈ হাইস্কুলত প্ৰধান শিক্ষক হিচাপে সোমাই শিক্ষকতাকে তেখেতৰ জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰিলে। তেখেতে ১৯৩৯ চনত মঙলদৈ হাইস্কুলৰ পৰা অৱসৰ গ্ৰহণ কৰে। কম সময়ৰ বাবেহে তেখেতে গোৱালপাৰাৰ পৃথ্বিৰাজ চৰকাৰী হাইস্কুল গুৱাহাটীৰ কটন কলেজিয়েট হাইস্কুল আৰু উত্তৰ লখিমপুৰ চৰকাৰী হাইস্কুললৈ বদলি হৈছিল। তেখেতে সুদীৰ্ঘকাল মঙলদৈ হাইস্কুলখন পৰিচালনা কৰি এখন জাকত জিলিকা অনুষ্ঠানলৈ ৰূপান্তৰিত কৰি খ্যাতি অৰ্জন কৰিছিল। সেই দিনত সমগ্ৰ মঙলদৈ মহকুমাত উচ্চ শিক্ষাৰ বাবে একমাত্ৰ মঙলদৈ হাইস্কুলখনহে আছিল। ১৯২৭ চনত মঙলদৈ হাইস্কুলখনক চৰকাৰী মৰ্যাদা দিয়া হ'ল। ১৯০৭ চনত মঙলদৈ হাইস্কুলৰ পৰা নন্দৰাম ডেকাই ৪ টা বিষয়ত লেটাৰ পাই এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈছিল। বোধকৰো তাৰ আগৰ বছৰ অৰবিন্দ চহৰীয়াই এই পৰীক্ষাত উত্তীৰ্ণ হৈছিল। ১৯১০ চনৰ পৰা এই কঠিন এণ্ট্ৰেন্স পৰীক্ষা উঠি গৈ মেট্ৰিক পৰীক্ষা অসমত আৰম্ভ হ'ল। ১৯১০ চনত মঙলদৈ হাইস্কুলৰ পৰা ৭ জন ছাত্ৰই মেট্ৰিক পৰীক্ষাত সুকলমে উত্তীৰ্ণ হৈছিল। তেওঁলোক আছিল মুক্তাৰাম চহৰীয়া, শিক্ষক কালিৰাম দাস, আৰক্ষী বিষয়া প্ৰদীপ ৰায় ডেকা, সমাজসেৱী হলিৰাম চহৰীয়া, দধিৰাম শৰ্মা, খড়্গেশ্বৰ শৰ্মা আৰু সোণেশ্বৰী গোস্বামী। সুসাহিত্যিক অধিবক্তা তপেশ্বৰ শৰ্মা আৰু পূৰ্ণানন্দ ৰাজখোৱাই ১৯১২ চনত মঙলদৈ হাইস্কুলৰ পৰা মেট্ৰিক পাছ কৰিছিল। ১৯১৪ চনত জয়নাথ শৰ্মা পেস্কৰ আৰু ছাৰ্ভেয়ৰ গংগাৰাম ডেকাই লেটাৰসহ প্ৰথম বিভাগত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈছিল। ডেকা এজন সু অভিনেতা আছিল। আৰু তেখেতৰ খুহুতীয়া কথাৰ অভিনয় আছিল অনন্য। আমি হাইস্কুলত পঢ়ি থাকোতে এবাৰ ডেকাই আমাক কৈছিল যে তেখেতসকলৰ সময়ত মেট্ৰিক পৰীক্ষাত মঙলদৈ হাইস্কুলত বহুতো মেধা সমুজ্জ্বল ছাত্ৰই ভিৰ কৰিছিল আৰু পৰৱৰ্তী জীৱনকালত সৌৰভ বিলাইছিল। যোৱা শতিকাৰ কুৰিৰ দশকৰ তেনে কেইজনমান ছাত্ৰ হ'ল– বদৰুদ্দিন আহমদ, আব্বাছ আলী, নবীন শৰ্মা, পুৰন্দৰ শৰ্মা, সীতাৰাম শৰ্মা, বাসৱ বৰুৱা, দীননাথ চহৰীয়া, চন্দ্ৰ বৰুৱা, বানেশ্বৰ ডেকা, কুলেন্দ্ৰ নাৰায়ণ দেৱ, ৰবিৰাম চহৰীয়া, বিপিন চন্দ্ৰ মেধি, দেৱেন্দ্ৰ নাৰায়ণ দেৱ, বীৰেশ্বৰ শৰ্মা। ১৯৩০ চনত টংলাৰ ভগৱান সিং নামৰ এজন প্ৰবল প্ৰতিভাসম্পন্ন ছাত্ৰ মেট্ৰিক পৰীক্ষাত অসম ভেলীৰ পৰা প্ৰথম হৈ কলকাতা বিশ্ববিদ্যালয়ত উচ্চ স্থান অধিকাৰ কৰিবলৈ সমৰ্থ হৈছিল। দুখৰ বিষয় যে কটন কলেজত দ্বিতীয় বাৰ্ষিকত পঢ়ি থকা অৱস্থাত দুৰাৰোগ্য যক্ষ্মা ৰোগত আক্ৰান্ত হৈ তেখেতৰ মৃত্যু হয়। ১৯৫৩ চনত বৰদা শৰ্মাই মেট্ৰিক পৰীক্ষাত মঙলদৈ হাইস্কুলৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ত দ্বিতীয় স্থান লাভ কৰিবলৈ সমৰ্থ হৈছিল। বিদ্যায়তনিক দিশৰ পৰা কেইবাজনো খ্যাতিমান প্ৰধান শিক্ষকে মঙলদৈ হাইস্কুলত নিজৰ প্ৰতিভা বিস্তাৰ কৰিছিল। তেওঁলোকৰ এজন হ'ল ভৰত চন্দ্ৰ চলিহা। ১৯২২ চনৰ পৰা ১৯২৪ চনলৈ তেখেত মঙলদৈ হাইস্কুলত আছিল। তেখেতৰ 'আইৰণ ডিচিপ্লিন' আছিল অনন্য। নলবাৰীৰ বিখ্যাত হাইস্কুল গৰ্ডনক গঢ়ি

তুলি নিজৰ জীৱনকালতে কিম্বদন্তী হ'বলৈ সক্ষম হোৱা প্ৰধান শিক্ষক ইন্দ্ৰেশ্বৰ বৰঠাকুৰে মঙলদৈ হাইস্কুলত ১৯২৯ চনৰ পৰা ১৯৩১ চনলৈ শিক্ষকতা কৰিছিল। বিশাল ব্যক্তিত্বৰ অধিকাৰী বৰঠাকুৰ আছিল প্ৰতিমা কাৰিকৰ, নাট্যকাৰ আৰু সংগীত সাধক । তেখেতৰ কেইবাখনো হাতেলিখা নাটক মঙলদৈ থিয়েটাৰ হলত মঞ্চস্থ হৈছিল। মঙলদৈ হাইস্কুলত সেৱা আগবঢ়োৱা আনকেইজনমান কৃতী শিক্ষক হ'ল– কল্পনাথ ভূএগ্ৰা, ধনাই বৰা (তেখেতে ১৯২৭ চনত মঙলদৈ হাইস্কুলৰ পৰা অৱসৰ লৈছিল) খুহুতীয়া কথাৰ ভঁৰাল বুদ্ধিৰাম বৰদলৈ সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকা, হৰিমোহন তালুকদাৰ, গোলাই চিৰিজ লিখি খ্যাতি লাভ কৰা শিক্ষাবিদ কুমুদেশ্বৰ বৰঠাকুৰ , অংকশাস্ত্ৰ বিশাৰদ চন্দ্ৰনাথ দত্ত ফুকন, হেমধৰ গগৈ , ধৰ্মনাথ শাস্ত্ৰী, দীননাথ চহৰীয়া, কুমুদ বৰদলৈ, চন্দ্ৰ বৰুৱা, ইছাহক আলী, প্ৰসাদ দাস, গোলাপ বৰুৱা, বকদুল আলী, লোহিত চৌধুৰী, ভবানন্দ ৰাজখোৱা, গজেন্দ্ৰনাথ চহৰীয়া, ভুবন গাংগুলী। মঙলদৈ হাইস্কুলৰ কেইজনমান কৃতী ছাত্ৰ হ'ল– পৰলোকগত আৰিফ আলী যিয়ে অসম লোকসেৱা আয়োগৰ অধ্যক্ষ হৈছিল। প্ৰয়াত ভাগ্যধৰ দাসে সৰ্বভাৰতীয় সেৱাৰ পৰীক্ষাত উত্তীৰ্ণ হৈ পোনে পোনে আয়কৰ বিষয়া হৈছিল, শিৱ ৰাজখোৱাই কলকাতা উচ্চ ন্যায়ালয়ৰ বিচাৰপতিৰ আসন শোভা কৰিছিল। মঙলদৈ হাইস্কুলৰ বহুতো ছাত্ৰই এ চি এছ আৰু এ পি এছ বিষয়া হৈ ৰাজ্যখনলৈ সেৱা আগবঢ়াই আহিছে। ১৯৩৬ চনত মঙলদৈ হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা প্ৰয়াত অতুল চন্দ্ৰ বৰুৱাই অসম সাহিত্য সভাৰ সভাপতিৰ পদ অলংকৃত কৰিছিল। মঙ্গলদৈৰ ওচৰৰ পকাবামিপাৰা গাঁৱৰ যোগেশ্বৰ হাজৰিকাই মঙলদৈ হাইস্কুলৰ পৰা ১৯৩৮ চনত মেট্ৰিক পাছ কৰি কলকাতা মহানগৰীত এতিয়ালৈকে থিতাপি লৈ লোকহিতৈষী হিচাপে জনপ্ৰিয়তা আৰু সকলোৰে পৰা শ্ৰদ্ধা লাভ কৰিছিল। তেওঁ হাইস্কুলীয়া ছাত্ৰ থাকোতে দিল্লীত বহা জাম্বুৰীত যোগ দিয়াৰ সৌভাগ্য লাভ কৰিছিল। 'জাগৃতি' আলোচনীৰ সম্পাদক আৰু মঙলদৈৰ সাংবাদিকতাৰ বাটকটীয়া গোবিন্দৰাম ডেকা, মঙলদৈ হাইস্কুলৰ ছাত্ৰ। খেলা ধূলাতো মঙলদৈ হাইস্কুলে সুনাম আৰ্জিছিল। বিশেষকৈ ফুটবল আৰু ভলীবলত। ত্ৰিছৰ দশকত মঙলদৈ হাইস্কুলৰ ছাত্ৰ যাদৱ চন্দ্ৰ বৰুৱা আছিল অসমৰ বিখ্যাত ফুটবল খেলুৱৈ। সেইদৰে সুৰেন দাস, বীৰেন দাস, ত্ৰৈলোক্য শৰ্মা আৰু ৰত্ন কোঁৱৰো আছিল আগশাৰীৰ ফুটবল খেলুৱৈ মঙলদৈ হাইস্কুলৰ ছাত্ৰ হেমন্ত দত্ত এজন প্ৰথম শ্ৰেণীৰ নাট্যকাৰ, পৰিচালক আৰু অভিনেতা। এইখিনিতে এটা কথা উল্লেখ কৰা প্ৰয়োজন যে আগতে মঙলদৈ হাইস্কুলখন এতিয়াৰ সদৰ আৰক্ষী থানাখনত আছিল। ১৯৩১-৩২ চনত বৰ্তমান হাইস্কুল তথা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় থকা ঘৰটোলৈ স্থানান্তৰিত কৰা হয়। ●

*(লেখক মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা অসম অসামৰিক সেৱাৰ এগৰাকী অৱসৰপ্ৰাপ্ত বিষয়া)*

## মোৰ তিনি দশকৰ আগৰ

# নেপাল ভ্ৰমণ

'আমাৰ অসম'ৰ ৯ মে' তাৰিখত নিৰ্মল চাহেৱালাই 'নেপালৰ নিৰ্বাচন আৰু ভাৰতৰ আভ্যন্তৰীণ সুৰক্ষা' নামৰ প্ৰবন্ধটিত তেখেতে ১৯৯২ চনত প্ৰথমবাৰ নেপাল ভ্ৰমণৰ কথা উল্লেখ কৰিছে । ১৯৬৯ চনত মই নেপাল ভ্ৰমণ কৰিছিলো। মই আৰু লগত আছিল সহযাত্ৰী হিচাপে মোৰ ভনী হেমলতা ভেকা। তেতিয়া মই চিদলী ৰাজহ চক্ৰত চক্ৰ বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰিছিলো। সেই সময়ত শিলিগুৰিৰ সীমাত থকা নেপালৰ পৰা নেপালৰ ৰাজধানী কাঠমাণ্ডুলৈ ৰজা ত্ৰিভুবন পথটোৰ বাছ চালু হৈছিল যদিও বাছ যাত্ৰা বৰ সুচল নাছিল। আমি ৰে'লযাত্ৰাকে বাছি ল'লোঁ। আমি গুৱাহাটীৰ পৰা আছাম মেইলেৰে যাত্ৰা কৰি শিলিগুৰি হৈ বিহাৰত সোমালো আৰু যোগবাণী ৰে'ল ষ্টেচনত পুঁৱতি নিশা নামিলোঁ। লগে লগে বাছত উঠি নেপাল সীমান্তত প্ৰৱেশ কৰি ভাৰতীয় মুদ্ৰা নেপালী মুদ্ৰালৈ সলালোঁ। তাৰ পৰা অটোৰিক্সাৰে নেপালৰ তৃতীয় প্ৰধান চহৰ বিৰাট নগৰলৈ যাত্ৰা কৰিলোঁ। এই দহ কিলোমিটাৰ ৰাস্তাত বাছ চলা নেদেখিলো আৰু আমাৰ পৰাও কোনো পাৰ-পত্ৰ আদি বিচৰা নাছিল। বিৰাট নগৰৰ দোকানবোৰত বিদেশী বস্তুৰ পয়োভৰ দেখিবলৈ পালো। নতুনকৈ হোৱা বিৰাট নগৰখন তেতিয়া ঠন ধৰিছেহে মাত্ৰ। চহৰখন ভৈয়ামত অৱস্থিত।

আমি নিশাটো হোটেল এখনত কটাই পিছদিনা পুৱাৰ ভাগত আকাশীযানেৰে কাঠমাণ্ডুলৈ যাত্ৰা কৰিলো। আমি আকাশীযানখনৰ বহা চিটৰ সোঁফালে হিমালয়ৰ বৰফে আগুৰা ধাৰ নিছিগা শাৰী শাৰী শৃংগবোৰ আৰু শুকুলা মেঘৰ অপৰূপ দৃশ্যবোৰ মনপ্ৰাণ ভৰি উপভোগ কৰিছিলো। মনত ভাব হৈছিল আমি যেন কোনোবা এখন ভূ-স্বৰ্গতহে আছোঁ। আমি কাঠমাণ্ডুৰ বিমানকোঠত অৱতৰণ কৰি চাৰিওফালৰ পাহাৰৰ দৃশ্য দেখি আপ্লুত হ'লো। বিমানকোঠাত দেখিবলৈ পালোঁ অসংখ্য হিপ্পীৰ পয়োভৰ। এই হিপ্পী ডেকা-গাভৰুবোৰ চাহাবৰ দেশবোৰৰ পৰা অহা। ইউৰোপ, আমেৰিকাৰ পৰা অহা আকাশী যানবোৰৰ পৰা হিপ্পী ল'ৰা-ছোৱালীবোৰ উঠা-নমা কৰা দেখিলো। তেওঁলোকে পিন্ধা পোছাকবোৰ বিচিত্ৰ আছিল আৰু পিন্ধা পোছাকবোৰৰো কোনো লাগ-বান্ধ নাছিল।

কাঠমাণ্ডুৰ আমি এখন হোটেলত উঠিলো আৰু তাৰ পৰা বিখ্যাত পশুপতি নাথ মন্দিৰকে প্ৰমুখ্য কৰি চাব লগা ঠাইবোৰলৈ গ'লোঁ। সেই সময়তে নেপাল সীমান্তৰ পৰা তিব্বতলৈ যোৱা ৰাস্তাটো হৈ উঠিছিল যদিও কিছুমান যাত্ৰীকহে তিব্বত সীমান্ত পৰ্যন্ত যাবলৈ দিছিল। অকোৱা-পকোৱা আৰু সু-উচ্চ পাহাৰ আৰু গিৰিপথেৰে যোৱা এই ৰাস্তাটো হেনো কাৰিকৰী বিদ্যাত পাৰ্গত চীনা ইঞ্জিনিয়াৰসকলে নিৰ্মাণ কৰিছিল। এই ৰাস্তাটো হেনো পাকিস্তানত চীনাসকলে কাৰোকোৰাম পৰ্বতৰ ওপৰেদি বনোৱা বিস্ময়কৰ ৰাস্তাটোৰ সৈতে তুলনা কৰিব পাৰি।

কাঠমাণ্ডু চহৰত অলিয়ে-গলিয়ে হিপ্পীসকলৰ অবাধ বিচৰণ কৰা দেখিছিলো। তেওঁলোকে নেপালত পোৱা সাধাৰণ পণ্য দ্ৰব্যবোৰকে ভোজন কৰা দেখিছিলো। ৰাজধানীৰ সোঁ-মাজত থকা এটা পাহাৰৰ সৰু টিলা এটাত থকা বুদ্ধ মন্দিৰ এটাত হিপ্পী ল'ৰা-ছোৱালীবোৰে ঠাহ খাই থকা দেখিবলৈ পাইছিলো। পিছত অৱশ্যে হিপ্পীৰ উত্থান নিজে নিজে শাম কাটিছিল। চহৰখনত বিয়াগোম ৰাস্তা কিছুমান পৃথিবীৰ বিভিন্ন দেশবোৰ যেনে--চীন, ভাৰত ,ৰাছিয়া, যুক্তৰাষ্ট্ৰ, ব্ৰিটেইন, আদি দেশবোৰে নিজৰ টকাৰে নিৰ্মাণ কৰি দিছিল। কাঠমাণ্ডুত তেতিয়া বিদেশী গাড়ীৰ পয়োভৰ দেখিলো। কেতিয়াবা দুই-এখনহে ভাৰতত নিৰ্মিত এম্বেছেডৰ কাৰ দেখা গৈছিল। কাঠমাণ্ডুৰ দোকানবোৰত বিদেশত নিৰ্মিত বিভিন্ন বস্তুৰ উভৈনদী হৈ থকা পৰিলক্ষিত হয়। চীনা সামগ্ৰীৰ সুকীয়া দোকান কিছুমান আছিল। কিন্তু বিদেশী সামগ্ৰী পোৱা দোকানবোৰ ভাৰতীয় ব্যৱসায়ীসকলে যেনে-সিন্ধি,গুজৰাটী আৰু মাৰোৱাৰীসকলে নিয়ন্ত্ৰণ কৰা দেখা গৈছিল। মই ভ্ৰমণ কৰা সময়ত কাঠমাণ্ডুৰ নেপালী ব্যৱসায় প্ৰতিষ্ঠান নাছিল বুলিয়েই হয়। তেতিয়াও তেওঁলোকৰ ব্যৱসায়-বাণিজ্যত হাত দিব পৰা অৱস্থা এটা হোৱা নাছিল। অৱশ্যে সেই সময়টো নেপালৰ বাবে আছিল এটা transition period । নেপালত তেতিয়া লেখত ল'ব লগা কোনো উদ্যোগ গঢ়ি উঠা নাছিল। খাদ্যসম্ভাৰকে আৰম্ভ কৰি সিংহভাগ বয়-বস্তু ভাৰতৰ পৰা গৈছিল। কিন্তু নেপাললৈ আমদানি হোৱা ইউৰোপ, আমেৰিকাকে ধৰি চীনা বস্তুবোৰ শতকৰা ৯০ ভাগেই চোৰাং বাটেৰে ভাৰতলৈ আহিছিল, কিয়নো নেপালৰ জনসাধাৰণ আছিল আৰ্থিকভাৱে অতি দুৰ্বল আৰু বিলাসী বস্তু ক্ৰয় কৰাৰ সামৰ্থ্য তেওঁলোকৰ নাছিল।

এদিন ঢলপুৱাতে টুৰিষ্ট জীপত উঠি আমি থকা হোটেলখনৰ পৰা ৫০ কিলোমিটাৰ দূৰৈত থকা এখন আওহতীয়া গাঁৱলৈ গৈ এভাৰেষ্টৰ সূৰ্যোদয় চাবলৈ গৈছিলোঁ। ঠাইখনত বিদেশী পৰ্যটকেৰে ঠাহ খাই আছিল। কিন্তু গাঁওখনৰ নেপালী বাসিন্দাৰ ভাৰতীয় মানুহৰ প্ৰতি এটা বিৰূপ ভাব থকা দেখা গৈছিল।

আমি কাঠমাণ্ডুত মাত্ৰ এখনহে চীনা ৰেষ্টুৰেন্ট দেখা পাইছিলো যদিও খাদ্য সামগ্ৰী উচ্চ মানৰ নাছিল। এদিন নিশাৰ সাঁজ চীনা ৰেষ্টুৰেন্টখনত খাইছিলো। তেতিয়া নেপাল ৰেডিঅ'ত সঘনে ৰজাৰ গুণ-গান গাই থকা শুনিছিলো। সেই সময়ত অৰ্থাৎ ১৯৫০ চনৰ পৰা শতিকাজোৰা নেপাল প্ৰধান মন্ত্ৰী (মহাৰাণা) সকলৰ শাসন আৰু শোষণৰ অন্ত পৰিছিল। আমাৰ ওভতনি যাত্ৰা অহা বাটেৰেই সম্পন্ন কৰা হৈছিল। বিৰাট নগৰত এখন হোটেলত ৰাতি যাপন কৰোঁতে কেইজনমান শিক্ষিত নেপালী ডেকাৰ লগত পৰিচয় হৈছিল। তেওঁলোকৰ লগত চিনাকি হৈ কথা-বাৰ্তা পাতোতে ৰাজতন্ত্ৰৰ প্ৰতি থকা তেওঁলোকৰ বিৰূপ ভাববোৰ প্ৰকাশ পাইছিল অৱশ্যে অতি সংগোপনে।

আজিৰ পৰা ৩৯ বছৰ আগতে কৰা নেপাল ভ্ৰমণ ৰামধেনুৰ দৰেই খন্তেকীয়া আছিল যদিও সেই স্মৃতি মোৰ মনত এতিয়াও সজীৱ হৈ আছে।●

*( ইং ২৪-০৫-২০০৮ তাৰিখৰ 'আমাৰ অসম' কাকতত প্ৰকাশিত)*